# দক্ষিণ পট

অষ্টচত্বাৰিংশত্তম প্ৰকাশ || ২০১৯-২০ ইং বৰ্ষ



সম্পাদক
প্ৰজ্ঞান চৌধুৰী

# সম্পাদনা সমিতি

## দক্ষিণ পট

অষ্টচত্বাৰিংশত্তম প্ৰকাশ ঃ ২০১৯-২০


ড° নৱজ্যোতি দাস
উপদেষ্টা


ড° জিলমিল বৰা
তত্বাৱধায়িকা


ড° নমিতা শৰ্মা
শিক্ষক সদস্য


দেৱেন্দ্ৰ শৰ্মা
শিক্ষক সদস্য


প্ৰজ্ঞান চৌধুৰী
সম্পাদক


ড° অদিতি দেৱী চৌধুৰী
শিক্ষক সদস্য


সুশীল তালুকদাৰ
শিক্ষক সদস্য


ধনমণি দাস
সম্পাদনা সহযোগী


এড্‌বাৰ্ড ষ্টেভ্ৰী এন্ চাংমো
শিক্ষক সদস্য


ইলোৰা চৌধুৰী
শিক্ষক সদস্য


ৰিমলি ৰিদ্ধা পাঠক
সম্পাদনা সহযোগী


প্ৰাঞ্জনা কলিতা
সম্পাদনা সহযোগী


নিৰুপম দাস
সম্পাদনা সহযোগী


জিন্টু দাস
সম্পাদনা সহযোগী


জিন্তু দাস
চিত্ৰশিল্পী


আছিফ আলী
চিত্ৰশিল্পী

# দক্ষিণ পট

অষ্টচত্বাৰিংশত্তম প্ৰকাশ || ২০১৯-২০ ইং বৰ্ষ

## দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# DAKSHIN PAT

**An Annual Publication, Dakshin Kamrup College**

**Vol.- 48 : 2019-2020**


**ড° জিলমিল বৰা**
তত্ত্বাৱধায়িকা

**প্ৰজ্ঞান চৌধুৰী**
সম্পাদক




# দক্ষিণ পট

**অষ্টচত্বাৰিংশত্তম সংখ্যক প্ৰকাশ**
**২০১৯-২০২০ ইং বৰ্ষ**

## প্ৰকাশৰ আঁৰত...

| | |
|---|---|
| উপদেষ্টা | ঃ ড° নৱজ্যোতি দাস |
| তত্ত্বাৱধায়ক | ঃ ড° জিলমিল বৰা |
| সম্পাদক | ঃ প্ৰজ্ঞান চৌধুৰী |
| শিক্ষক সদস্য | ঃ ড° নমিতা শৰ্মা |
| | ঃ দেৱেন্দ্ৰ শৰ্মা |
| | ঃ ড° অদিতি দেৱী চৌধুৰী |
| | ঃ সুনীল তালুকদাৰ |
| | ঃ এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| | ঃ ইলোৰা চৌধুৰী |
| সম্পাদনা সহযোগী | ঃ ধনমণি দাস |
| | ঃ ৰিমলি ৰিছা পাঠক |
| | ঃ প্ৰাঞ্জনা কলিতা |
| | ঃ নিৰুপম দাস |
| | ঃ জিন্তু দাস |
| বেটুপাত অংকন আৰু স্কেচ্ছ্ | ঃ অছিফ আলী আৰু জিণ্টু দাস |
| অলংকৰণ | ঃ সম্পাদনা সমিতি |
| সামগ্ৰিক পৰিকল্পনা | ঃ সম্পাদক |
| মুদ্ৰণ | ঃ শ্ৰীবিষ্ণু অফছেট প্ৰেছ<br>মিৰ্জা-৭৮১১২৫<br>ই-মেইল ঃ bishnuoffsetmirza@gmail.com |

### প্ৰচ্ছদ চিন্তা

সংকটকালীন সময়ছোৱাত বিপৰ্যস্ত বৰ্তমান আৰু সংশয়পূৰ্ণ ভৱিষ্যতে মানুহ আৰু পৃথিৱীক নিজৰ অস্তিত্ব সম্পৰ্কে সন্দিহান কৰি তুলিছে। তাৰ মাজতে সীমাহীন হতাশা-নিৰাশা, অব্যক্ত দুখ-বেদনা, বন্দিত্বই মানুহৰ জীৱনলৈ চৰম অস্থিৰতা আৰু আত্মসংকট কঢ়িয়াই আনিছে; কিন্তু তাৰ মাজতো এই সংকটক নেওচি প্ৰত্যয় আৰু প্ৰত্যাশাৰ পোহৰেৰে উজ্জীৱিত হৈ মানুহে ভৱিষ্যতৰ সোণালী পথ বীক্ষণৰ স্বপ্ন দেখিছে। ঈশ্বৰ এই যাত্ৰাপথত প্ৰধান সহযোগী। মূৰ্ত-বিমূৰ্ত প্ৰতিটো অৱস্থাতে ঈশ্বৰেই যেন মানুহৰ প্ৰধান সাৰথি আৰু আশা, তাক মানুহে যেন প্ৰতিটো ক্ষণতে হৃদয়ত কঢ়িয়াই ফুৰিছে। 'দক্ষিণ পট'ৰ ৪৮ সংখ্যক প্ৰকাশৰ প্ৰমুখ পৃষ্ঠাই গভীৰ নিৰাশাবাদৰপৰা দিগন্তৰ অন্তহীন আশাবাদলৈ মানুহ নিজেই যে এক অবিৰত যাত্ৰা— তাকেই সূচাইছে।

**বিঃদ্ৰঃ-** ■ এইবেলিৰ ৪৮ সংখ্যক 'দক্ষিণ পট'ত প্ৰকাশিত লেখাসমূহ লেখা আহ্বানৰ বাবে জাননীযোগে দিয়া চৰ্তসমূহ মানি মৌলিকভাৱে ৰচনা কৰা বুলি ভাবিয়েই নিৰ্বাচন কৰা হৈছে। সেয়ে লেখাসমূহৰপৰা সৃষ্টি হোৱা যি কোনো বিতৰ্ক আৰু বিসংগতিৰ বাবে সম্পাদনা সমিতি দায়ী নহ'ব; সংশ্লিষ্ট লেখক-লেখিকাসকল দায়বদ্ধ হ'ব।

■ দক্ষিণ কামৰূপ দৰ্পণ শিতানত সংযোজিত ফটোসমূহৰ একাংশ আৰু বিভিন্ন প্ৰবন্ধসমূহৰ স'তে সংযোজিত ফটোসমূহ ইণ্টাৰনেটৰপৰা সংগ্ৰহ কৰা হৈছে।

—সম্পাদক

# উৎসর্গা

"অন্তৰৰ জ্যোতিৰ গৌৰৱ মই নকৰোঁ
বাহিৰৰ এন্ধাৰেও মোক ভয় নুখুৱায়
মই জানো
মোৰ দৈনন্দিন মৃত্যু।"

—নৱকান্ত বৰুৱা

ক'ভিডকালীন সময়ছোৱাত মৃত্যুবৰণ কৰা প্ৰতিজন নিৰীহ মানুহ,
কৰ্মহাৰা হৈ প্ৰব্ৰজিত মৃত শ্ৰমিক আৰু ক'ভিড যোদ্ধাসকলৰ
পবিত্ৰ স্মৃতিত
'দক্ষিণ পট'ৰ ৪৮ সংখ্যক প্ৰকাশটি
সশ্ৰদ্ধাৰে উৎসৰ্গিত কৰা হ'ল।

**—সম্পাদনা সমিতি**
'দক্ষিণ পট'

# শ্ৰদ্ধাঞ্জলি



'কা' আন্দোলনৰ জাতীয় পঞ্চশ্বহীদ : দীপাঞ্জল দাস, চেম ষ্টেফৰ্ড, দ্বীজেন্দ্ৰ পাংগিং, ঈশ্বৰ নায়ক আৰু আব্দুল আলিম



প্ৰণৱ মুখাৰ্জী
প্ৰাক্তন ৰাষ্ট্ৰপতি



তৰুণ গগৈ
প্ৰাক্তন মুখ্যমন্ত্ৰী, অসম



গগন চন্দ্ৰ অধিকাৰী
শিশু সাহিত্যিক
সত্ৰাধিকাৰ, কাটৰামাৰী সত্ৰ



নাৰায়ণ চন্দ্ৰ গোস্বামী
সত্ৰাধিকাৰ, নতুন কমলাবাৰী সত্ৰ



অৰ্চনা মহন্ত
সুকণ্ঠী গায়িকা



অনিল ৰায়চৌধুৰী
বিশিষ্ট সাহিত্যিক



ড° কপিলা বাৎসায়ন
কলা-সংস্কৃতিৰ বিশাৰদ



শশী শৰ্মা
অধ্যাপক, চিত্ৰকৰ, লেখক



ড° কমলেশ পাঠক
অধ্যাপক, বিশিষ্ট ভাষাবিদ



ডিয়েগো মাৰাডোনা
বিশ্ববিখ্যাত ফুটবলাৰ
আৰ্জেণ্টিনা



ঋষি কাপুৰ
বিশিষ্ট বলীউদ অভিনেতা



ইৰফান খান
বিশিষ্ট বলীউড অভিনেতা



সুশান্ত সিং ৰাজপুত
বিশিষ্টবলীউড অভিনেতা

লগতে
অধ্যাপক ড° ভাৰত চন্দ্ৰ কলিতা, সংগীতজ্ঞ ৰাজিদ খান, ড° ৰাহত ইন্দোৰী, বিহু বিশেষজ্ঞ জয়কান্ত গন্ধীয়াৰ উপৰিও
দেশমাতৃৰ বাবে জীৱন আহুতি দিয়া ভাৰতীয় সেনা বাহিনীৰ বীৰ জোৱানসকল
আৰু অন্যান্য জ্ঞাত-অজ্ঞাত পৰলোকগামী মহান ব্যক্তিসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰি
গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

—সম্পাদনা সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
pjhandique@rediffmail.com



# MESSAGE

I have the pleasure to offer my appreciation to the *Dakshin Kamrup College, Mirza* for its effort to publish the College Magazine "DAKSHIN PAT (2019-2020)". The College magazine incorporates articles of the college students and the faculty members. I believe this publication will be a strong medium for both the students and the faculty members of the college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and the teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

P. J. Handique

Date: 30.11.2021

(Pratap Jyoti Handique)

**Address** :Gopinath Bardoloi Nagar
Jalukbari, Guwahati-781014
Assam:India

**Phone** : 0361 257 0412

**Web** : www.gauhati.ac.in

**Mr. Hemanga Thakuria,** M.Sc, L.LB, MBA
MLA, 50 No. Palasbari Constituency, Assam

98640-24976 / 86382-32601(M)
E-mail: hemangat@rediffmail.com

সত্যমেৱ জয়তে

Ref.

Date: 10/11/2021



# শুভেচ্ছাবাণী

দক্ষিণ কামৰূপ মহাবিদ্যালয় মুখপত্ৰ 'দক্ষিণ পট'ৰ ৪৮ তম সংখ্যাটি প্ৰকাশ পাব বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ।

অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে দক্ষিণ কামৰূপ মহাবিদ্যালয় জনাজাত। মই দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে গৌৰৱবোধ কৰোঁ। দক্ষিণ পট মুখপত্ৰত অতীজৰপৰা শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলে উন্নতমানৰ লিখনিৰে মুখপত্ৰখনৰ মানদণ্ড যথেষ্ট উচ্চস্তৰলৈ লৈ গৈছে। আশা কৰিছোঁ— ৪৮ তম সংখ্যাটিত প্ৰকাশিত লিখনিসমূহেও পাঠক সমাজলৈ বিশেষ বাৰ্তা প্ৰেৰণ কৰিব। ইতি—

হেমাংগ ঠাকুৰীয়া

M.L.A
50 No. Palasbari L.A.C

# আশাবাদ পোষণৰপৰা জীৱনবোধৰ উপলব্ধিলৈ



"আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস
আমাৰ আছে ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্যৰ পিনে চকু
বৰ্তমানৰ নিৰালম্ব নিৰাশক্তিৰ
বিকৃত জঞ্জাল লই
জীয়াৰ বুকুত,
আমাৰ দুৰু দুৰু স্পন্দমান অন্তৰতো আছে
শতেক ভৰসা।"

—অমূল্য বৰুৱা

## পদূলিমুখতে—

চৌদিশৰ বিপৰ্যস্ত, প্ৰদূষিত পৰিবেশ, হতাশা-নিৰাশাৰ পিচতো মানুহ, সমাজ আৰু পৃথিৱীখনক সত্য-সুন্দৰ ৰূপে উপলব্ধি কৰিবলৈ আমাৰ মাজত থাকে গভীৰ আশাবাদ আৰু এটা সু-সংস্কৃত মন। মানৱীয় সংকট, বিচ্ছিন্নতা তথা সাম্প্ৰদায়িক বৈবিধ্যতাই সমাজ জীৱনত বিমানে দুষ্কৃতিৰ পোহাৰ মেলেলক কিয়, এই প্ৰত্যাহ্বানৰ বিৰুদ্ধে থিয় হৈ ইয়াক নাশিবলৈ কিন্তু এটা আশাবাদী আৰু দূৰদৰ্শী প্ৰজন্মৰ সক্ৰিয়তা যুগ-যুগান্তৰৰপৰাই আমাৰ মাজত বিদ্যমান। সন্দেহ নাই যে ইয়াৰ ভিতৰত আমাক জীৱন দি ৰাখি উত্তৰণৰ স্বৰ্ণিল পথত বাট বুলাৰ অমল প্ৰেৰণা যোগোৱা শিল্প-সাহিত্য-সংস্কৃতিও এইক্ষেত্ৰত অন্যতম প্ৰধান সমল। এই শিল্প-সাহিত্য-সংস্কৃতিয়েই এটা সুস্থ ৰুচিসম্মত পৰিবেশৰ গঢ় দি নিৰ্মাণ কৰি তোলে আমাৰ মানুহ—প্ৰজন্ম আৰু সমাজ।

## দুৰ্বহ সময় আৰু শিক্ষাৰ্থী সমাজ—

বৰ্তমানৰ আমাৰ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ ছাত্ৰ জীৱন অতিবাহিত হৈছে নানান খামখেয়ালি আৰু দোমোজাৰ মাজেৰে। প্ৰচলিত অধ্যয়ন পদ্ধতিৰপৰা হঠাৎ ছাত্ৰ সমাজে জাঁপ দিবলগীয়া হৈছে অন্য এক অধ্যয়ন পদ্ধতিলৈ। প্ৰবল বেগেৰে হোৱা আমাৰ সমাজ জীৱনৰ পৰিবৰ্তনেই হৈছে ইয়াৰ প্ৰধান কাৰণ। যি ছাত্ৰ সমাজে ঘাইকৈ মুখস্থ বিদ্যাৰ জোৰতে স্কুল-কলেজৰ পৰীক্ষাত উত্তীৰ্ণ হৈ আহিছিল, তেওঁলোকে বৰ্তমানৰ এই গোলকীয় পৃথিৱীৰ লগত তাল মিলাই চলিব পৰা হৈছে। এক-দুই বছৰৰ ভিতৰতেই ছাত্ৰ সমাজে কেৱ/কা আন্দোলনৰপৰা আৰম্ভ কৰি মহামাৰীৰ পিচত হোৱা অফ্‌লাইন শ্ৰেণীকোঠাৰপৰা অনলাইন শ্ৰেণীকোঠালৈ হোৱা ৰূপান্তৰ, পৰীক্ষা অনুষ্ঠিত নোহোৱাকৈ উত্তীৰ্ণ হোৱা আদি এশ-এবুৰি ঘটনা-দৃশ্যৰ প্ৰত্যক্ষ সাক্ষী হৈছে। উল্লেখনীয় কথাটো হ'ল যে, শিক্ষাজগতৰ এই বৃহৎ ঘটনা আৰু ৰূপান্তৰবোৰ মাত্ৰ এক-দুই বছৰৰ ভিতৰতেই হোৱা।

# সম্পাদকীয় চিন্তা...

মহামাৰীৰ সময়ত বিদ্যালয়-মহাবিদ্যালয়ত প্ৰায় আঠ মাহজুৰি পাঠদান বন্ধ হৈ আছিল। এই সময়ছোৱাত ছাত্ৰ সমাজৰ হাতত আছিল অফুৰন্ত সময়। আচলতে ইমান দীৰ্ঘকাললৈ পোৱা অফুৰন্ত সময় আৰু সংগহীনতা আছিল ছাত্ৰ সমাজৰ বাবে এক বৰলাভস্বৰূপ। আদিতেও সংগহীনতা আৰু সময়ৰ সদ্ব্যৱহাৰ কৰি চিৰস্মৰণীয় হৈ থকা লোকৰ উদাহৰণ সমাজত অলেখ আছে। উদাহৰণস্বৰূপে সোঁতৰশ শতিকা, যি সময়ছোৱা পশ্চিমৰ জগতত বিশেষকৈ ইংলেণ্ডত বৌদ্ধিক বিকাশৰ এক প্ৰমুখ সময় আছিল। সোঁতৰশ শতিকাত যি দুই-এজন ব্যক্তি প্ৰবল কৃচ্ছ্ৰ সাধনা আৰু শ্ৰমেৰে প্ৰসিদ্ধ হৈছিল, তাৰ ভিতৰত এজন হৈছে ছাৰ আইজাক নিউটন। তেওঁ ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ট্ৰিনিটি কলেজত অধ্যয়ন কৰি থকা সময়তেই লণ্ডনত প্লেগ মহামাৰী বিয়পিছিল আৰু তেওঁ লণ্ডন এৰি নিজৰ গাঁৱলৈ গুচি গৈছিল। কোৱা হয় যে, তেওঁৰ এক বিখ্যাত কেলকুলাছ আৰু মহাকৰ্ষণ শক্তিৰ সূত্ৰৰ জন্ম সমসাময়িক জীৱনৰ গভীৰ নিঃসংগতাৰপৰাই হৈছিল। সংগহীনতা বা নিৰ্জনতা আৰু অফুৰন্ত সময়, যি মহামাৰীৰ তলাবন্ধৰ সময়ত ছাত্ৰ সমাজে পাইছে, এইটো তেওঁলোকৰ বাবে দুৰ্ভাগ্য নহয়; বৰঞ্চ সৌভাগ্যহে। দুৰ্ভাগ্য তেওঁলোকৰ বাবেহে, যাৰ ওচৰত জীৱনৰ বুনিয়াদী সুবিধাৰ অভাৱ। অন্য এক উদাহৰণ হ'ল বিংশ শতিকাৰ বংগ ভংগ বিৰোধী হিচাপে কাৰাবাস খটা– অৰবিন্দ ঘোষ। জে'লৰপৰা ওলোৱাৰ পিচৰেপৰা তেওঁ এজন প্ৰসিদ্ধ দাৰ্শনিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। সৰ্বকালৰ চিৰস্মৰণীয় আধ্যাত্মিক দাৰ্শনিক অৰবিন্দ ঘোষৰ আধ্যাত্মিকতা-দাৰ্শনিকতাৰ প্ৰকৃত বীজ ফুটি উঠিছিল তেওঁৰ সেই একান্ত কাৰাবাসৰ সময়তেই। সেইবাবেই কিছু লোকে কয় যে, যেতিয়া আপুনি বাহিৰত যাব নোৱাৰে, তেতিয়া ভিতৰলৈ যাওক। একেদৰে এইবাৰৰ মহামাৰীৰ মাজত পোৱা সময়ক যুৱ সমাজে সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিলে আমাৰ সমাজ উপকৃত হ'ব, চিন্তা কৰাৰ গতি ক্ৰমশঃ বৃদ্ধি পাব।

এয়া অনস্বীকাৰ্য যে, মহামাৰীৰ জটিল ক্ষণত, য'ত সমগ্ৰ বিশ্বজুৰি বিভীষিকাময় পৰিৱেশৰ সৃষ্টি হৈছিল, তেতিয়াই আমাৰ সমাজ জীৱনৰ লগতে মানুহৰ আৰ্থ-সামাজিক কাম-কাজ আৰু ভাৱ-চিন্তাৰ পৰিৱৰ্তন হৈছিল আৰু এতিয়াও পৰিৱৰ্তনৰ প্ৰভাৱ আমাৰ মাজত অখণ্ডনীয়। গতানুগতিকভাৱে চলি অহা পদ্ধতিসমূহ হঠাৎ ৰূপান্তৰ হৈছে। ম'বাইল-ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া, ৱেব ছিৰিজ আদিৰ বহুল প্ৰচলন হৈছে। যুৱ সমাজৰ ৰুচিবোধ সলনি হৈছে। ৰূপান্তৰ হৈছে মানসিকতাৰ। গতিকে সংকটৰ মাজতো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰা মহামাৰীকেন্দ্ৰিক এই ঘটনা-পৰিঘটনাবোৰ বিশেষভাৱে মন কৰিবলগীয়া আৰু স্মৰণীয়ও।

## মুখপত্ৰ 'দক্ষিণ পট'ৰ প্ৰসংগত—

অনেক জন্ম-যন্ত্ৰণাৰ মাজেৰে বিকাশ আৰু সমৃদ্ধিৰ স্তৰলৈ গতি কৰি সাম্প্ৰতিক সময়ত সমগ্ৰ অসমৰ ভিতৰতে জাকত জিলিকা বং-ৰূপেৰে গৌৰৱোজ্জ্বল ৰূপত স্থিতি লাভ কৰা মিৰ্জাস্থিত দক্ষিণ কামৰূপ মহাবিদ্যালয়— প্ৰতিগৰাকী ভিকেচিয়ান, সমগ্ৰ দক্ষিণ কামৰূপবাসীৰ মনত আদৰ-চেনেহ-শ্ৰদ্ধাৰ শিক্ষানুষ্ঠান। দক্ষিণ কামৰূপী ঐতিহ্যৰ সংবাহক, আমাৰ হিয়াৰ আমঠু এই মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ সংহত চিন্তা-চৰ্চা আৰু প্ৰতিভা বিকাশৰ অনন্য ৰংগমঞ্চ 'দক্ষিণ পট'। 'দক্ষিণ পট'ৰ অষ্টচত্বাৰিংশত্তম সংখ্যাৰ সম্পাদক হিচাপে ভিকেচিয়ান সতীৰ্থসকলে আমাক নিৰ্বাচিত কৰিব এই মহত্ত্বপূৰ্ণ কামভাগি সম্পন্ন কৰিবলৈ দিয়াৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। মুখপত্ৰখন সৰ্বাংগসুন্দৰভাৱে সজাই-পৰাই তুলিব পাৰিছোঁ নে নাই, সেয়া বিচাৰৰ ভাৰ সহৃদয় পাঠক, শিক্ষাৰ্থী, শিক্ষাগুৰুসকলৰ ওচৰত; কিন্তু এই সংখ্যাটি প্ৰস্তুত কৰিবলৈ যাওঁতে আপোন কলেজখনৰে স্বাৰ্থত আমি যিমান পাৰোঁ অশেষ শ্ৰম, ত্যাগ আৰু কষ্টৰ মাজেৰে বাট বুলিছোঁ। এয়া যেন এক অবিস্মৰণীয় অভিজ্ঞতা, অনন্য প্ৰাপ্তিহে। সততাৰ মাজেৰে কৰিবলৈ যোৱা অন্য কামৰ দৰে এই কামটোৱেও আমাক জীৱন যাত্ৰাত কৰিব পাৰে অনেক সহায়-সামৰ্থ্য— বঢ়াব পাৰে দায়িত্ববোধ, চেতনাবোধ আৰু জীৱনবোধ। সদৌ শেষত জ্ঞাতে-অজ্ঞাতে হোৱা ক্ৰটি-বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি সম্পাদকীয় চিন্তাৰ মোখনি মাৰিছোঁ।

(প্ৰজ্ঞান চৌধুৰী)
সম্পাদক, দক্ষিণ পট

# কৃতজ্ঞতা সুঁৱৰি

## যিসকলৰ সু-চিন্তিত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাই 'দক্ষিণ পট'ৰ অষ্টচত্বাৰিংশত্তম সংখ্যা প্ৰকাশ হোৱাত অনুপ্ৰেৰণা যোগালে—

তদানীন্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
বৰ্তমানৰ অধ্যক্ষ ড° নৱজ্যোতি দাস

তত্বাবধায়িকা ড° জিলমিল বৰা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক প্ৰতাপজ্যোতি হান্দিকৈ
পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া
বিশিষ্ট অভিনেত্ৰী চেতনা দাস
বিশিষ্ট বস্ত্ৰ ব্যৱসায়ী নৱমোহন দাস

মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকাবৃন্দ ক্ৰমে— অসীম ৰঞ্জন শৰ্মা, অনুজ কলিতা, ইছাহক আলী, মানস প্ৰতিম বৰুৱা, ড° গাৰ্গী চক্ৰৱৰ্তী (ইংৰাজী বিভাগ), মনোজ কুমাৰ দাস, জোন কুমাৰ কলিতা, ড° কমশ্ৰী দাস, হিমাংশু ৰঞ্জন বৰ্মন, চন্দনা শৰ্মা, অপৰ্ণা গোস্বামী, ভাস্বতী শৰ্মা, স্বৰূপজ্যোতি শৰ্মা।

সম্পাদনা সমিতিৰ শিক্ষক সদস্য ক্ৰমে— দেবেন্দ্ৰ শৰ্মা, ড° নমিতা শৰ্মা, ড° অদিতি দেৱী চৌধুৰী, সুনীল তালুকদাৰ, এড্‌ৱাৰ্ড মৈত্ৰী এন্ চাংমা, ইলোৰা চৌধুৰী।

সম্পাদনা সহযোগী ক্ৰমে— ধনমণি দাস, প্ৰাঞ্জনা কলিতা, বিমলি বিষ্ণু পাঠক, জিন্টু দাস, নিৰূপম দাস, জিষ্ণু দাস (চিত্ৰশিল্পী), অছিফ আলী (চিত্ৰশিল্পী)।

যতীন্দ্ৰ মেধি, অৰূপ কুমাৰ দাস, নয়নমণি কলিতা, দেৱজিৎ কলিতা, বসন্ত কলিতা, জিতুমণি কলিতা, ৰমেন কলিতা প্ৰমুখ্যে অনাশিক্ষক কৰ্মচাৰীবৃন্দ।

মোৰ বন্ধু-বান্ধৱীসকল ক্ৰমে— সমৰজ্যোতি কলিতা, হেমাংগ দাস, মৃদুল শিৱম নাথ, সুমন কলিতা, গৌতম ঠাকুৰীয়া, বিমলজ্যোতি দাস, কোকিল দাস, নিনমণি দাস, অৰূপ দাস, চয়নিকা চৌধুৰী, চিত্ৰাণী চিলাকী, গীতিকা দাস, দীপান্বিতা দাস, ৰশ্মি বেগম, মমি আহমেদ, বন্দনা দাস, চিন্ময় মহন্ত, জিণ্টি নাথ প্ৰমুখ্যে প্ৰতিজন সতীৰ্থ ভিকেটিয়ান।

মহাবিদ্যালয়ৰ ছাত্ৰ একতাৰ সভাৰ সমূহ সদস্যবৃন্দ
ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাবৃন্দ
'দক্ষিণ পট'ত প্ৰকাশিত/অপ্ৰকাশিত লেখাসমূহৰ লেখক-লেখিকাবৃন্দ
শ্ৰীবিষ্ণু অফছেট প্ৰেছৰ স্বত্বাধিকাৰী কুশল কুমাৰ, প্ৰেছত কৰ্মৰত হীৰেণ শৰ্মা, ৰুপুল কুমাৰ নাথ, ৰাজীৱ কলিতা আৰু শৈলেন দাস।

আটাইলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদক
দক্ষিণ পট



# দক্ষিণ কামৰূপ দৰ্পণ

দক্ষিণ কামৰূপৰ প্ৰসিদ্ধ তীৰ্থস্থান, পুৰাতাত্ত্বিক স্থান, পৰ্যটনস্থলী আৰু ঐতিহাসিক স্থানসমূহৰ এক পৰিচয়



চান্দুবি বিল

জাগালীয়া নদী



পাৰ্বতী পাহাৰ



উকিয়াম



কলহী নদী



কপিলী



শ্ৰীশ্ৰীহৰিবিষ্ণু আতাৰ থান 'ছত্ৰীয়া সত্ৰ'



মহাপুৰুষ মাধৱদেৱৰ স্থাপিত 'বৰহেৰামাৰা সত্ৰ'



মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰতিষ্ঠিত 'পাঁচশালী সত্ৰ'



শ্ৰীমন্ত শংকৰদেৱৰ নাতি চতুৰ্ভুজদেৱৰ প্ৰতিষ্ঠিত বিখ্যাত 'শ্ৰীশ্ৰীবৰপুখুৰী সত্ৰ'







মেকথৰ ভগ্নাৱশেষ



চণ্ডিকা দেৱালয়



মিৰ্জা পূজামণ্ডপ



দুৰ্গেশ্বৰী পীঠ



বাগেশ্বৰী পীঠ



উকিয়াম



নৱাবিল



ৰজা অৰিমত্তই খন্দোৱা ৰজাপুখুৰী



পলাশবাৰীৰ ব্ৰহ্মপুত্ৰ

দক্ষিণ পট
অষ্টত্ৰিংশতম প্ৰকাশ || ২০১৯-২০ ইং বৰ্ষ



# বিষয়-সূচী

● **সমাজ-সাহিত্য-সংস্কৃতি ঃ**

বড়ো সমাজত প্ৰচলিত লোক-নৃত্য
সুদৰ্শন বড়ো ❖ ১

Discovery of New India
**Rituraj Boro** ❖ ৩

সংবাদপত্ৰৰ শেহতীয়া গতি-প্ৰকৃতি ঃ চিন্তা আৰু দুঃচিন্তা
ধনমণি দাস ❖ ৫

শঙ্কৰদেৱৰ 'কীৰ্তনঘোষা' ঃ এটি চমু আলোচনা
পল্লৱী দাস ❖ ৮

প্ৰাচীন ভাৰতীয় আখ্যানত মৌচুমী বৰষুণ
ইছাহক আলী ❖ ১০

Gayism in Funny Boy
**Dikshita Kalita** ❖ ১২

Concept of Moksa in Indian Philosophy
**Dr. Aditi Devi Choudhury** ❖ ১৭

Anita Desai's 'In Custody' Struggle for Identity
**Nayan Jyoti Kalita** ❖ ২৩

An analytical study of Nehru's essay The Indian Philosophical Approach
**Chandana Das** ❖ ২৫

The Sattriya Dance– An Overview
**Subhalaxmi Rajbongshi** ❖ ২৮

সত্ৰ ব্যৱস্থাৰ ইতিবৃত্ত আৰু পৰিচয়
চিন্ময় মহন্ত ❖ ৩০

Portrayal of folk life in Dr. Bhupen Hazarika's songs
**Shristi Kalita** ❖ ৩৩

Rise of OTT in India : A Boom During the Pandemic
**Rituparna Das** ❖ ৩৬

Wangala Festival
**Greyolista O. Sangma** ❖ ৩৯

Year of the Tiger– **Jintu Das** ❖ ৪১

Trade and commerce of Indus valley civilization with distant lands
**Dulumoni Nath** ❖ ৪৪

● **কথোপকথন ঃ**

❖ স্বনামধন্য অভিনেত্ৰী শ্ৰীযুতা চেতনা দাস বাইদেউৰ স'তে ❖ ৪৭
❖ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বস্ত্ৰ ব্যৱসায়ী শ্ৰীযুত নৰমোহন দাসৰ সৈতে এখন্তেক ❖ ৫১

● **শিক্ষা-বিজ্ঞান প্ৰসংগ ঃ**

E-learning in India : Paradigm Shift or Paradise Lost?
**Prof. Sourabh Jyoti Sharma** ❖ ৫৫

বিদ্যালয়ত যৌন শিক্ষাৰ গুৰুত্ব ঃ এটি অৱলোকন
হিমাংশু দাস ❖ ৫৯

National Education Policy, 2020 : A way forward
**Dr. Rashmi Mili** ❖ ৬১

The White Light Emitting Diodes
**Dr. Jnanendra Upadhyay** ❖ ৬৫

Assam : A Herbal Paradise
**Rinti Roy**
**Rakesh Kalita**
**Mustafizur Rahman** ❖ ৬৭

● **একাংকিকা ঃ**

The Househusband
**Arnab Jyoti Mahanta** ❖ ৭০

● **পুৰস্কাৰপ্ৰাপ্ত বিশেষ ৰচনা ঃ**

বৰ্তমান আৰু ক'ৰোনাত্তৰ শৈক্ষিক পৰিস্থিতি আৰু আমাৰ প্ৰত্যাশা
দীপংকৰ দাস ❖ ৭৩

## ● ছন্দশিল্পত ডিকেচিয়ানৰ অনুভৱ ঃ


| | | |
|---|---|---|
| ভালপাওঁ বুলি নকওঁ তোমাক | ভাস্কৰজিৎ নাথ | ৭৭ |
| গোলাপ | পংকজ প্ৰিয়ম | ৭৮ |
| An ode to the Teacher | Nilakshi Kumari | ৭৮ |
| A mind game of Cancer | Dhritismita Das | ৭৯ |
| Dynamic Notion | Irani Ahmed | ৮০ |
| তোমালোকৰ মাজত বিচাৰোঁ মই | জগদীশ চন্দ্ৰ শালৈ | ৮০ |
| কেনে আছা ডিকেচিৰ মিছ্ নিহাৰিকা | ছাকিল আহমেদ | ৮১ |
| মই, মই নহয় যেন | কংকণ দাস | ৮২ |
| ক'ৰোনা পুৰাণ | অধ্যাপক জয়ন্ত কুমাৰ বৈশ্য | ৮৩ |
| ডি. কে. কলেজৰ তেজৰঙী গাভৰুবোৰ | অধ্যাপিকা জবা কলিতা | ৮৪ |
| Solitude and Tussle | Dipanjali Kalita | ৮৫ |
| I Believe | Manashree Mazumdar | ৮৬ |
| Darling, You are Evergreen | Neha Begum | ৮৬ |
| A Supposition | Nayanika Baishya | ৮৭ |
| পানীৰ গুহা | অধ্যাপক এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা | ৮৭ |
| ফুটপাথত এগৰাকী অসহায় মাতৃ | চুম্পি দাস | ৮৮ |
| কিমান সহিবা তুমি | তৃষ্ণা কলিতা | ৮৯ |
| আধৰুৱা জীৱনৰ কাহিনী | পূবালী দাস | ৮৯ |
| 'চহৰীয়া পোনাই মোৰ' ঘৰমুৱা হ'ব | উৰ্মিলা চুলতানা | ৯০ |
| তোমাৰ পৰিচয় | মহেশ দাস | ৯১ |
| মৌনতা | টুলুমণি দাস | ৯১ |
| অচিনাকি | অসীম দাস | ৯২ |
| কমাৰশাল | ভাস্বতী মেধি | ৯২ |


## ● শিল্প-অনুভৱ-অনুষংগ ঃ


- প্ৰাৰ্থনা ঃ এটি অনুভৱ
  মধুস্মিতা কলিতা।। ১১১
- পুৰণি সেই বয়জ কমন ৰুমটো
  ড° নমিতা শৰ্মা।। ১১৩
- সফলতা সম্পৰ্কে মোৰ ধাৰণা
  জুপিতৰা কলিতা।। ১১৫
- Dream Destination : Lal Bahadur Shastri National Academy of Administration (LBSNAA)
  Munchumi Baruah।। ১১৭
- ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰ অভিজ্ঞতা আৰু স্মৃতি
  জেউতী দাস।। ১১৯
- স্মৃতিৰ কোলাত শৈশৱ
  নিৰুপম দাস।। ১২৩
- লক্‌ডাউনৰ সময়ছোৱাৰ এক অনুভৱ
  সুনীল দাস।। ১২৪
- আইতাৰ ভাষাৰে জোনাকী বাটেৰে
  হীৰকজ্যোতি মালী।। ১২৬
- সপোন যেন দিঠকত পৰিণত হ'ল
  দীপশিখা দাস।। ১২৭


## ● ডিকেচিয়ানৰ কথাশিল্প ঃ


— পুৰতি নিশাৰ সপোন
  হীৰেন কলিতা ✦ ৯৩

— খিৰিকী
  ৰশ্মিনাৰা বেগম ✦ ৯৯

— প্ৰাপ্তিৰ চকুলো
  মুনিন্দ্ৰ কলিতা ✦ ১০৩

— অচিনাকিৰ ঠিকনা বিচাৰি
  সীমাশ্ৰী শৰ্মা ✦ ১০৫

— আশাৰ আকাশ
  অঞ্জনা দাস ✦ ১০৭

— এটা আধৰুৱা কাহিনী— নাকফুলি পিন্ধা ছোৱালীজনী
  অপৰ্ণা ঠাকুৰীয়া ✦ ১০৯


## ● বিভাগীয় প্ৰাচীৰ পত্ৰিকা পৰিচয় ✦ ১২৮-১৩০


- **Chandubi : A Field Report**
  Report prepared by–
  **B.A. 3rd Sem., Deptt. of Economics**/১৩১
- **River Dolphins of Brahmaputra, Their Ecology & Conservation : A Survey**
  Survey conducted by–
  **Ellore Choudhury**, Astt. Prof., Zoology
  **Mayurakshi Sharma** (supervisor)
  **Chandan Das, Unashri Kalita, Mayurpankhi Das, Dulumoni Nath**
  B.Sc. 5th sem. Deptt.of Zoology/১৩৬


## ● মহাবিদ্যালয়ৰ অন্তৰ চ'ৰা ঃ


| | |
|---|---|
| — দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০১৯-২০২০ ইং বৰ্ষ | ১৩৯ |
| — Annual Activity Report of N.S.S. Unit For the Year : 2019-2021 | ১৪০ |
| — Activities Outside the Campus | ১৪১ |
| — বিভাগীয় প্ৰতিবেদন | ১৪২-১৬৫ |
| — Principal and Teaching Staff of our college | ১৬৬ |
| — Non-Teaching Staff of the College | ১৬৭ |
| — Bearer/Lab. Bearer/Grade IV | ১৬৭ |
| — Achievements of D. K. college, Mirza | ১৬৮ |
| — আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়কসকল | ১৭০ |



# বড়ো সমাজত প্ৰচলিত লোক-নৃত্য

◆ সুদৰ্শন বড়ো
স্নাতক পঞ্চম যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**বাগুৰুম্বা ঃ** বাগুৰুম্বা বড়োসকলৰ মুখ্যতঃ বসন্তকালীন নৃত্য। বাগুৰুম্বা নৃত্যত বহু লাস্যময়ী উপাদান প্ৰতিফলিত হয়। এই নৃত্য লগৰ সমনীয়াৰ লগত নৈসৰ্গিক, নিৰিবিলি পৰিৱেশত পখিলা উৰি ফুৰাৰ অংগি-ভংগিক অনুকৰণ কৰি পৰিৱেশন কৰা হয়; সেয়ে এই নৃত্যক বাগুৰুম্বা বোলা হয়।

প্ৰাচীন কালত বাগুৰম্বা নৃত্য মুকলি পথাৰ, নিৰিবিলি, নিৰ্জন পৰিৱেশত পৰিৱেশন কৰা হৈছিল যদিও বৰ্তমান মঞ্চতো এই নৃত্য প্ৰদৰ্শন কৰা হয়। বাগুৰুম্বা পৰিৱেশনৰ সময়ত আৰ'নাই, দখনা, জৌমগ্ৰা পৰিধান কৰাটো বাধ্যতামূলক। বাগুৰুম্বাৰ মূল উৎস প্ৰকৃতি। বড়োসকলে সেউজ পৰিৱেশত থাকি ভাল পায়। এই নৃত্যৰ উৎপত্তি হাজাৰ বছৰ পূৰ্বে হৈছিল বুলি জনশ্ৰুতি আছে। এই নৃত্য নাৰীকেন্দ্ৰিক। ইয়াত কেৱল নাৰীসকলেহে অংশগ্ৰহণ কৰে। বড়ো গাভৰুসকলে ৰঙীণ সাজ-পাৰ পিন্ধি, দুহাত মেলি মেলি 'আৰ'নাই' লৈ ছেও দি দি নাচে। গুৰু-গম্ভীৰ আৰু মনোৰম বাগুৰুম্বা নৃত্যৰ গীতাংশত প্ৰকৃতিৰ সহজ-সৰল বৰ্ণনা পোৱা যায়।

## বাৰদৈচিখ্লা/বৰদৈচিখ্লা ঃ

বড়োসকলৰ জনপ্ৰিয় নৃত্যবোৰৰ ভিতৰত বাৰদৈচিখ্লা অন্যতম। এই নৃত্য ৰংজালি বৈছাগু বা ৰঙালী বিহুৰ সময়ত পৰিৱেশন কৰা হয়।

দৈ মানে পানী, চিখ্লা মানে গাভৰু বা গোসাঁনী। ৰংজালি-বৈছাগুৰ লগত বতাহ-বৰষুণৰ অতি ওচৰ সম্বন্ধ আছে। বাৰদৈচিখ্লাই ৰাংঢালী ছোৱালীৰ ৰূপ লৈ শুকাই ফাঁট মেলিবলৈ ধৰা ধৰণীক জীপাল কৰিবৰ বাবে ধৰণীত পদাৰ্পণ কৰেহি। তাকে বড়োসকলে বাৰদৈচিখ্লা বোলে। প্ৰকৃতিৰ এই ৰূপটোক লৈয়ে বড়ো গাভৰুসকলে বাৰদৈচিখ্লা নৃত্য পৰিৱেশন কৰে। বড়োসকলৰ বাৰদৈচিখ্লা নৃত্য অসমৰ বাহিৰেও ভাৰতৰ আন ঠাইতো অতি জনপ্ৰিয়।

## খেৰাই ঃ

বড়ো লোক-সমাজত প্ৰচলিত এবিধ নৃত্য হ'ল খেৰাই। খেৰ বা খাৰ মানে দৌৰা বা গতি কৰা, আই মানে গোসাঁনী; অৰ্থাৎ আই মাতৃক সন্তুষ্ট কৰিবলৈ প্ৰদৰ্শন কৰা নৃত্য। বাথৌ আৰু খেৰাই পূজাৰ অনুষংগত এই নৃত্য পৰিৱেশন কৰা হয়। খেৰাই নৃত্য প্ৰাচীন কালৰেপৰা বড়ো লোক-সমাজত চলি আহিছে। খেৰাই উৎসৱৰ লগত জড়িত খেৰাই আৰু দেওধনী নৃত্যৰ উৎপত্তিৰ সৈতে জাৰাফাগ্লাৰ কাহিনী নামৰ এটা পৌৰাণিক কাহিনী জড়িত হৈ আছে। জাৰাফাগ্লাই অন্তৰ্ধান হোৱা নুমলীয়া বোৱাৰী 'মংলিক' বিচাৰি উলিওৱাৰ বাবে বাথৌ (শিৱ)ৰ নিৰ্দেশমতে খেৰাই পূজা পাতে। এই খেৰাই পূজাতে বোৱাৰী দেওধনী ৰূপত আত্মপ্ৰকাশ কৰি এবিধ বিশেষ নৃত্য পৰিৱেশন কৰে, লগতে দেৱ-দেৱীৰ সন্তুষ্টিৰ বাবে কেইবাবিধো নৃত্য পৰিৱেশন কৰে। এই নৃত্যবোৰৰ সমষ্টিয়ে হৈছে খেৰাই। এই নাচৰপৰাই ওঠৰ প্ৰকাৰৰ খেৰাই নৃত্যৰ সৃষ্টি হোৱা বুলি জনশ্ৰুতি আছে। খেৰাই নৃত্যত দেওধনীয়ে মুখ্য ভূমিকা পালন কৰে। দেওধনীৰ নৃত্যবোৰত মৃদু-লাস্য চৰিত্ৰ ফুটি উঠে। এই লাস্য চৰিত্ৰ বৈশিষ্ট্যপূৰ্ণ হোৱা বাবে গৱেষকসকলে 'Kherai dance is the most gentle dance' বুলি অভিহিত কৰিছে।

খেৰাই উৎসৱ আৰু বাথৌ পূজাত পৰিৱেশন কৰা ওঠৰবিধ খেৰাই নৃত্য হ'ল— বাথৌ স্থাপন নাচ, বাথৌ পবিত্ৰকৰণ, আগলতি কলপাত স্থাপন নাচ, বাথৌ ঘূৰণ নাচ, বিপৰীত বাথৌ ঘূৰণ নাচ, খেৰাই দীৰ্ঘ নাচ, খেৰাই চুটি নাচ, নৌকা চালন নাচ, ঘোঁৰা দৌৰ নাচ, চৰাই তেজ পি খোৱা নাচ, আমলি পোকে বাহ সজা নাচ, জীয়া কৰা নাচ, ঢাল-তৰোৱাল ঘূৰোৱা নাচ, ৰণচণ্ডী নাচ, জুই শিখা খোৱা নাচ, চোকা তৰোৱালৰ ওপৰত গচকা নাচ ইত্যাদি।

খেৰাই নৃত্যৰ প্ৰতিটো ভাগৰ নৃত্যৰ একো একোটা গূঢ়াৰ্থ থকা দেখা যায়। বাথৌ স্থাপন নৃত্যই বাথৌক পবিত্ৰ ৰূপত স্থাপন কৰা বুজায়। বাথৌ পবিত্ৰকৰণ নৃত্যই অন্তৰ পবিত্ৰকৰণ, আগলতি কলপাত নৃত্যই আত্মবলিদান, বাথৌ ঘূৰণ নাচে পাতন পৰিৱৰ্তন, বিপৰীত বাথৌ ঘূৰণ নাচে দেহৰ গতি, খেৰাই দীৰ্ঘ নাচে অনিত্য সেৱা, খেৰাই চুটি নাচে অনন্ত সেৱা, নৌকা চালন নাচে জীৱনৰ গতি, ঘোঁৰা দৌৰ নাচে আত্মাৰ গতি, চৰাইৰ তেজ পি খোৱা নাচে আত্মসংযম, আমলি পোকে বাহ সজা নাচে পবিত্ৰতা আৰু সত্যতা প্ৰকাশ, জীয়া কৰা নাচে অৱস্থাৰ পৰিৱৰ্তন, ঢাল-তৰোৱাল ঘূৰোৱা নাচে আত্মৰক্ষা কৰা, ৰণচণ্ডী নাচে পাপৰপৰা মুক্ত হোৱা, জুই শিখা খোৱা নাচে ৰিপু দমন, চোকা তৰোৱালৰ ওপৰত গচকা নাচে পবিত্ৰতা আৰু সত্যতা প্ৰকাশ কৰে।

## খফ্ৰি সিব্‌নাই মৌছানায় ঃ

বৈছাগু বা ব'হাগ বিহুৰ সময়ত বড়ো-কছাৰী মহিলাই হাতত জাপি লৈ পৰিৱেশন কৰা নৃত্যক খফ্ৰি সিব্‌নায় মৌছানায় বোলে। বিষ্ণুপ্ৰসাদ ৰাভাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম অসমীয়া বোলছবি 'জয়মতী'ত বড়োসকলৰ এই খফ্ৰি সিব্‌নায় মৌছানায় নৃত্যটিকেই জাপি নৃত্য নাম দি সংযোগ কৰিছিল। সেই ছবিখন মুক্তি পোৱাৰ পিচতহে জাপি বা জাপিৰ লগত সংযুক্ত হৈ থকা সংস্কৃতি বড়োসকলৰপৰা অসমীয়াৰ মাজত সোমাইছেহি। কৃষিজীৱী সমাজত জাপিৰ অতি ঘনিষ্ঠ সম্পৰ্ক আছে। বড়োসকলে জাপিক খফ্ৰি বোলে। জাপি নৃত্যই কৃষিকৰ্মৰ সময়ত ৰ'দ-বৰষুণৰপৰা ৰক্ষা পাবৰ বাবে ব্যৱহাৰ কৰাটোকে সূচাইছে। খফ্ৰি সিব্‌নায় মৌছানায় নৃত্যই বড়ো আৰু অসমীয়াৰ মাজত এক নিবিড় সম্বন্ধ তথা সাংস্কৃতিক ঐক্যক সূচাইছে।

## দাওশ্ৰী দেলাই মৌছানায় ঃ

দাওশ্ৰী মানে শালিকী, দেলাই মানে সাজোন-কাচোন। শালিকীৰ দৰে ছেও দি দি এই নৃত্য পৰিৱেশন কৰা হয় বাবে ইয়াক দাওশ্ৰী দেলাই মৌছানায় বোলে। প্ৰাচীন কালৰপৰা বড়ো সমাজত এই নৃত্যৰ প্ৰচলন আছে। দাওশ্ৰী দেলাই মৌছানায়ৰ গীতাংশত শালিকী চৰাইৰ চৰিত্ৰ, গুণানুকীৰ্তন প্ৰতিফলিত হোৱা দেখা যায়। এই নৃত্যই অসমৰ গ্ৰাম্য লোক-সমাজ আৰু লোক-সংস্কৃতিত শালিকী চৰাইৰ গুৰুত্বপূৰ্ণ প্ৰভাৱৰ কথাকে সূচাইছে।

## চিখ্‌ৰি চিখ্‌লা মৌছানায় ঃ

চিখ্‌ৰি মানে পখিলা, চিখ্‌লা মানে গাভৰু। এই নৃত্য পখিলাৰ উৰণশৈলী, সৌন্দৰ্য আদিক প্ৰতিফলন ঘটাই ছেও দি দি নচা হয়। সেয়ে নৃত্যবিধক চিখ্‌ৰি চিখ্‌লা মৌছানায় বোলে। এই নৃত্যৰ গীতাংশত পখিলাৰ সৌন্দৰ্য, বড়ো লোক-সংস্কৃতিত ইয়াৰ প্ৰভাৱ, চাৰিত্ৰিক বৈশিষ্ট্য আদিৰ মনোৰম বৰ্ণনা পোৱা যায়। চিখ্‌ৰি চিখ্‌লা মৌছানায় বসন্তকালীন, বৈছাগুৰ সময়তহে এই নৃত্য পৰিৱেশন কৰা হয়। চিখ্‌ৰি চিখ্‌লা মৌছানায় বড়ো লোক-সংস্কৃতিৰ চহকী ঐতিহ্যৰ চানেকি।

## ডাহাল থুংৰী ঃ

দুহাতত ঢাল তৰোৱাল লৈ ভিন্ন অংগি-ভংগিৰে পৰিৱেশন কৰা নৃত্যবিধ হৈছে ডাহাল থুংৰী। প্ৰাচীন কালত বড়োসকলে যুদ্ধক্ষেত্ৰত শত্ৰুৰ বিপক্ষে যুঁজ কৰাৰ সময়ত ডাহাল থুংৰী নৃত্য পৰিৱেশন কৰি শত্ৰুক মোহাচ্ছন্ন কৰি ৰাখিছিল। বড়োসকলৰ ডাহাল থুংৰী নৃত্য ভাৰতৰ গণৰাজ্য দিৱসৰ পেৰেডত প্ৰতি বছৰে প্ৰদৰ্শন হোৱাটো গৌৰৱৰ কথা। ■

> " বাগুৰুম্বা পৰিৱেশনৰ সময়ত আৰ'নাই, দখনা, জৌমগ্ৰা পৰিধান কৰাটো বাধ্যতামূলক। বাগুৰুম্বাৰ মূল উৎস প্ৰকৃতি। বড়োসকলে সেউজ পৰিৱেশত থাকি ভাল পায়। এই নৃত্যৰ উৎপত্তি হাজাৰ বছৰ পূৰ্বে হৈছিল বুলি জনশ্ৰুতি আছে। এই নৃত্য নাৰীকেন্দ্ৰিক। ইয়াত কেৱল নাৰীসকলেহে অংশগ্ৰহণ কৰে। বড়ো গাভৰুসকলে ৰঙীণ সাজ-পাৰ পিন্ধি, দুহাত মেলি মেলি 'আৰ'নাই' লৈ ছেও দি দি নাচে। গুৰু-গম্ভীৰ আৰু মনোৰম বাগুৰুম্বা নৃত্যৰ গীতাংশত প্ৰকৃতিৰ সহজ-সৰল বৰ্ণনা পোৱা যায়।

**শব্দাৰ্থ ঃ** জৌমগ্ৰা-চাদৰ, থুংৰী-তৰোৱাল, মৌছানায়-নৃত্য, ৰংজালি বৈছাগু-ৰঙালী বিহু, বাথৌ-শিৱ/মহাদেৱ, দাওশ্ৰী-শালিকা, খফ্ৰি-জাপি।

# DISCOVERY OF NEW INDIA

■ **Rituraj Boro**
B.A. 3rd Sem., Deptt. of Political Science

*"India is the cradle of human race*
*The birth place of human speech*
*The mother of history*
*The grandmother of tradition*
*Our most valuable and most constructive*
*Materials in the history of men are*
*Treasured up in India only."*

—Mark Twain.

## (a) Recalling the past

The great storyteller Mark twain observed "Banaras is older than history, older than tradition, older even than legend and look twice as old as all of them put together" As the Ganges forever flows to the sea without any hindrance, this great land and it's eternal idea have been spreading its sacred aroma from the beginning of the human civilization without being diverted into the dark well of disappearance like the other civilizations. From the prehistoric times, many tribes and race had come to this land and intermingled in early India. The pre Aryans, the Indo Aryans, the Greeks, the Turks, the Huns, the Synthians, the Austric-Mongoloids and others made India their home. Each ethnic group contributed their mite to the evolution of Indian social system, art, music, language, belief, architecture and literature. The tribes and their culture mingled so inextricably that currently they can be clearly identified in their original form. But all these culture and religions intermingled and interacted and established a deep underlying unity despite diversity. The ancient epics, scriptures and our great philosophers and poets viewed and described this land as an Integral unit. This great land has seen the birth of major religions. In ancient times it was the epicentre of knowledge. From science to literature, mathematics to medicine, the great Hindu(used as geographical identity) scholars made their greatest contribution when the whole Western world was suffering from dogmatic traditions. The idea of Ahimsa was derived from the Hindu philosophy. The "Vasudhiva Kutumbakam" was raised from this ancient land. The precious contribution to humanity made by this nation make it one of the greatest nations in the world



But, should we just count our greatness? Should we live in a Utopian world in which it is thought that there was no evil and discriminations in India? Or should we recognize our imperfections and try to improve them and move towards a bright future. We cannot ignore the imperfections of our ancient Indian society which was marked by gross social injustice. The lower order, particularly the Shudras and Untouchables were encumbered with great disabilities which are shocking to

the modern mind. Under the dark clouds of Radical Brahmanism, the so called lower order of society was denied to take education. The condition of untouchables was similar to animals. Similarly law and customs discriminated women and favoured men. This song sung by the bonded labours of Gujrat shows the miserable plight of lower order....

> *"I go in darkness*
> *I return in darkness*
> *There is no ray of light anywhere*
> *I go in darkness*
> *I return in darkness."*

We crippled a large section of society, which has damaged this nation and hampered our progress.

When the fate of the nation was going to be decided, the whole nation was not involved in the progress. We deprived a large section of society form the struggle, our failures gave opportunity to the colonial and Islamic invaders. It tied the whole nation in the chains of slavery. The colonial rule, undoubtedly, stigmatized the heritage and greatness of our nation to fulfil their colonial needs. We are still struggling to overcome the injustices and atrocities done by the alien rulers. Understanding our failures and imperfections will help us to understand the nature of the obstacles that hampered India's progress as a great nation.

### (b) Jumping towards the future

The great roar of "Bharat Mata ki jai"– "victory to mother India" is trending in contemporary political arena of Indian politics. But what is the meaning of this cry? Whose victory we want? Is it just an imaginary anthropomorphic entity? 'Bharat mata-mother India' is essentially the millions of people who are living in this land and victory to her meant victory to this people. The idea of 'New India' is deeply connected to its people and their victory.

A nation which has completed seven decades of her independence is still struggling against server poverty, communal and religious disturbances, severe corruption. It compels us to introspect. How can we ensure the victory of 'Bharat Mata' in the midst of this ailing socio-economic situation when a portion of society is romanticizing to establish a great nation based on narrow religious beliefs and a bunch of radicalisms is dreaming their "Gazwa-e-Hind" by hiding behind the *pallu* of pseudo-secularism; should we leave the dream of a modern liberal democratic state? Do we want a nation based on fundamentalism and dogmatism? What should be our perception about a new India?

When we start exploring the idea of 'new India', we found that we need an India where we will not be judged by our race or religion but the content of our character and capability. We need an India where we shall be able to emancipate the millions of people who are living under the dark clouds of server poverty. We need enlightened youth for New India. We need an India where we will end the long night of captivity of deprived ones who had been seared in the flames of withering injustice. We need an India where everyone will be free from all discriminations and oppressions. It's time to redeem our pledge of 'Hind-swaraj'. The moment has come, which comes but rarely in history, where we step out from the old to new, where an age ends, and when a soul of nation, long suppressed, finds utterance. It's time to discover our 'New India'. It would be a great discovery indeed. ■

**Sources :**

1. 'India's ancient past' by R.S. sarma, 'The significance of ancient Indian history' page 3-4.
2. 'Disvovery of India' by Jawaharlal Nehru, 'The quest-Bharat Mata' page 52
3. 'Bharat ek khoj' by shyam Benegal, DD.

# সংবাদপত্ৰৰ শেহতীয়া গতি-প্ৰকৃতি
## চিন্তা আৰু দুঃচিন্তা

■ **ধনমণি দাস**
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

**১ঃ১ আৰম্ভণ—**

বাতৰি কাকত বা সংবাদ পত্ৰ হ'ল মানৱ সভ্যতাৰ উত্তৰণৰ ফলশ্ৰুতিত প্ৰচলিত হোৱা এক গণমাধ্যম, যি মাধ্যমে মানুহৰ সামাজিক, ৰাজনৈতিক, বৌদ্ধিক, কলা-সংস্কৃতি সম্বন্ধীয় বা-বাতৰি সমগ্ৰ পৃথিৱীৰ প্ৰান্তে প্ৰান্তে বিস্তাৰিত বা সম্প্ৰসাৰিত কৰি তোলে। ছপাযন্ত্ৰৰ চালুকীয়া অৱস্থাতেই মানুহৰ প্ৰয়োজনত মানৱ মনৰ অদম্য ইচ্ছাশক্তি তথা জগত বিয়পি বা বাতৰি তথা যি কোনো ঘটনা-পৰিঘটনাৰ উত্থান-পতন সম্প্ৰাসাৰিত কৰাৰ নিৰলস প্ৰচেষ্টাত সীমিত ৰূপত প্ৰচলন হ'বলৈ ধৰা সংবাদপত্ৰ আধুনিক কম্পিউটাৰাইজড পদ্ধতিত দ্ৰুতভাৱে সম্প্ৰাসাৰিত হৈ আহিছে। সন্দেহ নাই ইলেংগুৰ শিল্পবিপ্লৱ বা ইটালীৰ নৱজাগৰণৰ প্ৰভাৱৰ পূৰ্বে সংবাদপত্ৰ আজিৰ বহুল প্ৰচাৰিত ৰূপবোৰত উপনিত হ'বলৈ কেইবাটাও শতিকা লাগিছে। কিন্তু অতি সাম্প্ৰতিক সময়ৰ সংবাদপত্ৰ প্ৰকাশ প্ৰচাৰৰ উদ্দেশ্য আৰু প্ৰাৰম্ভিক সময়ৰেপৰা এটা নিৰ্দিষ্ট সময়লৈকে প্ৰকাশিত বাতৰি কাকতবোৰৰ প্ৰকাশ প্ৰচাৰৰ উদ্দেশ্য আৰু লক্ষ্যৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। অৱশ্যে পাৰ্থক্যবোৰেৰে ইয়াত আকাৰগত পৃষ্ঠাৰ সংখ্যা বিষয় বস্তুৰ মানদণ্ড আদিকেই বুজাবলৈ বিচৰা হোৱা নাই, যিহেতু কাকতবোৰৰ প্ৰকাশ তথা প্ৰচাৰৰ আঁৰত থকা প্ৰকাশগোষ্ঠীৰ এটি প্ৰভাৱ পৰিলক্ষিত হয়। সেই প্ৰভাৱেহে সময়ে সময়ে প্ৰকাশ পোৱা আৰু কিছু বছৰ প্ৰচাৰ প্ৰচলনৰ পাচত মৰহি যোৱা অৱস্থা এইবোৰৰ বাবে জগৰীয়া যেন বোধ হয়। এনে ধৰণে শেহতীয়াভাৱে আগবাঢ়ি অহা বাতৰি কাকতৰ ধাৰণাই সংবাদপত্ৰৰ মূল গৰিমা ম্লান কৰা যেন ধাৰণা হয়। অৱশ্যে এইখিনিতে আমি সুদীৰ্ঘ ১৭৫ বছৰ গৰকা অসমৰ বাতৰি কাকত বা সংবাদ পত্ৰৰ গৌৰৱোজ্বল ইতিহাসৰ ওপৰত তথ্যগত আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে আৰু এই আলোচনাৰ বাবে অসমীয়া সংবাদপত্ৰৰ শেহতীয়া পেক্ষাপটোৰেই যথেষ্ট সহায়ক হ'ব বুলি ভাবি আমি আমাৰ আলোচনা আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰা হৈছে।




**২ঃ২ বিষয় প্ৰৱেশ —**

আধুনিক বিশ্বৰ সমাজ ব্যৱস্থাক যিবোৰ স্তম্ভই ধৰি ৰাখিছে সেইবোৰৰ ভিতৰত সংবাদ পত্ৰ এক অপৰিহাৰ্য স্তম্ভ। ইতিহাসৰ কোনোৱা এটা সময়ৰ পৰা অনেক সফলতা-বিফলতা, প্ৰত্যয়-প্ৰত্যাহ্বান আৰু সংগ্ৰামৰ মাজেৰে কালাতিপাত কৰি অহা সংবাদ পত্ৰই আজিকোপতি এক সু-চিন্তিত, সু-বলিষ্ঠ আৰু জনকল্যাণকামী আদৰ্শ সাৰোগত কৰি জনমত গঠনেৰে সমাজ জীৱনত বহুল প্ৰচাৰ প্ৰসাৰেৰে ইতিমধ্য ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। জনসাধাৰণক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাহিত্য-সংস্কৃতি আদিৰ যোগাত্মক আৰু ঋণাত্মক দিশ সম্পৰ্কে সচেতন কৰি তুলি সংবাদ পত্ৰই ইতিমধ্যে এক শক্তিশালী গণ-সাংস্কৃতিক চেতনাৰ অভ্যুত্থান ঘটাইছে। এইক্ষেত্ৰত আলোচনাচোৱাৰ প্ৰসংগটো অসমৰ প্ৰেক্ষাপটেৰে আলোচ্য কৰি তুলিলে গম পাম যে জন্মলগ্নৰে পৰা অদ্যপি ১৭৫ বছৰ কাল অতিক্ৰম কৰা অসমৰ সংবাদ পত্ৰৰো আছে সংগ্ৰাম আৰু উত্তৰণমুখী যাত্ৰাৰ এক গৌৰৱোজ্জ্বল ইতিহাস। অসমীয়া সমাজ সংস্কৃতিৰ এটা পৰিমাৰ্জিত, ঐশ্বৰ্য্যশালী ৰূপ প্ৰাপ্তিত আৰু অসমীয়া সাহিত্যৰ বিকাশৰ ইতিহাসত ইতিমধ্যে পূৰ্বৰেপৰা প্ৰকাশিত বহুকেইখন সংবাদপত্ৰই যথেষ্ট গভীৰ আৰু মননশীল ভূমিকাৰে এক বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। তাৎপৰ্যপূৰ্ণ যে, ১৮৪৬ খ্ৰীষ্টাব্দতেই ব্যাপ্তিষ্ট মিছনেৰীসকলৰ পদক্ষেপেৰে অসমীয়া সংবাদ জগতত গৌৰৱোজ্জ্বল ইতিহাস সৃষ্টি কৰি জন্মলাভ কৰা 'অৰুণোদই' সংবাদপত্ৰই অসমীয়া জনমানসত এক নতুন বোধৰ, নতুন ভাবৰ উদয় ঘটাইছিল। মূলতঃ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ আদৰ্শ আৰু লক্ষ্য আগত লৈ অৰুণোদয়ে জন্মলাভ কৰিছিল যদিও

বিভিন্ন দেশৰ ধৰ্মনিৰপেক্ষ বাতৰিৰ প্ৰকাশেৰে আৰু ৰাষ্ট্ৰযন্ত্ৰ অথবা কোনো অপশক্তিৰ পৃষ্ঠপোষকশূন্য স্থিতিৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ অবিচল প্ৰহৰীৰূপে নিজৰ বস্তুনিষ্ঠ নিৰপেক্ষ চৰিত্ৰটো বজাই ৰাখিছিল। তদুপৰি পশ্চিমীয়া সাহিত্য-সংস্কৃতিৰ সোঁত এটা অসমীয়া সমাজ জীৱনত বোৱাই দি অসমৰ শৈক্ষিক আৰু বৌদ্ধিক মহলত পোন প্ৰথমবাৰৰ বাবে আধুনিক চিন্তা দৰ্শনৰ ছাঁ-পোহৰ পেলাবলৈ সক্ষম হোৱাৰ মূলতে আছিল এই অৰুণোদই সংবাদপত্ৰ। উনবিংশ শতিকাৰ আধুনিক পৃথিৱীৰ পৰিৱেশৰ সৈতে পোন প্ৰথমবাৰৰ বাবে সংপৃক্ত হৈ খ্ৰীষ্টান মিছনেৰী, এচাম অসমীয়া বুদ্ধিজীৱীসকলৰ প্ৰযত্নত শিৱসাগৰৰ দিখৌপাৰৰ মিছন প্ৰেছৰপৰা আত্মপ্ৰকাশ ঘটা অৰুণোদই কেৱল প্ৰথম অসমীয়া সংবাদপত্ৰই নহয়— অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীতো ই এক যুগসাপেক্ষ সৃষ্টি। মাতৃভাষাৰ গুৰুত্ব আৰু প্ৰভাৱ তথা ভাষাৰ প্ৰকাশিকা শক্তি বিকাশৰ জৰিয়তে অসমীয়া মধ্যবিত্তীয় সমাজত প্ৰথমবাৰৰ বাবে ভাষিক জাতীয়তাবোধৰ উন্মেষণ ঘটোৱা অৰুণোদই এখন উমৈহতীয়া জাতীয় মঞ্চলৈ ৰূপান্তৰিত হৈছে। তেনেদৰে ক্ৰমাগতভাৱে অৰুণোদইৰ অনুপ্ৰেৰণাত জন্মলাভ কৰা পৰৱৰ্তী সময়ৰ অজস্ৰ সংবাদপত্ৰও আছিল অসমীয়া সংবাদপত্ৰৰ ইতিহাসত অনন্য সংযোজন।

অসমৰ সংবাদপত্ৰৰ ইতিহাস অনুসন্ধান কৰিলে দেখা পোৱা যায় যে, আজিৰপৰা কিছুবছৰ আগতে অসমত প্ৰকাশিত আৰু প্ৰচলিত হৈ অহা একাংশ সংবাদপত্ৰই কোনো স্বাৰ্থান্বেষী শক্তিৰদ্বাৰা কুক্ষিগত নহৈ এক বলিষ্ঠ গণমুখী চেতনা আৰু ভূমিকাৰে এটা নিজস্ব শক্তিশালী নিৰপেক্ষ স্থিতি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিল। বৃহত্তৰ অসমীয়া সমাজখনত এটা বৌদ্ধিক প্ৰজন্মৰ সৃষ্টি কৰি প্ৰজ্ঞা আৰু প্ৰগতিশীল চিন্তাৰে সমাজখনক আলোকময় কৰি তোলা, অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণ ঘটোৱা তথা অন্ধবিশ্বাস, কু-সংস্কাৰেৰে পিষ্ট হৈ থকা জনসাধাৰণৰ মনত বিজ্ঞানমনস্কতাৰ পৰিৱেশ গঢ় দিয়াৰ লক্ষ্যৰে একাংশ সংবাদপত্ৰই যি দৃঢ় আৰু স্থিতপ্ৰজ্ঞ ভূমিকাত অৱতীৰ্ণ হৈছিল, সেয়া নিঃসন্দেহে দূৰদৰ্শী আৰু অনন্য, অভিনৱ। দৰাচলতে অসমত দূৰদৰ্শন অথবা ছ'চিয়েল মিডিয়া প্ৰচলনৰ পূৰ্বেই অসমীয়া সংবাদপত্ৰই মানুহৰ ঘৰে ঘৰে সংবাদপত্ৰ যোগান ধৰি জকাইচুকীয়া অসমবাসীক বিশ্বদৰ্শন কৰোৱাইছিল। তদুপৰি আশীৰ দশকত অৰ্থাৎ অসম আন্দোলনৰ সময়ৰেপৰা অসমৰ সংবাদপত্ৰৰ জগতলৈ কাকত আলোচনীৰ এটা অভাৱনীয় ঢল নামি আহিছিল। যাৰ পৰিণতিস্বৰূপে পৰৱৰ্তী সময়ত নৱসৃষ্ট এই সংবাদপত্ৰ আৰু আলোচনীবোৰে নতুন ৰূপত গা কৰি উঠি একো একোটা নিজস্ব গণমুখী ভূমিকা পালনৰ বাবে নিজৰ দায়িত্বত স্থিতপ্ৰজ্ঞ হৈছিল। এই সময়তে অসমত প্ৰায় কুৰিৰো অধিক সংবাদপত্ৰৰ অভ্যুত্থানে সমাজ আৰু পাঠকৰ মাজত এক বিশেষ স্থান দখল কৰি অনাগত সময়লৈ এক নতুন সম্ভাৱনাৰ পথ সূচনা কৰিছিল। প্ৰগতিশীল, নিৰ্ভীক, স্পষ্টবাদী সাংবাদিকতাৰ বিৰল ভূমিকাত আত্মনিয়োগ কৰা বিশিষ্ট সাংবাদিক পৰাগ কুমাৰ দাসেও নিজস্বভাৱে বাতৰি কাকত প্ৰকাশ কৰি ৰাষ্ট্ৰযন্ত্ৰৰ ভয়াৱহ কাৰ্যপদ্ধতি তথা যুগ যুগ ধৰি শোষকৰদ্বাৰা শোষিতসকলে পাই অহা লাঞ্ছনা-বঞ্চনা, অন্যায়-অনীতি সম্পৰ্কে জনসাধাৰণক সজাগ-সচেতন কৰিবলৈ প্ৰয়াস কৰাৰ কল্যাণজনক প্ৰচেষ্টাও অসমীয়া সংবাদপত্ৰৰ বুৰঞ্জীত এক উল্লেখযোগ্য ঘটনা। পূৰ্বৰেপৰা বৰ্তমানলৈ অসমৰ সংবাদপত্ৰৰ গৌৰৱোজ্জ্বল ইতিহাস গঢ়াত যিকেইখন সংবাদপত্ৰই অসামান্য অৱদান আৰু ভূমিকা পালন কৰিছে সেইকেইখন হ'ল ক্ৰমে— আসাম বিলাসীনি, আসাম মিহিৰ, আসাম নিউজ, আসাম, টাইমছ অৱ আসাম, অসমীয়া, দৈনিক বাতৰি, আসাম ট্ৰিবিউন, সাপ্তাহিক নীলাচল, অগ্ৰদূত, দৈনিক জনমভূমি, তদুপৰি অতি সাম্প্ৰতিক সময়ৰ দৈনিক অসম, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, বাতৰি কাকত, দৈনিক অগ্ৰদূত, অসমবাণী, দ্যা আসাম ট্ৰিবিউন ইত্যাদি।

বিশ্বৰ প্ৰায়বোৰ দেশৰ সংবিধান হ'ল গণতন্ত্ৰ ৰক্ষাৰ এক লাইখুঁটা। গণতন্ত্ৰ জনমতৰ ওপৰত প্ৰতিষ্ঠিত আৰু সংবাদপত্ৰই হ'ল জনমত গঠন আৰু প্ৰকাশৰ এক শক্তিশালী মাধ্যম। তেনেক্ষেত্ৰত গণতান্ত্ৰিক দেশত বাক্-স্বাধীনতাৰ অনন্য অংগ হ'ল এই সংবাদপত্ৰসমূহ। ওপজা কালৰেপৰা জন্মযন্ত্ৰণাক হেলাৰঙে ওফৰাই বিকাশ আৰু উত্তৰণৰ স্বৰ্ণীল পথেদি আগবাঢ়ি অহা অসমৰ সংবাদপত্ৰয়ো এই ধাৰাৰে সংবাদ পৰিৱেশন কৰি অহা দেখা গৈছিল যদিও ভিন্ন মতাদৰ্শগত স্থিতিৰ কাৰণত সম্প্ৰতি অসমৰ সংবাদপত্ৰসমূহে পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখিব পৰা নাই যেন অনুমান কৰা যায় বুলি ক'ব পাৰোঁ। এই ক্ষেত্ৰত অন্য ভালেমান কাৰকেও ক্ৰিয়া কৰি আছে। আধুনিক যুগত বিশ্বায়ন বা গোলকীকৰণৰ গ্ৰাসত পৰি অসমৰ সংবাদপত্ৰই পাঠকৰ মানসিক ক্ষুধা নিবাৰণ কৰিব পৰা যে নাই সেই কথা ইতিমধ্যে বিভিন্ন সময়ত সচেতন লেখকে প্ৰকাশ কৰা দুৰ্ভাৱনাৰ জৰিয়তে স্পষ্ট হৈ পৰিছে। নিম্নলিখিত আলোচনাৰ জৰিয়তে শেহতীয়াভাৱে ই পূৰ্বৰ গৰিমা হেৰুওৱা কাৰণ আৰু হৃতগৰিমাই এজন সাধাৰণ পাঠকৰ মনত জন্মোৱা দুঃচিন্তাখিনি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিলোঁ।

প্ৰথমতে, আধুনিক যুগৰ সভ্যতাই সৃষ্টি কৰা বিজ্ঞানসন্মত সম্পদ ইলেক্ট্ৰনিক মাধ্যমৰ প্ৰৱৰ্তন আৰু প্ৰচাৰৰ আধিক্যই আজিৰ সংবাদপত্ৰৰ স্থান কিছু পৰিমাণে অৱনমিত কৰিছে। সময়ৰ পৰিৱৰ্তনৰ আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উত্তৰণৰ লগে লগে আধুনিকতা বিলাসী সমাজৰ মানুহে ইলেক্ট্ৰনিক মাধ্যমৰ অন্তৰ্গত দূৰদৰ্শন তথা বিভিন্ন ছ'চিয়েল মিডিয়াৰ প্ৰতি অত্যাধিকভাৱে আকৰ্ষিত হৈছে বাবেই সংবাদপত্ৰই আজিৰ তাৰিখত বৰ্তি কথাটো আটাইতাকৈ ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। সততে, হাতৰ মুঠিৰপৰা সহকি নপৰা ম'বাইল ফোনটোতেই সমগ্ৰ পৃথিৱীৰ সতে প্ৰতিটো সময়তে এতিয়া মানুহৰ এক এৰাব নোৱাৰা সম্পৰ্ক, যাৰ পৰিণতিস্বৰূপে জনমানসত বাতৰি কাকত পঢ়াৰ প্ৰতি একধৰণৰ অনিহা বাঢ়ি অহা যেন ধাৰণা হয়। গতিকে বিকল্প মিডিয়াৰ সৃষ্টিয়ে যে সংবাদপত্ৰৰ পূৰ্বৰ প্ৰচলনৰ গৰিমা হেৰুৱাই পেলাইছে তাত অকণো সন্দেহ নাই।

দ্বিতীয়তে, সাম্প্ৰতিক কালত সংবাদপত্ৰই সময়ে সময়ে অধিক নেতিবাচক আৰু উত্তেজক বাতৰি পৰিৱেশন কৰি জনসাধাৰণৰ মাজত অপ্ৰিয়ভাজন হোৱাৰ উদাহৰণো বিৰল নহয়। সংবাদপত্ৰই সমাজৰ সকলো স্তৰৰ বাতৰি নিৰ্মোহভাৱে বিশ্লেষণ কৰি ইয়াৰ সৰু-বৰ দিশটো উন্মোচন কৰিবলৈ চেষ্টা কৰে। এইক্ষেত্ৰত সাংবাদিকসকলে এই কামটো

সুচাৰুৰূপে তথা নিখুঁতভাৱে কৰাত আগভাগ লয় যদিও মাজে-সময়ে সাংবাদিকৰ ভুলৰ বাবে অশুদ্ধ তথ্য পৰিৱেষ্টিত, অতিৰঞ্জিত সংবাদ পৰিৱেশনৰ যোগেদি নিৰপেক্ষ সচেতন পাঠক ৰাইজৰ মাজত উত্তেজনামূলক পৰিস্থিতিৰ সৃষ্টি হয়। যাৰ ফলত এনে ঘটনাই কেতিয়াবা ভয়াৱহ ৰূপ ধাৰণ কৰি, ঐক্য-সংহতি বিনষ্ট কৰি এটা অসামাজিক পৰিৱেশ গঢ়ি তোলে। অৰ্থাৎ সাম্প্ৰতিক সময়ত সমাজত এটা নৈতিক, সাংস্কৃতিক, গণতান্ত্ৰিক মূল্যবোধৰ সৃষ্টিৰ জৰিয়তে পূৰ্বৰ কাকতৰ নিচিনা গণ-উত্তৰণৰ মাৰ্গ দৰ্শন কৰাব নোৱাৰাটোও সংবাদপত্ৰৰ অন্যতম এক ব্যৰ্থতা।

তৃতীয়তে, সাম্প্ৰতিক ক্ষণত নিৰপেক্ষ চৰিত্ৰৰ মৃত্যুৰ বিষয়টোৱেও সংবাদপত্ৰৰ আন এক দুৰ্বলতা প্ৰকাশ কৰে। পূৰ্বৰ সংবাদপত্ৰ আছিল জনকণ্ঠৰ দলিল, জনমত গঠনৰ এখন অনন্য ৰংগমঞ্চ। নিৰ্ভীক, নিৰপেক্ষ চৰিত্ৰ এটা লৈ পূৰ্বৰ অসমীয়া সংবাদপত্ৰবোৰে গাঁৱে-ভূঞে, চহৰে-নগৰে বাতৰি পৰিৱেশনৰ যোগেদি জনসাধাৰণক সজাগ কৰি তুলিছিল। আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় তথা আমাৰ অসম প্ৰান্তৰ ক্ষেত্ৰতো পূৰ্বৰ প্ৰায়ভাগ সংবাদপত্ৰই ৰাইজৰ স'তে থাকি সমাজৰ অন্যায়ৰ বিৰুদ্ধে ভূমিকা লৈ বহুতো বিখ্যাত কেলেংকাৰী তথা দুৰ্নীতিৰস্বৰূপ প্ৰকাশ কৰি ৰাইজৰ সজাগ কৰাৰ উদাহৰণ ইতিমধ্যে ইতিহাসৰ পৃষ্ঠাত জিলিকি আছে; কিন্তু অতি সাম্প্ৰতিক সময়ত সংবাদপত্ৰই বিশেষ স্বাৰ্থৰ সতে জড়িত হৈ সমাজ তথা জনসাধাৰণৰ বিৰুদ্ধে এটা অসংযত স্থিতি গ্ৰহণ কৰিছে। ৰাজনৈতিক দল, নেতা আৰু চৰকাৰৰ সতে আজিকালিৰ সংবাদপত্ৰৰ এটা পৰিষ্কাৰ সম্পৰ্ক খুৱেই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে দেখা যায়, যিটো পূৰ্বৰ সংবাদপত্ৰৰ ক্ষেত্ৰত নাছিল। যাৰ ফলত জনগণৰ স্বাধীন মত প্ৰকাশৰ পথটো কিছু পৰিমাণে ৰুদ্ধ হৈ পৰিল আৰু পৰিণতিত চৰকাৰৰ একো একোগৰাকী প্ৰভাৱশালী মন্ত্ৰী-আমোলাই সংবাদপত্ৰক নিজৰ হাতিয়াৰ হিচাপে লোৱাৰ পৰিপেক্ষিতত সংবাদপত্ৰ পংক্ষপাতদুষ্ট হৈ পৰিল। আজিৰ সংবাদপত্ৰই পূৰ্বৰ গৰিমা হেৰুৱাৰ মূল কাৰণ হ'ল— ই বস্তুনিষ্ঠ নিৰপেক্ষ চৰিত্ৰহীন হোৱাটো, নিৰ্ভীক লক্ষণৰপৰা আঁতৰত থকাটো আৰু প্ৰকৃত জনমত গঠনৰ চেতনা প্ৰশমিত হোৱাটো।

চতুৰ্থতে, অতীতৰ প্ৰেক্ষাপট লুটিয়াই চালে দেখা পোৱা যায় যে, সংখ্যাত খুউব মুষ্টিমেয়সংখ্যক সংবাদপত্ৰই নানান সমস্যাৰ মাজেৰে আত্মপ্ৰকাশ কৰি অসমীয়া ভাষা, সাহিত্য, সংবাদ পত্ৰৰ উত্তৰণ আৰু সমাজৰ পৰিৱৰ্তন তথা ৰূপান্তৰত যি ভূমিকা পালন কৰা কৰিছিল, তাক কেতিয়াও কোনো মূল্যৰ স'তে জুখিব নোৱাৰি। তেনে ক্ষেত্ৰত ইয়াৰদ্বাৰাই প্ৰমাণিত হয় অসমীয়া সংবাদপত্ৰৰ ইতিহাস কিমান গৰিমামণ্ডিত। কিন্তু সময় পৰিৱৰ্তনৰ লগে লগে গোলকীকৰণৰ চাকনৈয়াত পৰি আজিৰ সংবাদপত্ৰই অতীতৰ দৰে স্বৰ্ণোজ্বল চৰিত্ৰ এটা অক্ষুণ্ণ ৰাখিব পৰা নাই। আজিৰ সংবাদপত্ৰত চলে লবীকেন্দ্ৰিকতা। নতুন প্ৰজন্মৰ লেখক সৃষ্টি কৰাত আজিৰ সংবাদপত্ৰ ব্যৰ্থ হোৱা বুলি ক'লেও ভুল কোৱা নহ'ব। তেনেদৰে অন্য লেখক-লেখিকাৰ গুণগত মানসম্পন্ন আৰু প্ৰয়োজনীয় লেখা প্ৰকাশ নোহোৱাটোও ইয়াৰ আলোচনাৰ অন্তৰ্ভুক্ত হৈ পৰে, যাৰ ফলত সম্পাদনাকক্ষ প্ৰায়ে জগৰীয়া হোৱা দেখা যায়। তদুপৰি অদক্ষ সাংবাদিক নিযুক্তিও আজিৰ সংবাদপত্ৰৰ এক অশুভ লক্ষণ। সাংবাদিকতাৰ অ-আ, ক-খ নজনা একাংশ সাংবাদিকক মালিক পক্ষই বা সম্পাদনা পক্ষই বিশেষ স্বাৰ্থ জড়িতভাৱে বিনা অৰ্হতাৰে নিযুক্তি দি অহাৰ নজিৰো বিৰল নহয়, যাৰ ফলত সংবাদ পত্ৰৰ সামগ্ৰিক দিশটো দুৰ্বল হোৱা দেখা যায়। আজিৰ যি সময়ত বাতৰি কাকতে কেৱল ব্যৱসায়িক বৃত্তিৰ অন্তৰ্গত হৈ নাথাকি বিশ্বৰ বিচিত্ৰগামী উচ্চ চিন্তাৰে এক সৰ্বজনস্বীকৃত মাধ্যমত পৰিণত হোৱাৰ গৌৰৱ অৰ্জন কৰিছে, সেই সময়তে সংবাদ পত্ৰৰ সম্পাদক অথবা সাংবাদিকসকলে তৰল অথচ হালধীয়া সাংবাদিকতাৰ আশ্ৰয় লৈ সচেতন পাঠকৰ মাজত এনেবোৰ নেতিবাচক কামেৰে বিশ্বাসযোগ্যতা হেৰুৱাই পেলাইছে। মনত ৰখা ভাল যে, "সাংবাদিকতা আধুনিক সভ্যতাৰ এটা চালিকা শক্তিত পৰিণত হৈছে। সেই কথা সততে মনত ৰাখি সাংবাদিকসকলে সাংবাদিকতা এনে এটা কঠিন সাধনাৰ বিষয় হিচাপে গ্ৰহণ কৰিব লাগিব। যিটো অৰ্থত সাহিত্যিকে সাহিত্যক বা বিজ্ঞানীয়ে বিজ্ঞানক সাধনাৰ বিষয় হিচাপে গণ্য কৰে"— (হোমেন বৰগোহাঞি)।

পঞ্চমতে, সস্তিয়া জনপ্ৰিয়তা আৰু দ্ৰুত প্ৰচলনৰ এক আঘোষিত প্ৰতিযোগিতাত নামি পৰাটোও অন্যতম এক চিন্তনীয় বিষয়। আধুনিক যুগৰ মানুহক আকৰ্ষিত কৰিবলৈ সংবাদ পত্ৰই বিভিন্ন ধৰণৰ চমকপ্ৰদ, মনোৰঞ্জনমূলক, যৌনগন্ধী বাতৰিৰ প্ৰচলন কৰি সচেতন পাঠকৰ ক্ষোভৰ বলি হৈ পৰে। তদুপৰি কেতবোৰ অসংযত বিজ্ঞাপনৰ আধিক্যৰে বিজ্ঞাপনৰ প্ৰচাৰ কৰি সংবাদ পত্ৰক অৰ্থ উপাৰ্জনৰ হাতিয়াৰ হিচাপে গঢ়ি লৈছে। যাৰ ফলশ্ৰুতিত আজিৰ সংবাদ পত্ৰই পূৰ্বৰ দৰে নিজস্ব স্বচ্ছ চৰিত্ৰটো বজাই ৰাখিব পৰা নাই। বাতৰি কাকত হ'ব লাগিব জনমত গঠনৰ এটি অভিকৰণ যিয়ে কোনো ৰাজনৈতিক, অৰ্থনৈতিক তথা সামাজিক সমস্যাৰ প্ৰসংগত শুদ্ধ পৰিশীলিত তথ্য আগবঢ়াব লাগে। ইয়াৰোপৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ বিভিন্ন বয়সৰ লেখক লেখিকাৰ প্ৰতিভা তুলি ধৰাৰ এখন নিৰপেক্ষ মঞ্চ দিব পাৰিব লাগে। এনে উদ্দেশ্যৰ বিপৰীতে গতি কৰা উদ্দেশ্য প্ৰণোদিতভাৱে বাতৰি সম্প্ৰচাৰ কৰা আদিয়ে লাহে লাহে বাতৰি কাকত বা সংবাদ পত্ৰৰ পূৰ্বৰ গৰিমা যে ম্লান কৰি আনিছে সেয়া অনস্বীকাৰ্য।

**৩ঃ৩ মতামত —**

সংবাদপত্ৰৰ নিৰপেক্ষ চৰিত্ৰ বৰ্জনৰ বাৰে বাৰে আৰু সংগোপনে বাঢ়ি অহা প্ৰৱণতাই সংবাদপত্ৰৰ বাবেই অশনি সংকেত কঢ়িয়াই আনিছে। তদুপৰি ডিজিটেল যুগত যদি সংবাদপত্ৰই প্ৰকৃতাৰ্থত নিজস্বতা বৰ্তাই ৰখাৰ সমানে সমানে নৱ প্ৰজন্মৰ বাবে আমাৰ প্ৰাণৱন্ত ইতিহাসৰ পৃষ্ঠাৰপৰা সমল বুটলি তাক প্ৰকাশ কৰাৰ প্ৰয়াস নকৰে, তেন্তে অদূৰ ভৱিষ্যতে সংবাদপত্ৰই ইয়াৰ স্থিতি বা স্ব-গৰিমা হেৰুৱাব। অপ্ৰিয় হ'লেও সত্য যে ক'লাধন বগা কৰাৰ বাবে বা দুৰ্নীতিত নিমজ্জিত হৈ নিজকে ধোৱা তুলসীৰ পাত বুলি দেখুৱাবলৈ কৰা অপচেষ্টাই সংবাদপত্ৰৰ পূৰ্বৰ গৰিমা ম্লান যে কৰিব সেয়া ধ্ৰুৱপ। গতিকে সময়োচিত ব্যৱস্থাৰে সংবাদপত্ৰৰ পূৰ্বৰ গৰিমা বজাই ৰখাৰ স্বাৰ্থত বৌদ্ধিকমহলে চিন্তাৰ বীজ ৰোপণ কৰাৰ প্ৰয়োজন আহি পৰিছে। ■

# শঙ্কৰদেৱৰ 'কীৰ্তনঘোষা' ঃ এটি চমু আলোচনা

■ পল্লৱী দাস
স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ



"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।"

অসমীয়া বৈষ্ণৱ বা ভক্তি সাহিত্যৰ ভিতৰত শংকৰদেৱৰ 'কীৰ্তনঘোষা' এখনি অন্যতম প্ৰামাণ্য গ্ৰন্থ। কীৰ্তন মহাপুৰুষ শংকৰদেৱৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন, বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ। বিষয়বস্তুৰ মনোৰম প্ৰকাশে, ছন্দৰ বৈচিত্ৰ্য আৰু লালিত্যই, ভাব উজ্জীৱিত কৰিব পৰা উপযুক্ত শব্দৰ ব্যৱহাৰে আৰু সকলোৰে ওপৰত ভক্তিৰ মধুৰ প্ৰলেপে কীৰ্তনখনক ল'ৰা, ডেকা আৰু বুঢ়া সকলো শ্ৰেণীৰ লোকৰ প্ৰিয় কৰি তুলিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত নৱবৈষ্ণৱ আন্দোলনৰ গুৰি ধৰিছিল। 'কীৰ্তনঘোষা' আছিল তাৰ মুখপত্ৰস্বৰূপ। গুৰুজনাই 'কীৰ্তন' পুথিখন একে ঠাইতে ৰচনা কৰা নাছিল। ভ্ৰাম্যমাণ শংকৰদেৱে বৰদোৱা, হাজো, বৰনগৰ, কালাজাৰ, বৰপেটা আদি ঠাইত কীৰ্তনৰ খণ্ডবোৰ ৰচনা কৰিছিল। আৰু বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা কীৰ্তনৰ খণ্ডবোৰ গুৰুজনাৰ বৈকুণ্ঠপ্ৰয়াণৰ পিচত মাধৱদেৱৰ ইচ্ছানুসৰি ভাগিন ৰামচৰণ ঠাকুৰে সেই খণ্ডবোৰ সংগ্ৰহ কৰি সংকলন কৰে।

মহাপুৰুষ শংকৰদেৱৰ আধ্যাত্মিক জীৱনৰ সৰ্বতোপ্ৰসাৰী অৱদানৰাজিৰ মাজত 'কীৰ্তনঘোষা' অন্যতম। 'কীৰ্তনঘোষা' এখনি কাহিনী বা আখ্যানমূলক ভক্তি কাব্য। শংকৰদেৱে ভাগৱত-পুৰাণৰ বিভিন্ন অধ্যায়ৰ কাহিনী লৈ কীৰ্তনখন ৰচনা কৰিছে। 'কীৰ্তনঘোষা'ৰ প্ৰতিটো কাহিনীৰ মাজতে শংকৰদেৱে প্ৰচাৰ কৰিছে উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ লীলা-মাহাত্ম্য। মনোৰঞ্জক আখ্যানৰ মাজত পৰম কৌশলেৰে সৰ্বসাধাৰণে বুজি পোৱাকৈ গুৰুজনাই প্ৰকাশ কৰিছে অনাদি-অনন্ত ভগৱন্তৰ প্ৰকৃত স্বৰূপ।

কাব্যিক সৌন্দৰ্যৰ দিশেৰে বিভিন্ন ৰস, ছন্দ, অলংকাৰৰ প্ৰাচুৰ্যই গ্ৰন্থখনক দান কৰিছে অন্য এক আকৰ্ষণ। বেজবৰুৱাৰ ভাষাত— "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত।"

গঠনৰীতিৰ ফালৰপৰা কীৰ্তন এখন স্বতন্ত্ৰ শ্ৰেণীৰ সাহিত্য। গ্ৰন্থখনিত সৰ্বমুঠ ২৭টা খণ্ড সন্নিৱিষ্ট। ২৭টা খণ্ডবিশিষ্ট কীৰ্তনৰ মাজেৰে গুৰুজনাই কৃষ্ণৰ ভক্তিৰ অমৃতধাৰা বোৱাই আনিছে।

'কীৰ্তনঘোষা' গ্ৰন্থখনে জনপ্ৰিয়তা অৰ্জন কৰাৰ কাৰণসমূহ হ'ল—

(ক) ধৰ্মগ্ৰন্থ হিচাপে কীৰ্তনঘোষা সৰ্বশ্ৰেষ্ঠ।
(খ) নাম-প্ৰসংগ তথা ভক্তিমূলক গ্ৰন্থ হিচাপে জনপ্ৰিয়।
(গ) কৃষ্ণভক্তিৰ তাত্ত্বিক কথাসমূহ কীৰ্তনৰ মাজেৰে প্ৰকাশ পাইছে।
(ঘ) গ্ৰন্থখনিৰ আদিৰপৰা অন্তলৈকে নানা অলংকাৰ, ছন্দ, ৰস আদিৰ প্ৰয়োগ কৰি ৰসিক কৰি তুলিছে; যাৰ বাবে সৰ্বসাধাৰণ ৰাইজে পঢ়ি আমোদ পায়।

**মহাপুৰুষ শংকৰদেৱৰ আধ্যাত্মিক জীৱনৰ সৰ্বতোপ্ৰসাৰী অৱদানৰাজিৰ মাজত 'কীৰ্তনঘোষা' অন্যতম। 'কীৰ্তনঘোষা' এখনি কাহিনী বা আখ্যানমূলক ভক্তি কাব্য। শংকৰদেৱে ভাগৱত-পুৰাণৰ বিভিন্ন অধ্যায়ৰ কাহিনী লৈ কীৰ্তনখন ৰচনা কৰিছে। 'কীৰ্তনঘোষা'ৰ প্ৰতিটো কাহিনীৰ মাজতে শংকৰদেৱে প্ৰচাৰ কৰিছে উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ লীলা-মাহাত্ম্য। মনোৰঞ্জক আখ্যানৰ মাজত পৰম কৌশলেৰে সৰ্বসাধাৰণে বুজি পোৱাকৈ গুৰুজনাই প্ৰকাশ কৰিছে অনাদি-অনন্ত ভগৱন্তৰ প্ৰকৃত স্বৰূপ।**

(ঙ) কীৰ্তন পুথিখনে শ্ৰেষ্ঠত্ব বা জনপ্ৰিয়তা লাভ কৰাৰ অন্য এটা কাৰণ হ'ল— ই ল'ৰাক ধেমালিৰ বস্তু দিছে, ডেকাক যৌৱনতত্ত্ব দিছে আৰু বয়োবৃদ্ধসকলক সৃষ্টিতত্ত্বৰ গভীৰ কথাৰে আমোদ যোগাইছে।

(চ) নৱধা ভক্তিৰ স্বৰূপ কীৰ্তন পুথিৰ মাজেৰে প্ৰকাশ পাইছে।

(ছ) লৌকিক দাম্পত্য জীৱনৰপৰা অপত্য মাতৃস্নেহ, স্বৰ্গ-মত্য, নদ-নদী, পশু-পক্ষী, পৰ্বত-পাহাৰ, তৰু-তৃণ, দেৱতা-মানৱ ইত্যাদি সকলো বিশ্ব চৰাচৰৰ সমাৱেশ ঘটিছে কীৰ্তনৰ মাজত।

(জ) ভ্ৰমণমূলক পুথি হিচাপে কীৰ্তন জনপ্ৰিয়।

মুঠৰ ওপৰত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক চৰিত্ৰৰ মাহাত্ম্য প্ৰকাশ কৰিবলৈ যাওঁতে মহাপুৰুষ শংকৰদেৱে অনুপম সাহিত্য সৌন্দৰ্য বিকশিত সাহিত্য সম্ভাৰৰ সৃষ্টি কৰিছিল। সেই সাহিত্যসমূহৰ ভিতৰত 'কীৰ্তনঘোষা' এখন। পৰমব্ৰহ্মই যে সাকাৰ ৰূপত কৃষ্ণ, হৰি আদি নামেৰে প্ৰতিভাত হৈছে, তাকে কীৰ্তনৰ মাজেৰে দেখুওৱা হৈছে। অসমীয়া জনজীৱনৰ হাড়ে-হিমজুৰে শিপাই থকা গ্ৰন্থখনেই হ'ল 'কীৰ্তনঘোষা'। কীৰ্তনঘোষাক বাদ দি অসমীয়া সাহিত্যৰ কথা কল্পনা কৰা অসম্ভৱ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শ্ৰেষ্ঠ কীৰ্তি 'কীৰ্তনঘোষা'। লগতে অসমীয়া বৈষ্ণৱ ধৰ্মৰ চাৰি পুথিৰো অন্যতম। ■




**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(১) শ্ৰীকুসুম চন্দ্ৰ শৰ্মা— 'বৈষ্ণৱ ভক্তিবাদ ঃ শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা', ২০১৭।

(২) ড° হীৰেন গোহাঁই— 'কীৰ্তন পুথিৰ ৰস বিচাৰ', ২০১৪।

(৩) ড° বিমল মজুমদাৰ— 'ভক্তি-সাহিত্য', ২০১৩।



◆ ইছাহক আলী
অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ

# প্ৰাচীন ভাৰতীয় আখ্যানত মৌচুমী বৰষুণ

প্ৰাচীন ভাৰতবাসীসকলে বৰ্ষা বা বৰষুণক পৃথিৱীপৃষ্ঠত মানুহৰ জীৱন চক্ৰৰ 'বাহন' বুলি গণ্য কৰিছিল। সেইবাবেই সমগ্ৰ মানৱ জাতিয়ে বৰষুণক প্ৰাৰ্থনা কৰে, পূজা কৰে। ভাৰতৰ প্ৰাচীন ধৰ্মীয় গ্ৰন্থবোৰত বৰষুণৰ বিষয়ে নানা প্ৰকাৰৰ সুন্দৰ সুন্দৰ বৰ্ণনা পোৱা যায়। প্ৰাচীন ধৰ্মগ্ৰন্থ বেদ আৰু উপনিষদত বৰষুণৰ বিষয়ে বৰ্ণিত কথাবোৰ ভাগৱত গীতাত আছে—

Annat Bhavanti Bhutani
Parjayannat Anna Sambhavah
Yanyat Bhavati Parjannyo
Yanyat Karma Samudbhavah

"অৰ্থাৎ জীৱন্ত বস্তুবোৰৰ পিতৃস্বৰূপ হৈছে খাদ্য; খাদ্যবোৰ বৰষুণৰপৰাই সৃষ্টি হয়, বৰষুণ আকৌ যজ্ঞই সৃষ্টি কৰে; আনহাতে যজ্ঞ হৈছে কোনো এটা কাৰ্যৰ ফল।" অৱশ্যে যজ্ঞৰ অৰ্থ বিভিন্নজনে বিভিন্ন ধৰণে কৰিছে। কিছুমানে যজ্ঞক আনুষ্ঠানিক কাৰ্য বা ধৰ্মীয় ক্ৰিয়া-কাণ্ড বুলি কয়। আন কিছুমানৰ মতে ইয়াৰ অৰ্থ হৈছে প্ৰবল তাপত গলি যোৱা বা মিহলি হৈ যোৱা। যিয়েই নহওক, ভাৰতীয় দৰ্শনত বৰষুণক আচাৰসৰ্বস্বতা বুলিহে বুজোৱা হয়। প্ৰাচীন ভাৰতৰ অনেক সম্ৰাট-সম্ৰাজ্ঞী বা ৰজা-ৰাণীসকলে অধিক খৰচী যজ্ঞ অনুষ্ঠিত কৰিছিল একমাত্ৰ বৰষুণৰ দেৱতাক পৰিতৃপ্ত বা সন্তুষ্ট কৰিবলৈ। আনকি আজিৰ দিনতো যজ্ঞক ফলপ্ৰসূ আচাৰ-ব্যৱস্থা বুলি বিশ্বাস কৰা হয়। ভাৰতীয় সংস্কৃতিত সমগ্ৰ যজ্ঞশালাকে যেতিয়া অগ্নিদেৱতাক সমৰ্পণ কৰা হয়, তেতিয়াই আকাশৰপৰা ঘনে ঘনে বৃষ্টি গৰজা দেখা যায়।

অতি প্ৰাচীন কালৰ বেদ-উপনিষদৰ যুগৰপৰাই ভগৱান ইন্দ্ৰক মৌচুমী বৰষুণৰ দেৱতা বুলি বিশ্বাস কৰি অহা হৈছে। ইন্দ্ৰ দেৱতাই বিজুলীৰ চিক্‌মিকনিৰদ্বাৰা তেওঁৰ অস্ত্ৰ চন্দ্ৰহাসক আকাশত প্ৰদৰ্শন কৰে। ভাৰতীয়সকলে ইন্দ্ৰই গীত আৰু নৃত্য ভাল পায় বুলি বিশ্বাস কৰে। সেইবাবে গ্ৰাম্য ভাৰতবাসীয়ে আজিও ইন্দ্ৰ দেৱতাক তুষ্ট কৰিবলৈ মুকলি মনেৰে গীত-নৃত্য কৰে। কিছুমান গাঁৱত গাঁওবাসীয়ে বৰষুণৰ নিশ্চয়তা দ্ৰুতভাৱে কামনা কৰি আনকি নগ্ন নৃত্যও কৰে। বৰষুণ আহিবৰ বাবে অধিক নিশ্চিত কৰিবলৈ কুমাৰী ছোৱালীসকলে এই নগ্ন নৃত্যত মত্ত হয়।

প্ৰাচীন ভাৰতবাসীসকলে আকাশৰপৰা প্ৰাচুৰ্যপূৰ্ণ বা উভৈনদী বৰষুণ নিৰ্গত হোৱাৰ বাবে ঋষি ৰিছিশৃংগকো অন্যতম কাৰণ বুলি ভাবিছিল। ঋষি ৰিছিশৃংগ আছিল ভিভানদক ঋষিৰ হৰিণৰূপী পুত্ৰ। ভিভানদক ঋষি আছিল এগৰাকী নাস্তিক ব্ৰহ্মচাৰী। এইজনা ঋষিয়ে তেওঁৰ শিঙালপুত্ৰক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। এদিনাখন এগৰাকী জ্ঞানী মনুহে চুবুৰীয়া দেশ এখনৰ ৰজাক ক'লে যে, তেওঁ তাপত শুকাই যাবলৈ ধৰা ৰাজ্যখনত বৰষুণ নমাই আনিবলৈ ৰিছিশৃংগ ঋষিক ৰাজপ্ৰাসাদলৈ মতাই আনি তেওঁৰদ্বাৰা যজ্ঞ কৰিব লাগিব। জ্ঞানী মানুহজনৰ পৰামৰ্শমতে ৰজাই কেইগৰাকীমান নৃত্যৰতা গাভৰুক ৰাজসভাৰপৰা পঠিয়াই দিলে পিতৃ ভিভানদক ঋষি আশ্ৰমৰপৰা বাহিৰত থকা সময়ত ৰিছিশৃংগ ঋষিক প্ৰলোভিত কৰি মাতি আনিবলৈ। অভিজ্ঞ নৃত্যপটু গাভৰুসকলে ৰিছিশৃংগ ঋষিৰ সৈতে অতি সুন্দৰকৈ নৃত্যকাৰ্য কৰি তেওঁৰ পিতৃৰ অনুপস্থিতিৰ সুযোগ লৈ ৰিছিশৃংগ ঋষিক

ৰাজপ্ৰাসাদলৈ যজ্ঞ কৰাৰ বাবে লৈ আহিল। অতি সুকলমে যজ্ঞ সমাপ্ত হোৱাৰ পিচত ৰাজ্যখনলৈ প্ৰচুৰ বৰষুণ নামি আহিল। এটা সময়ত ভিভানদক ঋষিয়ে যজ্ঞৰ কথা জানি ৰাজ্যখন অভিশাপেৰে জ্বলাই দিবলৈ ৰাজপ্ৰাসাদলৈ ধাৱমান হ'ল। ভিভানদক ঋষিৰ ৰুদ্ৰমূৰ্তিক শান্ত কৰিবলৈ ৰঙা দলিচা পাৰি ধুনীয়া নৃত্যৰতা নৰ্তকী কেতবোৰ পঠাই দিলে ঋষিক আদৰি আনিবলৈ। ৰজাৰ এনে আপ্যায়নত ঋষি সন্তুষ্ট হ'ল আৰু পিচত নিজকে শান্ত কৰিবলৈ বাধ্য হ'ল।

Myles Kennedy is considered by far the most versatile and among the best vocalist and guitarist in Hard Rock. Myles Richard Bass born November 27,1969 professionally known as Myles Kennedy is an American musician, singer, and songwriter. He is known for his soulful voice and mostly for his capability of hitting notes with an ease. He is the lead Vocalist and guitarist in Slash's backing band, known as Myles Kennedy and the Conspirators and also the lead vocalist and rhythm guitarist of the rock band Alter Bridge. Myles Kennedy is one of the top and most beloved singer in the genre. He has worked as a session musician and songwriter, making both studio and live appearances with several artist, and has been involved with several projects through out his career. When Slash was asked about Myles he said, "he is a sweet down to earth really cool guy" and that he was blown away when Myles did the song "Starlight" and he signed him to be the front man of the band Slash and the Conspirators for the record Apocalyptic Love and Living the Dream.

He began his music career in 1990 as a lead guitarist of the instrumental jazz band Cosmic Dust. His second band Citizen Swing released two albums before disbanding and creating a Rock band Mayfield Four, for which he provided lead vocals and guitar. Myles kennedy stated, " Mayfield Four was the band that afforded us the luxury to tour on a national level for the first time." Later he joined Alter Bridge in 2003 and he has been with the band ever since. He has released six studio albums with Alter Bridge. One day remains was released in 2004. With mixed reviews, Alter Bridge announced plans for a second release. The album *Blackbird*, was released in 2007. Unlike

One Day Remains, which was largely written by Tremonti, Blackbird featured Kennedy's guitar playing as well as his song writing skills. The song Blackbird is an absolute master piece. The third album AB III, was released in 2010. Lyrically it is the band's darkest album with kennedy calling it the most personal record. Later they released Fortress on September, 2013 , The Last Hero on October, 2016 and Walk the Sky on October, 2019.

On March 9, 2018 Myles Kennedy released his first solo record *"Year of the Tiger"*. I remember myself sitting in the college canteen going through all the songs on the record and yes, i missed all the classes. This album is a musical getaway from the hard rock music of Kennedy to a more of a blues based acoustic sound. The story behind "Year of the Tiger" is poignant. Myles family was involved in Christian Science church. So when his father became ill he decided not to seek medical attention and passed away a few months later leaving his wife, Myles and his small brother. He says,"my father was a good, honest man, but i still struggle with the choices he made which ultimately led to his death". For Myles it is the most personal record of his career where he pulls out the drawing from his personal experience.

**THE VOCALS**

The vocals are on a lower register. It doesn't distract the listener from the depth of the song and it suits the way the lyrics are conveyed. Kennedy himself played the Banzo, lap steel, bass, and mandolin in addition to guitar, joined by drummer Zia Uddin and Tim Tournier on bass along with Alter Bridge producer Michael 'Elvis' Baskette.

The title track *"Year of the Tiger"* introduces the listener, with Kennedy addressing his father's death through the eyes of his mother who just lost her husband and the aftermath with her children and the tough choices she was forced to make, The lyrics are spot on and the songs on the record shows how much of a lyrical genius he is. Lines like

*"in the year of the tiger, i got my kin to save*
*And i ll be dammed to see them suffer one more day"*

shows his mother resolution to keep fighting and remain in spite of the turmoil she had to face.

He holds into the loss in songs like "Blind faith" and "haunted by design". One can clearly feel the emotion in the lines–

*"faith can be blind*
*But it cannot justify*
*The tragedy of a love's demise*
*We can't replace".*

Myles empathises with his mother who raised him and his brother without her husband in the songs like "turning stone" and "mother".

"The great beyond" the most epic one on the album creates a scene, a vision of death of his father. Lines like- *"faith reveals the dark remains of faith in its last resolve"* refers to his father's fait God and Christian Science which ultimately resulted in his death.

"Devil on the wall" is a bluesy song with gloomy lyrics which conveys a sense of regret where he blames himself for not being able to do anything for his father.

*"I cannot fight this worried mind*
*In the end it's all my fault*
*The fate you find, you choose in time*
*When you draw the devil on the wall".*

"Ghost of Shangri-La" is one of my favourites where he tries to put his mother's perspective of. moving the family after their home was robbed shortly after his father's demise. The beauty of the song is its peaceful nature and the soulful voice of Kennedy. There's something that makes me listen to this beauty over and over again. My favourite lines–

*"these children at my shoulder*
*They don't see the tears I cry*
*Still fighting to get over*
*The ghost of Shangri La"*

"Love can only heal" is a late album standout that draws out the emotions and touches us. The steady plucking beautiful sound of the guitar in the beginning and the upbeat towards the end accompanied by touchy lyrics makes it a perfect creation.

*"Never mind the pain*
*Cause love can only heal*
*If only you could trade the dark for light it*

*might reveal*
*That there's a place inside*
*Don't be afraid to feel*
*Cause love can only heal".*

"Year of the Tiger" ends on a more hopeful and positive insight on moving forward. "Songbird" and "One fine day" are full of positivity. The song "One fine day" is about how his mother found new love and Myles a father.

Myles, words in an interview–

"And then the craziest thing happened — she was setup on a blind date with this guy in Nezperce, Idaho. So she flew to meet this gentleman in Spokane, Washington. They spent like a weekend hanging out, and three days later they were engaged. They fell in love quick and they're still married after all this time."

"So Glenn — that's why my last name is now Kennedy, because he adopted me and he treated both me and my brother as one of his own. That's one of the greatest things that's ever happened to me."

Few lines from the song–

*"One fine day, this, too, shall fade*
*You never know, never know, never know*
*This long lament, this bitter end*
*Let it go, let it go, let it go."*

The record "Year of the Tiger" shows Kennedy taking a risk of sharing the experience of his youth that have influenced and informed the rest of his life. Myles Kennedy is not just an entertainer, his songs speaks to his listener. To me Myles Kennedy doesn't just make songs, he makes soundtracks to your life. His music are so profoundly genuine and emotional that one can easily relate with their life and that is why his music grabs you. I am no musical maestro or a critic, this is just what i feel about his music and the record "Year of the Tiger" is the best i have heard. This album demonstrate his vocal versatility his skills as a songwriter and a guitarist. I wish he keeps on writing and making music and continues to surprise us. ■



# TRADE AND COMMERCE OF INDUS VALLEY CIVILIZATION

## with distant lands

■ **Dulumoni Nath**

Assistant Prof., Deptt. of History

*"Trade as the augmentation of wealth must be placed in the forefront."*

–Dr. Ambedkar

**Introduction:** The Indus valley civilization is generally called Harappan civilization, because it was first at Harappa in the Montgomery district, in the present province of west Punjab in Pakistan that the archeological discovery of a new culture was made in 1921. Further evidences of a similar culture were found at Mohenjo-Daro, a Sindhi word, which literally means 'mound of the dead', in Larakana district, in the province of Sind in Pakistan when the Archeological survey of India conducted excavation in 1922. Among the officers who deserve special mention for the excavation were Rakhaldas Benarjee, Sir John Marshall and Dayaram Sahni.

Archeologists use the term "culture" for a group of objects, distinctive in style that are usually found together within a specific geographical area and period of time. In the case of the Harrappan culture, these distinctive objects or artifacts include seals, beads, weights, stone blades and even baked bricks. These objects were found in areas as far apart as Afghanistan, Jammu, Baluchistan and Gujarat.

The Harappans had established an extensive network of inter and intra regional trade in different places. Different types of Archeological evidences like the presence of two dozen seals, belonging to Harappa and Persian gulf discovered from Susa and

Mesopotamia clearly indicate the presence of trade contact between the two. The three zones which get the most frequent reference in the contemporary texts are Dilmun, Makan, Meluha. The identification of Dilmun is with Bahrain, Makan with Oman, and the third place Meluha with the region of the Indus valley. A variety of materials were used for craft production, while some such as clay were locally available but stone, timber and metal had to be procured from outside the alluvial plain. Terracotta toy models of bullock carts suggest that this was one important means of transporting goods and people across land routes. Riverine routes along the Indus and its tributaries as well as coastal routes were also probably used. The Harappans carried out their inter regional trade of metal and stone different parts of Indian sub-continent like gold from Karnataka, silver from Afghanistan, copper from Rajasthan.

Trade and commerce was a vital part of the Harappan civilization. There were evidences to prove that the Indus valley people traded not only with the other parts of India but also with many parts of western and northern Asia, Egypt, and Babylon etc. Some objects of Harappan origin were found in Sumeria. Indicating the trade relations between the two civilizations. The important of trade in the life of the Indus valley people is attested not only by the granaries found at Harappa, Mohenjo-Daro and Lothal but also by the presence of numerous seals, uniform script and regulated weights and measures in a wide area.

Trade may be understood in its widest sense as the reciprocal traffic of materials or goods directed by human agencies from one place to another or one individual to another. It has been defined as mercantile employment carried on as a means of livelihood or profit. When a single person disposes off his own goods to some other person, then exchange is carried out. Earlier it was in the form of barter in which the two parties exchanged either goods or services on good will. The invention of the monetary system made it possible to dispose of goods for a token representative value that could in turn, be exchanged for other goods. The monetary system enabled trade to become a larger social activity instead of merely a person to person relationship or social activity on a small scale, like local trade.

Local trade has led always to the development of local centers in rural communities; their varied requirements gave rise to wandering traders and market places, conveniently accessible to any nearby communities. Such local trading gave rise to permanent markets which then graduated to a variety of towns and cities. Long distance trade on the other hand, means commercial exchange between residents of different areas. As states and nations emerged, they began to formulate national commercial policies. Trading among such different nations based on their own national policies of goods and services locally available developed as international trade later. Thus, it is a repeated sequence of institutions created by regular trade between multiplicities of traders.

In the prehistoric period, man was basically a part of his environment. Man lived in natural dwellings and gathered fruits, nuts, roots and hunted animals for his subsistence. At a later stage, food gathering was transformed into food proclamation in the form of agriculture and the domestication of animals. Thus, man began to control his environment. This along with the use of pottery, made his home economy better and the surplus theory became prominent. The barter system started within the families or tribes with a more settled life. Exchange of commodities which were previously carried out among the neighboring tribes and villages, gathered momentum and the people came in contact with outsiders.

In the Harappan culture the elaborate social structure and the standard of living must have been maintained by a highly developed system of communication and trade. Harappan trade contact occurred because they needed to procure materials from outside areas for which different types of strategies made. They used land routes and riverside routes to trade. The Indus and its tributaries, as well as coastal routes were also probably used. Inland trade was conducted by boats and bullocks and external trade by big boats and big bullock carts with solid wheels.

***Commercial links with subcontinent and beyond :***

The Harappans procured materials for craft production in various ways for instance, they established settlements such as Nageswar and Balakot in areas where shell was available. Other such sites were Shontughai, Afghanistan, near the best source of Lapis Lazuli, a blue stone that was apparently very highly valued, and Lothal which was near sources of carnelian (from Bharuch in Gujarat) steatite (from south Rajasthan and North Gujarat) and metal (from Rajasthan).

They sent expeditions to areas such as Khetri of Rajasthan (for copper) and South India (for gold), these expeditions established communication with local communities. Occasional findings of Harappan artifacts such as steatite micro beads in these areas give indication of such contacts.

**Commercial link with distant lands :**

Harappan people carried commerce with those in the land of the Tigris and the Euphrates. Discovery of many Indus seals in Mesopotamian bear testimony to it. Another evidence is the some cosmetics of the urban people of Mesopotamia by the Harappans.

Traders of Harappa and Mohenjo-Daro seem to have sent their goods to Persia Afghanistan and Mesopotamia by land routes and to Egypt and Crete by sea routes. During the Indus valley civilization, copper was probably brought from Oman situated on the South Eastern tip of the Arabian Peninsula. Chemical analyses have shown that both the Omani copper and Harappan artifacts have traces of Nickel; there are other traces of contact as well. A distinctive type of vessel, a large Harappan Jar coated with a thick layer of black clay has been found at Omani sites. Such thick coatings prevent the percolation of liquids. Mesopotamian texts datable to the third millennium BCE refer to copper coming from a region called Magus. Perhaps a name for Oman, and interestingly enough copper found at Mesopotamian sites also contains traces of Nickel. Mesopotamian records mention contact with a region named 'Dilmun' (Identified with Bahrain on the Persian Gulf) and Megan and Meluha. They mention the products from Meluha: carnelian, lapis lazuli, copper, gold and varieties of wood.

**Conclusion :** The trade was very important for the Indus valley civilization. The Harappan economy was based on a subsistence economy of wheat and barley. The Indus valley civilization had a broad trade network, but their currency was traded goods. Instead of money, there was a swapping and bartering system. Their main trade partner was Mesopotamia which was an advanced and contemporary civilization in Middle East.

Through the trade and commercial relation with outside areas, the Indus valley civilization not only exported and imported various goods and raw materials, but also made cultural contacts. So, trade and commerce played a vital role in early civilization and it is still doing so in the present day society. ■

**Reference :**


1. Khurana Dr. K.L,' History of India Earliest Times to 1761AD', 2015-16, Published by Lakshmi Narain Agarwal.
2. Bhagaboti Tarun Chandra,' Indian History', edited 2008
3. Sen Dr. Sanjay, 'History of India-I, 2019, Mahaveer Publications.
4. Tripathi Rana Shankar, 'History of Ancient India'2014, Motilal Banarasi Das Publishers Private limited, Delhi.
5. www.statelinewordpness.com
6. www.Indus-Valley-civ.weekly.com
7. www.shodhganga,in flibnet.ac.in

# কথোপকথন

## স্বনামধন্য অভিনেত্ৰী শ্ৰীযুতা চেতনা দাস বাইদেউৰ স'তে



*অসমীয়া চিনেমা জগতৰ এগৰাকী অপ্ৰতিদ্বন্দ্বী অভিনেত্ৰী চেতনা দাস। যোৱাটো শতিকাৰপৰা এই শতিকাৰ সাম্প্ৰতিক সময়লৈ নিজৰ অ-সামান্য প্ৰতিভাৰ যোগেদি দৰ্শক তথা সমগ্ৰ অসমবাসীৰ মন মুগ্ধ কৰিবলৈ সক্ষম হোৱা চেতনা বাইদেউৰ সৈতে তেওঁৰ জীৱন আৰু কৰ্ম সম্পৰ্কে কিছু আভাস পোৱা উদ্দেশ্যেৰে আমি তেওঁৰ ওচৰত গৈ উপস্থিত হৈছিলোঁ। অত্যন্ত মৰম আৰু ৰসৰ মাজেৰে বহু সময় ধৰি বাইদেৱে আমাক যিখিনি কথা ক'লে, তাকে আমি লিখিত ৰূপৰ মাজেৰে কথোপকথন শিতানলৈ আগবঢ়ালোঁ। কথোপকথনটো লিখিত আকাৰে যুগুতালে সম্পাদনা সহযোগী ক্ৰমে— প্ৰাঞ্জনা কলিতা, ৰিমলি ৰিছা পাঠক, ধনমণি দাস আৰু নিৰুপম দাসে।*

*—সম্পাদক*

**আমি ঃ বাইদেউ পোনপ্ৰথমে আমি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ তৰফৰপৰা আপোনাক সেৱা আৰু নমস্কাৰ জনাইছোঁ। আপোনাৰ জন্ম, শৈশৱ আৰু শিক্ষা সম্পৰ্কে অলপ জনাবচোন।**

**বাইদেউ ঃ** মই তোমালোকক মৰম আৰু শুভেচ্ছা জনাইছোঁ। তোমালোক মোৰ ওচৰলৈ অহাৰ বাবে মই ভাল পাইছোঁ। মোৰ জন্ম মেঘালয়ত, দেউতাৰ চাকৰি কামত ১৯৫৪ চনত, শ্বিলঙত। দেউতা শ্বিলঙত থকাৰ বাবে মোৰ প্ৰথম শিক্ষা আৰম্ভ হয় শ্বিলঙত। তাৰ পিচত বৰপেটাত প্ৰাইমাৰী স্কুলত পঢ়ি থাকোঁতেই দেউতাই শ্বিলঙলৈ বদলি হোৱাত ময়ো আহিবলগা হ'ল। তাতেই মই চিলভাৰ জুবলী স্কুলত, তেজপুৰ কন্যা বহুমুখী বিদ্যালয়ত মোৰ হাইস্কুলীয়া শিক্ষা সাং কৰি তেজপুৰৰ দৰং কলেজত স্নাতক শিক্ষাত অধ্যয়ন কৰোঁ।



**আমি ঃ আপোনাৰ জীৱনত অভিনয় কলাৰ প্ৰতি আপুনি কেনেদৰে আকৰ্ষিত হ'ল। অভিনয় কৰাৰ প্ৰতি আকৰ্ষিত হোৱাৰ কাৰণটোনো কি বাৰু?**

**বাইদেউ ঃ** অভিনয় কলাৰ প্ৰতি আকৰ্ষণ বুলি কথা নাই, ভালপাওঁ বাবেই ইয়াৰ লগত স্বতঃস্ফুৰ্তভাৱে জড়িত। সকলো শিশুৰ দৰে মোৰো এটি সাংস্কৃতিক মন আছিল সৰুৰেপৰা। পূৰ্বতে প্ৰতিঘৰ গৃহস্থতে এটা সাংস্কৃতিক পৰিৱেশ আছিল। ময়ো আমাৰ ঘৰৰ সেই সাংস্কৃতিক পৰিৱেশৰ মাজেৰেই আগবাঢ়িছোঁ। প্ৰথমবাৰৰ বাবে বৰপেটা মিলন মন্দিৰত, তেজপুৰৰ ফুকন হলত অসমৰ পুৰোধাসকলৰ নাট-অভিনয়ৰ লগত মোৰো তাতেই তেনেদৰে অভিনয় জীৱন আৰম্ভ হৈছিল। মই অভিনয় কৰা প্ৰথমখন নাটক আছিল জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰী। তাত মই কুঁজী বুঢ়ীৰ ভাও লৈছিলোঁ।

**আমি ঃ আপুনি অভিনয় কৰা প্ৰথমখন চিনেমা?**

**বাইদেউ ঃ** বৰুৱাৰ সংসাৰ। মই তেতিয়া অষ্টম শ্ৰেণীত পঢ়ি আছিলোঁ। ছবিখন পৰিচালনা কৰিছিল নিপ বৰুৱাই। এইখন ছবিতে মই নিপন গোস্বামী, অনিমা ভট্টাচাৰ্যৰ দৰে প্ৰখ্যাত শিল্পীৰ স'তে অভিনয় কৰাৰ সুযোগ পাওঁ।

**আমি ঃ অসমীয়া চিনেমাৰ এটা গৌৰৱোজ্জ্বল ইতিহাস আছে। এই সম্পৰ্কত আপুনি কি কয়?**

**বাইদেউ ঃ** খুবেই ভাল। এতিয়া অলপ পৰিৱৰ্তন হৈছে। এতিয়া ডিজিটেলাইজেশ্যনৰ যুগ। নতুন নতুন কৌশলী বিদ্যাই ঠাই লৈছে। পূৰ্বতে আমি কামবোৰ খুব নিয়াৰিকৈ কৰিছিলোঁ। এতিয়া অলপ ফালৰি কাটিছে যদিও অলপ নিয়াৰিকৈ কৰিব পাৰিলে সকলো ঠিক হ'ব। আমি কামবোৰ কৰোঁতে টকা প্ৰাপ্তিৰ উদ্দেশ্য আগত ৰাখি কাম কৰা নাছিলোঁ; আমাৰ একাগ্ৰ সাধনাই আমাক গঢ় দিছে। অৱশ্যে এতিয়া পইচা নোহোৱাকৈ কাম নকৰে।

**আমি ঃ বাউদেউ, নিঃসন্দেহে আপুনি অসমীয়া ছবিজগতৰ এগৰাকী অসামান্য প্ৰতিভাশালী অভিনেত্ৰী। আপোনাৰ ৰসগ্ৰাহী আৰু চিত্তাকৰ্ষক অভিনয়শৈলী দেখি আজিও প্ৰতিটো প্ৰজন্মই মোহিত হয়। আমি ভাবোঁ— আপোনাৰ অভিনয় জীৱনৰ প্ৰতি এয়া অন্যতম এক বিৰল প্ৰাপ্তি আৰু কৃতিত্ব। এই সন্দৰ্ভত আপুনি কি ক'ব?**

**বাইদেউ ঃ** সেইটো ৰাইজেই কয়, মই গৰ্ব অনুভৱ কৰোঁ তেতিয়া। প্ৰশংসা কৰিলে সকলোৰে ভাল পায়। যেতিয়া ৰাইজে মই কৰা কাম আৰু অৱিহণাৰ বাবে মোক প্ৰশংসা কৰে, সন্মান কৰে; তেতিয়া গৌৰৱ অনুভৱ কৰোঁ। মোৰ বিশ্বাস অটুট থাকে যে, ৰাইজখনে মোক পাহৰি যোৱা নাই। আগৰেপৰা মই গাঁৱৰ মানুহৰপৰা চহৰৰ মানুহলৈ সকলোৰে হাতত অশেষ মৰম পাইছোঁ, এতিয়াও পাওঁ।

**আমি ঃ চিনেমাৰ সমান্তৰালভাৱে আপুনি নাট্যজগতৰো এগৰাকী অপ্ৰতিদ্বন্দ্বী অভিনেত্ৰী। এই ক্ষেত্ৰত চিনেমা আৰু নাটকৰ ক্ষেত্ৰখনত আপুনি অভিনয় শিল্পৰ ধাৰণাটোক কিভাৱে গ্ৰহণ কৰে? ইয়াত কিবা সীমাবদ্ধতা আছে নেকি?**

**বাইদেউ ঃ** আছে। বহুতখিনি আছে। অভিনয়শৈলীক নিজৰ মতে আগবঢ়াই নিয়াত ইয়াত দুয়োখন ক্ষেত্ৰতে নিজা নিজা কিছু ধৰণ আছে। নাটকত অভিনয় কৰিবলৈ যাওঁতে আমি আমাৰ কণ্ঠ, সংলাপৰ শব্দ উচ্চগ্ৰামত মেলি দিবলগা হয়, কিয়নো একেবাৰে শেষৰ শাৰীৰ মানুহজনেও ইয়াক বুজি পাব লাগিব। কিন্তু চিনেমাত এইবোৰ নচলে।

**আমি ঃ বাইদেউ, বিগত দশককেইটাত ইতিপূৰ্বে অভিনয় কৰি অহা দীঘলীয়া সময়ছোৱাত আপোনাৰ ব্যক্তিগত জীৱনত ঘটা যি কোনো ৰোমাঞ্চকৰ ঘটনা সম্পৰ্কে অলপ ক'বচোন।**

**বাইদেউ ঃ** ৰোমাঞ্চকৰ ঘটনা বহুত আছে। তেনেকুৱা অভিজ্ঞতাই মোক বহু পৰিমাণে সুখীও কৰে। এবাৰ 'অদাহ্য' ছবিখনৰ শ্যুটিং সামৰি মিৰ্জাৰ আমৰাঙা অঞ্চলৰপৰা আহি থাকোঁতে জগলীয়া নদীৰ ওপৰৰ এখন কাঠৰ দলংখনত এটা ভয়লগা ঘটনা ঘটিল, যিটো ঘটনা বাইদেৱে উপন্যাসখনত ইলিমন চৰিত্ৰটোৰ কথা ক'বলৈ যাওঁতে বৰ্ণনা কৰিছিল। আহোঁতে আমি গধূলি সময়ত পথ নেদেখা হ'লোঁ, পথ ভুল কৰিলোঁ। দলঙৰ কাষতে খুব ভয়লগা অনুভৱ এটিয়ে আমাক জোকাৰি গৈছিল। আন এটা ঘটনা উত্তৰ গুৱাহাটীত 'অবুজ বেদনা' চিনেমাখনৰ শ্যুটিং কৰিবলৈ যাওঁতে ঘটিছিল।



**আমি ঃ বাইদেউ, সকলো কথাৰ মূলতে থাকে জীৱনৰ অৰ্থনৈতিক স্বাধীনতাৰ প্ৰসংগৰ কথাটো। যাক আমি জীৱনৰপৰা কেতিয়াও অমূলক বুলি ক'ব নোৱাৰোঁ। অসমৰ দৰে প্ৰান্তীয় ঠাই এখনত উন্নত সা-সুবিধাহীনতা সত্ত্বেও আগবাঢ়িবলৈ প্ৰয়াস কৰা অসমীয়া ছবি জগতখনত অভিনয়, চিনেমা নিৰ্মাণ, পৰিচালনাৰ দৰে বৃত্তিবোৰক পেছা হিচাপে গ্ৰহণ কৰি অসমৰ অভিনেতা-অভিনেত্ৰীসকলে আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰিছেনে? এই ক্ষেত্ৰত আপুনি কি ক'ব?**

**বাইদেউ** ঃ এইটোকে কেৱল পেছা হিচাপে গ্ৰহণ কৰিলে টান পৰিব। কাৰণ অসমৰ ৰাইজে চিনেমা জগতলৈ সিমান বেছি অৰিহণা নিদিয়ে। আমি প্ৰথমতে ইয়াক নিচা হিচাপে ব্যৱহাৰ কৰিছিলোঁ যদিও পিচলৈ প্ৰয়োজনত ই পেছালৈ পৰিৱৰ্তিত হ'ল— অৰ্থাৎ এই আদৰ্শটো। আৰু এই কথাও সত্য যে, অসমৰ অভিনেতা-অভিনেত্ৰীয়ে অভিনয়ৰ নামত সাংঘাটিক এটা Demand নকৰে আৰু কৰিলেও এই ধৰণে নিজৰ প্ৰাপ্তি নাপায়ো।

**আমি ঃ ইতিহাস আৰু বৰ্তমানৰ প্ৰেক্ষাপটত অসমীয়া চিনেমা-শিল্পৰ বিকাশত চৰকাৰৰ পৃষ্ঠপোষকতা সন্তোষজনক নে?**

**বাইদেউ** ঃ এতিয়া প্ৰায় ভালেই। এতিয়া প্ৰায়বোৰকে ৰাজনৈতিক শক্তিয়ে ৰাজনীতিৰ মজিয়ালৈ টানি লৈ গৈ সংস্থাপন কৰিছে।এতিয়া তেওঁলোকৰ মুঠতে খুবেই ভাল। আমিহে এতিয়া কুকুৰ ধূলি লিগিৰি হৈ কটাবলগীয়া হৈছে (আক্ষেপৰ সুৰত)। অৱশ্যে ৰাজনীতিলৈ তেওঁলোকক আকৰ্ষণ কৰাৰ অন্তৰালত কিছু আশাপ্ৰদ কথাও আছে। ইয়ে প্ৰত্যক্ষ-পৰোক্ষভাৱে আমাৰ শিল্প-সংস্কৃতিৰ বিকাশ ঘটাব পাৰে। তাক মই বেয়াকৈ কেতিয়াও ভবা নাই।

**আমি ঃ চিনেমা কেৱল আমোদ-প্ৰমোদৰ বস্তু নহয়। চিনেমা সমাজ পৰিৱৰ্তনৰ এক বৌদ্ধিক অস্ত্ৰও। উচ্চ আদৰ্শগত চিনেমা অসমীয়া ভাষাত নিৰ্মাণ হোৱাৰ সমান্তৰালভাৱে কিন্তু কেতবোৰ ৰুচিহীন, আদৰ্শহীন চিনেমাও নিৰ্মাণ হোৱা দেখা যায়। এই ক্ষেত্ৰত আপোনাৰ মন্তব্য!**

**বাইদেউ** ঃ আচলতে যি কোনো ছবি এখনত ভাল মেছেজ এটা থাকিব লাগিবই। অসমৰ সমান্তৰালভাৱে উত্তৰ-পূবৰ ছবিবোৰৰ এক বিশেষ মৰ্যাদা আছে। কিন্তু ব্যৱসায়িক উদ্দেশ্যত চিনেমা কৰিবলৈ গ'লেও যাতে আদৰ্শ আৰু বাৰ্তাৰ কথাটো পাহৰি নাযায় তাৰ প্ৰতি গুৰুত্ব ৰাখিব লাগিব। আজিকালি অসমীয়া চিনেমাত আদৰ্শৰ অৱক্ষয় ঘটিছে সঁচা। পোছাক-পৰিচ্ছদত শালীনতা নোহোৱাই হৈছে। Art for Artsake বুলি কথা এটা আছে। যদি কৰিবলগা, পিন্ধিবলগা হয়, সেয়া বেলেগ কথা। কিন্তু আমাৰ সমাজক প্ৰতিনিধিত্ব কৰা কোনো ছোৱালীয়ে তেনে পোছাক পৰিধান কৰাটো মুঠেই উচিত নহয়। আমাৰ ছবিৰ যি সৰ্বজনগ্ৰাহ্যতা আৰু আদৰ্শবাদিতা পূৰ্বৰেপৰা জল্‌জল্ পট্‌পট্‌কৈ প্ৰতিফলিত হৈ আহিছে, তাৰ ধাৰাবাহিৰতা অক্ষুণ্ণ ৰাখিলে ভাল পাম।

আমি ঃ **হাস্যৰস আপোনাৰ জীৱনৰ বিশিষ্ট উপাদান। সন্দেহ নাই যে আমাৰদৰে অনেক প্ৰজন্মই আপোনাৰ হাস্যৰসাত্মক অভিনয় প্ৰতিভাশৈলীত মুগ্ধ হৈ ৰৈছে। আপোনাক যদি আমি 'Comedy Queen of Assam' বুলিও শ্ৰদ্ধাসহকাৰে কওঁ, আপোনাৰ মতামত কি হ'ব?**

**বাইদেউ** ঃ এনে ধৰণৰ সন্মান আগতে বহুতেই দিছে। তথাপি তোমালোকৰ মুখৰপৰাও কথাষাৰ শুনি মই আনন্দ পাইছোঁ। আচলতে মই নিজৰ নামৰ আগত 'Comedy Queen' বুলি লিখিবলৈ বেয়া পাওঁ। 'ৰসৰাণী' উপাধিও বহু আগতেই দিছে। ইয়াতো শান্তি পাইছোঁ।

আমি ঃ **অসমীয়া চিনেমাৰ ভৱিষ্যৎ সম্পৰ্কে আপুনি কি ক'ব বাইদেউ?**

**বাইদেউ** ঃ আচলতে অসমীয়া ছবি বুলিলে জয়মতীৰ দিনৰপৰা সাম্প্ৰতিক দিনলৈ যদি আমি ভাবোঁ, তেন্তে দেখা পাম যে, অসমীয়া চিনেমাই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। কিন্তু পৰিতাপৰ কথা যে, তথাপিও আমি ক'ৰবাত পিছুৱাই গ'লোঁ। আমাৰ পিচত যিবোৰ ৰাজ্যই ছবি কৰিলে, তেওঁলোক এতিয়া আমাতকৈ বহুদূৰ আগুৱাই গ'ল। তাৰ বিভিন্ন কাৰণ আছে। সেয়া আমাৰ বাবে দুৰ্ভগ্যৰ কথা। তথাপিও মই সদায় আশাবাদী। মই খুব নিৰাশাত নুভূগো। মই অন্তৰাত্মাৰ বিশ্বাসেৰে উপলব্ধি কৰোঁ যে, অসমীয়া চিনেমাৰ ভৱিষ্যৎ ভালেই হ'ব। নতুনসকলক সেয়েহে নিষ্ঠাৰে কাম কৰি যাবলৈ অনুগ্ৰহ কৰিছোঁ।

আমি ঃ **বাইদেউ, অসমীয়া চিনেমাত পূৰ্বৰ হাস্যৰসাত্মক ক্ষেত্ৰ আৰু সাম্প্ৰতিক সময়ৰ হাস্যৰসাত্মক ক্ষেত্ৰখনত কিবা আদৰ্শগত পাৰ্থক্য স্পষ্ট হয় নেকি? আপোনাৰ উত্তৰাধিকাৰী হিচাপে অভিনেতা-অভিনেত্ৰীসকলৰ মাজত সুস্থ হাস্যৰসাত্মক পৰিৱেশটো বিচাৰি পায়নে আপুনি?**

**বাইদেউ** ঃ সেইটো তোমালোকেহে নিৰ্বাচন কৰিবা। সেয়া গণ্য কৰাৰ দায়িত্ব তোমালোকৰ। 'এ.... এটো বেছি বেছি ক'ল্লা, এটো ইন্‌কে নহয়...' এনেকে নোকোৱা জানো তোমালোকে? গতিকে তাৰ দায়িত্ব তোমালোকৰ ওপৰত (হাঁহিৰে)।

আমি ঃ **লক্‌ডাউনৰ সময়খিনি আপুনি কিভাবে অতিবাহিত কৰিছে আৰু লগতে আপোনাৰ অনাগত পৰিকল্পনা সম্পৰ্কে আমাক জনাওঁক।**

**বাইদেউ** ঃ লক্‌ডাউন সময়খিনিৰ কথা সকলোৱে জানে। মোৰ পৰিস্থিতিৰ কথা হয়তো তোমালোকেও বুজিছা। এই সময়তে মই মোৰ হিয়াৰ মাণিকজনক হেৰুৱাইছোঁ। চাৰিদিনৰ পিচত মই হাস্পতালৰপৰা ঘৰলৈ আহি তেওঁক দেখিছিলোঁ বগাকাপোৰ পৰিহিত এটি নিথৰ দেহৰ স'তে। অৱশ্যে এই বেদনাদায়ক সময়খিনিতো অসম চৰকাৰে মোক যথেষ্ট সহায় কৰিছে। হাস্পতাল কৰ্তৃপক্ষৰ লগতে চৰকাৰৰ ওচৰত মই কৃতজ্ঞ।

আমি ঃ **বাইদেউ, এগৰাকী সফল নাৰী হিচাপে আপুনি ছবিজগত, মঞ্চজগত আৰু সংসাৰখন কেনেদৰে আগবঢ়াই নিছে?**

**বাইদেউ** ঃ এই সমগ্ৰ যাত্ৰাত মোক পৰিয়ালে সম্পূৰ্ণ সহায় কৰিছে। মোৰ স্বামী, মোৰ দুজনী ছোৱালী, বিশেষকৈ শহুৰৰ ঘৰখনে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে। এনেধৰণে সকলোখিনি আগবঢ়াই নিয়াত মই অগ্ৰসৰ হ'ব পাৰিছোঁ বুলি ভাবোঁ।

আমি ঃ **কলাগুৰু বিষ্ণু ৰাভাৰ লগতো আপুনি কাম কৰিছিল। এই ক্ষেত্ৰত আপোনাৰ অনুভৱ?**

**বাইদেউ** ঃ কলাগুৰু বিষ্ণু ৰাভা নিজেই এজন কিৰাত পুত্ৰ আছিল। এই সমগ্ৰ গুণাৱলীৰ এজন বিৰাট পুৰুষ তেওঁ। তেওঁৰ সৈতে মই কেইবাবাৰো নাটক কৰিছিলোঁ। ৰাভাদেৱে আনকি মোক নিজেই গান শিকাইছিল। ই মোৰ বাবে অন্যতম প্ৰাপ্তি। এতিয়া সেই পুৰণি কথাবোৰ মোৰ খুবেই মনত পৰে।

আমি ঃ **বাইদেউ, শেষত আপুনি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ কি বাৰ্তা প্ৰেৰণ কৰিব?**

**বাইদেউ** ঃ মই তোমালোকক বহুত ভাল পাইছোঁ। তোমালোকৰ দায়িত্বশীলতাক দেখি মোৰ বহুত ভাল লাগিছে। আপোন ভালেই জগত ভাল। তুমি যেতিয়া নিজেই ভাল হ'বা, তেতিয়া জগতখনো তুমি পৰিষ্কাৰ দেখিবা। সকলোৰে প্ৰতি প্ৰেম ৰাখিবা। তোমালোকৰ কল্যাণৰ বাবে হিয়া উজাৰি আশীৰ্বাদ দিছোঁ। ■

# কথোপকথন

**আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বস্ত্ৰ ব্যৱসায়ী শ্ৰীযুত নৰমোহন দাসৰ সৈতে এখন্তেক......**



নিজৰ কৰ্ম সাধনাৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এগৰাকী সফল অসমীয়া বস্ত্ৰ-ব্যৱসায়ী হিচাপে খ্যাতি অৰ্জন কৰা দক্ষিণ কামৰূপৰ হাৰোপাৰা গাঁও নিৱাসী শ্ৰীযুত নৰমোহন দাসৰ সৈতে তেওঁৰ বাসগৃহত এই বিশেষ কৰ্মাভিযানটোৰ সৱিশেষ কথা আলোচনা কৰিবৰ বাবে আমি উপস্থিত হৈছিলোঁ। তেওঁ থলুৱা ধাৰণাৰে আমাৰ অঞ্চলত প্ৰাপ্ত এৰি-মুগাৰে বৈ উলিওৱা নানাবিধ কাপোৰ সম্প্ৰতি ৰাজ্যিক পৰ্যায়ৰ লগতে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰসিদ্ধি লাভ কৰিছে। এই বিষয়ে তেওঁক সাক্ষাৎ কৰি তেওঁৰপৰা গ্ৰহণ কৰা কথোপকথনখিনি তলত আগবঢ়াই দিয়া হ'ল।

সাক্ষাৎকাৰটো যুগুতালে

সম্পাদনা সহযোগী ধনমণি দাস আৰু নিৰূপম দাসে।

—সম্পাদক



**আমি ঃ ছাৰ, পোনপ্ৰথমে আমি দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ ফালৰপৰা আপোনাক সেৱা আৰু নমস্কাৰ জনাইছোঁ। আপোনাৰ জন্ম, শৈশৱ আৰু শিক্ষা সম্পৰ্কে অলপ জনাবচোন।**

**ছাৰ ঃ** নমস্কাৰ। মোৰ জন্ম হাৰোপাৰা তৃতীয় খণ্ডত, ১৯৫৯ চনত। মই দশম শ্ৰেণীত থাকোঁতে ঘৰৰ আৰ্থিক অৱস্থা উন্নত নাছিল বাবে মই কাম বিচাৰি গুৱাহাটীলৈ গৈছিলোঁ। গুৱাহাটীত প্ৰায় চাৰিমাহমান শোধানাগাৰত কাম কৰিছিলোঁ। তাৰ পিচত মই মালিগাঁৱত টাইলচ্ ফেক্টৰীৰত আঠ টকা হাজিৰাত কাম কৰিছিলোঁ। তেতিয়া মোৰ বয়স ১৬ বছৰ মাত্ৰ আছিল। এনেদৰেই মই দশমমানতেই পঢ়া এৰিবলগীয়া হৈছিল। কিন্তু পিচত দিল্লীত কাম কৰি থাকোঁতে মোৰ এজন শুভাকাংক্ষীৰ বাবে মুক্ত বিশ্ববিদ্যালয়ত পঢ়িবলৈ সুযোগ পাইছিলোঁ।

**আমি ঃ আপোনাৰ জীৱনত বস্ত্ৰ উদ্যোগ ব্যৱসায়ৰ আৰম্ভণি কেতিয়াৰপৰা হ'ল? এই ধাৰণাটো আপোনাৰ মনলৈ কেনেদৰে আহিছিল?**

**উত্তৰ ঃ** আমাৰ ঘৰৰ লগতে গোটেই গাঁওখনত সেই সময়ত এৰী-কাপোৰ বোৱা হৈছিল। মোৰ মনত আছে— মই সপ্তমমানত থাকোঁতে মাক এৰি-কাপোৰ বোৱাত সহায় কৰিছিলোঁ। মই স্কুলৰপৰা আহিয়েই এৰি-কাপোৰত ব্যৱহাৰ হোৱা সূতাবোৰ উঘাত লৈছিলোঁ। মই তেতিয়া ভবাই নাছিলোঁ যে, তেতিয়াই এদিনতেই ডেৰ কিলো সূতা উঘাত ল'বলৈ সক্ষম হৈছিলোঁ।সেই সময়ত এটা প্ৰতিযোগিতাও আছিল আৰু ভোকো আছিল। আমি যিমান সোনকালে সূতাখিনি উলিয়াই দিব পাৰোঁ, টকাকেইটা সোনকালে পাম; এইটো আছিল ভোক আৰু প্ৰতিযোগিতা হ'ল— মই যদি সোনকালে সূতাবোৰ উঘাত লৈ দিব পাৰোঁ, তেতিয়া মায়ে সেই সূতাৰে সোনকালে বাতি কাঢ়িব পাৰিব। লগতে ওচৰ-চুবুৰীয়াবোৰৰ লগতো এটা প্ৰতিযোগিতা হৈছিল।

মায়ে যেতিয়া শাল বৈ থাকে, তেতিয়া মই প্ৰয়োজন হোৱা মহুৰাবোৰত ততাতৈয়াকৈ সূতা ভৰাই দিছিলোঁ। সেই সময়ত ঝাৰোবড়ীত খাদী ফাৰ্ম এখন আছিল। তাত আমি এৰী-কাপোৰ বিক্ৰী কৰিছিলোঁ। আমাৰ গাঁৱৰ মহিলাবিলাকেও নিজৰ হাত-খৰচৰ বাবে এৰী সূতাৰ এই ব্যৱসায় কৰিছিল। তেতিয়া মহিলাসকলৰ মাজত এটা প্ৰতিযোগিতামুখৰ পৰিৱেশ আছিল।



**আমি ঃ বৰ্তমান আপোনাৰ তত্ত্বাৱধানত কিমানগৰাকী কৰ্মী কৰ্মৰত হৈ আছে?**

**উত্তৰ ঃ** আমাৰ লগত কাপোৰ বোৱা মানুহ প্ৰায় ৮০ গৰাকী। কাপোৰত ৰং কৰা মানুহ আছে পাঁচজন। আমাৰ কোনো ডাঙৰ উদ্যোগৰ দৰে একেলগে মানুহবোৰে কাম নকৰে। কাপোৰ বা সূতাবোৰ আমি ভাগে ভাগে মানুহৰ ঘৰত দি থৈ আহোঁ। নিৰ্দিষ্ট সময়ৰ ভিতৰত তেওঁলোকে নিজৰ নিজৰ কামবোৰ কৰি দিয়ে আৰু টকাও সেই হিচাপেই পায়। কিবা দামী বা ভাল কাপোৰৰ কাম কৰিব লাগিলে আমি পুৰণি অভিজ্ঞতাসম্পন্ন মানুহবোৰক দিওঁ। আমাৰ এই কামটোত বহু ভিতৰৰ এক বৃহৎ অঞ্চলৰ মানুহ জড়িত হৈ আছে। আমাৰ লগত কাম কৰা মানুহবোৰৰ এটাই ভাল যে, তেওঁলোকে কেতিয়াও মালিক পক্ষৰ লগত বদমাচি নকৰে। কিবা আপদে-বিপদে মোক মনত পেলায়। কেতিয়াবা মই তেওঁলোকৰ ঘৰত কাম চাব গ'লেও কয় যে, 'আজি দাদা অহা বাবে দুই আঙুলি বেছিকৈহে বোৱা গ'ল।' (হাঁহি)

**আমি ঃ ডি.কে. কলেজলৈও আপুনি বহুবাৰ আহিলে। এই ক্ষেত্ৰত আপোনাৰ অনুভৱ?**

**উত্তৰ ঃ** মোৰ মনত আছে— এবাৰ মই ডি.কে. কলেজলৈ এৰী-সূতাৰ বিষয়ে কিবা ক'বলৈ আমন্ত্ৰণ জনাইছিল। মই কলেজৰ সভাকক্ষত এৰী-সূতাৰ বিষয়ে ভাষণ দি থাকোঁতেই এটা ডাঙৰ ভূমিকম্প হৈছিল। নেপালৰ কাঠমাণ্ডুৰ লগতে বিভিন্ন ঠাইত ভূমিকম্পটোৱে প্ৰচুৰ ক্ষতি কৰিছিল। মোৰ ভাষণৰ মাজতেই এই ভূমিকম্পটো হৈছিল।
মই নিজে ডি.কে. কলেজলৈ গৈ বহুত ভাল পাইছোঁ।

**আমি ঃ আপুনি কেনেকৈ এই ব্যৱসায়ৰ আন্তৰ্জাতিক বজাৰখনত সুযোগ পালে?**

**উত্তৰ ঃ** মই বিভিন্ন Expoৰ জৰিয়তে ভাৰত চৰকাৰৰ সহযোগত ভাৰতৰ বাহিৰত প্ৰায় ৯ বাৰমান গৈছিলোঁ। বিভিন্ন দেশ-বিদেশৰপৰা অহা কাপোৰৰ বিক্ৰেতাৰ লগত অমিও আমাৰ থলুৱা কাপোৰ প্ৰদৰ্শন কৰি বিক্ৰী কৰিবলৈ সুযোগ পাইছিলোঁ। তেনেদৰে চলাৰ পিচত যেতিয়া বাহিৰৰ মানুহে আমাৰ কামৰ কথা গম পালে, তেতিয়া বহুতে এই কামবোৰ চাব, বিশেষকৈ কাপোৰত বিভিন্ন প্ৰাকৃতিক উপাদানেৰে ৰং কৰা চাবলৈ আৰু কিনিবলৈ আহিবলৈ ধৰিলে। তেনেদৰে মোৰ ওচৰত বহু কাপোৰৰ অৰ্ডাৰ আহিবলৈ ধৰিলে। গুৰুত্বপূৰ্ণ কথাটো হ'ল, আমাৰ সকলো কাপোৰেই প্ৰাকৃতিভাৱে আৰু পৰম্পৰাগতভাৱে বোৱা আৰু ৰং কৰা।

**আমি ঃ আপোনাৰ কৰ্মৰ স্বাক্ষৰ ব্ৰিটেইনৰ ৰাণীৰ ওচৰলৈও গৈছে। আমি ভাবোঁ, ইয়ে স্বাভাৱিকতেই আপোনাৰ কৰ্মক্ষেত্ৰক এটা বিশ্বজনীন পৰিসৰৰ মাজলৈ লৈ গৈছে। এই ক্ষেত্ৰত আপোনাৰ অনুভৱ?**

**উত্তৰ ঃ** মই বিদেশত যোৱাৰ পিচৰপৰাই কাপোৰবোৰৰ আমদানী-ৰপ্তানিৰ কামবোৰ ভালদৰে গম পাইছিলোঁ। ইয়াৰপৰা মোৰ লগতে শিপিনীসমূহ ভালদৰে উপকৃত হৈছিল। বিদেশৰ বজাৰখনত কাপোৰ ভালদৰে ৰপ্তানি কৰিবলৈ প্ৰায় আঠ বছৰ লাগিছিল। তাৰ পিচত প্ৰায় দুই বছৰ পাচত মই এটা অৰ্ডাৰ পাইছিলোঁ। এই অৰ্ডাৰটো আছিল ফ্ৰান্সৰ। ফ্ৰান্সৰ এটা পাৰ্টি আহি মোৰ কামবোৰৰ লগতে

মোৰ কাপোৰবোৰ ভালদৰে চালিজাৰি চাই অৰ্ডাৰটো দিছিল। প্ৰতি ছয়মাহৰ মূৰে মূৰে কাপোৰবোৰ ৫০০ খনকৈ কাপোৰ দিব লাগিছিল। এনেদৰে ফ্ৰান্সত পাঁচ-ছয় বছৰ কাপোৰ ৰপ্তানি কৰিছিলোঁ। তাৰ পিচত ফ্ৰান্সৰ ডিজাইনাৰ এজন তিনিবছৰমান আহিছিল। প্ৰতিবাৰেই তেওঁ চাৰি-পাঁচদিন আমাৰ গাঁৱত থাকি কামবোৰ চাই আৰু ঘূৰি যাওঁতে প্ৰায় ৫০-৬০ হাজাৰ টকাৰ কাপোৰ কিনি লৈ যায়। শেষৰবাৰ যেতিয়া তেওঁ আহিছিল, মোৰপৰা বহুকেইখন পাটৰ কাপোৰ কিনি লৈ গৈছিল। পাটৰ কাপোৰবোৰৰ দাম আছিল তেতিয়াৰ দিনতেই প্ৰায় ৬০ হাজাৰ টকামান। তেওঁ সেই কাপোৰবোৰ ৰয়েল ফেমেলিত দিছিল। যাওঁতে তেওঁ মোক প্ৰশংসা কৰি কৈ গৈছিল যে, 'তুমি ইমান ভিতৰৰ গাঁৱত থাকিও ইমান ভাল কাম কৰি আছা। গতিকে তোমাৰ বাবে মই কিবা এটা কাম কৰিম।' তেওঁ যে কাপোৰবোৰ মোৰপৰা নি ৰয়েল ফেমেলিত দিব, সেইটো মই পিচতহে গম পাইছিলোঁ। এই কথাটো জনাত মই গৌৰৱান্বিত হৈছিলোঁ।

**আমি ঃ লক্‌ডাউনৰ সময়খিনি আপুনি কিভাবে কটালে? এই সময়ছোৱাত আপোনাৰ কিবা অসুবিধা হৈছিল নেকি?**

**উত্তৰ ঃ** লক্‌ডাউনৰ আগতে সাধাৰণ অৱস্থাত আমাৰ ওচৰলৈ বহুতো ক্ৰেতা বা কিছুমানে আমাৰ কামবোৰ অধ্যয়ন কৰিবলৈ বহুতো পৰ্যটক হিচাপে আহিছিল। কিন্তু যেতিয়া হঠাৎ বিশ্বজুৰি মহামাৰীৰ বাবে লক্‌ডাউন হ'ল, তেতিয়া আমাৰ মাজলৈ এইবোৰ কাৰণত বাহিৰৰপৰা মানুহ অহা কমি গৈছিল। ইয়াৰ প্ৰভাৱ আমাৰ ব্যৱসায়টো পৰিছিল। আজিৰ দিনত স্বাভাৱিক অৱস্থা লাগে লাহে ঘূৰি আহিছে।

**আমি ঃ আপোনাৰ এই সমগ্ৰ কৰ্ম-পদ্ধতিত চৰকাৰৰ সমৰ্থন কেনেকুৱা?**

**উত্তৰ ঃ** প্ৰথম অৱস্থাত মই যেতিয়া বিভিন্ন Expoৰ জৰিয়তে বাহিৰলৈ গৈছিলোঁ, তেতিয়া ভৰত চৰকাৰৰ সহযোগ আছিল; কিন্তু মোৰ ব্যৱসায়ৰ ক্ষেত্ৰত বা এই সমগ্ৰ কৰ্ম-পদ্ধতিত আগবঢ়াৰ ক্ষেত্ৰত কোনো ধৰণৰ সাহায্য পোৱা নাই। মই এতিয়ালৈ যিমান যি কৰিলোঁ, সকলোবোৰ মোৰ লগতে মোৰ লগত লাগি থকা দলটোৰ বাবেহে সম্ভৱ হৈছে।

**আমি ঃ বৃন্দাবনী বস্ত্ৰ দৰ্শনৰ সুযোগ আপোনাৰ হৈছিল বুলি আপুনি আমাক কৈছিল। এই ক্ষেত্ৰত আপোনাৰ কেনেকুৱা অনুভৱ?**

**উত্তৰ ঃ** হয়, মই ব্ৰিটিছ মিউজিয়ামত বৃন্দাবনী বস্ত্ৰ দৰ্শন কৰাৰ সৌভাগ্য হৈছিল। তাত কাপোৰখন যেনেদৰে ৰাখিছে নহয়, দেখিলেই ভাল লাগে। যদি আমি বস্ত্ৰখন হাতেৰে লাৰি চাব পাৰিলোঁহেঁতেন, কিন্তু কিজানি সেই সময়ত অসমৰ বস্ত্ৰত ব্যৱহাৰ হোৱা বিভিন্ন উপাদানৰ কথা গম পালোঁহেঁতেন। বস্ত্ৰখন তাত দেখি এনে লাগে যেন অসমৰপৰা যেন কিবা ডাঙৰ এটা হীৰা লৈ গৈ সিহঁতে তাত সজায় থৈছে।

**আমি ঃ এগৰাকী সফল অসমীয়া ব্যৱসায়ী হিচাপে আপুনি অসমৰ নতুন প্ৰজন্মক জীৱনযাত্ৰাত চলিবৰ বাবে কি উপদেশ দিব খোজে?**

**উত্তৰ ঃ** নৱপ্ৰজন্মই এই কামবোৰক নিজৰ উপাৰ্জনৰ পথ হিচাপে বাছি ল'ব পাৰে। কিন্তু তাৰ আগতে এইবোৰৰ পৰ্যাপ্ত জ্ঞান আৰু প্ৰশিক্ষণৰ অতি প্ৰয়োজন। কিছুমান কাম নিজে কৰিও শিকিব লাগিব। মন স্থিৰ আৰু ধৈৰ্য ৰাখিলে এই কামৰ যোগেদি নিশ্চয় সফল হ'ব পাৰিব। নৱপ্ৰজন্মই এইবোৰ কামত নিজকে নিয়োজিত কৰি এই কৰ্ম-সংস্কৃতিবোৰ জীয়াই ৰাখিব লাগিব।

**আমি ঃ আপুনি আপোনাৰ নিজৰ কৰ্ম-সাধনাৰ যোগেদি সমাজখনলৈ কি বাৰ্তা দিব খোজে?**

**উত্তৰ ঃ** আমাৰ অসমখন অতীজৰেপৰা বস্ত্ৰ উদ্যোগত চহকী। উদাহৰণ হিচাপে আমি বৃন্দাবনী বস্ত্ৰৰ কথা ক'ব পাৰোঁ বা আগৰ অসমীয়া মহিলাই এৰাতিতেই সূতা কাটি, কাপোৰ বৈ নিজৰ আত্মীয়ক যুদ্ধলৈ পথাইছিল। আমিও সেই অতীজৰেপৰাই চলি অহা ধৰণেই কাপোৰ উৎপাদন কৰিবলৈ চেষ্টা কৰোঁ। বিভিন্ন গছৰ গুটি, ছাল, পাত, ফুল আদি আৰু গোবৰ আদিৰে কিছুমান পৰম্পৰাগত কৌশল ব্যৱহাৰ কৰি কাপোৰবোৰত ৰং কৰোঁ। এই পদ্ধতিবোৰ আমাৰ সমাজৰ পুৰণি মানুহবোৰে ভালদৰে জানে। মই নিজেও এই পুৰণি পদ্ধতিসমূহ উদ্ধাৰ কৰিবলৈ চেষ্টা কৰি আহিছোঁ আৰু নতুন উপায় সদায় বিচাৰি থাকোঁ। আমাৰ এই প্ৰাচীন পৰম্পৰাবোৰ নৱ-প্ৰজন্মই জীয়াই ৰাখিব লাগিব। নৱ-প্ৰজন্ম এইবোৰ কামত তেতিয়াহে আকৰ্ষিত হ'ব, যেতিয়া এইবোৰ কামৰ বিনিময়ত তেওঁলোকে উচিত মূল্য পাব। ■

# ‘E-learning’ in India :
## *‘Paradigm Shift’* or *‘Paradise Lost’* ?




■ **Sourabh Jyoti Sharma**
Assistant Prof., Deptt. of Political Science

### Introduction

*“I am not an enthusiast about on-line teaching. We need human interface with students for good communication. That is how young minds can be inspired.”*

-Prof. C.N.R Rao, eminent scientist, former scientific adviser to the PM of India in June, 2020

*“Educational software, like textbooks, is only one tool in the learning process. Neither can be a substitute for well-trained teachers. Technology itself is not transformative. It’s the teacher, the pedagogy, school etc that is transformative.”*

-Views of noted educationists Keith Krueger and Tanya Byron.

‘E-learning’ is an umbrella term which shows learning done at a computer, usually connected to a network, giving us the opportunity to learn electronic materials anywhere and at any time. (Nayak, 2013)

Learning online or e-learning or digital learning has become the indispensable imperative in the ongoing global *Covid* pandemic situations as after the economy, the education sector is being badly hit, directly affecting the future of millions of students across India and the world. Hence, ‘e-learning’ or ‘learning online’ has become the only alternative for enabling continuous learning or

acting as a learning enhancement for our students during these extraordinary circumstances.

### Accessible Education and Limits of 'E-learning'

But again the main issue of unbridgeable *'digital divide'* has hit the *'only alternative'* learning process as has been *'shockingly'* pointed out by the **NCERT's latest survey** (August, 2020) amongst students of Kendriya Vidyalayas (KVs), CBSE schools, Navodayas (NVs) that one out of three students have faced difficulty in e-learning, only **27%** students have smartphones/laptops of their own and **28%** of them pointed out poor or lack of electricity as the major hindrance in accessing e-learning platforms. On an average **60%** students have found 'e-learning' as *'joyful and satisfactory'*, particularly social science subjects. Rest found it difficult or less user-friendly.

Above all, not all subjects can be taught online as the Survey pointed out that teaching science subjects can be deeply problematic for both teachers and students via online mode. Most importantly, apart from citing the 'language' problem of teaching online, the Survey also pointed out that how to teach deaf, dumb and blind ***'Divyang-jan'*** (PWDs) students digitally will also going be a big challenge for both the stakeholders and government for ensuring *'holistic-inclusive-accessible-affordable-equitable'*education.

### Issue of 'Digital Toxification' and E-learning

Another equally important issue inherent in the quest for digital learning is the issue of ***'digital toxification'***, which is the root of growing cases of juvenile delinquency, child crimes etc as well as health related issues like eye problems, obesity, spondylitis etc and mental health related problems like depression, *'attention-deficit hyperactivity disorder'* **(ADHD)** etc amongst kids, adolescents and adults, literally *'drowned'* in the proverbial deluge of their 24x7 *'digital zindegi'*.

Today, a child is exposed to 'digital toxification' at a very early stage in his or her growing up process, thanks to both parental and societal obsession cum pressure to have so-called *'smart-kids'* to showcase as akin to 'show pieces' to create *'shock and awe'* reactions from people in our neighbourhood, in school events etc. As a result, we are witnessing today *'loss of innocence'* at an early age, *'loss of creativity'*, *'loss of fellow-feelings'*, *'loss of sensitivity'* and above all, *'loss of humanitarian empathy'* amongst the students, adults etc addicted or *'drugged'* in the *'smart opium'* called 'digital toxification' !

This is the bitter truth but the hard reality in today's 'digital era'. Hence, the imperative of 'e-learning' must also have an in-built mechanism to *'educate'* the users about the equally imperative issue of ***'digital detoxification'*** or ***'digital detox'*** as a 'must have' to protect its users viz. teachers, students, parents etc from the hazards of 'digital toxification', while imparting '*learning online*'.

Recently, the Ministry of Education, Government of India issued a 'digital learning guidelines' called ***'Pragyata'***to fix a minimal time frame in a day for rendering 'e-learning' to the students of all the public and private educational institutions in India. It calls for effective monitoring of its implementation by all the stakeholders.

**PM Narendra Modi**, while addressing the state education ministers of India recently on the new 'National Education Policy' (NEP, 2020), also talked about minimising the problem of *'digital toxification'* as well as his push for having an inclusive, equitable, affordable and accessible pan-India 'e-infrastructure' under the flagship program of *'Digital India'* in near future.

### Internet and Electricity Accessibility in India

Now, let's look at the digital and electric networks in India. As per **www.statista.com** in 2019 all-India internet penetration is only 36% and 38% in India and Assam (including NE states) respectively, which means people having high speed broadband connectivity will be even much less than that. Again 24x7 electricity is a must for accessing the internet but except Gujarat, no other states and UTs in India have that today though as per **World Bank** dataabout 95% of India's population has access to electricity in 2018 but said nothing on the ***'quality'***of it. **Teaching community and students in Assam bears its best testimony**

**today with online classes, webinars etc getting disconnected due to frequent load-sheddings, apart from poor internet connectivity on both ends, badly affecting delivery, quality, attendance, interest etc of e-learning and e-learners.**

Though India enacted the Information Technology (IT) Act way back in the year 2000, push for building digital infrastructure under 'Bharat Net' was on a very slow pace till PM Narendra Modi launched ***'Digital India'*** in July, 2015 with the motto *'power to empower'* to fast pace it. According to the **CII-KPMG Report** of February, 2020 - an affordable and pan-India covered 'optical fiber network' (OFN) is the backbone of India's fast growing 'digital economy' and 'digital education' as the linchpin to the implementation of **'National Digital Communications Policy' (NDCP), 2018.**

## Digital Learning and new National Education Policy : *Quo Vadis* ?

As the new **National Education Policy (NEP), 2020** also endeavours for *'holistic – inclusive-accessible-affordable-equitable'* education - the importance and imperative of 'e-learning' via e-platforms, tv, radio, mobile apps like the **DIKSHA**, **NROER**, **E-vidya**, **Vidyadan**, **E-pathshala**, **SWAYAM**, **MOOCs**, **Swayamprabha**, **'Biswa Vidya'**, **'Biswa Vidya Assam' YouTube Channel** etc have increased manifolds as an integral or indispensable part of futuristic *'blended education'* under which **30%** of all classroom learning to be imparted digitally or online. Big challenge will be to implement it ensuring ***'digital equity'***. **Community Radio** (HAM/FM etc), being affordable, non-electrical and with all pervasive in access, can greatly help in ensuring continuous learning as empirically demonstrated in the most backward countries of Africa like Sierra-leone during the recent *Ebola* epidemic. Our own experiences in learning during *Covid* era, can also be great help to transform the new 'NEP into a *'pandemic proof'*, future ready yet actionable education policy for the **'New India'** that has now emerged as the world's ***'Knowledge Superpower'.***

Let's also keep in mind while strategizing on effective execution of 'e-learning' in India that not all the stakeholders are tech-savvy being the new or recent *'digital migrants'*. So, without proper training in transforming each of them from being *'literate'* to ***'e-literate'* -** all our efforts for 'e-learning' are going to fail. The Education Ministry has recently launched an integrated teacher training programme called **'NISHTHA'** to train over 4.2 million teachers at elementary level for the 'capacity building' for digital learning enabling usages of popular e-learning platforms/ apps like *'Google Classroom'*, *'Google Meet'*, *Zoom* etc. with ease.. In the same way, 'Pandit Madan Mohan Malviya National Mission for Teachers and Training' **(PMMM-NMTT)** needs to be re-oriented, apart from conducting Faculty Development Programs (FDPs), for training of faculties of colleges and universities for effective 'e-learning'. Because, ***'trianing the trainers'*** for effective e-learning delivery is a must to be followed by ***'training the recepients/students'*** to receive or use it rightly.

## *Whither 'Guru-Shishya Parampara'* in 'E-learning' era ?

Though there can be no second opinion on the indispensability of digital learning not just during the present *Covid* crises but as an *'idea whose time has come'*, one thing we all must remember that learning is not a mechanical process in feeding the minds of the students with lots of information alone in the name of imparting ***"education"***. Distinguishing between *'education'* and *'information'*, **Swami Vivekananda** observed, ***"...If education is identical with information, the libraries are the greatest sages in the world, and encyclopaedias are the Rishis…"***(CWSV : V3, P302).

Today, when one can get all information on almost anything just by *'Googling'*, why then the Government thinks or we all want a good teacher ? Because, the teacher's role is to act as the *'friend-philosopher and guide'* of the students, he/she teaches or mentors. It is the teacher, his teaching, his emotional cum psychological bonding with students and overall pedagogy cum environment of the educational institution that shapes and transforms the students, not just only applying the technology to impart online classes alone. As eminent scientist and *'Bharat Ratna'* **Prof CNR**

**Rao** has rightly observed that ***human interface for good communication with the students is a must and e-learning tools can't replace a good, trained teacher in inspiring the young minds of students.***

The goal of education as Swami Vivekananda said, must be ***'life-building, man-making, character-making assimilation of ideas.'* and *'not the amount of information that is put into your brain and runs riot there, undigested, all your life.'*** (CWSV : V3, P302).True education must ensure *'man making – nationa building'* – the strongest foundation for making an inclusively developed and resilient *'Aatmanirbhar'* **'New India'** of our dream.But *b*ymere e-learning alone, without infusing life-values amongst students, we will only end up in creating a generation that knows the ***'price'***of everything but the ***'value'***of nothing – self-destructive for our beloved nation with world's oldest *'living'* civilisation.

Above all, exclusive use and emphasis only on 'e-learning' will surely lead to causing irreparable damages in the existing but already volatile ***'Guru-Shishya Parampara'***(teacher-students' relations) - turning it from the ideal *natural/organic* to an *artificial/ mechanical* solidarity without having mutual empathy, trust, love, respect etc. towards each other. Alarming scenario, isn't it ?

## Quest for Effective E-learning in India and Assam

Both off-line (classroom) learning and online/e-learning has its inherent limitations. A **good teacher** in the*off-line mode*can become a **bad teacher** in*online mode* or *vice-versa***.** Same can happen with a student also. Hence, we need a judicious blending of both under the *'flipped classroom'* or *'blended teaching'* for students by the teachers in our educational institutions. Emphasis must be equally laid for having reusable **'Smartphone Banks'** in our learning centres with the help of Government, NGOs, PSUs/Corporates (utilising its **CSR** funds) etc for providing them to poor students on loan with sufficient ***'data packs'*** to avail 'e-learning' during an academic season/semester as well as building a deep penetrating wide network of **'Community Radio Hubs'** with strong frequency signal by the government for airing important 'learning lessons' to the students, especially those living in remote areas without internet and electricity connectivity. **Radio**, with its widest coverage and affordability, can become the proverbial *'game changer'* in mitigating the still largely unbridegeable *'digital divide'*in India and Assam. 'On Air' Radio classes by well trained teachers for students at all levels, can, thus be of immense help for all poor students, who could not afford costly 'smartphones' for e-learning.

## Concluding Observations

To conclude, without first resolving all the above mentioned issues or *'problem areas'* pertaining to e-learning plus *'training the trainers'* i.e. teachers for online learning as well as *'training the students/ recepients'*and without first ensuring *'capacity building'* of teachers, students etc in enhancing the effectiveness of both online cum off-line (classroom) effective teaching delivery in India or for that matter across the globe - all '*big talks*' either by the government or by some so-called intellectuals etc - blazoning digital, online or e-learning as the great *'paradigm shift'* can or will actually turn out to be the equally great *'paradise lost'* for both the teaching community as well as for the students in near future. ■


**References**

1. Nayak, Chittaranjan (2013) "Impact and Challenges of E-learning in Digital Environment", *Asian Journal of Library and Information Science*, Vol.5, Issue (3-4).
2. NCERT Education Survey Report, 2020 (https://ncert.nic.in/)
3. NCERT's 'Students' Learning Enhancement Guidelines', August, 2020. (https://ncert.nic.in/pdf/announcement/Learning_%20Enhancement_Guidelines.pdf)
4. 'Pragyata' - Guidelines for Digital Education', July, 2020 (https://www.mhrd.gov.in/sites/upload_files/mhrd/files/pragyata-guidelines_0.pdf)
5. 'Why We All Need a Digital Detox ?', *Newport Academy*. (https://www.newportacademy.com/resources/restoring-families/digital-detox/)




# বিদ্যালয়ত যৌন শিক্ষাৰ গুৰুত্ব ঃ এটি অৱলোকন

◆ হিমাংশু দাস

স্নাতক তৃতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

মালিয়াটালৈ
জ্ঞানৰ জ্যোতি
প্ৰভাতৰ সন্ধানত

ৰিব্ ৰিব্ বতাহত
প্ৰতিদিনে
ঠন ধৰি উঠক
এটা নতুন দিগন্ত
জ্বলিব সদায়ে য'ত
সমাজৰ ভৱিষ্যৎ
এগছি আশাৰ চাকি

সেয়েহে,
বিচাৰোঁ সদায় মই
তোমালোকৰ মাজত
একো একোটি
সমাজ নক্ষত্ৰ। ■



# কেনে আছা ডিকেচিৰ মিছ্ নিহাৰিকা

■ **ছাকিল আহমেদ**
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

মাজনিশা মিৰ্জা নগৰীৰ অকলশৰীয়া মই
মনত সৃষ্টিৰ দুৰ্বাৰ হেঁপাহ
আৰু প্ৰাপ্তিৰ তাড়না
কবিতাৰ ছন্দতো বিচাৰোঁ তোমাৰ
জীৱন নামৰ ঠিকনা।

কি ৰঙেৰে আজি সজাব পাৰি তোমাক
কোৱা মোৰ প্ৰিয় কবিতা
আঘোণৰ পথাৰৰ সোণোৱালী ৰঙেৰে
নে প্ৰকৃতিৰ সেউজীয়াৰে...
বাৰু যি ৰঙেই ভাল নোপোৱা কিয়
তথাপিও তুমি মোৰ প্ৰিয় কবিতা।

মন গহনৰ উচ্‌পিচনিত
হৃদয় জোকাৰি জোকাৰি এটাই প্ৰশ্ন
কেনে আছা ডিকেচিৰ মিছ্ নিহাৰিকা?

আজি তোমাৰ নামত মালিয়াটাৰ সৰ্বস্ব
সেউজীয়া বাকি দিম
প্ৰকৃতিৰ মুকলি আকাশত উৰি ফুৰিব পাৰিবা
মুক্ত বিহংগ এটিৰ দৰে....। ■



# মই, মই নহয় যেন

■ কংকণ দাস
স্নাতক প্ৰথম যাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

জীৱনৰ অহেতুকতাৰ
নিৰৰ্থক প্ৰশ্ন
মই, মই নহয় যেন
মই এজাক অভাৱ-স্বভাৱহীন
পশ্চিমীয়া বতাহ....

মই, মই নহয় যেন
মই আৱতৰীয়া এজাক নিৰ্লজ্জ বৰষুণ
মই পৃথিৱীত অজ্ঞাতে গজি উঠা
অপতৃণ,
মই মাথোঁ পৃথিৱীৰ আৱৰ্জনা....

কেনেকৈ কওঁ মই মানুহ বুলি
মইতো মাথোঁ
ধৰ্ম-কৰ্ম, ৰাজনীতি-অৰ্থনীতিৰ
গোলামি প্ৰতীকী.....

পৃথিৱীৰ ঐশ্বৰ্য হৰণ কৰা
মইতো মানৱ জাতিৰ অপদাৰ্থ
কেনেকৈ হওঁ মই প্ৰকৃতিৰ
কেনেকৈ কওঁ মই পৃথিৱীৰ বুলি.....

মই জানো
পৃথিৱীত কেতিয়াও
সাৰ্থকতা পোৱা নাযায়
জন্ম মাত্ৰ
অহেতুক.....। ■

# ক'ৰোনা পুৰাণ

■ **জয়ন্ত কুমাৰ বৈশ্য**
সহকাৰী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ



চীনৰ য়ুহানে তুমি জনম লভিলা।
কালক্ৰমে ক'ভিড-১৯ নামষাৰ পাইলা।।
প্ৰৱেশিলা তুমি আহি মানৱৰ মাজে।
দশোদিশে যেন কেৱল মৃত্যুঘণ্টা বাজে।।
ধৰিলা প্ৰথমে তুমি যি মনুষ্যক।
শ্বাস কাঢ়িয়া নিলা অতি নিমিষত।।
বাটে-ঘাটে পৰি ৰৈলা মনুষ্য জীৱন।
জীৱশ্ৰেষ্ঠই লৈলা যেন তোমাতে শৰণ।।
বৈদ্য-কবিৰাজেও তোমাক নাপাৰিলা বলে।
ডাক্তৰ-বিজ্ঞানীসৱে যুঁজিলা থলে থলে।।
হাত-ভৰি যিবাজনে পখালে সঘনে।
তাহাৰ সমীপে তুমি নাযাইবাক মানে।।
মুখে যিজনে সদা ধক্কন লাগায়।
তাৰ কাষে তুমি হেন কখন নাযায়।।
শাৰীৰিক ব্যৱধান যিটে মানি চলে।
সিজনাক তুমি হেনো নোৱাৰাহা বলে।।
জাগাৰ বস্তু তুমি জাগাত পহুঁচাইলা।
পৰিয়ালৰ সকলোটি একগোট কৰিলা।।
তোমাৰ সংহাৰ ৰূপ মনুষ্যে দেখিলা।
মৃত্যুভয় পাই সৱে চিন্তিবে লাগিলা।।

গৃহবন্দী হুইয়া সৱে চিন্তিবে লাগিলা।
কিমতে কাটাইবো ক্ষণ এই কাল বেলা।।
কোনোজনে ৰান্ধে-বাঢ়ে কোনোজনে আঁকে।
কোনোজনে গাই গান কোনোজনে নাচে।।
কোনোজনে যদি গৃহে কৃষিকৰ্ম কৰে।
কোনোজনে পুথি-পাঁজি লিখিবাক ধৰে।।
নাজানা নুবুজা কথা জানিবাক লৈলা।
মনুষ্যই আজি জীৱনৰ প্ৰেমত পৰিলা।।
তোমাৰ মহিমা নুবুজিলা মনুষ্যই।
দিনে দিনে বাঢ়ি গৈলা জীৱনৰ ক্ষয়।।
এহি ৰূপে যদি তুমি যাৱয় আগবাঢ়ি।
লয় পাব নৰ জাতি যেন মহামাৰী।।
মানৱৰ মাজে তুমি থাকা যতদিন।
হেৰাইব সুখ-শান্তি মানৱৰ ততদিন।।
তোমাৰ মহিমা বুজি নাপাৱয় নৰে।
কৰিবা নালাগা কৰ্ম কৰিবাক ধৰে।।
কৰোঁহু প্ৰণাম আমি তযু পাৰে ধৰি।
কৃপা কৰি যাৱহ আমাৰ ভূমি চাৰি।।
এহি বুলি সৱে মিলি এৰি আন কাম।
ক'ৰোনাক মনে চিন্তি বোলা ৰাম ৰাম।। ■

# ডি. কে. কলেজৰ তেজৰঙী গাভৰুবোৰ

■ জবা কলিতা
সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ



ডি. কে. কলেজৰ তেজৰঙী গাভৰুৰ উছাহত
কঁপি উঠে মালিয়াটাৰ প্ৰান্তৰ
কঁপি উঠে ডি. কে. কলেজৰ প্ৰাংগণ।

মালিয়াটা সাৰ পায়
মালিয়াটাৰ গছে গছে, পাতে পাতে
লাগি ৰয় উছাহৰ হাঁহি
ডি. কে. কলেজৰ তেজৰঙী
গাভৰুৰ খল্‌খলীয়া হাঁহি!

প্ৰাণ পাই উঠে কলেজৰ ক্লাছৰুম
ৰাতিপুৱা ন বজাৰপৰা আবেলিলৈ
এটা ক্লাছৰপৰা আন এটা ক্লাছলৈ
বুকুত সপোনৰ মৌকোঁহ বান্ধি
কলেজৰ তেজৰঙী গাভৰুৰ খোজ বাঢ়ে।

আকণ্ঠ পান কৰে অধ্যাপক-অধ্যাপিকাৰ গুৰু-গম্ভীৰ বক্তৃতাত
ইংৰাজী শ্বেইক্সপীয়েৰৰ নাটকৰ মায়াজাল,
ৰোমাণ্টিক অসমীয়া কবিতাত জীন যায়
ডি. কে. কলেজৰ ছোৱালী
(ল'ৰাবোৰো পিচে পিচপৰি নাথাকে)

কাণ্ট, হেগেল, শংকৰদেৱৰ
দাৰ্শনিক তত্ত্বত গূঢ়াৰ্থ বিচাৰে,
দৰ্শনৰ তত্ত্বত বিচাৰিব খোজে জীৱনৰ সত্য!

শিক্ষা, অৰ্থনীতিৰ আলোচনা চলে ক্লাছে ক্লাছে—
অমৰ্ত্য সেনৰ কল্যাণকামী অৰ্থনীতি।

ৰাজনীতি বিজ্ঞানৰ ক্লাছত ভাঙে গণতন্ত্ৰ-ৰাজতন্ত্ৰৰ ভেদ
সৰ্ববৃহৎ গণতন্ত্ৰৰ কৌশলী বিশ্লেষণ।
ৰয়াসন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞানৰ
জটিল তত্ত্বত হৈ অণু ব্যাখ্যা।
গণিতৰ সূত্ৰত কৰে জীৱনৰ সমীকৰণ।

এনেকৈ এটা দিনৰ অন্তত
আবেলি
থৌকি-বাথৌ সপোনৰ বাটত এখোজ আগুৱাই
ঘৰমুৱা হৈ ডি. কে. কলেজৰ গাভৰু
মালিয়াটা শুই পৰে—
মালিয়াটা শুই পৰে—
পিচদিনলৈ—
অধীৰ আগ্ৰহেৰে। ■

# Solitude and Tussle

■ **Dipanjali Kalita**
B.Voc. 3rd Sem.

"All my eyes could perceive was the mayhem around hue and cry"

The streets we used to walk upon yesterday
Turned out to be battleground today.

Firing rounds after rounds, till it get into tour ears like a lulla by.
Those barrage shaking you like it wants
To wake you from a dream you were never into.

The whole lot running bare feet out of dread,
Direction, not being to concern.
Someone stopped by me and
Said welcome home.

The air pushed me out of the bolt,
Though I was still confused of what's going on.
The picture was still blurred,
Though clear enough to evince that it was war
'What have we done?' the question that came out
of my grief, anger and doubt.
'Why us?' the questions quite obvious,
Though no answers around.

I cried, a lot. And suddenly, someone whispered,
'The worst is yet to come' and so did it.

It shocked us dusk and down,
Round and round, until one day.
When all this came to an end....
until one day,
when all the pain and agony vanished like haze.

Still mudding around as it was so hard to believe,
That finally it was peace all around,
That all grief is gone, finally a sign of solace.
Yes! I am 'DEAD'
So if you ever wonder,
Let me tell you that,
Solitude hails only with your 'DEMISE'. ❑



# I Believe

■ **Manashree Mazumdar**
H.S. 1st Year

I believe that the Sun shines after the rain
I believe if you don't get hurt you'll never gain
I believe in not doing things the easy way
I believe that being selfish doesn't pay
I believe not in fight
I believe that revenge isn't right
I believe that first impressions last
And there is nothing better than a good laugh.

I believe that dreams do come true
I believe there's destiny for me and you.
I believe that good things come to those who wait
And it is never too late.

I believe the whole world is a stage
I believe we only get better with age
I believe one moment can change your life
And there's still help when you're in strife.

I believe living is the best experience
I believe in not laughing at other people's expense
I believe in always looking on the bright side
I believe that life is just one big ride. ❑






# Darling You are Evergreen

■ **Neha Begum**
B.A. 1st Sem., Arts

Because I'm at the end of my rope!
I pray to my Lord, seek to see you;
I gaze on your silhouette.
In the gloom, I'm at my lowest,
These days just seems so dark,
The nights never end;
To moon and the stars are nothing without you!

Your voice, calmer than the sea
Your skin, gentle as a feather
Oh! that mystic braid I ever dream of !
Darling, you are evergreen!

You told me not to cry,
When you were gone,
But trust me, this pain took me to the edge;
Sorry! I couldn't hold you till dawn.

Meet me in my after life
The only hope I've to live with
Just lay you down, sing you a lullaby
Here, I bid my last goodbye! ❑

# A Supposition

■ **Nayanika Baishya**
H.S. 1st Year, Science



Her eyes are as bright as day light,
Her hair is as black as dark night;
The quicker the better is her walk;
The sweeter the lovelier is her talk.

She works day-night like an ox in the field,
She takes care of all like a bird shield;
She ignore all her pain and strain,
Her unconditional love for us is hard to explain.

Thou must have an idea
About whom I was wondering–
She's none but my mother
To whom I'm blessed with ever! ❑



# পানীৰ গুহা

■ **এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অগ্নিগৰ্ভা চৌপাশ
দুচকু জুৰ নপৰা উষ্ণতা

বিবেকত জুই
হৃদয়তো জুই
দেহতো জুই

সেউজীয়া চোলা পিন্ধা মানুহজন বাৰু
কোন দিশে গ'ল
আহিবনে বাৰু পুনৰাই

তেওঁৰ দৰে তুমি নহয় যে নহয়েই
তুমি ভবাৰ দৰে তুমি সকলো হ'লা
নহ'লা মাথোঁ মানুহ

এটা পানীৰ গুহা
এই বাটেৰে গ'লেই পাই হেনো

বিচাৰি যাম জানো
বিচাৰি পাম জানো
গ'লোঁয়েই যেনিবা.....

যদি ওভতাৰ বাটত
শিলৰ গুহাবোৰ নেপাওঁ? ❑

# ফুটপাথত এগৰাকী অসহায় মাতৃ

■ চুম্পি দাস
স্নাতক পঞ্চম ষাণ্মাসিক, বাণিজ্য বিভাগ



কলেজলৈ অহা-যোৱা কৰোঁতে
প্ৰায়েই দেখোঁ এগৰাকী অসহায় মাতৃ।
পিন্ধনত ধূলি-মাকতিৰে আঁত ধৰা চাদৰৰ আঁহবোৰ
চিলাই ছিগি যোৱা ব্লাউজ
পেটত অসহ্যকৰ ভোক
হৃদয়ত চহকী সন্তানৰ শোক
হাতত থকা ষ্টীলৰ প্লেটত দুটকা-এটকা....।
কেৱল ৰৈ থাকে এমুঠি অন্নৰ বাবে
কিবা এটা পোৱাৰ আশাৰে গভীৰ অপেক্ষাৰে...
কলেজৰ ওচৰৰ চাহ দোকানৰ আগতেই আইতাৰ স্থান।
কলেজলৈ ল'ৰা-ছোৱালী আহিব।
আইতাক সিহঁতৰ পকেটৰপৰা দুপইচা দিব...
সেইখিনিৰে আইতাই পেটৰ ভোক গুচাব।
সপোন আইতাৰো আছিলে
সন্তানক তেজ পানী কৰি ডাঙৰ মানুহ কৰিছে যেতিয়া
সিহঁতৰ উপাৰ্জনেৰে বৃদ্ধকাল সুখেৰে কটাই
আনন্দৰে শেষ নিশ্বাস ত্যাগ কৰিব।
কিন্তু কথাতেই কয়—
বিধিয়ে দিলেও বিধাতাই নিদিয়ে...
এদিন লগ পাই সুধিছিলোঁ সন্তানৰ শোকে জুৰুলা কৰা আইতাক
আপোনাৰনো নিজৰ কোনো নাইনে?
সদায় এনেদৰে দেখোঁ—
তেওঁ হাঁহিমুখে কৈছিল—
মাজনী অ', তহঁতবোৰৰপৰাই চোন সুখ বিচাৰি পাওঁ....।
ইয়াত বহি পোৱা দুটকা-এটকাতে তৃপ্তিৰে পেটৰ ভোক গুচাওঁ।
নিজৰ ল'ৰা-ছোৱালীনো কেলেই লাগিছে!
সিহঁতবোৰ এতিয়া বৰ মানুহ হ'ল।
মোৰ নিচিনা দুৰ্ভগীয়া মাকক চিনি নাপায়....
মানুহবোৰ চাগে' এনেকুৱাই
জোখতকৈ বেছি পালে নিজস্ব পাহৰি যায়....। ■

# কিমান সহিবা তুমি

■ **তৃষ্ণা কলিতা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)



কিমান সহিবা, কিমান কৰিবা
সহিবলৈচোন তোমাৰ আৰু একো নাই
কৰিবলৈওচোন তোমাৰ সামৰ্থ্য নাই।

আনৰ কাৰণে ইমান কৰি কি পালা!
ইমানবোৰ সহি তুমি নিজক হেৰুৱালা।
অস্তিত্বৰ কথা নাভাবি আগবাঢ়ি গ'লা,
দেউতা, স্বামী, পুত্ৰ সকলোৰে অধীনত জীৱনটো কটালা।

তোমাৰো সপোন আছিল,
সপোন পূৰাবলৈ তোমাৰো মন আছিল
কিন্তু কি হ'ল
সকলো ভাঙি চূৰ্মাৰ্ হ'ল।
হেৰাই যোৱা সপোন জানো বিচাৰি পাবা!
নিতৌ ভঙা হিয়াখন জানো জুৰাব পাৰিবা!

সৰুৰেপৰাই তুমি সমাজৰ অধীন
সমাজে বিচ্ছিন্ন কৰিলে তোমাৰ স্বাধীনতা।
স্বাধীনতাৰ হেঁপাহ তোমাৰো আছে,
মুক্ত আকাশৰ তলত ফুৰাৰ অধিকাৰ তোমাৰো আছে।

তুমি ত্যাগময়ী, জগত জননী
কিন্তু নিজৰ কাৰণেও ভাবিব লাগিব তুমি।
তোমাৰো নিজৰ জীৱন আছে,
তোমাৰো বহুত সপোন আছে
জীয়ৰী, পত্নী, মাতৃৰ লগতে তুমি সাহসী নাৰী।
নিজৰ অধিকাৰৰ কাৰণে যুদ্ধ কৰিব পাৰিবা তুমি।

ধৈৰ্যৰ সীমা পাৰ হ'ল
সহ্য এতিয়া নোহোৱা হ'ল,
এয়াইতো তোমাৰ সময়
নিজেই যুঁজি নিজ দুখৰ কৰা নিৰাময়,
তুমি জীৱনদাত্ৰী
তুমিয়েই সাহসী নাৰী। ■



# আধৰুৱা জীৱনৰ কাহিনী

■ **পূবালী দাস**
স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

জীৱন তিনিটা বৰ্ণৰ এটা শব্দ
য'ত লুকাই থাকে এক দীঘলীয়া সময়
সুখ-দুখ, হাঁহি-কান্দোনেৰে সমৃদ্ধ।
ঠুনুকা এই জীৱনত
এমুঠি হাঁহি পাবলৈ বৰ টান
সময়বোৰ আজি দৃঢ় হৈ পৰিছে।
মাজে মাজে মই খুলি চাওঁ
ৰঙীণ মৰমৰ টোপোলাটি,
লগে লগেই হাহাকাৰ হৈ উঠে বুকুখন
কেতিয়াবা কথাবোৰচোন
আধৰুৱা হৈ ৰৈ যায়।
শব্দ অবিহনে কথাবোৰ আধৰুৱা ভাব হৈ ফুটে
হেৰাই যায় অৰ্থবোৰ তাৰ মাজতেই
সৰাপাতৰ বুকুত বিচাৰি ফুৰিছোঁ
আশাৰ অন্তিম ঠিকনা।
অন্ধকাৰ কোঠালিত স্তব্ধ মোৰ শব্দ।
আৰু একো ক'ব নোৱাৰিম
আৱেগৰ ভৰত শব্দবোৰ হেৰাই গ'ল। ■

# 'চহৰীয়া পোনাই মোৰ' ঘৰমুৱা হ'ব

■ ঊৰ্মিলা চুলতানা
স্নাতক পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ



ছয় বাজি পঁয়চল্লিশ মিনিট
ঢকুৱাখানা বাছ ষ্টেপেজত বাছখন ৰ'বহি
মোৰ পোনাই তাতেই থমকিব
হৰেশ্বৰ খুড়াৰ চাইকেলৰ লগতে
বিভূতি আতেৰাৰপৰা মগাই অনা
চুঙাচাকিৰ স'তে
পিতায়েৰ বৈ থাকিব,
চহৰীয়া পোনাই মোৰ
ঘৰমুৱা হ'ব।

দুকুৰি মাইল বোকাময় বাটেৰে
আহিনমহীয়া পথাৰৰ চিনাকি গোন্ধ
দেহত সানি,
গধূলি গগনৰ নীলাৰে
ৰঙীণ হৈ,
বিশুদ্ধ বতাহত শান্তিৰ
শ্বাস লৈ,
সেউজীয়াৰ আঁৰে আঁৰে
উৰি ফুৰা বিহংগৰ
সুৰীয়া সুৰত সুৰটি মিলাই
চহৰীয়া পোনাই মোৰ
ঘৰমুৱা হ'ব।

ৰতনী পেহীয়েৰাৰ শাকনিবাৰীৰ
ঢেঁকীয়া তুলি আনি
কণীৰে সৈতে ব্যঞ্জন ৰান্ধিছোঁ,
ঔ টেঙা দিয়া মাছৰ জোল,
বেঙেনা পোৰাৰ লগতে
কাচকলৰ ফৰালি,
ঘৰৰে হাঁহ এটি ধৰি
কোমোৰাৰ জোল এখনো কৰিছোঁ,
আজি
চহৰীয়া পোনাই মোৰ
ঘৰমুৱা হ'ব।

সাজ লাগিলত নঙলামুখতে
ছট্ফটাই আছোঁ
চুঙাচাকিৰ পোহৰে চকুত বিন্ধিছে
হয়....., পোনাই আহিছে,
দুখোজ আগুৱাই দেখিছোঁ
পোনাকণৰ পিতাই...!!!
প্ৰতিবাৰৰ দৰেই পোনাই তই
এইবাৰো নাহিলি,
চহৰীয়া পোনাই মোৰ
চহৰতে ৰ'লি। ■

# তোমাৰ পৰিচয়

■ **মহেশ দাস**
তৃতীয় ষাণ্মাসিক, কলা শাখা

সুধিছা জানো তুমি
কেতিয়াবা কাৰোবাক
তোমাৰ আৰু মোৰ পৰিচয়?
ময়ো সোধা নাই
জনা নাছিলোঁ অতীতত
তোমাৰ হৃদয়ৰ ভাষা কি
নিশ্চিত আছিলোঁ ইয়াকে ভাবি
একে হ'ব আমাৰ মনৰ
ভাব আৰু ভাষা
মানৱ প্ৰেমৰ।
সোধা নাছিলোঁ কেতিয়াও তোমাক
তোমাৰ ধৰ্মৰ কথা
কাৰণ মই জানিছিলোঁ
আমি দুয়ো একে ধৰ্মৰ সেৱক
সেয়াই মানৱতা।
ঠিক তেতিয়াই মনত
প্ৰশ্ন হৈছিল মোৰ
তোমাৰ পৰিচয়।
আহা, মোৰ সৈতে একেলগে
হাতে হাত ধৰি যাওঁ আগুৱাই
সেই বাটেৰে....
আহিব যেতিয়া এনে এটি সময়
মিলিত হ'ম আমি একেলগে
মিলনৰ সেই অপূৰ্ব মুহূৰ্তত
সম্পূৰ্ণ হ'ব
তোমাৰ-মোৰ পৰিচয়। ■



# মৌনতা

■ **টুলুমণি দাস**
স্নাতক পঞ্চম ষাণ্মাসিক, কলা শাখা



এখন ছবি
দূৰণিৰপৰা চালে ছবিখন স্পষ্ট
মই ওচৰৰপৰাই চালোঁ
ওচৰৰপৰা সামান্য অস্পষ্ট, ধূসৰ
ছবিখনত আঁকা আছে
এখন নদী, এটি সূৰ্য, এডাল গছ,
এটি সমাধি আৰু এজন মানুহ।

মানুহজন সমাধিৰ ফালে গৈ আছে,
গছডাল ভিতৰি ভিতৰি সৰি গৈ আছে,
নদীখন অকণ অকণকৈ শুকাই আহিছে,
আকাশখন সামান্যতম শুকুলা হৈ আছে যদিও
সূৰ্যটো মেঘেৰে ঢকা আছে।

মই লাহে লাহে ছবিখনৰ ভিতৰলৈ সোমাই
গ'লোঁ,
চকু দুটা মুদি দেখিলোঁ
ছবিখনত থকা মানুহজন মই,
মোৰ বিবেকে গতি কৰিছে সমাধিলৈ
সম্পূৰ্ণ অৱসান বিচাৰি।

নদীখন মোৰ মনটো, যি লাহে লাহে নিষ্প্ৰভ
হৈ আহিছে
গছডাল মোৰ প্ৰাণ, যি মৃত্যু হ'বলৈ গৈ আছে
সূৰ্যটো মোৰ আত্মা, যাক ঢাকি ধৰিছে
অৰ্থহীন ব্যাধিমূলক ভাবনাই।

যি থাকিও নাই অথচ মই
দেখি আছোঁ তাৰ উপস্থিতি!
চৌদিশে বিৰাজ কৰা বিৰাট
মৌনতাৰ মাজত মই এটি
প্ৰতিধ্বনি হৈ বাজি উঠিলোঁ
কিন্তু,
প্ৰাৰম্ভিক চিঞৰ মাৰিছিল কোনে?
নিশ্চয় ছবিখনেই! ■

# অচিনাকি

■ **অসীম দাস**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

পথৰ দাঁতিত মৃতপ্ৰায় অৱস্থাত
তুমি কোন অচিনাকি?
তেজেৰে ৰাঙলী দেহেৰে তেওঁ
বিচাৰিছে কাৰোবাৰ সহায়ৰ হাত।
মৃত্যুৰ গ্ৰাসত পৰাৰ ভয়ত
কৰিছে তেওঁ নিৰ্মম আৰ্তনাদ।
বিচাৰিছে কাৰোবাৰ সহায়
কাৰোবাৰ অলপ আশ্ৰয়।
বিলাসিতাৰ আধুনিক জগতত
সহায়ৰ মূল্য অতি দুৰ্লভ।
আধুনিক পৃথিৱীত সহায় হৈ পৰিছে
মৰুৰ মাজত মৰীচিকাৰ ছায়া।
কেৱল মাথোঁ স্বাৰ্থলোভী যখে
বিচাৰিছে মৃতপ্ৰায়জনৰপৰাও মূল্য।
সময়ৰ গতিত মানুহে যেন
সম্বন্ধৰ এনাজৰী ছিঙি পেলাইছে।
নিজেই নিজৰ সৈতে পৰিচিত
কিন্তু জগতৰ সৈতে পৰিচয়হীন।
আজিও ভাবিলে শিয়ৰি উঠে,
সেই নিৰ্মম দৃশ্যৰ প্ৰতিচ্ছবি।
সেই কান্দোন, সেই আৰ্তনাদ
সেই সহায়ৰ অনুৰোধ।
আজিও মোৰ অন্তৰে একেটা প্ৰশ্নকে কৰে
তুমি কোন অচিনাকি? ■





# কমাৰশাল

■ **ভাস্বতী মেধি**
স্নাতক পঞ্চম যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

সিহঁতে
কাহানিও দেখা নাই
ফলি-পুথি আৰু
ক'লা ৰঙৰ বৰ্ণবোৰ
সিহঁতে গচকি পোৱা নাই
পবিত্ৰ বিদ্যামন্দিৰৰ মজিয়া
সিহঁতক তুলি দিয়া হৈছে
কেৱল বিধ্বংসী অস্ত্ৰ-শস্ত্ৰ আৰু বোমা-বাৰুদ
বৰশীৰ চিপ লৈ সিহঁতে
কেতিয়াও মাছ ধৰি পোৱা নাই
দেখা নাই সিহঁতক বৃক্ষৰ তলত
আনন্দত মতলীয়া হোৱা।
সিহঁতে জানে কেৱল
তেজৰ চেকুৰাৰ গোন্ধ ল'ব।
সিহঁতে জানে কেৱল ৰক্ত-নদী বোৱাব।
ৰাতিপুৱাৰ সূৰ্যটো ওলালেই আৰম্ভ হয়
সিহঁতৰ যুদ্ধৰ প্ৰস্তুতি
সিহঁতৰ মন-মগজু, সিৰাই-উপসিৰাই
ৰক্ত-লোলুপ, জিঘাংসাৰ বীজ সিঁচি
কেৱল শিকোৱা হৈছে
কি দৰে শৰীৰ ছেও ছেও কৰিব লাগে,
কিদৰে ভাগ কৰিব লাগে দেশ।
যি কমাৰশালত মানুহ গঢ়ে
তাত গঢ় দিয়ে পশু
যেতিয়া খেলিব লাগে পখিলাৰ সৈতে
খেলিছে বন্দুক-বাৰুদেৰে
তেজ আৰু ধোঁৱা
এনেকৈয়ে সৃষ্টি হয় পৃথিৱীত
এজাক বিচ্ছিন্নতাবাদী নতুবা সন্ত্ৰাসবাদী। ■



# পুৰতি নিশাৰ সপোন

■ হীৰেন কলিতা
কাৰ্যালয় সহায়ক

যশোদাই “কি হ'ল, কি হ'ল” বুলি কৈ হেমধৰৰ পিঠিখনত জোৰ জোৰকৈ থপৰিয়াই দিয়াত গিৰিয়েকে টোপনিৰপৰা সাৰ পালে। যশোদাই মাজে মাজে গিৰিয়েকে সপোনত মুখেৰে শব্দ কৰি কক্‌বকাই থাকিলে থপৰিয়াই দি সপোনটো ভাঙি দিয়ে। এইটো হেমধৰৰ পুৰণি অভ্যাস। সাৰ পাই তেওঁ সেই ৰাতিয়েই সপোনৰ বিস্তৃত ব্যাখ্যা দিবলৈ আৰম্ভ কৰে— “হেৰা, সপোনত দেখা ঠাইডোখৰ মোৰ ক'ৰবাত দেখা মনত পৰে। হাবিৰ কাষেৰে এটা নদী বৈ গৈছে। নদীৰ সিপাৰে নামি যোৱা ঘাটটোৰ কাষতে এডাল প্ৰকাণ্ড আঁহত গছ। নদীৰ সিপাৰে বিশাল পথাৰ....।”

হেমধৰে সপোনত দেখা দৃশ্যবোৰ আৰু ঘটা ঘটনাবোৰ আৰম্ভণিৰপৰা শেষলৈ এফালৰপৰা ক'বলৈ আৰম্ভ কৰে। যশোদাই সেই ৰাতি তেওঁৰ সপোনৰ ঘটনা শুনিবলৈ ইচ্ছা কৰা নাই। কেৱল লাহেকৈ কৈ থয়— "সপোন সপোনেই। সপোনৰ কথা সঁচা নহয়, শুই থাকক।" হেমধৰ কিন্তু এই ক্ষেত্ৰত নাচোৰবান্দা। ঘৈণীয়েকে বিৰক্তি পালেও তেওঁ কিন্তু কথাখিনি শেষ কৰিহে শুব। সপোন দেখি সাৰ পোৱাৰ পিচত তেওঁ সদায় ঘড়ীটোলৈ চায়। তেওঁ ভাবে— পুৱতি নিশাৰ সপোনবোৰ বাস্তৱত ফলিয়ায়। পুৱতি নিশা তেনে বহু সপোন দেখি হেমধৰে আত্মসন্তুষ্টি লাভ কৰা মনত আছে। আৰু তেনে লানি নিছিগা সপোন আজিৰপৰা ৩৫ বছৰ আগত বহুত দেখিছে। তেতিয়া ৰাতি কিমান বাজিছে, তাৰ প্ৰতি খেয়াল নাই। যশোদাই ভালেই পাইছে নে বিৰক্তিয়েই অনুভৱ কৰিছে, তাৰ প্ৰতিও কোনো ভ্ৰূক্ষেপ নাই।

সেই সময় আছিল অসমৰ জাতীয় আন্দোলনৰ ভৰপক সময়। ৰাজ্যখনৰ সকলো লোকে আন্দোলনত যোগ দিছে। হেমধৰ তেতিয়া এজন চফল ডেকা। ৰাজ্যৰ চাৰিওফালে কেৱল উত্তেজনা। অসম বন্ধ, হৰতাল ইত্যাদি কাৰ্যসূচীৰে অসমৰ আকাশ-বতাহ প্ৰতিদিন গৰম হৈ থাকে। হেমধৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী। আন্দোলনৰ প্ৰতিটো কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আজি যদি ইখন হাইস্কুলৰ খেলপথাৰত মিটিং থাকে, কাইলৈ আন এখন স্কুলৰ খেলপথাৰত মিটিং থাকে। মিটিঙত নেতাসকলে মানুহৰ চেতনা জগাই তোলা ভাষণ ৰাখে। আমাৰ এই মৰমৰ জাতিটোক কোন কোন শত্ৰুৱে কিদৰে লুণ্ঠন কৰি নিঃশেষ কৰিলে, তাৰ দীঘলীয়া বক্তৃতা শুনি ৰাইজ উত্তেজিত হয় আৰু তাৰ পৰৱৰ্তী কাৰ্যসূচীত দলে দলে যোগদান কৰে। কোনখন মিটিঙত কোন কেন্দ্ৰীয় নেতা আহিব, হেমধৰে বহুত আগতে খবৰ পায়। সেইটো তেওঁৰ বাবে এটা গৌৰৱৰ কথা।

যশোদা তেতিয়া ন-কইনা। ঘৰখনৰ, হেমধৰৰ মনৰ কথা ভালকৈ বুজি উঠা নাই। হেমধৰৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ কোনো কৌশল, কোনো অনুশীলন আৰম্ভ কৰা নাই। কিন্তু মিটিং বা আন্দোলন বুলি ক'লে হেমধৰে কাৰো হকা-বাধা নামানে। নেতাবোৰৰ ভাষণ শুনি শুনি তেওঁ জাতীয় স্বাভিমানৰ অৰ্থ কিছু বুজিব পৰা হৈছে আৰু কেতিয়াবা কথা প্ৰসংগত বন্ধুসকলক কয়— "এইটো আমাৰ জাতীয় স্বাভিমান, অসমৰ খিলঞ্জীয়া মানুহখিনিয়ে আজি সুবিধাৰপৰা বঞ্চিত হৈ আছে।" এই আন্দোলন কাৰ বিৰুদ্ধে আৰু কিয় আন্দোলন সফল হ'লে ৰাজ্যবাসীয়ে কোনবোৰ সুবিধা ভোগ কৰিব পাৰিব ইত্যাদি কথাবোৰ সহজ-সৰল ভাষাৰে তেওঁ ঘনিষ্ঠ মানুহখিনিক সুবিধা পালেই বুজাব খোজে। কেতিয়াবা কেতিয়াবা তেওঁ দুই-এখন বাতৰি কাকত ঘৰলৈ আনি আন্দোলনৰ খবৰ থকা পৃষ্ঠাবোৰ তন্ন তন্নকৈ পঢ়ি চাই যশোদাক কৈছিল— "দেখিছা, আমাৰ আন্দোলনক চৰকাৰে ভয় কৰিছে।" তেওঁ দেশ-জাতি সম্পৰ্কত কৰা মন্তব্যবোৰ শুনি যশোদাই ভাবিছিল— খেতি কৰিলেও তেওঁ কিন্তু জনা মানুহ, নহ'লেনো তেওঁ ইমানবোৰ কথা কেনেকৈ জানিব! অৱশ্যে এইটো কথা ঠিক যে, সেই আন্দোলনৰ উদ্দেশ্যত অসমৰ ৰাইজৰ আৱেগ জড়িত হৈ আছিল আৰু সেইবাবে আন্দোলনে সকলো শ্ৰেণীৰ লোকৰ সমৰ্থন পাবলৈ সক্ষম হৈছিল। সেইদিনা আন্দোলনৰ কাৰ্যসূচী আছিল উপায়ুক্তৰ কাৰ্যালয়ত ধৰ্ণা। হেমধৰ আছিল সিহঁতৰ জয়পুৰ গাঁওগোটৰ সভাপতি। সিহঁতৰ গাঁওগোটৰ কিমান মানুহ সেই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব, কিমানখন গাড়ী লাগিব, এই সকলো কথা এসপ্তাহ আগৰপৰা ঠিক কৰিছে। যশোদাই গিৰিয়েকৰ কথা-কাণ্ডবোৰ দেখি একো তত্ ধৰিব পৰা নাই। এইখন ঘৰলৈ বিয়া হৈ অহা তেওঁৰ মাত্ৰ আঠ মাহ হ'ল। গোবিন্দ তেতিয়া যশোদাৰ গৰ্ভত চাৰিমহীয়া সন্তান। সেই সময়খিনিত যশোদাৰ কেতিয়াবা গাটো বেয়া লাগে, মূৰ ঘূৰায়। গিৰিয়েক ওলাই যোৱাৰ পিচত তেওঁ বৰ অকলশৰীয়া হৈ পৰে। মানুহজনে আন্দোলনত ইমানকৈ সোমাই পৰা কথাটো সঠিক হৈছে নে বেঠিক হৈছে, যশোদাই ভালকৈ ধৰিব পৰা নাই। এবাৰ ভাবে— দলে দলে ওলাই গৈছে, তেওঁনো নাযাব কিয়? নিশ্চয় যাব। জাতিক বচোৱাৰ স্বাৰ্থত এটি বৃহৎ আন্দোলনত যোগ দিছে, এইটো একো বেয়া কথা নহয়; কিন্তু ঘৰখন বাদ দি আন্দোলন কৰি থাকিলে জানো সিহঁতৰ পেট ভৰিব? আৰু চাৰিওফালৰপৰা অহা আয়ৰ অন্য ৰাস্তা যদি থাকিলহেঁতেন, তেতিয়া কথাটো বেলেগ। ডাক্তৰে যশোদাক লিখি দিয়া ভিটামিনৰ বটলটো এতিয়াও আনিব পৰা নাই। সুবিধা বুজি এদিন যশোদাই গিৰিয়েকক ক'লে— "অহা শুক্ৰবাৰে দেখোন কঠীয়াতলীৰ জেওৰাখন দিয়াৰ কথা আছিল। এৰাল এৰা গৰুবোৰে হেনো কঠীয়াবোৰ নষ্ট কৰি আছে।" কথাষাৰ যশোদাই ক'বলৈহে পালে, হেমধৰ একেবাৰে টিঙিৰি তুলা হ'ল। হেমধৰে যশোদাক বুজাই দিয়ে যে, তেওঁ মৃত খুদিৰাম বৰাৰ পুতেক। তেওঁৰ পিতাকে বিষ্ণু ৰাভাৰ দলৰ লগত আন্দোলন কৰিছিল। তেওঁ খং ভাবেৰে যশোদাক প্ৰশ্ন কৰিলে— "তুমি গাজি ৰাভাৰ নাম শুনিছা? বিষ্ণু ৰাভাৰ দলৰ সক্ৰিয় কমৰেড। পুলিচৰ হাতত গাজি ৰাভা ধৰা পৰি পুলিচক সঁচা কথা ক'ব লাগিব বুলি জানি নিজৰ জিভাখনকে কাটি পেলাইছিল। সেইবোৰ মানুহৰ তুলনাত আমি একোৱেই কৰা নাই।" হেমধৰ ইমান উত্তেজিত হোৱাৰ কাৰণ হ'ল শুক্ৰবাৰে সিহঁতৰ আন্দোলনৰ জোঁৰ সমদল কাৰ্যসূচী। সেই কাৰ্যসূচী সফল কৰিবলৈ সেইদিনা সিহঁতৰ গোটেই দিনটো যাব। এনেকুৱা মহৎ কাম এৰি সেইদিনা হেমধৰে কি পথাৰৰ জেওৰা দিব? যশোদাই কি অৰ্থ কৰিছে তেওঁৰ আৰু বুজিবলৈ বাকী নাই। সেয়ে তেওঁ উত্তেজিতভাৱে

পুনৰ আৰম্ভ কৰিলে— "আন্দোলনতকৈ মোৰ পথাৰৰ জেওৰাখন ডাঙৰ নহয়। ইয়াত হাজাৰ হাজাৰ মানুহৰ সপোন লুকাই আছে। দেশ-জাতিৰ সমূহিক স্বাৰ্থ লুকাই আছে।" গিৰিয়েকৰ কথাত যশোদা নিমাত হৈ থাকিল; কিন্তু তেওঁ যেতিয়া পেটৰ ফালে আঙুলি টোৱাই কৈ দিলে— "তোমাৰ পেটত থকা সন্তানটো স্বাৰ্থপৰ হ'ব। তুমি সন্তান পেটত লৈ ব্যক্তিস্বাৰ্থৰ কথা ভাবিছা। মোৰ আজি এই মুহূৰ্তত এনেকুৱা লাগিছে যেন তোমাৰ পেটত গোৰ মাৰি পেটৰ সন্তানটি বাহিৰ কৰি দিম।" যশোদা কিন্তু এইবাৰ আৰু ৰ'ব নোৱাৰিলে। দুখ-শোকে যেন তেওঁৰ অন্তৰখন ফালি পেলালে। জোৰ জোৰকৈ শব্দ কৰি তেওঁ কান্দিব ধৰিলে। যশোদাৰ কান্দোনৰ শব্দ ওচৰৰ তিৰোতাবোৰৰ কাণত পৰিল। হেমধৰে বুজিলে— কথাটো বেয়া হ'ল। ঘৰৰ কথা তেওঁ বাহিৰৰ মানুহে শুনাটো নিবিচাৰে। তেওঁ মনৰ মাজতে ক'লে— "ছেঃ, বৰ টানকৈ ক'লোঁ। এনেকুৱা সময়ত তেওঁক মই বৰ দুখ দিলোঁ, ছেঃ।" তেওঁ যশোদাৰ হাতখনত ধৰি বুজাবৰ চেষ্টা কৰে। যশোদাই হাতখন আঁতৰাই দিয়ে, পুনৰ ধৰে, পুনৰ আঁতৰাই দিয়ে আৰু কান্দে। হেমধৰ নিৰুপায়ত পৰিল। যি কোনো উপায়ে যশোদাক স্বাভাৱিক কৰিবলৈ যত্ন কৰিলে। কাৰণ বাহিৰৰ মানুহবোৰে ইতিমধ্যে কাণবোৰ সজাগ কৰিছে। যশোদাক তেওঁ লাহে লাহে কৈ গ'ল— "হঠাতে কিবা-কিবি কৈ দিলোঁ। বেয়া পাই থাকিব নালাগে। তুমিতো জানা, মই তোমাক বেয়া নাপাওঁ।" গিৰিয়েকৰ বুজনিত অৱশেষত যশোদা শান্ত হ'ল।

ঠিক তেতিয়াৰপৰা হেমধৰে লোৱা যি কোনো সিদ্ধান্তত যশোদাই একো হা-না নকৰে। কিবা অসন্তোষ থাকিলেও সেইটো বাহিৰত প্ৰকাশ নকৰে। ৰাতি সাৰ পাই হেমধৰে সপোনত দেখা ঘটনাবোৰৰ বিৱৰণ শুনি বিৰক্তিবোধ কৰিলেও মনোযোগেৰে শুনাৰ ভাও ধৰে। জীয়েক ডলীৰ বিয়াৰ সময়ত গিৰিয়েকে খেতি মাটি দুবিঘা বিক্ৰীৰ সিদ্ধান্ত ল'লে। কথাটো যশোদাক জনালে। যশোদাই কিন্তু কোনো উত্তৰ নিদিলে। তেওঁ জানে, কোনো লাভ নাই। লাভ নহ'লেও কিন্তু পুতেক গোবিন্দই কোৱাটো কৈ গ'ল— "কিয় মাটি বিক্ৰী কৰি বিয়া পাতিব লাগে! আমি সৰু মানুহ, সৰু মানুহৰ দৰে বিয়া পাতিম।" গোবিন্দৰ কথাটো নৰজিল। হেমধৰৰ মতে মোৰ মাটি চাৰি বিঘা। তাৰে দুবিঘা তেওঁ জীয়েকৰ বিয়াৰ বাবে বিক্ৰী কৰিব, বাকী দুবিঘা পুতেকৰ। গতিকে তেওঁ পুতেকৰ কথা কি দৰকাৰত শুনিব! তেওঁ নিজকে এজন সামাজিক মানুহ বুলি ভাবে আৰু সমাজত তেওঁৰ এটা নাম আছে। সমাজৰ বহু মানুহৰ লগত তেওঁৰ সম্পৰ্ক। মানুহৰ লগত তেওঁৰ এই সম্পৰ্ক সেই আন্দোলন কৰা দিনৰপৰা আজিলৈকে ধাৰাবাহিকভাৱে চলি আহিছে। পিচে পুৰণি বহুত মানুহৰ লগত সম্পৰ্ক ছেদ হ'ল যদিও নতুন নতুন মানুহৰ লগত সম্পৰ্ক চলিয়েই থাকিল। কথা প্ৰসংগত তেওঁ ঘৈণীয়েক-পুতেকক সোঁৱৰাই থাকে— "মই গৰিব হ'লেও সকলোৱে মোক কিন্তু ভাল পায়। ঘৰত সৰু সকাম এটা পাতিলেও মানুহ আহি ঘৰ ভৰি যায়। কিছুমানৰ টকা-পইচা থাকিব পাৰে; কিন্তু মানুহ নাযায়।" কথাটো অৱশ্যে সঁচাও। সেই আন্দোলনৰ সময়ছোৱাত মানুহ আহি সদায় তেওঁৰ ঘৰত মিটিং কৰা, যশোদাই ১৫-২০ জন মানুহক চাহ বনাই দিয়া আদি কত কিমান মানুহ তেওঁৰ ঘৰত সমাগম ঘটিছে, তাৰ লেখ-জোখ নাই। আনকি ডাঙৰ ডাঙৰ নেতাই আহিও তেওঁৰ ঘৰত চাহ খাই গৈছে। কথাবোৰ ভাবি আজিও হেমধৰৰ বুকুখন ওফন্দি উঠে। আন্দোলনৰ শেষত তেওঁলোকৰ দলে নিৰ্বাচনত বিপুল ভোটত জিকি চৰকাৰ গঠন কৰিছিল। সেইদিনা হেমধৰে সৰগখন হাতেৰে ঢুকি পোৱা যেন পাইছিল। বহুত কষ্ট ত্যাগৰ পিচত ৰাইজৰ আশা পূৰণ কৰিব পৰা এখন ৰাইজৰ চৰকাৰ গঠন কৰিলে। হেমধৰৰ আগতকৈ ব্যস্ততা বাঢ়িল। তেওঁ নিজে মন্ত্ৰী, বিধায়ক নহ'লে কি হ'ব! গাঁৱৰ মানুহবোৰে তেওঁকে মন্ত্ৰী, বিধায়কৰ দৰে ভাবে। তাৰ অন্যতম কাৰণ হ'ল— মন্ত্ৰী, বিধায়ক হোৱা আন্দোলনকাৰী নেতাসকলৰ লগত তেওঁৰ বহুদিনীয়া আপোন সম্পৰ্ক। গাঁৱৰ কোনোবাই বিধায়কক লগত পাব বিচাৰিলে প্ৰথমে হেমধৰকে সোধে বিধায়কক ক'ত লগ পাব, কেতিয়া লগ পাব। তেওঁলোকৰ সমস্যাবোৰ সমাধানৰ বাবে বিধায়কক দু-আষাৰ কৈ দিয়াৰ বাবে হেমধৰক জোৰ দিয়ে। তেওঁ ৰাইজৰ সমস্যাবোৰ বিধায়কৰ আগত উত্থাপন কৰে, বিধায়কে সমাধানৰ আশ্বাস দিয়ে আৰু সেইমতে হেমধৰে ৰাইজক আশ্বাস দিয়ে। ৰাইজে বিধায়কে দিয়া আশ্বাস বুকুত বান্ধি আশাৰে বাট চাই থাকে আৰু সেইফেৰা সহায় কৰি দিয়াৰ বাবে হেমধৰক প্ৰশংসা কৰে। ৰাইজৰ প্ৰশংসাত তেওঁ আনন্দত আত্মহাৰা হৈ উঠে। যশোদাই গিৰিয়েকে সেইখিনি আনন্দ পোৱাৰ বাবে সুখ অনুভৱ কৰে। গিৰিয়েকে কোৱাৰ দৰে যশোদাইও ভাবিছিল— ঘৰখনলৈ এটা ভাল দিন আহিব। এনেকুৱা এটা ভাল দিন আনিবলৈ মানুহজনে কত কিমান যে কষ্ট নকৰিলে! নিৰ্বাচনৰ সময়ত গোবিন্দৰ বয়স তিনি বছৰ। নিৰ্বাচনৰ কামত যেন তেওঁৰ তিনি বছৰীয়া সন্তান গোবিন্দও লাগিব লাগে। নিৰ্বাচনৰ সময়ত ৰাস্তাৰে নিজৰ নিজৰ প্ৰাৰ্থীক জয়যুক্ত কৰিবলৈ মানুহৰ দীঘলীয়া শাৰী। তেওঁ পুতেকক শিকায়— "বাবা কোৱা, ঘোঁৰাৰ ছবিত ভোট দিয়ক।" কিন্তু গোবিন্দই একো নকয়। যেন কোনোবাই তেওঁক আগতীয়াকৈ সেইখিনি কথা নক'বলৈ ঠিক কৰি থৈছে। হেমধৰৰ খং চুলিৰ আগ পায়। তেওঁ অভিযোগৰ সুৰত যশোদাক কয়— "বাবা গৰ্ভত থাকোঁতে তুমি এইবোৰৰ প্ৰতি বেছি আগ্ৰহ দেখুওৱা নাছিলা যে, সেই কাৰণে বাবা ইমান উদাসীন হ'ল।" যশোদাই ভাবে— হয়তো হ'বও পাৰে। এতিয়াতো গোবিন্দ ত্ৰিশ বছৰীয়া যুৱক। এতিয়াও সি এইবোৰৰ

প্ৰতি উদাসীন। পিতাকৰ কিমান মানুহৰ লগত চিনাকি। চৰকাৰী কাম এটা পাবলৈ কোনো মানুহৰ ওচৰলৈ নাযায়। কেৱল ইণ্টাৰভিউ দিয়ে; কিন্তু খাতিৰ নাথাকিলে কেৱল ইণ্টাৰভিউ দিলেই চাকৰি পাবনে? চৰকাৰ গঠন হোৱাৰ পিচত যশোদাই গিৰিয়েকক পিয়ন-চকীদাৰৰ চাকৰি এটা লোৱাৰ বাবে বৰকৈ জোৰ দিছিল। সামান্য খেতিমাটি আৰু তামোলৰ ক্ষুদ্ৰ ব্যৱসায়েৰে ঘৰখন চলাব বৰ কষ্ট হৈছে; কিন্তু হেমধৰে দহজনৰ সমালোচনাৰ ভয়ত নিজৰ বাবে চৰকাৰী কাম এটাৰ কথা কোনোদিনে নুলিয়ালে। তেওঁৰ মুখত সদায় এটাই কথা— "মানুহে মোক স্বাৰ্থপৰ বুলি ভাবিব। মোৰ লাজ লাগে। বাবা ডাঙৰ হ'লে সময়ত দেখা যাব।" পিচে গোবিন্দ চাকৰি কৰিব পৰাকৈ ডাঙৰ হ'ল। স্থানীয় কলেজৰপৰা বি.এছ.চি. পাছ কৰিলে; কিন্তু এতিয়ালৈকে চাকৰি হোৱা নাই আৰু ভৱিষ্যতেও যে হ'ব, তাৰ আশা নাই। সেয়ে ঘৰতে ফাৰ্ণিচাৰৰ দোকান এখন খুলি ঘৰখন চলাই আছে। যশোদাই কেতিয়াবা বাপেকৰ চিনাকি বিধায়কৰ ওচৰলৈ গৈ তাক চাকৰিৰ বাবে খাটনি ধৰিবলৈ কয়। গোবিন্দই কিন্তু লৰচৰেই নকৰে। পুতেকৰ স্বভাৱটো দেখি যশোদাই নিজৰ মনতে কয়— "বাপেক-পুতেক সকলো একে হ'ল। মইহে মাজতে ইমান চিন্তা কৰি মৰোঁ।" গোবিন্দই এতিয়া কাৰো ওচৰলৈ চাকৰি বিচাৰি নোযোৱাৰ কেবাটাও কাৰণ আছে। আগতে তেওঁ দুবাৰ-তিনিবাৰ সিহঁতৰ সমষ্টিৰ মন্ত্ৰীৰ ওচৰলৈ গৈছিল। প্ৰথমবাৰ যাওঁতে মন্ত্ৰীয়ে তেওঁক কিবাকিবি আশ্বাস দিছিল যদিও শেষৰ দুবাৰ তেওঁক দেখাই নকৰিলে। এদিন মাকৰ কথাত বিৰক্ত হৈ তেওঁ কৈয়েই দিলে— "তুমি সেইবোৰ মানুহক নাজানা মা। সেইবোৰ মানুহে কাহানিবাই হেমধৰ বৰাৰ নাম পাহৰিলে। তুমি বনোৱা চাহকাপৰ কথা পাহৰিলে। মই দুবাৰ-তিনিবাৰ গৈছিলোঁ; কিন্তু শুনি তোমালোকে দুখ পাবা বুলি ভাবি ইমানদিনে কোৱা নাছিলোঁ। মুঠতে জানি থোৱা— একো লাভ নাই।" যশোদাই কথাবোৰ মনত পেলাবলৈ যত্ন কৰে— ইমান সোনকালে মানুহবোৰ পৰিৱৰ্তন হ'ব পাৰেনে? আচলতে যশোদাই ভবাৰ দৰে সোনকালে নহয়। মানুহবোৰ তেওঁলোকৰ ঘৰলৈ অহা, তেওঁ সকলোকে চাহ বনাই দিয়া আদি কথাবোৰৰ স্মৃতি সজীৱ হৈ থকা বাবে যশোদাৰ ৩৫ বছৰ আগৰ ঘটনাবোৰ কিছু বছৰৰ ঘটনা যেন লাগে। এই সময়খিনিৰ ভিতৰত দেশৰ ৰাজনীতিত বহুত উত্থান-পতন ঘটিল। বিভিন্ন ৰাজনৈতিক দল গঠন হ'ল, বিভিন্ন নতুন নতুন জাতীয় সংগঠনৰ জন্ম হ'ল। বহুত ৰাজনৈতিক নেতাই নিজৰ দল এৰি আন ৰাজনৈতিক দলত যোগদান কৰিলে। হেমধৰহঁতৰ দলটোও একপ্ৰকাৰ ভাগি গ'ল। ৰাইজে আশা কৰা ধৰণে কোনো সুফল নাপালে— যিবোৰ দাবী লৈ আন্দোলন কৰি চৰকাৰ গঠন কৰিছিল, সেই মূল সমস্যাবোৰ আজিও থাকি গ'ল। এতিয়া তাৰ বেছিভাগ নেতাই দালালি কৰে। তথাপিও হেমধৰে নিজৰ দলটো সংভাৱে ধৰিয়েই থাকিল। কেতিয়াবা পুৰণি বন্ধুবোৰক কয়— "নিজৰ তেজ দি গঢ়া দল, ইমান সহজতে এৰিমনে?" কিন্তু হেমধৰে সেই কথাটো বেছিদিন ধৰি ৰাখিব নোৱাৰিলে। এটা ঘটনাই তেওঁক দল ত্যাগ কৰাবলৈ বাধ্য কৰালে। তেওঁৰ সমষ্টিৰ বিধায়কজনে যেতিয়া বিৰোধী ৰাজনৈতিক দলত যোগ দিলে, সেইদিনা হেমধৰৰ মূৰত সৰগ ভাগি পৰাৰ দৰে হ'ল। যি বিৰোধী পক্ষক গালি পাৰি, সমালোচনা কৰি, জাতীয় শত্ৰু আখ্যা দি জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে দল গঠন কৰিছিল, সেই নেতাই যেতিয়া নিজৰ ব্যক্তিগত স্বাৰ্থত বিৰোধী দলত যোগ দিলে, সেইদিনাই তেওঁ নিজৰ দল ত্যাগ কৰিলে। আগতে তেওঁ নিজৰ দলৰ, নিজৰ নেতাৰ গুণ-গৰিমা জহাই ফুৰিছিল । এতিয়া কোন সতেনো তেওঁ সেইবোৰ মানুহৰ আগত দেখা দিব! তেওঁ নিজকে বৰ অপৰাধী অপৰাধী অনুভৱ কৰিলে। ঘৰৰপৰা ওলালেই মানুহে এতিয়া তেওঁক ঠাট্টাৰ সুৰত সোধে— "কি হেমধৰ, তোমালোকৰ নেতাই দেখোন সৰ্বভাৰতীয় দলত যোগ দিলে। তুমি কি এতিয়াও আঞ্চলিকতাবাদী হৈয়েই থাকিবা নে নতুন দলত যোগ দিবা?" কথাবোৰ শুনি হেমধৰ নিমাত হৈ ৰয়। তাহানিতে যশোদাই কোৱা— "এইবোৰ কৰি একো লাভ নাই" কথাষাৰে মনৰ মাজত দোলা দি যায়। মানুহ ইমান স্বাৰ্থপৰ হ'ব পাৰেনে? মানুহ ইমান বেইমান হ'ব পাৰেনে আদি ভাবত হেমধৰে নিজৰ মনত গুজৰি-গুমৰি থাকে। বাহিৰত মানুহৰ কথাৰ উত্তৰ দি থকাতকৈ ঘৰতে বহি থকা ভাল বুলি ভাবি তেওঁ কিছুদিন ঘৰতে থকাৰ সিদ্ধান্ত ল'লে; কিন্তু ঘৰৰপৰা নোলালে কি হ'ব, ঘৰতে দেখোন তেওঁক মিহি মিহিকৈ কথা কোৱা এগাল মানুহৰ অভাৱ নাই। প্ৰতিদিন গধূলি পুতেক গোবিন্দৰ ফাৰ্ণিচাৰ দোকানত বন্ধুবোৰৰ আড্ডা হয়। সেই আড্ডাত ৰাজ্যিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন ঘটনাৰ আলোচনা হয়। আড্ডালৈ অহা দুই-চাৰিজন ল'ৰাক হেমধৰে আগৰেপৰা দেখিব নোৱাৰে। সিহঁতে আন আন ৰাজনৈতিক পাৰ্টিকে নহয়, হেমধৰৰ পাৰ্টিকো কটু সমালোচনা কৰা হেমধৰৰ কাণত পৰিছে। নিজৰ পাৰ্টিক সমালোচনা কৰাটো হেমধৰে কেতিয়াও সহ্য নকৰে। পাৰ্টিক সমালোচনা কৰাক লৈ তেওঁ কিমান মানুহৰ লগত তৰ্ক-বিতৰ্ক কৰিছে! আনকি নিজৰ জেঠাকৰ লগত পাৰ্টিক লৈ হোৱা বিতৰ্কৰ ফলত আজিও এটা ভাল ভাব নাই। অথচ এই নিজৰ পেটৰ পোৱালিবোৰে যিয়ে দেশৰ একো হাল বুজি নাপায়, সিহঁতবোৰে পাৰ্টিক কৰা সমালোচনা হেমধৰে কিদৰে সহ্য কৰিব! কেতিয়াবা আড্ডাত গৈ হেমধৰে মাত কিয়ে— "বাৰু বসন্ত, তোমালোকে কেতিয়াবা ৰাইজৰ স্বাৰ্থত আন্দোলন কৰি পাইছানে? আন্দোলন কৰিবলৈ যাওঁতে পুলিচৰ কোব খাই পাইছানে? গতিকে এইবোৰ কথা কৈ লাভ নাই। পৰিৱৰ্তনৰ কথা ঘৰত বহি বহি আলোচনা কৰাটো বৰ সহজ।" হেমধৰৰ খংবোৰ ল'ৰাবোৰে বুজি পায়। সেয়ে

তেওঁ উত্তেজিত হ'লেও ল'ৰাবোৰে সহজভাৱে তেওঁক উত্তৰবোৰ দিববৈ যত্ন কৰে। গোবিন্দই ল'ৰাবোৰক কৈ থৈছে— "পিতাই বৰ আৱেগিক, তেওঁৰ লগত বেছি তৰ্ক-বিতৰ্ক নকৰাই ভাল। নহ'লে কেতিয়াবা আমাৰ ঘৰৰ এই আড্ডাই বন্ধ কৰি দিব।" সেয়ে সিহঁতে লাহেকৈ কৈ থয়— "শুনিছে খুড়া, আমি এইবোৰ কথানো নিজাকৈ কেনেকৈ জানিম! অলপ পঢ়া-শুনা কৰি জানিছোঁ দেশখন হেনো দেশী-বিদেশী কোম্পানীয়ে চলাই আছে। কোম্পানীবোৰে নিজৰ স্বাৰ্থত চৰকাৰ ভঙা-পতা কৰে। আমাৰ সম্পদবোৰ লুণ্ঠন কৰি নিজৰ নিজৰ পুঁজি গঢ়িলে আৰু দেশখন দেউলীয়া কৰিলে।" ল'ৰাবোৰৰ কথাত হেমধৰ জাঙুৰ খাই উঠে। তেওঁ নিজৰ দলৰ কথা মনলৈ আনে। তেওঁ ৰঘুৰাম, হৰেণ, লীলাধৰ, ভাগ্য, বাসন্তী, নাৰায়ণ, কুঁজা, উমা, ভেকেলী, গাৰো, যতীন খৰা, চন্দ্ৰ বুটা ইত্যাদি তেওঁৰ দলৰ মানুহবোৰৰ নাম মনলৈ আনে। তেওঁ ভাবে— আমিবোৰ কোম্পানী নেকি? আমি ভোট দি আমাৰ চৰকাৰ গঠন কৰিছোঁ। ইয়াত কোম্পানী কেনেদৰে আহিল! কথাবোৰ তেওঁ নিজৰ মনতে ভোৰভোৰায়। "এইবোৰ মিছা ধাৰণা মনত সুমুৱাই লৈ মগজুবোৰ নষ্ট কৰিলি, আনকি এনেবোৰ কথাৰে আন দহজনকো নষ্ট কৰি আছ।" এই চিন্তাবোৰ অকল হেমধৰৰে নহয়, সিহঁতৰ দলৰ আনকি বিৰোধী দলৰো বহু মানুহৰে গোবিন্দহঁতৰ দলটিৰ প্ৰতি ভাল ভাব নাই। কাৰণ ইহঁতৰ দলটোৱে ভোটৰ বিৰুদ্ধে কথা কয়। এদিন সিহঁতক শ'লথেকত পেলাববৈ হেমধৰে সিহঁতক প্ৰশ্ন কৰিছিল— "তোমালোকৰ মতে ভোটৰ পথ গোলামিৰ পথ। তোমালোকৰ মতে কোনো পাৰ্টিয়েই ভাল নহয়। যদি চৰকাৰ বুলি বস্তু এটা নাথাকে, তেনেহ'লে দেশখন চলাব কোনে?" ল'ৰাবোৰে কেৱল হয় হয় ভাবত হেমধৰৰ কথাবোৰ সামৰি থ'লে। তেওঁলোকে জানে— ৰাজনীতি, অৰ্থনীতিৰ জটিল কথাবোৰ বুজি পাববৈ তেওঁ ৰাজনৈতিকভাৱে শিক্ষিত নহয়। পাৰ্টিৰ নেতাই যি বুলি বুজাই দিয়ে, তাকে বিশ্বাস কৰি চলি আহিছে। ল'ৰাবোৰৰ মুখ বন্ধ কৰিববৈ পুনৰ তেওঁ প্ৰশ্ন কৰিলে— "তাৰমানে তোমালোক নক্সালপন্থী নেকি?" বসন্তই ক'ব বিচাৰিছিল— "হয় খুড়া, আমি নক্সালপন্থী, আমি বিপ্লৱী। আৰু বিপ্লৱৰ মাজেদিহে ৰাইজৰ মুক্তি আহিব।" কিন্তু কৰুণাই তাক বাধা দিলে। পিচে হেমধৰে কথাটিৰ ইংগিত নোপোৱাকৈ নাথাকিল। তেওঁ ভঁৰালঘৰৰ কাষতে থকা চাংখনৰপৰা কাপোৰেৰে মেৰিয়াই ৰখা চাৰিফুট দীঘল তৰোৱাল এখন উলিয়াই আনি সিহঁতক দেখুৱাই ক'লে— "এইখন আমাৰ পিতাইহঁতৰ সংগ্ৰামী জীৱনৰ চানেকি। এই তৰোৱালখনত পিতাইহঁতৰ সংগ্ৰামী জীৱনৰ ইতিহাস লুকাই আছে। সংগ্ৰাম কৰি বহুত কষ্ট ত্যাগ স্বীকাৰ কৰিলে; কিন্তু শেষত কি হ'ল? ভোটৰ মাজেৰেই চৰকাৰ গঠন কৰিলে আৰু পিতাইহঁতৰ সংগ্ৰামী জীৱনৰ অধ্যায় সিমানতে অন্ত পৰিল।" ল'ৰাবোৰে হেমধৰৰ লগত কথাৰ বেছি কটা-কটি নকৰিলে। সিহঁতে জানে, বিষ্ণু ৰাভাৰ সেই সংগ্ৰাম বিফল হোৱাৰ মূলতে যে আছিল সুবিধাবাদী বুৰ্জোৱাৰ নেতৃত্ব। সিহঁতে জানে, সংগ্ৰামৰ তাত্ত্বিক কথাবোৰ হেমধৰে নুবুজে। তথাপিও তেওঁৰ কথাবোৰৰ বেছি বিৰোধিতা নকৰে। কেৱল মানুহজনৰ আৱেগক কিছু আঘাত কৰি ভাল পায় আৰু তেনে কৰিলে তেওঁ কিবা নতুন চিন্তা কৰিব পাৰে নেকি সেইটো জুখি চায়; কিন্তু হেমধৰ নিজৰ মতত অটল। গোবিন্দয়ো পিতাকৰ দেশক ভালপোৱাৰ আৱেগবোৰ দেখি তবধ মানে। গোবিন্দই ভাবে— পিতাকে সংগ্ৰামৰ নতুন লাইন এটা পালে এতিয়াও দেশৰ কামত লাগি যাব। অৱশেষত নতুন লাইনত কাম কৰিববৈ হেমধৰৰ সৌভাগ্য ঘটিল। আকৌ নতুন সংগ্ৰামে ৰাজ্যত ভূমুকি মৰা আজি প্ৰায় তিনি বছৰ হ'ল। শ্ৰমিক-কৃষকৰ স্বাৰ্থত মাত মতা নেতাৰ তেওঁ সন্ধান পালে। দূৰদৰ্শনত প্ৰায়ে দেখা সেই নেতাৰ প্ৰতিবাদে তেওঁক আকৃষ্ট কৰিলে। ৰাইজৰ দুখৰ দিনত ৰাইজৰ পক্ষত থিয় হোৱা নেতাৰ ভাষণে তেওঁক সেই দলত যোগদান কৰিববৈ আকৰ্ষিত কৰিলে। হেমধৰ নতুন আঞ্চলিক সংগ্ৰামী দলৰ সদস্যভুক্ত হ'ল। এতিয়া মানুহে তেওঁক আৰু ঠাট্টা কৰিব নোৱাৰে। তেওঁ পুনৰ ৰাইজৰ হৈ কাম কৰিব— নেতাই আহ্বান দিয়া সংগ্ৰামত জঁপিয়াই পৰিব— দৰকাৰ হ'লে.....।

গোবিন্দহঁতৰ গধূলিৰ আড্ডাতো এতিয়া নতুনকৈ গঠন হোৱা সংগ্ৰামী দল— যিয়ে কৃষক-শ্ৰমিকৰ মুক্তি অনাৰ বাবে ৰাইজৰ আৱেগ সৃষ্টি কৰিছে, সেই কথাও সিহঁতৰ আলোচনাৰ বিষয় হ'ল; কিন্তু নতুন দলৰ কথা আলোচনা কৰোঁতে সিহঁতে প্ৰথমতে হেমধৰ ঘৰত আছে নেকি চাই লয়। কাৰণ কিবা যদি সমালোচনা হেমধৰৰ কাণত পৰে, তেতিয়া সৰ্বনাশ। তেওঁ আৰু সিহঁতক নেৰিব। হেমধৰে বহুত মানুহৰ লগত সিহঁতৰ নতুন দলৰ উদ্দেশ্য, কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰিছে। সকলোৱে বৰ ভাল নেতা বুলি প্ৰশংসা কৰিছে; কিন্তু পুতেকহঁতৰ লেক্‌চাৰ মৰা (তেওঁৰ মতে) দলটিক তিলমানো বিশ্বাস নকৰে। এদিন তেওঁলোকৰ নেতাৰ নিঃস্বাৰ্থপৰতাৰ কথা সিহঁতৰ আগত দম্ভৰে ক'লে— "সংগ্ৰামী-বিপ্লৱী কাক কয় দেখিলা! আমাৰ নেতা তাৰ জ্বলন্ত উদাহৰণ। কিমান কষ্ট কৰি ৰাজপথত সংগ্ৰাম কৰিছে। এনেদৰে ঘৰৰ ভিতৰত আনক সমালোচনা কৰি থকাটোক বিপ্লৱ, সংগ্ৰামী নকয়। হাতে-কামে লাগিব লাগিব।" ল'ৰাবোৰে পঢ়া-শুনা কৰে, লিখা-মেলা কৰে আৰু সেইটো হেমধৰৰ মতে একো কামৰ ভাগত নপৰে। সিহঁতে কৰা ৰাজনৈতিক বিশ্লেষণবোৰ সমালোচনা বুলি ধৰি লয়। হেমধৰে ভাবে— সিহঁতৰ নেতাক চৰকাৰে জেইল দিয়ে। ৰাজ্যখনত সংগ্ৰাম কৰি কেইজন নেতাই আজিৰ তাৰিখত কাৰাবাস খাটিছে? গতিকে তেওঁলোকৰ নেতাতকৈ ডাঙৰ নেতা

আন কোনো নাই। নেতাক জেইল দি চৰকাৰে কিদৰে হিৰো বনায়, সেই কথাটো ল'ৰাবোৰে জানে যদিও হেমধৰক সেইবোৰ নজনায়। কাৰণ তাকে নকৰিলে হেমধৰহঁতৰ দৰে মানুহবোৰৰ সন্মুখত দ্বিতীয় বিকল্প নাই। হেমধৰৰ এতিয়া কাম কৰাৰ আগৰ উদ্যম আহি গৈছে। আগতেও যশোদাই একো হকা-বাধা কৰা নাছিল আৰু এতিয়াও নকৰে। কিমান কষ্ট কৰি ল'ৰা-ছোৱালীহাল ডাঙৰ কৰিলে, সেইটো তাইহে জানে। আৰু এতিয়াতো গোবিন্দই ঘৰখনৰ সমস্ত দায়িত্ব ল'ব পৰা হৈছে। দেশখন ভাল হ'ব, দেশখনে উন্নতি কৰিব, মানুহৰ সমানে সমানে বিকাশ হ'ব ইত্যাদি হেজাৰ সপোন বুকুত বান্ধিয়েই মানুহজন চলি আহিছে, মনত শান্ত্বনা লভিছে। গতিকে এতিয়া আৰু মনোকষ্ট দি মানুহজনৰ মনৰ আশাবোৰ ভাঙিব নোখোজে। আগতে হেমধৰে সপোন দেখি যশোদাক কৈছিল— "শুনিছা যশোদা, আজি এটা বৰ ভাল লগা সপোন দেখিলোঁ। আমাৰ দলৰ কেন্দ্ৰীয় নেতাৰ লগত বহুত মানুহ আমাৰ ঘৰলৈ আহিছে। আমি চোতালত এখন ৰভা দিছোঁ। তাত মানুহবোৰ বহিছে। তোমাৰ কিন্তু বহুত ফুৰ্তি লাগিছে। সকলোকে চাহ দিছা, মাত দিছা, হাঁহিছা। তোমাৰ মুখত হাঁহি দেখি মই বহুত সাহস পাইছোঁ।" হেমধৰৰ কথাত যশোদাই একোৱেই নামাতে, কেৱল শুনি যায়। সপোনৰপৰা সাৰ পালে হেমধৰে সদায় ঘড়ীটোলৈ চায়। তেতিয়া নিশা ১১-৪০ বাজিছে। হেমধৰে বিশ্বাস কৰে— আগনিশাৰ সপোন বাস্তৱত নিমিলে। অৰ্থাৎ সপোনত দেখা কথাবোৰ ওলোটা; কিন্তু পুৱতি নিশাৰ সপোনৰ মিল থকা তেওঁ বহুত প্ৰমাণ পাইছে।

আজিও হেমধৰে সপোনত কক্‌বকাই থকাত যশোদাই তেওঁক গাত ঢকিয়াই জগাই দিলে। সাৰ পাই ঘড়ীটোলৈ চালে— নিশা তিনি বাজি গৈছে। হেমধৰ একপ্ৰকাৰ উন্মাদ হ'ল। তেওঁ বিছনাৰপৰা নামি বাহিৰলৈ ওলাই গ'ল। বাহিৰত তেওঁ মুখেৰে গুদ্‌গুদাই থাকিল। যশোদাই অনুমান কৰিছে— সপোনটিয়ে নিশ্চয় মানুহজনক খং তুলিছে। পুনৰ ভিতৰলৈ সোমাই আহি জোৰ জোৰকৈ গোবিন্দক মাতিলে— "বাপু, শুই আছ!" "এই ৰাতিখন তাক জগাব নালাগে।" যশোদাৰ কথাত হেমধৰে প্ৰতিবাদ কৰি ক'লে— "একো নহয়, তাক জগাই দিয়া। সিও কথাবোৰ জনাৰ দৰকাৰ আছে।" পিতাকৰ হুলস্থুলত গোবিন্দই সাৰ পালে। আগতেও সি বহুবাৰ পিতাকে সপোন দেখি কৰা হুলস্থূলত সাৰ পাইছিল। হেমধৰে আৰম্ভ কৰিলে— "আজি বাপু এটা অদ্ভুত সপোন দেখিলোঁ। মই নিজেই বিশ্বাস কৰিব পৰা নাই; কিন্তু বিশ্বাস কৰিছোঁ এই কাৰণে যে, সপোনটি পুৱতি নিশাৰ। তদুপৰি তহঁতে কোৱা কথাবোৰৰ লগত সপোনৰ কথাবোৰৰ মিল পাইছোঁ।" গোবিন্দই বুজিছে, পিতাকৰ সপোনটি নিশ্চয় তেওঁৰ ভাবৰ বিপৰীত। পিতাকক পানী এগিলাচ খাবলৈ দি লাহেকৈ ক'লে— "কি হ'ল কচোন পিতাই।" হেমধৰে এফালৰপৰা সপোনটো ক'ৰপৰা আৰম্ভ হৈ ক'ত শেষ হ'বলৈ গৈ আছিল, তাৰ ব্যাখ্যা আগবঢ়োৱাত লাগি গ'ল। তেতিয়াও মানুহজনৰ গাৰ উত্তেজনা মাৰ যোৱা নাই। হেমধৰে সপোনৰ বিৱৰণ দাঙি ধৰি ক'লে— "যদি এই ঘটনা সঁচা হয়, মই কিন্তু কাকো শুদাই নেৰোঁ। শুনিছ বাপু, আমাৰ শ্ৰমিক-কৃষকৰ কথা কোৱা নতুন নেতাজন আৰু সৰ্বভাৰতীয় বিপক্ষ দলৰ নেতাজন যিজনক আমাৰ নেতাজনে সদায় গলৰ সিৰ ফুলাই গালি পাৰে— যিজন বিৰোধী নেতাক জাতীয় শত্ৰু আখ্যা দি নতুন দল গঠন কৰিলে, সিহঁত দুয়ো আৰু সিহঁতৰ লগত সম্ভৱ দালাল জাতীয় চাৰি-পাঁচজন মানুহে এটা প্ৰকাণ্ড ঘৰত কোনেও গম নোপোৱাকৈ লগ লাগিছে। মই কি কৰি সেই ঠাই পালোঁ নাজানো। সিহঁতে লগ হৈ আলোচনাত মিলিত হৈছে। সিহঁতৰ ভাব-ভংগিৰপৰা বুজিব পাৰিছোঁ মাজে মাজে সিহঁত গোপনে এনেদৰে লগ হয়। মাজতে দুয়োকে কৰমৰ্দন কৰা দেখিলোঁ। মই তাত থকাটো কোনেও দেখা পোৱা নাই। তাৰ পিচত সিহঁতৰ মাজত হোৱা আলোচনা শুনি মই আৰু ৰ'ব নোৱাৰিলোঁ। তহঁত দেশৰ শত্ৰু, জাতিৰ শত্ৰু বুলি চিঞৰি আছোঁ, চিঞৰি আছোঁ, এনেতে মাৰে মোক জগাই দিলে।" সপোনটি শুনি গোবিন্দই আত্মসন্তুষ্টি লাভ কৰিলে। বাস্তৱত নহ'লেও সপোনতে আজি শত্ৰু-মিত্ৰ চিনি পালে। আৰু যিহেতু সপোনটি পুৱতি নিশাৰ সপোন আৰু তেনে সময়ত দেখা সপোন পিতাই বিশ্বাস কৰে, কিছু হ'লেও পিতাইৰ এতিয়া মনৰ পৰিৱৰ্তন হ'ব। যশোদায়ো আজি গিৰিয়েকৰ সপোনৰ ব্যাখ্যা শুনি বিৰক্তি পোৱা নাই। তেওঁ পুতেকক সুধিলে— "আজি গধূলি তোৰ বন্ধুবোৰ আমাৰ ঘৰলৈ আহিবনে?" গোবিন্দই সহজভাৱে উত্তৰ দিলে— "আহিব, সিহঁত দেখোন সদায়েই আহে।" কিছু সময় নীৰৱ হৈ থাকি হেমধৰে পিতাকৰ দিনৰ চাৰিফুট দীঘল তৰোৱালখন উলিয়াই আনি পুতেকক ক'লে— "এইখন শান দিবি। তোৰ নাম গোবিন্দ, শ্ৰীকৃষ্ণৰ আন এটা নাম গোবিন্দ। কৃষ্ণই যেনেকৈ সুদৰ্শন চক্ৰৰে শত্ৰুক বিনাশ কৰিছিল, মই জানো তহঁতে তাৰেই আখৰা কৰ। মই বুজিছোঁ, বিষ্ণু ৰাভাৰ পথেই সঠিক। তহঁতেও এই সুদৰ্শন চক্ৰৰে শত্ৰুক বিনাশ কৰিবি—ময়ো তহঁতৰ এই যাত্ৰাৰ সহযাত্ৰী হ'ম।" পিতাকৰ কথাত গোবিন্দৰ মন-প্ৰাণ ভৰি গ'ল। গোবিন্দই জানে যে, শেষ বিচাৰত ৰাইজে যেতিয়া কথাবোৰ বুজি উঠিব, তেতিয়া গোটেই দেশত প্ৰচণ্ড ধুমুহা বলিব আৰু সেই ধুমুহাক বাধা দিয়া শক্তি কাৰোৱেই নাথাকিব। আৰু এতিয়া সেই সময় সমাগত। বেলেগ নহ'লেও এই পুৱতি নিশাৰ সপোনটিয়ে পিতাকৰ মনৰ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। গোবিন্দহঁতে আশা কৰে— পিতাকৰ এই পুৱতি নিশাৰ সপোনটি এবাৰ সকলোৱে দেখক। ■

# খিৰিকী

■ **ৰশ্মিনাৰা বেগম**
স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ



সি হাতৰ ঘড়ীটোৰ ফালে চালে— বহুখিনি সময় হ'ল। মেকানিকজনে গাড়ীখনৰ ইটো-সিটো খুলি-মেলি চাই আছে। এই মুহূৰ্তত মেকানিকজনৰ মুখৰপৰা সি এটা কথাই শুনিব বিচাৰে— "ৰ'ব, আৰু পাঁচ মিনিট লাগিব।"

দূৰৈৰপৰাই প্ৰেৰণাই তালৈ লক্ষ্য কৰি আছে। তাই মাজে মাজে এনেকৈ চায় কামৰ মাজেৰে। তাইৰ ভাল লাগে, যেন কিবা এক নিৰাপত্তা বিচাৰি পায় তাই তাৰ মুখখনত। এনেকৈয়ে থৰ লাগি থাকোঁতে সি কেতিয়া তাইৰ ওচৰ পালে, তাই গমেই নাপালে। সি ভোৰভোৰাই আছিল— "গাড়ীখন আজিহে বেয়া হ'বলৈ পালে! এই মেট্ৰ'খনত গাড়ীৰ সামান্য পাৰ্টছ্ এটা নাথাকে!"

তাই আঁতি-গুৰি সকলো বুজি পালে। তাই হাঁহি দিলে আৰু ক'লে— "কি হ'ল?"

ঃ আজি গাড়ীখন ভাল নহয়, এদিন লাগিব ভাল হওঁতে।— সি ক'লে।

ঃ এতিয়া কি কৰিম?

ঃ ময়ো তাকে ভাবিছোঁ। —এইবুলি সি ইফালে-সিফালে চালে।

ঃ ব'লা, আমি আজি সেই ৰঙা-বগা বাছত যাওঁ। —তাই উৎসাহেৰে ক'লে।

ঃ ভালো লাগিব, পুৰণি দিনবোৰ মনত পৰিব। —তাই যেন কথাটোত জোৰ দি ক'লে।

সি মিচিকিয়াই হাঁহিলে আৰু মূৰ দুপিয়াই ক'লে—

ঃ তুমি অলপ ৰ'বা। মই গেৰেজৰ মানুহৰ লগত কথা পাতি আহোঁ।

এইবুলি সি খৰখেদাকৈ গ'ল। গাড়ীৰ কথা পাতি আহি সি চিধাই বাছ ষ্টপেজলৈ গ'ল। লগে লগে তায়ো। ASTCৰ বাছসমূহৰ সময়বোৰ এতিয়া দুয়োটাই পাহৰিছে। ওচৰৰে পাণ দোকানীজনক সুধি গম পালে যে, বাছ আহিবলৈ আৰু বেছি পৰ নাই।

এনেতে বাছ আহি ষ্টপেজ পালে। তাই দেখিলে— বাছত জিলিকি আছিল তাইৰ সপোনৰ ঠাইখনৰ নাম। তাইৰ এনে লাগিল— এইখন বাছ নহয়, যেন কিতাপৰ মাজত লুকাই সাঁচি ৰখা এখন চিঠিহে। আজি আকৌ পঢ়িবলৈ ওলাইছে হেঁপাহেৰে। ইতিমধ্যে সি বাছৰ ভিতৰলৈ গৈ ছিট বিচাৰি আছে আৰু তায়ো লগে লগে উঠি গ'ল ভিতৰলৈ।

ঃ মোক খিৰিকীৰ কাষৰ ছিটটো লাগিব। —তাই ক'লে।

এইখন জানো কেৰল খিৰিকী! জীৱনটো কেতিয়াবা ঘূৰি চাবলৈ এই খিৰিকীখন লাগে। পিচলৈ দৌৰি থকা গছবোৰৰ সৰা পাতবোৰ বুটলি চালে পোৱা যায় দুখ-সুখৰ হিচাপবোৰ।

এনেতে দুয়োহাতে মিঠাইৰ টোপোলা আৰু পানীৰ বটল লৈ সি তাইৰ কাষত বহিল। গাড়ী চলিবৰ সময় হৈছিল। ৰাতিপুৱা খৰখেদাকৈ ওলাই অহাৰ বাবে তাইৰ টোপনি টোপনি ভাব এটা লাগি আছিল। ব্যস্ততাৰ হেঁচাত কেতিয়াবা জীৱন হেৰাই যায়।

গাড়ীখন বেয়া হ'ল, গেৰেজত থাকিল; সি জিৰণি পালে। আমি মানুহ, মেচিন নহয়। জীৱন এনেকৈয়ে চলি থাকে গেৰেজ অবিহনে।

তাই তাৰ কান্ধত মূৰটো পেলাই দিলে। তাই নিৰাপদ, তাই সকলোৰে শেষত আশ্ৰয় ল'ব পৰা এক ভৰসা এই কান্ধখন। তাই বাছৰ গতিৰ লগে লগে যেন কথাবোৰলৈ ঘূৰি গ'ল।

ঘৰখনলৈ এক আনন্দ বোৱাই আনিছিল তাইৰ মেট্ৰিকৰ ৰিজাল্টে। ঘৰখন, ওচৰ-চুবুৰীয়া সকলো সুখী। এনেকৈয়ে এদিন তাই ওচৰৰে চহৰখনলৈ গ'ল হায়াৰ ছেকেণ্ডাৰী পঢ়িবলৈ। সময়বোৰ ভাল লাগিছিল তাইৰ। এক বুজাব নোৱাৰা অনুভৱে দোলা দি ৰাখে তাইক। তাৰ ফালে তাই ৰ লাগি চায় এক আলসুৱা হেঁপাহেৰে। ওখ-পাখ, চুটি দাড়ি ৰখা থিয় চুলিৰ ল'ৰাজনক তাই বাছলৈ বৈ থাকি সদায় লুকাই-চুৰকৈ চায়। এনেকৈয়ে তাইৰ ভাল লাগিবলৈ ধৰিলে দিনবোৰ। তাইৰ জোন যেন ঘূৰণীয়া মুখখনত থাকে এক পোহৰ, মুখত লাগি থাকে এটি মিঠা হাঁহি। তাই নিজকে বাৰে বাৰে চাই গানবোৰ গুণ্‌গুণাই থাকে।

কলেজলৈ যোৱাৰ আগত দহবাৰমান আইনাখন চাই বাছ ষ্টপেজলৈ যায় পাঁচ মিনিটমান আগতে। কথা এটাই— ল'ৰাজনক এবাৰ চাব লাগে। সি কিজানি এতিয়া আৰাধনা হোটেলৰ সন্মুখত থিয় হৈ চাহত চুমুক দিছে, এইবুলি তাই খৰখেদাকৈ যায়। এই কথাখিনি তাইৰ লগত একেলগে গাড়ী ৰখা আকাশেও নাজানে। আকাশ তাইৰ সৰুকালৰ বন্ধু। এটা চক্‌লেট, এপেকেট চিপচ্‌ ভগাই খোৱা সময়ৰে সি সংগী তাইৰ।

এজাক বতাহে তাইৰ চুলিখিনি আউলী-বাউলী কৰি দিলে। সি হাতেৰে চুলিখিনি গুচাই এবাৰ তাইৰ মুখখনলৈ চালে। এই মুখখনৰ পোহৰে তাক পোহৰাই ৰাখে। তাই সাৰ পায়ো চকু নেমেলিলে। তাই আকৌ পুৰণি কথাবোৰলৈ ঘূৰি গ'ল। কথাবোৰলৈ ঘূৰি গ'লে আউল লাগে তাইৰ। মৰীচিকা বিচাৰি বিচাৰি অসীমত হেৰাই থাকে তাই। তাই নিজকে নিজে দিগন্ত বুলি ল'লে 'অসীমত যাৰ হেৰাল সীমা'ৰ দৰে; যেন এই জনমৰ মৰীচিকা খেদি খেদি সিটো জনমত বিচাৰি পাম। কিমানবাৰ যে পঢ়িছে তাই এইখন....।

এদিন এনেকৈয়ে তাই হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ পিচত গুৱাহাটীৰ এখন ভাল মহাবিদ্যালয়লৈ পঢ়িবলৈ গ'ল। লগত আকাশো। নতুন আশা, নতুন সপোন। তাই লগ পালে এজাক নতুন পখীক। সকলোৰে মুখত নতুন উচ্ছ্বাস। তাই হোষ্টেল ল'লে। হোষ্টেলৰ আড্ডা, ক্লাছ, প্ৰেক্টিকেল— এনেকৈয়ে দিনবোৰ চলিবলৈ ধৰিলে। সকলোৰে তাইক আপোন কৰি ল'লে। যেন এখন নতুন ঘৰ। ইটোৰে সিটোৰ আপোন। এক এৰাব নোৱাৰা বান্ধোন। চাৰি মাহৰ পিচত হিয়াৰ বিয়া। হিয়া প্ৰেৰণাৰ জেঠীমাকৰ ছোৱালী। প্ৰেৰণাও বহুদিনৰ মূৰত ঘৰলৈ আহিছে। প্ৰেৰণা ঘৰলৈ অহা গম পাই হিয়াই তাইক সিহঁতৰ ঘৰলৈ মাতিছে। দুদিনমান ঘৰত থাকি প্ৰেৰণা হিয়াহঁতৰ ঘৰলৈ থকাকৈ গ'ল।

বহুদিনৰ মূৰত জেঠীমাকহঁতৰ ঘৰলৈ আহিছে। ঘৰখন তাইৰ দ্বিতীয় ঘৰ। তাইৰ আৰু হিয়াৰ মাজত বয়স কেতিয়াও নাহিলেই, বান্ধৱীৰ দৰে সিহঁত। হৃদয় জানো তাইৰ নিজৰ দাদাকতকৈ কম.... !

ঠিক আবেলি হওঁ হওঁ সময়তে তাই জেঠীমাকহঁতৰ ঘৰ পালে। হৃদয়ে তাইক আগবঢ়াই লৈ আনিলে। তাই উপস্থিত হোৱাৰ লগে লগে ঘৰখন উৎসৱমুখৰ যেন হৈ পৰিল।

হিয়া ঃ অ’ তই আহি পালি? আহ, হাত-মুখ ধুই ল, মই চাহ কৰোঁগৈ। — সেইবুলি তাই পাকঘৰলৈ গ’ল।

প্ৰেৰণা ইমান দিনৰ মূৰত আহিছে বাবে তাইক জেঠীমাকে সাৱটি ধৰি কপালত চুমা খালে। তায়ো জেঠীমাকক সাৱটি ধৰিলে। নিজৰ মাকৰ সকলো আদৰ তাই জেঠীমাকৰপৰাই পায়। মনতে ভাবিলে— ইমান আপোন মানুহ তাইৰ চাৰিওফালে!

এনেতে বাৰাণ্ডাৰপৰা কোনোবাই মাত লগালে—

ঃ হিয়া, অ’ হিয়া, আলহী আহিছে হেনো....!

হিয়া জঁাপ মাৰি উঠিল আৰু “ঋষি দা আহিছে চাগে” বুলি কৈ বাৰাণ্ডালৈ ওলাই গ’ল।

লগতে হৃদয়ে কৈ উঠিল—

ঃ ময়েই কৈছিলোঁ তাক প্ৰেৰণা আহিব বুলি।

ঃ ৰাতিলৈ চাগে’ আজি খানা ভালেই হ’ব। মই ঘৰলৈ উভতি নগৈ ইয়াত থাকি দিয়াটোৱে ভাল হ’ব। নে কি কোৱা হিয়া?

কথাখিনি ডাঙৰকৈ কৈ ঋষিয়ে বাৰাণ্ডাৰ চকীখনতে বহিল। ঋষি হৃদয়ৰ ভাল বন্ধু। প্ৰায়েই যায় সিহঁতৰ ঘৰলৈ।

হিয়া ঃ অ’ ঋষি দা, ক’ত বাহিৰত বহে! আহক ভিতৰলৈ’। আলহী আলহী বুলি কৈ আছে, আলহীৰ লগত চিনাকি নহয় নেকি?

ঋষি ঃ বাঃ! আলহীৰ ইমান লাজ নে লেবেল বাৰু? এবাৰো মূৰ তুলি চোৱা নাই?

এইবুলি কৈ সি হাঁহিব ধৰিলে। প্ৰেৰণাই ফোনটো চাই আছিল। তাই মূৰ তুলি ল’ৰাটোৰ ফালে চালে আৰু এয়া কি? তাইৰ বুকুখন ধপ্‌ধপাই গ’ল। তাই ঘূৰি গ’ল হায়াৰ ছেকেণ্ডাৰী পঢ়ি থকা দিনলৈ, সেই বাছ ষ্টপেজলৈ; য’ত তাই সদায় ৰ লাগি চাইছিল সেই ল’ৰাজনলৈ। মনত ভাহি আহিল এখন ধুনীয়া ছবি। যি ছবি তাই ভিৰৰ মাজত, বাছত সকলোতে বিচাৰি ফুৰে। তাই মনতে ভাবিলে— বাছ ষ্টপেজত তাই চাই থকা ল’ৰাজন; অ’ সেইজনেই এইজন ল’ৰা। এইজনেই ঋষি! তাই অলপ থৰ লাগিল।

ঋষি ঃ অ’ কি হ’ল তোমাৰ? থৰ লাগিলা যে....! —এইবুলি কৈ সি হাঁহিলে।

প্ৰেৰণা থত্‌মত্‌ খাই বাস্তৱলৈ ঘূৰি আহিল।

ঃ নাই নাই, একো হোৱা নাই— এইবুলি কৈ তাই উঠিল।

ঋষি ঃ (প্ৰেৰণাৰ ফালে চাই) ইমান আচৰিত হ’ব নালাগে। তোমাক যদিও মই আগতে দেখা নাই; কিন্তু ইহঁতৰ মুখত যিমান শুনিছোঁ, তুমি মোৰ বহু আগৰেই চিনাকি হৈ পৰিছা।

এনেকৈয়ে আড্ডা চলি গ’ল সিহঁতৰ। সকলোৱে মুখৰ হাঁহিৰ পোহৰে গধূলিটো পোহৰাই তুলিলে। প্ৰেৰণাই ঋষিৰ ফালে লুকাই লুকাই চাইছে। তাইৰ পৃথিৱী বৈ যায় তাৰ মুখখনত।

ঋষি যাবলৈ ওলাল।

“প্ৰেৰণাই ফোনটো চাই আছিল। তাই মূৰ তুলি ল’ৰাটোৰ ফালে চালে আৰু এয়া কি? তাইৰ বুকুখন ধপ্‌ধপাই গ’ল। তাই ঘূৰি গ’ল হায়াৰ ছেকেণ্ডাৰী পঢ়ি থকা দিনলৈ, সেই বাছ ষ্টপেজলৈ; য’ত তাই সদায় ৰ লাগি চাইছিল সেই ল’ৰাজনলৈ। মনত ভাহি আহিল এখন ধুনীয়া ছবি। যি ছবি তাই ভিৰৰ মাজত, বাছত সকলোতে বিচাৰি ফুৰে। তাই মনতে ভাবিলে— বাছ ষ্টপেজত তাই চাই থকা ল’ৰাজন; অ’ সেইজনেই এইজন ল’ৰা। এইজনেই ঋষি! তাই অলপ থৰ লাগিল।”

ঃ ৰ’ব, ভাত খাই যাব— বুলি হিয়াই জোৰ কৰিলে।

ঃ মই ভাত নাখাওঁদে, এনেয়ে কৈছিলোঁ। আলহীকে খুৱাবি ভালকৈ। এতিয়া মই যাওঁ। —ঋষিয়ে ক’লে।

সি লগতে প্ৰেৰণালৈ চাই ক’লে—

ঃ বেয়া নোপোৱা যদি তোমাৰ নম্বৰটো দিবা নেকি?

হিয়াই এটা দুষ্ট হাঁহি মাৰি ক’লে—

ঃ কিয়, কি কৰিব তাইৰ নম্বৰ?

প্ৰেৰণা ঃ একো নাই, লওক।

তাই ঘৰলৈ উভতি আহি হোষ্টেললৈ গ’ল। নিয়মমাফিক কামেৰে দিনবোৰ পাৰ হৈ আছে। তথাপিও তাইৰ মনটো দোলা দি থাকে। ম’বাইলটো ঘনে ঘনে চায় তাই।

হোষ্টেলৰ প্ৰাচীৰ পত্ৰিকাৰ আলোচনা চলি আছে তাইৰ ৰুমতে। পাঁচজনীমান ছোৱালীৰ কথাৰে আড্ডা জমি উঠিল। কথা গৈ গৈ চিনেমা পালেগৈ। সকলোৰেই একেই মন, সকলোৰে একেই কথা— জীৱনটো চিনেমাৰ দৰে হওক। ‘ইয়ে জৱানী হ্যে দিৱানী’ৰ নেইনা আৰু বন্তিৰ দৰে হওক। তেনেতে ডাইনিং হলৰ বেল বাজিল। সকলোৱে লৰালৰিকৈ গ’ল ডাইনিং হললৈ। তাই ঘূৰি আহি দেখিলে— ম’বাইলত এটা মিছকল আৰু এটা মেছেজ— ‘ফোন কৰিবা’। তাই চিধাই ফোন লগালে। সেইফালৰপৰা মাতটো শুনিলে—

যিটো মাত শুনাৰ বাবে তাই ব্যাকুল হৈ আছিল।

ফোনত সেয়া ঋষিৰ মাত। কথাবোৰ আগবাঢ়িল তেনেকৈ। কথাবোৰ চলি থাকিল। ৰাতিপুৱা গুড্ মৰ্ণিঙৰপৰা ৰাতি গুড্ নাইটলৈকে। সিহঁতে মাজে মাজে কথা পাতে। এনেকৈয়ে এদিন সি তাইক জীৱনৰ বাটছোৰাৰ লগৰী কৰিব খোজে বুলি ক'লে। সিহঁত এক সম্পৰ্কৰ এনাজৰীলৈ আহিল। সময়বোৰ তাইৰ ভাল লগা হ'ল। আহিবলগা সময়বোৰ তাই সপোন হিচাপে সাঁচি থৈ গ'ল।

ঋষি ঃ অ' প্ৰেৰণা, কেতিয়া আহিবা তুমি ইয়ালৈ, হিয়াৰ বিয়াখন পালেহিয়ে দেখোন?

প্ৰেৰণা ঃ অ' তাকেইতো। বিয়াৰ দুদিন আগতে যাম দিয়া।

ঋষি ঃ আহিলে মোক ফোন কৰিবা, মই লগ কৰিম।

প্ৰেৰণা ঃ লগ কৰিম; কিন্তু মনত ৰাখিবা, কোনোৱে যাতে গম নাপায় আমাৰ এই সম্পৰ্কৰ কথা। সঠিক সময়ত আমি ঘৰত একেলগে ক'ম।

তাই 'Bye' বুলি ফোনটো থ'লে।

হিয়াৰ বিয়া বুলি প্ৰেৰণা দুদিন আগতে আহি উপস্থিত হ'ল। বহুত ফুৰ্তিত বিয়া পাৰো হৈ গ'ল। তাই ঋষিক লগো কৰিলে। ঘৰখন খালী খালী। সকলোৰে মনবোৰ সেমেকা, হিয়াৰ অভাৱ সকলোৱে অনুভৱ কৰিছে। তাই ঘৰখন উজলাই ৰাখিছিল জোনটোৰ দৰে।

প্ৰেৰণা যাবলৈ ওলাল। তাই জেঠীমাকৰ ওচৰলৈ গ'ল। তাই জেঠীমাকক সাৱটি ধৰি ক'লে—

ঃ মই আছোঁ নহয় জেঠীমা, মই আহি থাকিমদে। —এইবুলি কৈ তাই পিচফালৰ বাৰাণ্ডাত বহি থকা ঋষিক মাত দিবলৈ গ'ল। তেতিয়া ঋষিয়ে নয়নৰ লগত কথা পাতি আছিল।

নয়ন ঃ মই তোক বিয়াৰ দিনা প্ৰেৰণাৰ লগত কথা পতা দেখিছোঁ। কিবা চলি আছে নেকি দুয়োৰে?

ঋষি ঃ অ', তই দেখিলি তাৰমানে? আচলতে কি জান বন্ধু, মানুহে যিবিলাক ছোৱালীক শান্ত, ভদ্ৰ, নম্ৰ বুলি কয় নহয়, সেইবোৰক জালত ফচোৱাৰ মজাই বেলেগ...। এনেয়েতো ধুনীয়া ছোৱালী বহুত আছে, সকলোৰেতো গুণ নাগায় মানুহে। তই জানই দেখোন, মই কাকো Seriously ভাল নাপাওঁ। এই ভালপোৱাৰ খেলখনত মই শচীন তেণ্ডুলকাৰ।— এইবুলি কৈ দুয়ো জোৰে জোৰে হাঁহিব ধৰিলে।

দুৱাৰৰ পৰ্দাখনৰ আঁৰত মাত দিবলৈ আহি তাই ৰৈ গ'ল। তাৰ হাঁহিটো কিবা বিছাই ডকাৰ দৰে লাগিল তাইৰ। তাই চকুপানীখিনি মচি ঋষিৰ ওচৰলৈ গ'ল। তাই তাৰ সন্মুখত আহি জোৰকৈ এটা চৰ শোধালে আৰু তাক Good Bye বুলি কৈ গুচি আহিল।

ঃ মৰম উঠা, জেঠীমাহঁতৰ ঘৰ পামেই আৰু বেছি সময় নাই— আকাশৰ মাতত প্ৰেৰণা সাৰ পালে।

বহু বছৰৰ মূৰত প্ৰেৰণা তাইৰ জেঠীমাকৰ ঘৰলৈ আহিছে। আকাশ আৰু প্ৰেৰণাৰ বিয়াও হ'ল। প্ৰেৰণাৰ আকাশ...। তাইৰ যেন তাৰ কান্ধখনত আৰু অলপ সময় শুবলৈ মন গ'ল। সি তাইৰ হাতখনত ধৰিলে। কি এক উত্তাপ! দুখন হাতৰ তলুৱাৰ উত্তাপত আজি এই পৃথিৱী সুখী।

প্ৰেৰণা আৰু আকাশ আজি একেখন কলেজৰ প্ৰফেচাৰ। আকাশে জানো কম ভাল পায় তাইক! বন্ধুত্ব হেৰুওৱাৰ ভয়ত সি মনতে ৰাখিছিল তাৰ সাঁচি ৰখা বিন্দু বিন্দু ভালপোৱাবোৰ। দুয়োৰে এখন সুখৰ পৃথিৱী। কথাবোৰ ভাবিলে তাইৰ সপোন সপোন যেন লাগে। তাই শেষবাৰৰ বাবে খিৰিকীৰে বাহিৰৰ আকাশখনলৈ চালে— কি এক অপূৰ্ব হেঙুলীয়া পোহৰৰ বিচ্ছুৰণ! তাইৰো আছে এবুকু পোহৰেৰে আৱৰি থকা এখন আকাশ।

গাড়ীৰপৰা নমাৰ লগে লগে তাইক এছাটি আঘোণী বতাহে চুই গ'ল। বহুদিনৰ মূৰত কেঁচা ধানৰ ফুৰ্‌ফুৰীয়া গোন্ধটো আহি নাকত লাগিল। ধাননি পথাৰখনত এমোকোৰা হেঙুলীয়া সানি ঘৰমুৱা বেলি।

আকাশখনলৈ তাই আকৌ এবাৰ চালে; চকু মুদি কিবা এটা ভাবিলে, কিবা গুণ্‌গুণালে—

"আকাশে দিয়া ৰ'দৰে চিঠি
মাটিয়ে জানো ল'লে সাৱটি.....
বতাহৰ সুহুৰি ওঁঠতে তুলি
কলিজাৰ ধাননি নাচে হাউলি।" ■

# প্ৰাপ্তিৰ চকুলো



■ মুনিন্দ্ৰ কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক, কলা শাখা

হেংগেলডালত মূৰটো গুজি বাবুলাল কিবা চিন্তাত মগ্ন হৈ আছে। চিন্তা মানে একেবাৰে চিল্‌মিল্‌কৈ টোপনিয়েই আহিছিল।

ঃ ঐ ৰিক্সা, গণেশগুৰি যাবা নেকি?

হঠাতে কাৰোবাৰ মাতত উচপ্ খাই উঠিল সি।

ঃ অ' দাদা যাম, উঠক।

আগ্ৰহেৰে গ্ৰাহকজনক উঠিবলৈ হাতেৰে দেখুৱাই দিলে।

ঃ কিমান ল'বা?

ঃ দাদা ৩০ টকা।

ঃ ইমান দাম কিয়? ২৫ টকা ল'বা।

ঃ হ'ব ব'লক— বুলি সি ৰিক্সাখনত উঠি পেডেল দুপাট ঘূৰাব খুজিলে। ৰিক্সাখন গণেশগুৰিৰ ফালে পোনাই পেডেল মাৰিবলৈ ধৰিলে।

ঃ দাদা, কোনখিনিত নামিব?— আগ্ৰহেৰে সি গ্ৰাহকজনক সুধিলে।

ঃ অ'ভাৰ ব্ৰীজখনৰ সিটো মূৰে ৰখাই দিলেই হ'ব।

ৰিক্সাখন চলাই সি গন্তব্য স্থান পালেহি।

ঃ হ'ব! এইখিনিতে ৰখাই দিলেই হ'ব। —গ্ৰাহকজনে ৰিক্সাখন ৰখোৱাৰ ইংগিত দি ক'লে।

বাবুলালে গ্ৰাহকজনক নমাই ২৫ টকা হিচাপ কৰি জেপত ভৰাই থ'লে। ভাবিলে— এনেয়েচোন দিনত ২০-২৫ টকা য'তে-ত'তে খৰচ কৰে, পিচে আমাৰ দৰে দুখীয়া মানুহে ভাড়া ৩০ টকা খোজোঁতে বেছি বুলি ক'লে!

বাবুলাল এজন সহজ-সৰল আদহীয়া মানুহ, বয়স ৫০-৫৫ বছৰমান হ'ব। চুলি-দাড়িকেইডাল তেনেই পকিছে। তেওঁৰ আচল ঘৰ বিহাৰত। সৰুতেই দেউতাকৰ লগত অসমলৈ আহিছিল আৰু ইয়াতেই এতিয়া সম্পূৰ্ণ অসমীয়া যেন হৈ পৰিল। প্ৰথমে কোনোবা এখন মাৰোৱাৰী দোকানত কাম কৰিছিল আৰু এতিয়া ৰিক্সাখন ভাড়া লৈ চলায়। দিনটোত ৫০ টকা মালিকক দিব লাগে। যিকেইটা বাছে, তাৰেই তেওঁ সংসাৰ চলায়। সংসাৰ বুলিবলৈ পৰিবাৰ আৰু ল'ৰা-ছোৱালী তিনিটা। তেওঁৰে ডাঙৰটো ল'ৰা অজয়ে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। দুখ-কষ্টৰ মাজতো তেওঁ ল'ৰা-ছোৱালী তিনিটাক স্কুলত পঢ়াইছে। অজয় পঢ়াত ভাল। স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰো আশা— সি ভাল ৰিজাল্ট কৰিব আৰু বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিব।

আনদিনাৰ দৰে বাবুলালে আজিও ৰিক্সাখন লৈ ওলাই গ'ল। ২-৩ ঘণ্টা সময় বোন্দাপৰ দিয়াৰ পিচতো এজনো গ্ৰাহক পোৱা



নাই। আগৰ দৰে আজিকালি ৰিক্সাত যোৰা মানুহ কম। বেছিভাগ মানুহৰে ব্যক্তিগত বাহন আছে। তদুপৰি চিটিবাছ, মেজিক, ই-ৰিক্সাবোৰৰ দপ্‌দপনিত ৰাস্তাত খোজকাঢ়ি যোৰা মানুহৰে অসুবিধা হয়। তথাপিও সি এজন গ্ৰাহকৰ আশাত ৰৈ আছে। ভাড়া নাপালেও সি গধূলি ৫০ টকা ৰিক্সাৰ মালিকক দিব লাগিব। তাতে ঘৰলৈও বজাৰ কৰি নিব লাগিব। সৰু ছোৱালীজনীয়ে সদায় দেউতাক যোৱালৈ বাট চাই থাকে। বাবুলালেও তাইলৈ দামী চকলেট নিব নোৱাৰিলেও টফী এটা লৈ যায়।

তাৰ অলেখ-অযুত সপোন। তাৰ সন্তানকেইটা ডাঙৰ হৈ ভাল মানুহ হ'ব আৰু তেতিয়া সি এই ৰিক্সাখন চলাব নালাগে। সেই সপোনকে পূৰণ কৰিবলৈ সি ৰাতিয়ে-দিনে ৰিক্সা চলাই মূৰৰ ঘাম মাটিত পেলাই টকা ঘটে; যাতে সিহঁতৰ পঢ়া-শুনাত কোনো প্ৰভাৱ নপৰে। যাৱতীয় সকলোবোৰ সি পাৰ্যমানে সন্তানকেইটাক দিবলৈ প্ৰয়াস কৰিছে। এইবোৰ ভাবি থাকোঁতে এজন গ্ৰাহকে মাত দিলে—

ঃ দাদা, ক'ত যাব?— সি বৰ নম্ৰভাৱে সুধিলে।

ঃ ককাই, ভৰলুমুখলৈ যাম। কিমান ভাড়া ল'ব?

ঃ দাদা ৫০ টকা।

ঃ হ'ব ব'লক— গ্ৰাহকজন যাবলৈ মান্তি হ'ল আৰু ৰিক্সাত উঠিল।

বাবুলালে বৰ আনন্দ পালে। গ্ৰাহজনৰ আচাৰ-ব্যৱহাৰত সি নথৈ সুখী, নহ'লেতো সকলোৱে 'ঐ ৰিক্সা' বুলিহে মাতে।

ঃ দাদা পালেহি, নামক।

পইচাকেইটা হিচাপ কৰি জেপত ভৰাই তাৰ হঠাতে মনত পৰিল— আজিচোন অজয়ৰ ৰিজাল্ট দিব। কথাটো মনত পৰা লগে লগেই সি অকণো পলম নকৰি ঘৰলৈ অগ্ৰসৰ হ'ল।

ঘৰৰ সন্মুখত ৰিক্সাখন ৰখাই সি আচৰিত হ'ল— বহুত মানুহেৰে সিহঁতৰ ঘৰখন ভৰি আছে। এখোজ-দুখোজকৈ নঙলাডাল খুলি ঘৰৰ ভিতৰলৈ সোমাই গ'ল সি। তাক দেখাৰ লগে লগে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আগবাঢ়ি আহিল আৰু ক'বলৈ ধৰিলে—

ঃ বাবুলাল, অজয়ে মেট্ৰিকত ছয়টা বিষয়ত লেটাৰ মাৰ্কসহ বিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থানত উত্তীৰ্ণ হৈছে। তাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ, লগতে তোমাকো শুভ-কামনা জনালোঁ।

কথাকেইযাৰ শুনাৰ লগে লগে বাবুলালৰ দুচকুৰেদি দুধাৰি অশ্ৰু বৈ আহিল। আজিহে যেন সি সকলোখিনি পালে। চকুলো মচি সি ভিতৰলৈ সোমাই গ'ল। এয়া যে আনন্দৰ চকুলো। প্ৰাপ্তিৰ চকুলো। ■



# অচিনাকিৰ ঠিকনা বিচাৰি

■ **সীমাশ্ৰী শৰ্মা,** স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

অইনদিনাৰ সময়তে তাই আজিও ৰাতিপুৱা টোপনিৰপৰা সাৰ পালে। মাঘৰ মাহ। ঠাণ্ডা অলপ বেছি হোৱাটোৰেই স্বাভাৱিক। সাৰ পাই তাই কিছুপৰ বিছনাতে থাকি উঠিবলৈ এলাহ কৰিলে যদিও ঠাণ্ডা বুলি শুই থাকিলেতো নহ'ব! সেইফালে আৰু অফিচলৈ যাবলৈ তাইৰ পলম হ'ব? এইবুলি তাই বিছনাখনৰপৰা নামি আহিল আৰু দৈনন্দিন কাৰ্যখিনি শেষ কৰি ৯ বজাত অফিচলৈ বুলি ওলাল। তাইৰ পিচে আজি অফিচ গৈ পোৱাত অলপ পলমেই হ'ল। অফিচত সোমাই দেখে যে, বাকীবোৰে নিজৰ নিজৰ কামত ধৰিছে। তাই গৈ পোৱাৰ লগে লগে ৰমেশে মাত লগালে—

ঃ জুৰি, তোৰ হ'বলা আজি পলম হ'ল!

তাই ক'লে—

ঃ অ' ৰমেশ দাদা, কিনো ক'বা! এই গুৱাহাটীখনত অফিচত অহা সময়খিনিত ৰে'লগাড়ীৰ দৰে দীঘলীয়া জামটো থাকেইচোন। তেনেকৈয়ে আহোঁতে পলম হ'ল দিয়া।

ৰমেশে ক'লে—

ঃ হয় দে! এই জামটো সদায় থাকিবই মানে, বাৰু এতিয়া কামত লাগ।

তাৰ পিচত এনেকৈয়ে তাই কামত ব্যস্ত হৈ পৰিল। এনেদৰে কামৰ ব্যস্ততাৰ মাজতে ৰমেশ, হীৰা, পৱন, জুৰিহঁতে এষাৰ-দুষাৰ মাজে মাজে কথা-বতৰা কৈ থাকোঁতে সিহঁতৰ টিফিন খোৱাৰ সময় হ'ল। জুৰিয়ে আজি টিফিন অনা নাছিলে বাবে অফিচৰ কাষতে থকা ৰেষ্টুৰেণ্ট এখনত খাবলৈ যাব ওলাল। তেতিয়া পৱন, হীৰা, ৰমেশহঁতে ক'লে—

ঃ আজি আমিও টিফিন অনা নাই নহয়। ব'লা নহ'লে আজি গোটেইকেইটাই একেলগে খাওঁগৈ। বহুদিনেই হ'ল ৰেষ্টুৰেণ্টত একো খোৱা নাই।

তেতিয়া জুৰিয়ে ক'লে—

ঃ ভালেই হ'ল নহ'লে, আজি একেলগে খাব পাৰিম। ব'ল ব'ল যাওঁ।

আটাইকেইটাই ৰেষ্টুৰেণ্টখনত গৈ বহিল আৰু কি খাব আলোচনা কৰি চাৰিপ্লেট চিকেন বিৰিয়ানী অৰ্ডাৰ দিলে। যিহেতু অৰ্ডাৰ এইমাত্ৰ দিছে, বনাবলৈ অলপ সময় লাগিব, সেয়েহে সিহঁতে কথা পাতিবলৈ আৰম্ভ কৰি দিলে। ৰমেশে খুব কথা কয়। সিয়ে কথাৰ আৰম্ভণি কৰি

দিলে। গোটেইকেইটাই হাঁহি হাঁহি কথা পতাত লাগি গ'ল। ৰমেশে পিচে ব্যস্ততাৰ মাজতো সময় উলিয়াই দুই-এটা কবিতা, গল্প লিখে। সিহঁতৰ কথাৰ মাজতে ৰমেশে কবিতা আবৃত্তিও কৰিলে। সিহঁতৰ আড্ডা বেছ জমি উঠিল। এনেতে সিহঁতে অৰ্ডাৰ কৰা চিকেন বিৰিয়ানী আহি টেবুল পালে আৰু খাবলৈ বুলি লওঁতেই সিহঁতে কাম কৰা অফিচৰ কাষতে থকা কলেজখনত অধ্যাপনা কৰি থকা কমল আহি সিহঁতৰ কাষত থিয় দিলে। কমলৰ লগত আন এজন ব্যক্তিও আহিছিল। কমলৰ লগত জুৰিহঁত আগৰেপৰা পৰিচিত। ৰেষ্টুৰেণ্টতে কেতিয়াবা একেলগে খায়, মাজে-সময়ে লগ পালে কমলৰ সৈতে কথা-বতৰাও পাতে। সেইদিনা কমলেও খাবলৈ আহি জুৰিহঁতক দেখা পাই সিহঁতৰ লগতে চকী দুখন টানি লৈ দুয়ো বহিলে। পৰনে ক'লে—

ঃ কমল, তই পলম কৰিলি নহয়, আমি অৰ্ডাৰ কৰি এতিয়া খাবও আৰম্ভ কৰিলোঁ।

কমলেও হাঁহি হাঁহি ক'লে—

ঃ একো নহয় দে, তহঁতে খাচোন, আমাৰ বাবে চাহ দুকাপ অৰ্ডাৰ দিওঁ মই।

কমলে চাহ দুকাপ অৰ্ডাৰ দি সিহঁতৰ লগত কথাত যোগ দিলে। কিন্তু কমলে সিহঁতৰ লগত কথাত ইমানে মচগুল হ'ল যে, তাৰ লগত অহা ব্যক্তিজনক ৰমেশহঁতৰ লগত চিনাকি কৰি দিবলৈ পাহৰিয়ে থাকিল। তেওঁ পিচে একো কথা পতা নাছিল যদিও সিহঁতৰ কথা শুনি আছিল। জুৰিহঁতেও কিন্তু এবাৰো সোধা নাছিল— কমলৰ লগত অহা ব্যক্তিজন কোন? এনেতে কমলহঁতৰ চাহ দুকাপ আহি পালে। কমলে লগত অহাজনক ক'লে—

ঃ ঐ, দুই পেকেট মিক্সাৰ আনগৈ। চাহৰ লগত আজি মিক্সাৰেই খাম।

লগৰজনে উঠি গৈ কাষৰে দোকানখনৰপৰা দহটকীয়া দুই পেকেট মিক্সাৰ আনিলে। ইহঁতকেইটাৰ লাহে লাহে খোৱা হোৱালৈ কমলহঁতৰ চাহ খোৱা হ'লেই। কমলে ক'লে—

ঃ দে, তহঁতে খা, নহ'লে আমি যাওঁ। আমাৰ আৰু ক্লাছ আছে নহয়।

কমলৰ লগৰজনে তেতিয়া মিচিকিয়া হাঁহি এটা মাৰি সিহঁতক মাত দিলে— যাওঁ দেই।

ইহঁতকেইটাৰো খোৱা-লোৱা হ'ল আৰু তেনেতে হীৰাই ক'লে—

ঃ কমলহঁতে মিক্সাৰৰ পেকেট এটা এৰি থৈ গ'লচোন!

লগে লগে ৰমেশে মাত দিলে—

ঃ সিহঁত গ'লৈইচোন, আমিয়ে ভগাই খাওঁ দে।

গোটেইকেইটা হাঁহি হাঁহি মিক্সাৰ পেকেট খাই ৰেষ্টুৰেণ্টৰপৰা ওলাই আহিল। ঘৰলৈ যোৱাৰ সময়লৈ আটায়ে আকৌ অফিচৰ কাম-কাজত ব্যস্ত হৈ পৰিল। অফিচ ছুটী হোৱাৰ পিচত জুৰিয়ে পিচে গাড়ীত আহোঁতে কমলৰ লগত অহা ব্যক্তিজনৰ কথা ভাবি আছিল। সিহঁতে এবাৰো নুসুধিলে কমলৰ লগত অহা ব্যক্তিজন কোন আছিল! জুৰিৰ এনেকুৱা লাগিছে যে, তাইৰ ফালে চাইহে যেন তেওঁ হাঁহিটি মাৰিছিল। অলপ সময়ৰ বাবে তাইৰ মুখতো এটা সুখৰ হাঁহি দেখা গ'ল। এনেকৈয়ে ভাবি-চিন্তি থাকোঁতে জুৰি ঘৰ আহি পালেহি। জুৰিয়ে মনটো আজি স্থিৰ কৰিব পৰা নাই। বাৰে বাৰে তাইৰ মনলৈ সেই অচিনাকিজনৰ মুখখন আহি আছে। অৱশেষত তাই মূৰটো গাৰুটোত গুজি লৈ শুই থাকিল।

এনেকৈয়ে কেইবাদিনো পাৰ হোৱাৰ পিচত এদিন গধূলি জুৰিয়ে বজাৰলৈ যাওঁতে সেইদিনা ৰেষ্টুৰেণ্টত দেখা কমলৰ লগত অহা ব্যক্তিজনক দূৰৈৰপৰাই দেখিলে। তেওঁক দেখাৰ লগে লগে তাইৰ এনেকুৱা লাগিল যেন দৌৰ মাৰি গৈ তেওঁৰ কাষত থিয় হ'ব আৰু তেওঁৰ লগত অলপ কথা পাতিব! অলপ সময়ৰ বাবে তাই থৰ লাগি থাকোঁতে কেতিয়া তেওঁ বজাৰ কৰি গ'ল ধৰিবকে নোৱাৰিলে। তাই চাৰিওফালে চালে যদিও তেওঁক ক'তো নেদেখিলে। জুৰিয়েও লাগতিয়াল সামগ্ৰীখিনি কিনি সোনকালে ঘৰলৈ উভতি আহিল। সেইদিনাও তাই ৰাতি আকৌ অচিনাকিজনৰ কথা ভাবি অস্থিৰ হৈ পৰিছে। এনেকৈয়ে সময়বোৰ গৈ আছে আৰু দৈনন্দিন কামবোৰো চলি আছে। প্ৰায় এমাহ পাৰ হৈ গ'ল আৰু জুৰিয়েও কমলৰ লগত দেখা ল'ৰাজনক নেদেখিলে।

এতিয়া পিচে ঠাণ্ডাটো লাহে লাহে কমিছে। ফাগুনৰ মাহ পৰিছে। গছ-গছনিয়ে এতিয়া ৰূপ সলাইছে। পাতবোৰ ৰঙা হৈ উঠিছে। পলাশে তাৰ শোভা বৰ্ধন কৰিছে। গোটেই প্ৰকৃতিখন যেন এক নতুন ৰূপত দেখা গৈছে। ফাগুন মাহটো জুৰিৰ অতি প্ৰিয়। ফাগুনৰ বতাহজাকে যেন জুৰিক এক ক'ব নোৱাৰা তৃপ্তি দিয়ে। জুৰিয়ে অইনদিনাৰ দৰে আজিও অফিচলৈ বুলি ওলাই আহি গাড়ীত গৈ থকা সময়খিনি প্ৰকৃতিৰ মনোমোহা ৰূপ উপভোগ কৰি গ'ল। ফাগুনৰ বতাহজাকে তাইৰ খোলা চুলিখিনিৰ লগত যেন ধেমালি কৰিছে। এনেতে তাই হঠাৎ খিৰিকীৰে কমলৰ লগত অহা ল'ৰাজনক দেখিবলৈ পালে। ল'ৰাজনেও জুৰিক খিৰিকীৰে দেখি সি হাঁহি এটা মাৰি মূৰ দুপিয়ালে। গাড়ীখন তাৰ কাষেৰে পাৰ হৈ গ'ল আৰু জুৰিৰ মনত যেন ফাগুনৰ মতলীয়া বতাহজাকে বাৰুকৈয়ে ক্ৰিয়া কৰিলে। অফিচত আহি তাই কামবোৰ কৰিছে যদিও নানা চিন্তাই তাইৰ মনটো ফাগুনৰ বতাহজাকৰ দৰে উৰি ফুৰিছে। তাই এক গভীৰ চিন্তাৰ মাজত সোমাই পৰিছে— কিয় যে তাই সেই ল'ৰাজনৰ প্ৰতি ইমান আকৃষ্ট হৈছে? তাই ল'ৰাজনৰ প্ৰেমত পৰা নাইতো! সেই ল'ৰাজনৰো বাৰু একে অৱস্থাই হৈছে নেকি তাইৰ দৰে? নানাবিধ প্ৰশ্ন তাইৰ মনলৈ আহিছে; কিন্তু পিচ মুহূৰ্ততে তাই আত্মবিশ্লেষণ কৰি নিজকে শান্ত্বনা দিছে— পুৰুষৰ মন নাৰীৰ প্ৰতি বা নাৰীৰ মন পুৰুষৰ প্ৰতি আকৰ্ষিত হ'ব পাৰে। ই প্ৰকৃতিৰ এক স্বাভাৱিক নিয়ম। নাই নাই, তাই প্ৰেমত পৰা নাই। পিচে তাইৰ সেই ব্যক্তিজনক জনাৰ বাবে কৌতূহল এতিয়াও শেষ হোৱা নাই। সেই ব্যক্তিজনৰ মুখখনত যেন তাই কিবা এটা বিচাৰি পাইছে। এইবাৰ যদি তাই সেই ব্যক্তিজনক লগ পায়, তাই নিজে মাত এষাৰ লগাব আৰু তেওঁৰ সৈতে পৰিচয় হ'ব। কিছুদিন পাচত হ'লেও তাই অচিনাকিৰ ঠিকনা বিচাৰিব। ■




# আশাৰ আকাশ

■ অঞ্জনা দাস
স্নাতক প্ৰথম ষাণ্মাসিক, কলা শাখা

সময়ৰ সোঁতত জীৱনৰ গতিৰ সলনি হয়তো বহুতৰে হৈছে। তিতা-মিঠা অভিজ্ঞতাৰে জীৱন সম্পূৰ্ণ হয়। তিক্ত সময়ে যেনেকৈ সাহসী হ'বলৈ শিকায়, ঠিক তেনেদৰে মিঠা সময়বোৰো হৃদয়ৰ কোঠাত সজীৱ হৈ থাকে ৰাতিপুৱাৰ সতেজ ফুলবোৰৰ দৰে।

ৰাতিপুৱাৰ ৰঙা বেলিটোৰ সৈতে আকাশখনে এক নতুন দিনৰ আৰম্ভ কৰিছে— পখীৰ কোলাহল, গছ-গছনিৰ ৰিব্ ৰিব্ বতাহজাক আৰু বাৰাণ্ডাত থকা সেই পুৰণা চকীখন।

এবছৰ আগলৈকে সেই চকীখনতে বহি আকাশে প্ৰস্তুত কৰিছিল বাতৰিৰ প্ৰতিবেদন। মনপুৰ গাঁৱৰ লগতে বৃহত্তৰ কমলপুৰ জিলাৰ সামাজিক সমস্যাবোৰক প্ৰচাৰ কৰিছিল বাতৰিৰ শিৰোনাম হিচাপে। জন্মৰপৰা জীৱনৰ ৩৫টা বছৰ এই গাঁওখনতে কটাই আকাশে বুজিছিল— গাঁওখনৰ সৈতে থকা তাৰ এক গভীৰ সম্পৰ্ক, নিজৰ ঠাইখনৰ প্ৰতি থকা তাৰ অফুৰন্ত ভালপোৱা।

আকাশ নামটোৰ দৰে তাৰ ব্যক্তিত্বও আছিল বিশাল, গভীৰ অনুকম্পা নিজৰ মাতৃভূমিৰ প্ৰতি।

যৌৱনৰ দুপৰীয়াত আকাশৰ জীৱনলৈ আশাৰ আগমন ঘটিছিল অনাকাংক্ষিতভাৱে। আকাশ আৰু আশাৰ চিনাকি উচ্চতৰ মাধ্যমিকৰপৰাই; কিন্তু কোনোদিনেই কথা হোৱা নাছিল। দুয়োটাই পিচত একেলগে কলেজৰ একেটা বিষয়তে মেজৰ লৈ পঢ়িলে। লাহে লাহে দুয়োটাৰে মাজত বন্ধুত্ব হ'ল। আশাৰ নম্ৰতা, মেধাই আকাশক বাৰুকৈ আকৰ্ষিত কৰিছিল। দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে দুয়োৰে বন্ধুত্ব গভীৰ হৈ পৰিল। সমাজত চলি থকা ঘটনাবোৰ দুয়োটাই নিজস্ব দৃষ্টিভংগীৰে এটাই আনটোৰ আগত প্ৰকাশ কৰে। এনেদৰে তিনিটা বছৰ শেষ হোৱাৰ উপক্ৰম ঘটিল। দুয়োটাৰ সম্পৰ্ক বন্ধুত্বৰপৰা প্ৰেমলৈ যাত্ৰা কৰিলে।

আকাশে নিজৰ মনত থকা সকলোবোৰ কথা আশাৰ আগত প্ৰকাশ কৰিলে—

ঃ আশা, তোমাৰ নম্ৰতাই মোক তোমাৰ প্ৰতি আকৰ্ষিত কৰে। মই তোমাৰ সৈতে জীৱনৰ বাকী সময়ছোৱা কটাব বিচাৰোঁ। মোৰ ভৱিষ্যতটো তোমাৰ হাতত হাত থৈ পাৰ হ'ব বিচাৰোঁ। তুমি কি বিচৰা? তুমিও ভাবানে মোৰ দৰে?

মৌন হৈ থকা আশাই লাহেকৈ মূৰ দাঙি আকাশৰ চকুলৈ চাই উত্তৰ দিলে—

ঃ তোমাক যদি মই মোৰ হৃদয়ত ঠাই নিদিলোঁহেঁতেন, মই জানো তোমাৰ লগত অকলশৰে ইয়ালৈ আহিলোঁহেঁতেন?

আশাৰ প্ৰশ্নত আকাশে বিচাৰি পালে নিজৰ উত্তৰ। কৌতূহলপূৰ্ণ চকুযুৰি লাহে লাহে সুখৰ চকুপানীৰে উপচি পৰিছে। সপোনৰ নতুন আভা আকাশৰ মনত আশাৰ স্থান। সেই দিনটোৰপৰাই

দুয়ো দুয়োকে কেতিয়াও অকলশৰীয়া অনুভৱ হ'ব দিয়া নাই। কথাত মতানৈক্য হোৱাৰ বাবে কাজিয়া লাগে; কিন্তু সেই কাজিয়াৰ দৰে তাৰ চাপবোৰো তেনেই খন্তেকীয়।

ভালপোৱাত নিজকে উটি-ভাহি যাব দিয়া নাই; সমানে নিজৰ ভৱিষ্যতক লৈও দুয়োটাৰ পৰিকল্পনা। আকাশে সমাজৰ হকে কাম কৰাৰ ইচ্ছা মনত লৈ সাংবাদিক হিচাপে নিজক প্ৰতিষ্ঠিত কৰিলে। আশা শৈক্ষিক বিষয়া হিচাপে কৰ্মৰত।

সপোনবোৰে ৰং সলায়। গছৰ কুঁহিপাতে যেনেকৈ নতুনত্বৰ পৰিচয় দিয়ে, আকাশ আৰু আশাই হোমৰ গুৰিত বহি ঠিক তেনেদৰে জীৱনৰ নতুন দিশলৈ ঢাপলি মেলিলে। দুটা মন এক কৰি, দুখন ঘৰক আলিংগন কৰি আৰম্ভ হ'ল সিহঁতৰ যুগ্ম জীৱন।

এদিন-দুদিনকৈ কেনেকৈ এবছৰ পাৰ হ'ল গমেই নাপালে। এতিয়া আশা নহ'লে আকাশ আধৰুৱা। বুধবাৰে প্ৰায় ৰাতিপুৱা ৯-৩০ বজাত আশাৰ সংজ্ঞা ঘূৰি আহিছে। অচেতন হৈ দুদিন নাৰ্ছিংহোমৰ বিছনাত পৰি আছিল আশা। ওচৰত মাক-দেউতাক। চাৰিওফালে নীৰৱতা, মুখবোৰ ম্লান। চেতনা ঘূৰি অহাৰ পিচত তাই সুধিলে—

ঃ মা, আকাশ ক'ত আছে? মই বজাৰ কৰিবলৈহে গৈছিলোঁ।

নাই, উত্তৰ নাই কাৰো হাতত। মাকে মাথোঁ কান্দিছে। আশাই আকৌ চিঞৰিছে—

ঃ মা, আকাশ ক'ত?

মুখেৰে মাতিব পৰাৰ সাহস কাৰো নাই। কি বুলি মাকে তাইক উত্তৰ দিব! ভয়-সংকোচত আশাৰ মুখমণ্ডল কোঁচ খাই গৈছে।

লাহে লাহে তাইৰ সন্মুখত সকলো পৰিষ্কাৰ হৈ পৰিছে, নীৰৱতাৰ কাৰণ, মনত পৰিছে তাইৰ সকলো।

কেইবাদিনো ধৰি আকাশে ধাৰাবাহিকভাৱে বাতৰি পৰিৱেশন কৰিছিল অঞ্চলটোত ঘটি থকা দুৰ্নীতিৰ বিৰুদ্ধে, অবৈধ কয়লা খননৰ বিৰুদ্ধে।

ৰাইজৰ ধন আত্মসাৎ কৰি টকা খোৱা বিয়াগোম নেতা আৰু ব্যৱসায়ীবোৰৰ মূৰৰ কামোৰণি আকাশ। ৰাইজৰ উন্নতিৰ বাবে অহা টকাবোৰ কাৰ হাতলৈ গৈছিল?

দুৰ্লভ কয়লাৰ অবৈধ বেহাৰ ওপৰত কোন নেতাৰ আশীৰ্বাদ? ইত্যাদি প্ৰশ্নবোৰৰ উত্থাপনে হয়তো আকাশলৈ বিপদ মাতি আনিছে। ৰঙচুৱা সূৰ্যৰ প্ৰখৰ আভাই যেনেকৈ কাল অন্ধকাৰ আঁতৰাব পাৰে, ঠিক তেনেদৰে আকাশৰ প্ৰখৰ সত্যৰ পোহৰে আঁতৰাব বিচাৰিছিল শাসনৰ গাদীত নাম খোদিত কৰি, স্বেচ্ছাচাৰী হৈ পৰা সমাজত বগা পোছাক পিন্ধি ভদ্ৰতাৰ পৰিচয় দিয়া কিছুমান মানুহৰূপী দানৱৰ মুখ।

প্ৰকৃত সত্যনিষ্ঠ সাংবাদিক হিচাপে আকাশে সদায় সত্যক আধাৰ হিচাপে লৈ বাতৰি পৰিৱেশন কৰিছিল। আপোচবিহীন মনোভাৱৰ অধিকাৰী আকাশে হয়তো কেতিয়াও কল্পনা কৰা নাছিল জীৱনটো হেৰাব বুলি! কোনেনো বুজিব— বগা পোছাকধাৰী মানুহৰ দানৱী স্বৰূপ!

সিহঁতৰ ভয় আকাশলৈ, ভয় সিহঁতৰ মুখবোৰৰ প্ৰকৃত চিনাকী দিব বুলি জনমানসত। ক্ৰূৰতাৰে ভৰপূৰ, স্বাৰ্থান্বেষী মনবোৰ সমাজৰ আগত কৰা অভিনয়বোৰ। মাজে-সময়ে আকাশলৈ ফোন আহে, ভাবুকি আহে মৃত্যুৰ; কিন্তু তেওঁৰ কোনো ভ্ৰূক্ষেপ নাছিল এইবোৰলৈ; বৰঞ্চ পূৰ্বতকৈ প্ৰচণ্ড সাহসেৰে আগুৱাই গৈছিল সত্যক সাৰথি কৰি আশাক বুকুত বান্ধি।

আশাৰ ভয় হয়, মাজে মাজে আকাশক হেৰুৱাব বুলি; কিন্তু আকাশে তাইক অভয় দি শুনায়—

ঃ তুমি জানো নাজানা মই কেনেকুৱা! মই সত্য কথা প্ৰকাশ কৰিছোঁ, সিহঁতে মোক একো কৰিব নোৱাৰে, তুমি নিশ্চিন্ত হৈ থাকা। সেই মুখা পিন্ধা ভদ্ৰলোকৰ আগত আত্মসমৰ্পণ কৰাতকৈ মৃত্যুক আঁকোৱালি ল'বলৈ মই বেছি ভাল পাম।

আশা মৌন হৈ ৰয়। তাইৰ কোনো বুজনি সি নুশুনে। বিবাহৰ প্ৰথম বাৰ্ষিকীৰ দিনা দুয়োটা ওলাই গ'ল বজাৰলৈ। সকলো হৈ যোৱাৰ পিচত আশাক গাড়ীত বহিব দি আকাশে ৰাস্তাটোৰ সিটো মূৰত থিয় হৈ থকা নিজৰ বন্ধু এজনক মাত লগাব গ'ল।

কেঁচা ডক্‌ডকীয়া তেজবোৰে ৰাস্তাটো ৰাঙলী কৰি তুলিছে। প্ৰচণ্ড জোৰেৰে বালি ভৰ্তি ট্ৰাকখনে আকাশক খুন্দিয়াইছে। হুলস্থূল, চাৰিওফালে মানুহ। তেজেৰে লুতুৰি-পুতুৰি হৈ দূৰৈত আকাশৰ পাৰ্থিৱ শৰীৰ। আশাই দৌৰি আহি দেখে যে আকাশৰ উশাহ বন্ধ, হাতখনো চেঁচা পৰিছে। দুৰ্ভাৱনাত শেতা পৰি তাই অচেতন হৈ ঢলি পৰিছে। সংজ্ঞা ঘূৰাই পাই তাই নিজক দেখিছে হাস্পতালৰ বিছনাত। বুজিবলৈ তাইৰ বাকী নাথাকিল। জীৱনত একেলগে আগবাঢ়িম বুলি হাত আগবঢ়াই দিয়া মানুহজন যেন আৰু নাই!

ক্ষমতালোভী এচামৰ বাটৰ কাঁইট হৈ থকা আকাশক হত্যা কৰা হ'ল অতি কৌশলেৰে। ৰক্তাক্ত ঘাতক সেইবোৰ!

আজি আকাশ নোহোৱা হোৱাৰ সম্পূৰ্ণ এবছৰ আৰু সিহঁতৰ বিবাহৰ দ্বিতীয় বাৰ্ষিকী। আকাশ নাই, তথাপি সেই স্মৃতিবোৰ আশাৰ মনৰ দাপোণত প্ৰতিবিম্বিত হৈ তাইক জীয়াই থকাৰ প্ৰেৰণা দিয়ে।

আকাশৰ ন্যায়ৰ বাবে তাই জীয়াই আছে। এই এবছৰত নিষ্ঠুৰ সময়ে যথেষ্ট শিকালে, তথাপি আশাই আশা কৰে— এক নতুন সূৰুযৰ উদয় হ'ব; যাৰ কিৰণত সততা পৰিহাস নহৈ অনুপ্ৰেৰণাৰ উৎস হ'ব।

আশাৰ অকলশৰীয়া নতুন যাত্ৰাৰ সৈতে চিৰ পুৰণি চিৰ নতুন আকাশ, নীলা আকাশ। ■

# এটা আধৰুৱা কাহিনী নাকফুলি পিন্ধা ছোৱালীজনী

■ অপৰ্ণা ঠাকুৰীয়া

স্নাতক প্ৰথম ষাণ্মাসিক, ভূগোল বিভাগ

"অনুভৱবোৰ যেন সদায় সৰু সৰু বস্তুবোৰৰপৰাই আৰম্ভ হয়। আশাবোৰ কিন্তু জোখতকৈ বহুত ডাঙৰ তাইৰ। হেঁপাহবোৰ যেন তাই সদায় ওঁঠটোতে পিন্ধি ৰাখে। কবিতা তাই বেয়া পায় বুলিয়েই মই ভালপোৱা সত্ত্বেও তাইক কবিতাৰ ছন্দত প্ৰকাশ নকৰোঁ।"

প্ৰায় পাঁচ বছৰ পুৰণি ডায়েৰীখন পাই প্ৰীতে সেই আধৰুৱা পৃষ্ঠাটো পঢ়ি চালে। নাই, আজিও তাৰ সেই আধৰুৱা পৃষ্ঠাটো সম্পূৰ্ণ কৰিবলৈ শব্দ নাই। ভাববোধক চিনডালে যে তাক কেতিয়াও শব্দ ভাবিবলৈ নিশিকালে। আজিকালি তাৰ দিনপঞ্জী সলনি হ'ল। কলেজ-ঘৰ, কলেজ-ঘৰ— এনেকৈয়ে দিনটোৰ আধা সময় গুচি যায়। কলেজত পাঁচটাকৈ ক্লাছ কৰি ঘৰলৈ আহি ভাগৰি পৰে যদিও নিজৰ কৰণীয়খিনি নিয়াৰিকৈ কৰে। বৰ্তমান প্ৰীত এগৰাকী পদাৰ্থ বিজ্ঞানৰ অধ্যাপকৰূপে ব্ৰতী। Physicsবোৰ পঢ়োঁতে পঢ়োঁতে জীৱনৰ Philosophyবোৰেই পাহৰি যায় মাজে মাজে। অৱশ্যে মনত পেলাই দিবলৈও বিশেষ ব্যক্তি এগৰাকীৰ আগমন প্ৰীতৰ জীৱনত হোৱা নাই আজিলৈ। তাৰ ঘৰত মতা নামটোহে প্ৰীত; চাৰ্টিফিকেটমতে প্ৰীতম বৰপূজাৰী। প্ৰীত বুলি মাতোঁতে মাতোঁতে তাৰ নামটো ঘৰৰপৰা বাহিৰলৈ প্ৰীত বুলিয়েই পৰিচিত। আজি পিচে বহু বছৰৰ পিচত কলেজীয়া দিনৰ ডায়েৰীখন পাই উভতি গ'ল সি সেই মধুৰতম সময়বোৰলৈ। কলেজীয়া দিনৰ আমেজ কি? আপোনাৰো হয়তো অভিজ্ঞতাৰ বাহিৰত নহ'ব! অৱশ্যে এটা কথা, স্কুলীয়া জীৱনৰপৰাই প্ৰীতে কলেজীয়া জীৱনটোক লৈ যি যি অনুভৱ কৰিছিল, দিঠকত সেইবোৰ হোৱা নাছিল কিন্তু। সেই যে কলেজত প্ৰৱেশ কৰাৰ লগে লগে এছাটি অনামি বতাহে তাৰ চুলিখিনিক নাচিবলৈ বাধ্য কৰোৱা, হঠাৎ এটা ৰোমান্টিক গান বাজি উঠা.... ইত্যাদি ইত্যাদি। এইবোৰেই আৰু; তাৰ কল্পনা আছিল কলেজীয়া জীৱনটোক লৈ। চিনেমাবোৰৰ নিচিনা কল্পনা তাৰ...। পিচে কলেজৰ প্ৰথম দিনটোতে তাৰ কাজিয়া হ'ল এজনী ছোৱালীৰ লগত। কোনোবা ফালে চাই থাকোঁতে নীলা ৰঙৰ ছাতিটোৰ তলত থকা গোলাপী ওঁঠেৰে হাঁহি থকা নাকফুলি পিন্ধা ছোৱালীজনীক কেনেকৈ খুন্দা মাৰিলেগৈ তাৰ জ্ঞাত নহ'ল। খুন্দা মৰাৰ পিচত যে কিমান গালি দিছিল ছোৱালীজনীয়ে! মনত পৰিলে আজিও হাঁহি উঠে তাৰ। সেইদিন ধৰি আজিলৈ কেতিয়াও আন কোনো ছোৱালীকে খুন্দা মৰাটো দূৰৈৰ কথা, চকুৰে চাবলৈও সাহস কৰা নাই প্ৰীতে। কলেজৰ প্ৰথম দিনটোৰ সেই খুন্দা মৰা মুহূৰ্তটোৰ এক সুকীয়া অনুভৱ আছে বুলি প্ৰীতে নুবুজাকৈ থকা নাই। কিমান দিন, কিমান বাৰ, কিমানজনক সোধা নাছিল সি খুন্দা মৰা ছোৱালীজনীৰ নামটো! পোনপটীয়াকৈ সুধিবলৈ যে তাৰ সাহস নাছিল সেইটো সময়ত। অতীতত কৰা কিবা এটা ভুলে তাক আজিও প্ৰশ্ন কৰে এইবুলি— 'কিয় নুসুধিলি তই তাইৰ নামটো?' এনেকৈয়ে ডিগ্ৰী শেষ কৰি তাৰ কৰ্মজীৱন আৰম্ভ হয় আৰু অতীতৰ প্ৰশ্নটো ভৱিষ্যতেও প্ৰশ্ন হৈয়ে ৰৈ যায়। আজি বহুবছৰ পিচত ডায়েৰীৰ পৃষ্ঠাত পুনৰ পৰিচয় হ'ল তাৰ আধৰুৱা শব্দকেইটাৰ লগত। ডায়েৰীৰ আধৰুৱা কাহিনী সামৰি ডায়েৰীখন বুক চেল্‌ফটোত থৈ দিলে। কলেজীয়া দিনৰ বহুত স্মৃতি সিঁচি থোৱা আছে তাৰ ডায়েৰীখনত। ডায়েৰীৰ কাহিনী ডায়েৰীতেই এৰি যোৱাকালি মাকে চাবলৈ দি যোৱা ফটোখন চুবলৈ টেবুলৰ ওচৰ পাই পেপাৰৱেইট্‌টো গুচাই ফটোখন চাব খোজোঁতেই হঠাৎ ফোনৰ ৰিংটো বাজি উঠাত ৰিছিভ কৰিলে— "হেল্লো— ধেৎ, এই Airtelৰ ফোনবোৰ যে কিয় ইমানকে আহে" বুলি কৈ ফোনটো বিছনাখনতে থ'লে। বাহিৰৰ এছাটি বতাহে খিৰিকীৰ ফাঁকেৰে সোমাই আহি আজিও সেই কলেজৰ প্ৰথম দিনটোত ভবাৰ দৰে প্ৰীতৰ চুটি চুলিখিনিক স্পৰ্শ কৰি দিলে আৰু দূৰৰপৰা ভাহি আহিছিল.....



"এজাক সুবাসে মোক চুই থৈ গ'ল...." গানটো! আকৌ উভতি গ'ল প্ৰীতৰ হাতখন সেই ফটোখনলৈ বুলি। ফটোখনৰ হাঁহিটো সেই একেই, কলেজীয়া জীৱনৰ প্ৰথমদিনাৰ নীলা ৰঙৰ ছাতিৰ তলৰ গোলাপী ওঁঠৰ হাঁহিটো....। প্ৰীতে ফটোখন লৈ মাকক চিঞৰিলে—

ঃ মা, অ' মা, এই নাকফুলি পিন্ধা ছোৱালীজনী কোন?

মাকৰ উত্তৰো সেই কলেজীয়া ষ্টুডেন্টবোৰৰ নিচিনা.....।

ঃ নামটো নাজানো, পচন্দ হৈছে যদি....! ■



"প্ৰগতিৰ শত্ৰু প্ৰতি-ক্ৰিয়া। প্ৰতিক্ৰিয়াই সৃষ্টিৰ অগ্ৰসৰণত বাধা,— সৃজনৰ আগ-বুলনিত বিঘিনি। সৃষ্টিৰ প্ৰগতিৰ সোঁতক বান্ধ দিবৰ শকতি কাৰো নাই;— স্বয়ং বিধাতাৰো।"

—কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা



# প্ৰাৰ্থনা ঃ এটি অনুভৱ

■ মধুস্মিতা কলিতা

স্নাতক তৃতীয় ষাণ্মাসিক, বুৰঞ্জী বিভাগ

*ব্ৰহ্মা আদি কৰি জীৱ যত          ৰাম ৰাম ৰাম ৰাম ৰাম*
*মায়া শয্যা মাজে আচয় ঘুমতি যাই।*
*তুমিহে চৈতন্য সনাতন          ৰাম ৰাম ৰাম ৰাম ৰাম*
*আমি অচেতন নিয়োক নাথ জগাই।।*

—নামঘোষা

প্ৰাৰ্থনা এক পবিত্ৰ কাৰ্য। মানুহ জীৱশ্ৰেষ্ঠ হোৱা বাবে মানুহৰ নৈতিক কৰ্মকাণ্ডবোৰ অন্য জীৱৰ তুলনাত শ্ৰেষ্ঠ। নৈতিকতা ৰক্ষা কৰি চলাৰ ক্ষেত্ৰত প্ৰাৰ্থনাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। প্ৰতিজন মানুহৰ জীৱনত প্ৰাৰ্থনাৰ উপযোগিতা, মূল্য নিজৰ মনৰ জোখাৰে নিৰ্ধাৰণ কৰে। যেতিয়া আমি জীৱনৰ প্ৰত্যেকটো ক্ষেত্ৰতে ঈশ্বৰৰদ্বাৰা মাৰ্গ দৰ্শন হ'বলৈ বিচাৰিম, তেতিয়া তেওঁৰ সৈতে আমাৰ বন্ধুত্বও গাঢ় হৈ উঠিব। আমি প্ৰতিদিনে সন্মুখীন হ'বলগীয়া পৰীক্ষাবোৰৰ বাবে ভগৱানৰপৰা সহায় বিচাৰি নিৰন্তৰে প্ৰাৰ্থনা কৰা উচিত। প্ৰাৰ্থনাই মূল্যবোধৰ সন্ধান কৰি ব্যক্তি এগৰাকীক ভক্তিমাৰ্গৰ উচ্চ শিখৰলৈ গৈ আধ্যাত্মিক জীৱ হিচাপে সংসাৰত বাস কৰাৰ এক সুস্থ অধ্যায়ৰ সূচনা কৰে।

প্ৰাৰ্থনা মানে আমি সহজ অৰ্থত ঈশ্বৰ উপাসনা বুলি বুজোঁ। ইয়াৰ অন্য আখ্যা স্তৱ বা স্তুতি। শব্দব্ৰহ্মৰদ্বাৰা অনন্ত বিশ্বনিয়ন্তাৰ চৰণত তেখেতৰ মহিমা কীৰ্তন কৰি আত্মনিবেদন কৰা হয় অৰ্থাৎ মনৰ কথা জনোৱা হয়, তাকে প্ৰাৰ্থনা বুলি কোৱা হয়; কিন্তু ইয়াত থাকিব লাগিব সুৰ, ছন্দ আৰু লয়— যাৰদ্বাৰা মধুৰ অমৃত বৰষা, হৃদয় পমোৱা বাক্যৰে সকলোৰে অন্তৰ জয় কৰা হয়। পৃথিৱীত এনে শক্তি নাই, যাক বাক্যৰে জয় কৰিব নোৱাৰি।

প্ৰাৰ্থনাই আমাৰ উন্নতি সাধন কৰি জীৱনক মহান কৰি তোলে। আমি গ্ৰহণ কৰা আহাৰে যেনেকে দেহৰ পুষ্টিসাধন কৰে, ঠিক তেনেকৈ প্ৰাৰ্থনায়ো আমাৰ দেহ মন্দিৰত প্ৰতিষ্ঠিত আমাৰ আত্মাৰ পুষ্টিসাধন কৰি শ্ৰী-বৃদ্ধিত সহায় কৰে। লগে লগে পৰমাত্মাৰ লগত মিলনৰ পথ প্ৰশস্ত কৰে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈ গৈছে— "বিনা আহাৰে এটা দিন পাৰ কৰিলে দেহৰ বিশেষ কোনো ক্ষতি নহয়; কিন্তু বিনা প্ৰাৰ্থনাই এটা দিন অতিবাহিত হ'লে আত্মাৰ যথেষ্ট ক্ষতি হয়।" এটা দিনত খাব নাপালে দেহ আৰু মনত কষ্ট পোৱাৰ দৰে কোনোদিনা প্ৰাৰ্থনা কৰিব নোৱাৰিলেও মন-প্ৰাণত দুখ পোৱা উচিত।

প্ৰাৰ্থনা কৰিবলৈ আন্তৰিকতাৰ আৱশ্যক। আন্তৰিকতাপূৰ্ণ প্ৰাৰ্থনাইহে মন আৰু চিত্ত শুদ্ধি কৰি আত্মাক অনাবিল আনন্দ-অমৃতৰ সন্ধান দিব পাৰে। সেয়ে পৃথিৱীৰ সকলো ধৰ্মতে নিজ ধৰ্মাৱলম্বী ভক্তসকলে শ্ৰদ্ধানুৰাগেৰে প্ৰাৰ্থনা কৰি অসীম আনন্দ লভে। জীৱশ্ৰেষ্ঠ হ'লেও ত্ৰিতাপক্লিষ্ট মানুহক দুখ-শোক, তাপ, অস্থিৰতাৰপৰা উপশম হৈ জীৱন্তে মুক্ত হোৱাৰ পথ দিব পাৰে প্ৰাৰ্থনাই। বিষয়-বাসনাৰ আসক্তিত বিপথগামী মনে অনুতপ্ত হৈ প্ৰাৰ্থনা কৰিলে মনে পূৰ্ণ শুদ্ধতা লাভ কৰিব পাৰে। দস্যু ৰত্নাকৰেও শব্দব্ৰহ্ম 'ৰাম' নাম আন্তৰিকতাৰে উচ্চাৰণ কৰি বাল্মীকি হ'ব পাৰিছিল। সেয়ে জগতৰ অনেক ঋষি-মুনি-মনীষীয়ে এই প্ৰাৰ্থনাৰ বলেৰে জগত আলোড়িত কৰিছে। হজৰত মহম্মদ, যীশুখ্ৰীষ্ট, গুৰু নানক, কবীৰ, শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, মহাত্মা গান্ধী, তুলসী দাস, মীৰাবাঈ, বিনোৱাজী প্ৰভৃতি মহৎ পুৰুষ তথা ভক্তসকলে প্ৰাৰ্থনাক উচ্চ আসনত স্থান দি গৈছে। ফলত আজি নামঘৰ, গুৰুগৃহ, থান, সত্ৰ, গীৰ্জা, মছজিদ, ধৰ্মসভা, বিহু-সংক্ৰান্তি আদিত প্ৰাৰ্থনাৰ পয়োভৰ। প্ৰাচীন কালত ঋষি-মুনিসকলে সংস্কৃত ভাষা (দেৱভাষা)ত প্ৰাৰ্থনা কৰা নিয়ম বান্ধিছিল আৰু এই প্ৰাৰ্থনাৰ বাণীসমূহ উপনিষদৰ পাতত লিপিবদ্ধ কৰিছিল। অৱশ্যে আদিকাব্য ৰামায়ণ আৰু মহাভাৰতত প্ৰাৰ্থনাৰ বাণী নথকা নহয়। অসমীয়াত প্ৰাক্‌বৈষ্ণৱ যুগত কবি মাধৱ কন্দলি, হেম সৰস্বতী আদিৰ লেখনিত এই প্ৰাৰ্থনা বাণী প্ৰকাশ পাইছে যদিও মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱৰ হাতত 'স্ত্ৰী-শূদ্ৰ আদি যত / বুজোক পৰম তত্ত্ব' বুলি প্ৰাৰ্থনাই অধিক গুৰুত্ব লাভ কৰিছে। এই ক্ষেত্ৰত বৈষ্ণৱ যুগৰ অনন্ত কন্দলি, গোপাল চন্দ্ৰ দ্বিজ, অনিৰুদ্ধদেৱ প্ৰমুখ্যে কবিসকলৰো বৰঙণি উল্লেখনীয়; বিশেষকৈ মহাপুৰুষ মাধৱদেৱৰ অনুপম ভাব-ভাষা, শব্দ প্ৰয়োগ, ছন্দ, লয়, হৃদয় বিগলিত প্ৰকাশভংগীৰে ৰচিত 'নামঘোষা' পুথিখনি এখন প্ৰাৰ্থনা পুথি বুলি ক'লেও বঢ়াই কোৱা নহয়।

শিশু অৱস্থাৰপৰা প্ৰাৰ্থনা কৰি মনৰ শুদ্ধতা, পবিত্ৰতা অৰ্জন কৰিব পাৰিলে ভৱিষ্যতে অশুভ বিষয়-বাসনাই মন টলাব নোৱাৰে, অনায়াসে ভগৱন্তৰ কৰুণা লাভ কৰিব পাৰে। সেয়ে বিদ্যালয়বোৰত প্ৰাৰ্থনা বাধ্যতামূলক কৰিছে। যিখন ঘৰত সন্ধ্যা-পুৱা গুৰু আসনৰ আগত এগছি প্ৰদীপ জ্বলাই প্ৰাৰ্থনা কৰা নিয়ম আছে, সেইখন ঘৰত অসৎ চিন্তাই বাহ ল'ব নোৱাৰে আৰু বাহিৰা অপায়-অমংগলে প্ৰৱেশ কৰিব নোৱাৰে। সেইখন ঘৰৰ সতি-সন্ততি ভৱিষ্যতে সৎপথে পৰিচালিত হৈ ঘৰখনলৈ শান্তি-প্ৰগতি কঢ়িয়াই আনিব।

মানুহৰ জীৱনৰ কাৰুণ্য, দুখ-যন্ত্ৰণা, কাৰুণ্যৰপৰা মুক্তি বিচাৰি ঈশ্বৰৰ ওচৰত কৰা অবিৰত প্ৰাৰ্থনাই ঈশ্বৰৰ সিদ্ধান্তবোৰক কেতিয়াও সলনি কৰিব নোৱাৰে। সেয়ে সকলো ব্যক্তিয়ে অন্ধ আৱেগৰদ্বাৰা পৰিচালিত নহৈ সাধুতাৰে প্ৰাৰ্থনা কৰা উচিত আৰু শুদ্ধ চিন্তা অব্যাহত ৰাখি নিজৰ লগতে দহৰ আৰু দেশৰ উন্নতিৰ কাৰণে প্ৰাৰ্থনা কৰা উচিত। আত্মসন্তুষ্টি প্ৰাৰ্থনাৰ মূল কথা নহয়; আত্মশুদ্ধিহে প্ৰাৰ্থনাৰ পৰম ফল।

*মঞিও দুৰাচাৰ কেৱলে তোমাৰ*
*অপৰাধী নাৰায়ণ।*
*ক্ষমিয়োক হৰি লৈয়ো দাস কৰি*
*পশিলোঁ হেৰা শৰণ।।*

(নামঘোষা)

■ ■ ■

# পুৰণি সেই বয়জ কমন ৰুমটো

■ ড° নমিতা শৰ্মা
মুৰব্বী আৰু সহযোগী অধ্যাপিকা
প্ৰাণীবিজ্ঞান বিভাগ

শিক্ষকতাৰ সূত্ৰে যোৱা তিনিটা দশক জুৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছোঁ। এই মহাবিদ্যালয়খনে মোক কেৱল সংস্থাপন দিয়াই নহয়, ইয়াতেই পাৰ কৰিছোঁ মই মোৰ জীৱনৰ আটাইতকৈ কৰ্মক্ষম সময়খিনি। মোৰ নাৰী জীৱনৰ কেবাটাও গুৰুত্বপূৰ্ণ ৰূপান্তৰৰ সাক্ষী এই মহাবিদ্যালয়খনেও মোৰ সন্মুখতেই কেবাটাও ৰূপ সলালে। তাৰ ভিতৰত এতিয়াৰ স্পোৰ্টছ্ কমপ্লেক্সত থকা ঠাইখিনিতেই আছিল অসম আৰ্হিৰ ঘৰটোত পুৰণি সেই বয়জ কমন ৰুমটো। মই কাহানিও সেই বিভাগৰ তত্ত্বাৱধায়ক নাছিলোঁ বা সাধাৰণ শ্ৰেণী চলি থকা দিনত মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ জিৰণি সময়ৰ আড্ডাৰ থলী সেই কোঠাটোত কেতিয়াও সোমোৱা নাছিলোঁ। পাঠকে হয়তো ভাবি আচৰিত হ'ব, তৎসত্ত্বেও এই বিশেষ কোঠাটোৰ প্ৰতি কিয় মই ইমান নষ্টালজিক হৈ পৰিছোঁ!

প্ৰকৃততে এই কোঠাটোৰ সৈতে জড়িত হৈ আছে মোৰ অলেখ সৰু-বৰ স্মৃতি, যিবোৰে মনগহনত এক মচিব নোৱাৰা সাঁচ বহুৱাই থৈছে। মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নতিৰ বাবে কোঠাটোত প্ৰথম হাতুৰীৰ কোব পৰাৰ দিনা সেয়ে দূৰৈত থিয় হৈ নীৰৱে চকুলোঁ টুকিছিলোঁ।

প্ৰকৃততে এই কোঠাটোৰ সৈতে জড়িত হৈ আছে মোৰ অলেখ সৰু-বৰ স্মৃতি, যিবোৰে মনগহনত এক মচিব নোৱাৰা সাঁচ বহুৱাই থৈছে। মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নতিৰ বাবে কোঠাটোত প্ৰথম হাতুৰীৰ কোব পৰাৰ দিনা সেয়ে দূৰৈত থিয় হৈ নীৰৱে চকুলোঁ টুকিছিলোঁ।

ছাত্ৰ অৱস্থাত পঢ়া-শুনাৰ লগতে সাংস্কৃতিক দিশটোৰ সৈতে নিজকে কিছু পৰিমাণে জড়িত কৰি ৰাখিছিলোঁ বাবেই হয়তো অধ্যাপনা কৰিবলৈ আহিও তাৰেই আকৰ্ষণত ছাত্ৰ-ছাত্ৰীসকলৰ লগত এই জগতখনৰ সৈতে একাত্ম হৈ পৰিবলৈ মোক বেছি সময়ৰ প্ৰয়োজন নহ'ল। সংগীতৰ ক্ষেত্ৰখনত তেওঁলোকৰ অতি উচ্চমানৰ পাৰদৰ্শিতা দেখি অভিভূত হৈ পৰিছিলোঁ। নব্বৈৰ দশকত সাংস্কৃতিক প্ৰায় সকলোবোৰ আখৰা, কুচকাৱাজ এই কোঠাটোতেই হৈছিল। বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ লগত আমাৰ বহুজন তেতিয়াৰ জ্যেষ্ঠ তথা কনিষ্ঠ শিক্ষকেও ইয়াতেই আখৰা কৰিছিলোঁ। কিছুমান সময়ৰেত সংগীত, 'নীল আকাশৰ জোনৰ দৰে....' বা 'শুন শুনৰে শুন, বৈৰী প্ৰমাণা....'ৰ দৰে বৰগীতৰ। ছাত্ৰ, শিক্ষক, কৰ্মচাৰীৰ যুটীয়া উদ্যোগত হোৱা নাটকৰ আখৰাই ৰজন্‌জনাই তুলিছিল সমগ্ৰ পৰিৱেশ। মহাবিদ্যালয়ৰ যি কোনো অনুষ্ঠানৰ লগতে ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সভাবপৰা আৰম্ভ কৰি বিভিন্ন সভা-সমিতি, আনকি প্ৰথমবাৰ (২০০৪ চন) মহাবিদ্যালয়ত নেক (নেচ্যনেল এচেছ্‌মেণ্ট এণ্ড এক্ৰিডিটেচন কাউন্সিল) টীমৰ সদস্যসকলৰ বাবে আয়োজন কৰা এক্সিট মিটিখনো এই বয়জ কমন ৰুমটোৰ এমূৰে থকা তথাকথিত প্ৰেক্ষাগৃহটোতেই অনুষ্ঠিত হৈছিল।

মনত পৰে— প্ৰয়াত অধ্যক্ষ ধৰ্মেশ্বৰ বড়াৰ অধ্যক্ষতাত ২০১১ চনত অনুষ্ঠিত হোৱা প্ৰথম প্ৰতিষ্ঠা দিৱসৰ কথা। সেই সময়ত চেমিষ্টাৰ পদ্ধতিৰ প্ৰচলন নথকাৰ বাবে ঘনাই পৰীক্ষাবোৰ অনুষ্ঠিত হোৱা নাছিল। ফলত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলৰ মানসিকতা কেৱল পৰীক্ষাকেন্দ্ৰিক হৈ থকা নাছিল। মহাবিদ্যালয়ত প্ৰথম প্ৰতিষ্ঠা দিৱস যথেষ্ট জাকজমকতাৰে পালন কৰা হৈছিল। যৌথভাৱে সাংস্কৃতিক বিভাগৰ দায়িত্ব পৰাত সাংস্কৃতিক কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। সেই সময়ত আগবেলা শ্ৰেণীসমূহত পাঠদান কৰাৰ পিচত প্ৰতিদিনেই নিৰ্দিষ্ট সেই কোঠাটোত উপস্থিত হোৱাটো যেন এটা অভ্যাসত পৰিণত হৈ পৰিছিল। লাহে লাহে বয়জ কমন ৰুমটো সাংস্কৃতিক অনুশীলনৰ উপৰিও ছাত্ৰ-শিক্ষকৰ সকলো ধৰণৰ গুৰুত্বপূৰ্ণ আলোচনাৰ থল হৈ পৰিছিল। তাৰ মাজে মাজে অধ্যক্ষদেৱে আগবঢ়োৱা আতিথ্য পাহৰিব নোৱাৰি। সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে বহুকেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক নিমন্ত্ৰণ কৰা হৈছিল। ২০১১ চনৰ ১৪ নৱেম্বৰৰ সাংস্কৃতিক সন্ধিয়া মুকলি হৈছিল প্ৰাক্তন তথা সেই সময়ত পঢ়ি থকা ছাত্ৰ, কৰ্মৰত শিক্ষক, অনা-শিক্ষক কৰ্মচাৰী আৰু আনকি স্বয়ং অধ্যক্ষদেৱেও একেলগে পৰিৱেশন

কৰা প্ৰয়াত অমলা কটকী ৰচিত আৰু আমাৰেই প্ৰাক্তন ছাত্ৰ দীপ ৰাজবংশী সুৰাৰোপিত 'প্ৰাগ্জ্যোতিষত কিহৰে উৰুলি....' শীৰ্ষক সমৱেত গীতটিৰে। এতিয়াও যেন সিৰাই-উপসিৰাই প্ৰবাহিত হৈ আছে তাৰ সুৰধ্বনি। পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত এই গীতটিয়ে দুবাৰকৈ পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিল। কেবাবছৰলৈকে মহাবিদ্যালয়ৰ কেবাটাও অনুষ্ঠানত এই গীতটিৰে সভা উদ্বোধন কৰা হৈছিল। 'Sometimes it only takes one good song to bring back thousands of good old memories'— কথাষাৰিৰ সত্যতা আজি যেন বাৰুকৈয়ে উপলব্ধি কৰিছোঁ। প্ৰতিষ্ঠা দিৱস উপলক্ষে অস্থায়ীভাৱে সজা মঞ্চত প্ৰাক্তন বহুকেইজন ছাত্ৰ-ছাত্ৰী তথা বৃহত্তৰ মহাবিদ্যালয় পৰিয়ালৰ সদস্যসকলে পৰিৱেশন কৰা বিভিন্ন গীত, নৃত্য-নাট আদি চলি থাকোঁতে আখৰাৰ কোলাহলেৰে বয়জ কমন ৰুমটোৰ প্ৰতিটো কোণেই যেন ব্যস্ত হৈ পৰিছিল।

ইউনিভাৰচিটি গ্ৰাণ্টছ্ কমিছন (ইউ.জি.চি.)ৰ নিৰ্দেশনাত প্ৰতিখন মহাবিদ্যালয়ে নেচ্যনেল এচেছ্মেণ্ট এণ্ড এক্ৰিডিটেচন কাউন্সিল (নেক)ৰদ্বাৰা স্বীকৃতিপ্ৰাপ্ত হ'বলগীয়া নিৰ্দেশনাৰ ভিত্তিত আমাৰ মহাবিদ্যালয়েও প্ৰথমবাৰ নেক টীমক আমন্ত্ৰণ কৰিছিল ২০০৪ চনত। তেওঁলোকৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক সন্ধিয়াৰ দায়িত্ব যৌথভাৱে চলাই এক অভিনৱ সন্তুষ্টি লাভ কৰিছিলোঁ। অতি সীমিত সময়ৰ ভিতৰত বয়জ কমন ৰুমটোতে থকা একমাত্ৰ প্ৰেক্ষাগৃহটোতেই অনুষ্ঠিত হৈছিল এই সাংস্কৃতিক সন্ধিয়াখন। নেক টীমৰ সদস্যসকলৰ লগতে উপস্থিত অভিভাৱক তথা অন্যান্য শুভাকাংক্ষীসকলৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা ছাত্ৰ, শিক্ষক সমন্বিতে মহাবিদ্যালয় পৰিয়ালৰ সদস্যৰে অনুষ্ঠিত এই সভাখনৰ স্মৃতি চিৰদিনেই মোৰ মানসপটত যুগমীয়া হৈ থাকিব।

সোঁৱৰণিৰ বাটেৰে বাট বুলোঁতে হাতবাউল দি মাতিছিল মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সেই সুমধুৰ অতীতে। অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাৰ পৃষ্ঠপোষকতাত ২০১১ চনৰ ১১ ৰপৰা ১৪ নৱেম্বৰলৈ অনুষ্ঠিত হোৱা চাৰিদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱতো যৌথভাৱে সাংস্কৃতিক বিভাগৰ দায়িত্ব পালন কৰিছিলোঁ। চাৰিওটা দিনতেই অনুষ্ঠিত হোৱা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী প্ৰস্তুত কৰা আৰু লগতে সুকলমে সকলোবোৰ সম্পন্ন কৰাত সাংস্কৃতিক সমিতিৰ প্ৰতিজন সদস্যৰ সৈতে একাত্মভাৱে কাম কৰিবলৈ পোৱা সৌভাগ্যৰ কথা স্মৰণ কৰি আজিও ৰোমাঞ্চিত হৈ উঠোঁ। আকৌ আহল-বহল সেই বয়জ কমন ৰুমটোৱেই হৈ পৰিছিল আমাৰ সকলো আলোচনাৰ লগতে আখৰাৰ অন্যতম কেন্দ্ৰবিন্দু। ছাত্ৰ, শিক্ষক, অনা-শিক্ষক কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ নিৰ্বিশেষে সকলোৱে নানা ৰং-ধেমালিৰ মাজেৰে উৎসৱৰ সফল ৰূপায়ণৰ বাবে যিদৰে দেহে-কেহে খাটিছিল, মই ভাবোঁ— সেই সময়ত তাত উপস্থিত থকা কোনো এজনেও হয়তো মনৰ মণিকোঠাৰপৰা সেই স্মৃতি সহজে মচি পেলাব নোৱাৰে। H.E. Luccockৰ 'No one can whistle a symphony. It takes a whole orchestra to play it' মৰ্মে মৰ্মে এতিয়া উপলব্ধি কৰোঁ এই অমৰবাণীৰ সত্যতাৰ গূঢ়াৰ্থ। বয়জ কমন ৰুমটোৰ কাষতেই বাহিৰৰ অস্থায়ী মঞ্চত অনুষ্ঠিত হোৱা চাৰিদিনীয়া এই সাংস্কৃতিক সন্ধিয়াৰ দিনকেইটাত প্ৰতিটো সন্ধিয়াই এই কোঠাটোৱে হৈ পৰিছিল আমাৰ বাবে 'গ্ৰীণৰুম'। তদুপৰি সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ কৰি অনা শিল্পীৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ অট'গ্ৰাফ লোৱাৰ সময়ত কোঠাটোত বিৰ দি বাট পাবলৈ নোহোৱা অৱস্থাই উদ্যোক্তা হিচাপে আমি পৰা বিপাঙৰ কথা আজিও আনন্দেৰে সোঁৱৰণ কৰোঁ।

ইয়াৰ পিচতে আহিছিল ২০১৩ চনত দ্বিতীয়বাৰৰ বাবে নেক (নেচ্যনেল এচেছ্মেণ্ট এণ্ড এক্ৰিডিটেচন কাউন্সিল)। এইবাৰো বিভিন্ন দায়িত্বৰ উপৰিও যুটীয়াভাৱে সাংস্কৃতিক বিভাগৰ দায়িত্ব পালন কৰিছিলোঁ। মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অনা-শিক্ষক কৰ্মচাৰীৰে সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী গীত হিচাপে পৰিৱেশন কৰিছিলোঁ 'প্ৰাগ্জ্যোতিষত কিহৰে উৰুলি...' শীৰ্ষক গীতেৰে। পিচে, বয়জ কমন ৰুমৰ সলনি ইতিমধ্যে আৰম্ভ হোৱা নতুন প্ৰেক্ষাগৃহটোত আধা সজা অৱস্থাতে আমি এই অনুষ্ঠান অনুষ্ঠিত কৰিছিলোঁ।

ইয়াৰ আগলৈকে প্ৰতি বছৰে অনুষ্ঠিত হোৱা ফ্ৰেচাৰ্চ ছ'চিয়েল বা যুৱ মহোৎসৱৰ বিভিন্ন প্ৰতিযোগিতাত যোগদানৰ বাবে হোৱা আখৰা, মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ প্ৰস্তুতিৰ লগতে অনুষ্ঠিত কৰা প্ৰতিযোগিতা আদিৰ বাবে একমাত্ৰ এই বয়জ কমন ৰুমটোৱেই যেন সকলোকে হাতবাউল দি মাতিছিল। মনত পৰে— অসম কলেজ শিক্ষক সংস্থাৰ আহ্বানক্ৰমে হোৱা ধৰ্মঘট আন্দোলনৰ অংশীদাৰ হিচাপে এই কোঠাৰ বাৰাণ্ডাত বহিয়েই আমিও ডি.কে. কলেজ শিক্ষক সংস্থাই এই আন্দোলনত অংশগ্ৰহণ কৰাৰ কথা।

পৰিৱৰ্তন অৱশ্যম্ভাৱী। কলেজ চৌহদত আজি নিৰ্মীয়মান অৱস্থাত আছে এক অত্যাধুনিক প্ৰেক্ষাগৃহ। সম্পূৰ্ণৰূপে সাজু হৈ উঠিলে জৰাজীৰ্ণ সেই বয়জ কমন ৰুমটোৰ তুলনাত আমাৰ কল্পনাৰো অগোচৰ হ'ব ইয়াতে পাব পৰা সা-সুবিধাসমূহ; কিন্তু নিৰ্জীৱ প্ৰেক্ষাগৃহ এটা প্ৰাণ পাই উঠিবলৈ হ'লে তাত লাগিব মহাবিদ্যালয়খনক ভালপোৱা প্ৰতিজন সদস্যৰ আন্তৰিক সহযোগিতা। সেই সময়ৰ মহাবিদ্যালয়খনৰ সকলো ধৰণৰ সাংস্কৃতিক আখৰাৰ কেন্দ্ৰস্থলী জৰাজীৰ্ণ সেই বয়জ কমন ৰুমটোৰপৰা ওলায়েই আজি আমাৰ প্ৰাক্তন বহুকেইজন ছাত্ৰই সমাজত একোজন উচ্চমানৰ শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পৰাটো নিশ্চয়কৈয়ে মহাবিদ্যালয়খনৰ বাবে এক বিশেষ গৌৰৱ। ছাত্ৰ, শিক্ষক তথা অনা-শিক্ষক কৰ্মচাৰীৰে পৰিৱেষ্টিত ডি. কে. কলেজৰ সুনাম ভৱিষ্যতে চাৰিওদিশে বিয়পি পৰক, তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। শেষত মোহনামুখী মোৰ চাকৰি জীৱনৰ বিশেষ স্মৃতি বিজ্ঞজনৰ ভাষাৰেই মোখনি মাৰিলোঁ— 'Things end but memories last forever.' ■

# সফলতা সম্পৰ্কে মোৰ ধাৰণা



■ জুপিতৰা কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

সফলতা চেষ্টাৰ মূল। এই সফলতা অৰ্জন কৰিবলৈ এটা সুস্থ বিবেক থাকিব লাগিব। সেয়ে সুস্থ বিবেকৰ কাৰণে এটা পৰিৱেশ গঢ়ি তুলিব লাগিব আৰু এই পৰিৱেশ গঢ়িবলৈ একাণপতীয়া চেষ্টাৰ নিতান্তই প্ৰয়োজন। এই প্ৰয়োজনক অভ্যাসত পৰিণত কৰিব পাৰিলেই সফলতাৰ গজালি অংকুৰণ হয়। এনে গজালিয়েই কালক্ৰমত সফলতাৰ পূৰ্ণাংগ ৰূপ পায় আৰু ব্যক্তিত্বৰ নতুন সাজেৰে সমাজত প্ৰতিষ্ঠিত হৈ এখন বৃহৎ সমাজক ৰক্ষণাবেক্ষণ দিবলৈ সমৰ্থৱান হয়।

সাম্প্ৰতিক সময়ত সফলতা হৈছে এনেকুৱা এটা শব্দ বা এক প্ৰকাৰৰ লালসা, যাক সমাজৰ প্ৰত্যেকজন মানুহেই ভোগ কৰিব বিচাৰে; কিন্তু প্ৰকৃতাৰ্থত সফলতা মানেনো কি? লালসা নে অন্য কিবা? আচলতে সফলতাৰ সম্পূৰ্ণ সংজ্ঞা দাঙি ধৰাটো বা পাতত দুপিঠি লিখি শেষ কৰিব পৰাটো তেনেই অসম্ভৱ। তথাপিও সফলতাৰ চুটি সংজ্ঞা কিবা আছে নেকি? এজন মানুহক বাৰু সফল বুলি কেতিয়া ক'ব পাৰি?

সফলতাৰ পৰিসৰ কেৱল পঢ়ি-শুনি, উপাৰ্জন কৰি, ভাল চাকৰি কৰা ক্ষেত্ৰতেই সীমাবদ্ধ হৈ থকা নাই বুলি মোৰ ধাৰণা। মোৰ বোধেৰে সফলতা হৈছে— সমাজৰ প্ৰত্যেকজন মানুহৰ বাবে সম্পূৰ্ণ মানৱীয় গুণেৰে শ্ৰেষ্ঠ জীৱৰূপে নিজকে যোগ্য কৰি তোলাৰ আৰু এজন প্ৰকৃত মানুহ হিচাপে সমাজৰ কাৰণে জীয়াই থকাৰ এটি মাত্ৰ সুযোগ। চমুকৈ সফলতা বুলি ক'লে এজন মানুহক তেতিয়া সফল বুলি কোৱা হ'ব, যেতিয়া মানুহজনে নিজকে প্ৰকৃত মানৱ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হ'ব। পিচে লালসা বুলি কোৱাৰ কাৰণ এটায়ে যে, প্ৰতিজন মানুহেই পাৰ্যমানে অতি সোনকালে জীৱনত সফলতা অৰ্জন কৰিব বিচাৰে; কিন্তু বৰ্তমানৰ এই অমানৱীয় সমাজত সফল ব্যক্তি হোৱাটো বৰ উজু নহয়। সফলতা অৰ্জনৰ বাবে প্ৰয়োজনীয় মানৱীয় গুণ আজিকালি মানুহৰ বৰ কমকৈ পৰিলক্ষিত হোৱা দেখা যায়। যাৰ বাবে আজিও অৰ্থাৎ স্বাধীনতা লাভৰ ৭৪ বছৰ পিচতো আমাৰ দেশ উন্নতিৰ পথত বহুক্ষেত্ৰতেই পিচ পৰি আছে।

মানুহ হৈছে সামাজিক প্ৰাণী। গতিকে মানুহৰ সমাজৰ প্ৰতি এক নিঃস্বাৰ্থহীন দায়িত্ববোধ তথা ভালপোৱা থকা উচিত। যিটো সম্প্ৰতি প্ৰায় নোহোৱা হৈ যোৱাৰ পথত। সমাজত বসবাস কৰিলে সমাজৰ নীতি-নিয়মসমূহ মানি চলাটো বাঞ্ছনীয়। সেইমৰ্মে সমাজখনৰ হিত চিন্তা জানো আমাৰ কৰ্তব্য হ'ব নালাগেনে? আমি নিজৰ কথাও ভাবিব লাগিব সঁচা; কিন্তু আমি যদি সমাজতেই জন্মগ্ৰহণ কৰি, ডাঙৰ-দীঘল হৈ, শিক্ষিত হৈ, উপাৰ্জনক্ষম হৈ নিজ নিজ পৰিয়ালৰ লগতে

সমাজৰো উন্নতিৰ কথা বিবেচনা নকৰোঁ, তেন্তে সামাজিক প্ৰাণী হৈ জীৱশ্ৰেষ্ঠতাৰ মান্যতা পোৱাৰ আমি জানো যোগ্য হৈ থাকিম! মোৰ বোধেৰে নিশ্চয় নহয়। কিয়নো শিশু এজনে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি উচ্চ শিক্ষিত হৈ কেৱল জীয়াই থকাৰ তাড়নাত এটা ভাল চাকৰি বিচাৰি টকা উপাৰ্জন কৰাটোৱেই শিক্ষাৰ মূল্য নুসূচায়। শিক্ষিত হোৱা হ'ল সফলতাৰ সোপানত কেৱল এটা প্ৰাথমিক খোজ। কাৰণ আমি নিজকে জীৱশ্ৰেষ্ঠ হিচাপে গঢ়ি তুলিবলৈ শিক্ষিত হোৱাটো প্ৰয়োজন। শিক্ষিত হ'লেহে মানুহ এজনৰ চিন্তাশক্তি তথা মনোবলৰ বিকাশ হয় আৰু চিন্তাশক্তি প্ৰখৰ হ'লেহে আধুনিকতাৰ সৃষ্টি হয় তথা মনোবল বৃদ্ধি পালেহে সেই আধুনিকতাৰ প্ৰকাশ তথা প্ৰচাৰ সম্ভৱ। আকৌ এই নতুন আধুনিকতাৰ সৃষ্টিয়ে আমাৰ সমাজখনক আৰু অধিক উন্নত কৰিবলৈ সক্ষম হ'ব। কিন্তু প্ৰকৃতৰূপে উন্নত সমাজ গঢ়িবলৈ হ'লে কেৱল শিক্ষিত হৈ নহয়, বৰঞ্চ প্ৰথমে প্ৰকৃত মানৱ হৈহে মানৱ সম্পদৰূপে নিজকে গঢ়ি তোলা প্ৰয়োজন বুলি মই ভাবোঁ।

আনহাতে বৰ্তমান সময়ৰ মানুহক কিজানি প্ৰকৃত মানুহৰ সংজ্ঞা দিয়াৰ কোনো প্ৰয়োজন নাই। সচৰাচৰ যিবোৰ গুণৰ কথা মানুহে মুখেৰে কয়; কিন্তু নিজৰ কৰ্মৰাজিৰ সময়ত তাক ব্যৱহাৰ কৰিব পাৰহি যায়— সেই আটাইবোৰ গুণেই এজন প্ৰকৃত মানুহৰ সংজ্ঞা। প্ৰকৃত মানুহ হ'বলৈ প্ৰয়োজন মাথোঁ এটি সুন্দৰ মনৰ।

এতিয়া বহুতে ভাবিব পাৰে যে, আমাৰ সমাজৰ বহুসংখ্যক লোকেই নিজৰ কষ্ট, ধৈৰ্য আৰু চেষ্টাৰ বলত নিজে নিজৰ ভৰিত থিয় দিবলৈ সক্ষম হৈছে। কথাটো সঁচা, কিন্তু নিজে নিজৰ ভৰিত থিয় হোৱা কথাষাৰে কি বুজাইছে? ই বুজাইছে মাথোঁ চাকৰি কৰাৰ কথা বা আত্মনিৰ্ভৰশীল হোৱাৰ কথা। যাতে কেতিয়াও কাৰো ওচৰত হাত পাতিবলগা নহয়। এইটোও সঁচা, কাৰণ আত্মনিৰ্ভৰশীলতা হৈছে সফলতাৰ সোপানৰ অন্য এটি খোজ। সফল হ'ব লাগিলে আমি শিক্ষিত হ'বই লাগিব, আত্মনিৰ্ভৰশীল হ'বই লাগিব; কিন্তু চাকৰিয়াল নহ'লেও এজন মানুহে সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ব পাৰে। কাৰণ সকলো চাকৰিয়াল সফল নহয় আৰু প্ৰত্যেকজন সফল ব্যক্তি চাকৰিয়াল নহয়। আকৌ কিছুমানে ভাবিব যে, সমাজৰ হকে কাম কৰিবলৈ আমাৰ হাতত অৰ্থ তথা সময়ৰ অভাৱ। এই ধাৰণা মনলৈ অহাটোও স্বাভাৱিক। এইটো কথা ঠিক যে, আমি প্ৰত্যেকেই সদায় সমাজৰ উন্নতিৰ কাৰণে কাম কৰি গৈ আছোঁ; কিন্তু কেনেকৈ? কি ভাবত? এই ভাবত যে, দুবেলা দুমুঠি খোৱাৰ তাড়নাত, পৰিয়ালক পোহপাল দিয়াৰ ভৰসাত। পৰিয়ালৰ প্ৰতি দায়িত্ব পালন মানৱৰ প্ৰধান কৰ্তব্য। যিটো কৰিবই লাগিব লগতে আমি এইটোও ভাবিব লাগিব যে, সমাজৰ অন্য মানুহেও আনকি আমাৰ ওপৰতে ভৰসা কৰি আছে। পিচে সময় পইচা উপাৰ্জন কৰি ধনী হোৱাৰ বাবে নহয়; এতিয়া সময় মাথোঁ নিজৰ দৃষ্টিকোণ কথা ভাবধাৰা সলনি কৰাৰ। কেৱল পেটৰ কথা চিন্তা কৰাজন হ'ল ব্যক্তিকেন্দ্ৰিক; কিন্তু আমি হ'ব লাগিব সমাজকেন্দ্ৰিক। যেতিয়া মানুহে নিজৰ লগতে সমাজৰ উন্নতিৰ ধাৰণা মনত লৈ কৰ্মৰত হ'ব, তেতিয়া দেখা যাব— আমাৰ সমাজ, আমাৰ দেশ আজি সঁচাকৈয়ে উন্নত। য'ত কোনো দৰিদ্ৰ নাথাকিব, য'ত সকলো মানুহ সফল, সকলো মানুহ দেশৰ মানৱ সম্পদ।

অৱশেষত মই এয়াই ক'ব বিচাৰিম যে, আমি প্ৰত্যেকজন মানুহ পৰস্পৰ নিৰ্ভৰশীল। সেয়ে মই ভাবোঁ— সফল হ'বলৈ ধনী হোৱাৰ প্ৰয়োজন নাই। প্ৰয়োজন মাথোঁ শিক্ষা, উন্নত চিন্তাধাৰা, মনৰ শুদ্ধ বিচাৰ আৰু নিজ তথা সমাজৰ হকে কাম কৰি যোৱাৰ তীব্ৰ হেঁপাহৰ। সেয়ে প্ৰত্যেক সুস্থ ব্যক্তিয়ে সু-চিন্তাধাৰা আৰু সু-মনোবৃত্তিৰে সফলতা অৰ্জন কৰি নিজৰ কৰ্মস্থলীত উপনীত হৈ নিজক তথা সমাজক উন্নতিৰ পথত আগুৱাই লৈ যোৱাৰ সহায়ক হওক— এয়াই মোৰ কামনা আৰু প্ৰাণভৰা আশা। ■





# Dream Destination :

## Lal Bahadur Shastri National Academy of Administration (LBSNAA)

■ **Munchumi Baruah**

B.A. 1st Sem., Deptt. of English

As the saying goes–

"Success is not permanent
And failure is not final."

Everyone is bound to have a dream in their life. Just like everyone, I also have a dream. In short my dream destination is Lal Bahadur Shastri National Academy of Administration or "LBSNAA". As an IAS aspirant, I have a dream to be at LBSNAA one day. Every single day I dream of being at "LBSNAA".

**Life at LBSNAA :** LBSNAA or Lal bahadur Shastri National Academy of Administration, situated in Mussoorie, Uttarakhand is the dream destination for lakhs of aspirants who appear for the UPSC Civil Services Examination each year. This is where they find the first reward of their long and arduous UPSC journey, and get courage to brace for the life ahead as a Civil Servant in this country. The successful aspirants find themselves in the academy following a routine meant to enhance their personalities and groom them into the best version of themselves.

This beautiful journey begins with the 4 months foundation course where officers across the services are trained together. The officers of the Indian Administrative Service (IAS) continue this professional training at the academy while officers belonging to other services like Indian Foreign Service (IFS), Indian Police Service (IPS), and Indian Reserve Service (IRS) etc. join their respective colleges for further training. They are not provided with all academic inputs and insights on public administration and good governance but also get exposure to extracurricular activities like the Himalayan trek, village visits etc. which enables them to develop lifelong friendship and introduces to the asperities of rural India.

Foundation course is succeeded by Phase I of the IAS professional training. The aspirants get the priceless opportunities to travel across the length and breadth of the country. This "Bharat Darshan" enables the aspirants, not only to see India but also to feel India and greet India. On the academic side classes are held on all subjects and matters that would come handy while executing the duties and responsibilities of an IAS officer. They are then sent out for nearly year long district training, where they get an opportunity to learn from the best collectors in the country the ones who are actually making a difference at the ground level. District training is succeeded by Phase-II training where they are made to share a varied experience of




working in the field from across the country so that they can learn the best practices of governance in India and can also learn from each other.

Towards the end of Phase-II training, a weeklong foreign study tour is also conducted. This two long year training teaches the future Civil Servants to chnalize their energies in the right directions; to become individuals who would impart their duties with utmost integrity, devotion and professionalism to solve the troubles of the common masses.

At the end, I would like to quote a few lines from academy song of the Lal Bahadur Shastri National Academy of Administration, Mussoorie, Uttarakhand which echoes in the hearts and mind of all the aspirants which all had pledged to live by what this 2 year training had really taught–

"be firm in your fate
Be courageous in action
Keep your head erect,
Fear not". ■

***Source :*** *Competition Success Review, Google.*

# ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰ
# অভিজ্ঞতা আৰু স্মৃতি

■ **জেউতী দাস**

স্নাতক ষষ্ঠ ষাণ্মাসিক, কলা শাখা

অপেক্ষাৰ সামৰণি ঘটিল। অৱশেষত মনৰ ইচ্ছা-আকাংক্ষা বাস্তৱায়িত হ'ল। সৌ সিদিনাৰপৰাই শুনি আহিছিলোঁ, বহুতো জল্পনা-কল্পনা আছিল। ৰাষ্ট্ৰীয় সেৱা আঁচনিত যোগদান কৰাৰপৰাই জ্যেষ্ঠ দাদা-বাইদেউহঁতৰপৰা শুনি আহিছিলোঁ National Youth Project (ৰাষ্ট্ৰীয় যুৱ যোজনা)ৰ কথা। মনত এটি আশা আছিল— শিবিৰটোত যদি যোগদান কৰিব পাৰিলোঁহেঁতেন! কিনো এয়া? ইয়াৰপৰানো কি শিক্ষা লাভ কৰিব পাৰিম? আদিবোৰ প্ৰশ্ন মোৰ মনত বাৰে বাৰে সৃষ্টি হৈ আছিল। বহুতো অপেক্ষাৰ অন্তত এই ধৰণৰ গোটেইবোৰ প্ৰশ্নৰ উত্তৰ পালোঁ সেই অসমৰপৰা সুদূৰ ৰাজস্থানৰ জয়পুৰ চহৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় যুৱ যোজনা (NYP) শিবিৰটিত। আহক, আপোনালোকেও মোৰ জীৱনৰ সেই চিৰস্মৰণীয় অভিজ্ঞতা এই প্ৰতিবেদনৰ মাজেৰে অনুভৱ কৰক।

'দক্ষিণ কামৰূপ মহাবিদ্যালয়'ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰপৰা ২৪/০২/২০২০ তাৰিখৰপৰা ০২/০৩/২০২০ তাৰিখলৈ ৰাজস্থান ৰাজ্যৰ জয়পুৰ চহৰত থকা বড়াপদ্মপুৰ জৈন মন্দিৰত হোৱা ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰত অংশগ্ৰহণ কৰিবলৈ আমি এঘাৰজনীয়া দল এটি অসমৰপৰা যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰায় ছয়দিন আমি আটায়ে শিবিৰত কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে আন আন কাৰ্যবোৰ অভ্যাস কৰি ল'লোঁ। শিবিৰটিৰ ওপৰত পূৰ্ব অভিজ্ঞতা থকা জ্যেষ্ঠ দাদা-বাইদেউহঁতে এই ক্ষেত্ৰত সহায় কৰিছিল। আমি অসম ৰাজ্যখনক প্ৰতিনিধিত্ব কৰি গৈছিলোঁ। আমাৰ মাজত প্ৰচুৰ সাহসিকতা, প্ৰবল হেঁপাহ, স্ফূৰ্তি আছিল যদিও ভয়তে মনবোৰ সংকুচিত হৈ আছিল। কিয়নো, মোৰ ভাবনাত শিবিৰত অংশগ্ৰহণ কৰা এটি গধুৰ দায়িত্বসম্পন্ন কথা। আমাৰ দলটিৰ লগত জড়িত হৈ আছিল আমাৰ গৌৰৱ 'দক্ষিণ কামৰূপ মহাবিদ্যালয়', 'ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট', 'অসম' ৰাজ্যখন লগতে আমাৰ নিজৰ জীৱনৰ আত্মসন্মান। ২২/০২/২০২০ তাৰিখে ৰাতিপুৱা ৭ মান বজাত আমি সকলোৱে মহাবিদ্যালয়ৰ প্ৰাংগণত একগোট হৈ ছাৰ-বাইদেউহঁতৰ, মা-দেউতাৰ আশীৰ্বাদ লৈ যাত্ৰাৰ পাতনি মেলিছিলোঁ। ৮ বজাত আমি মিৰ্জাৰপৰা কামাখ্যা ৰে'ল ষ্টেচনলৈ ৰাওনা হৈছিলোঁ। ১০ বজাত বাউমেৰ বিকানেৰ এক্সপ্ৰেছ ষ্টেচনত উপস্থিত হৈছিল। তেতিয়াৰেপৰা আমাৰ আৰম্ভ হৈছিল দীঘলীয়া যাত্ৰা। আমাৰ দলটিৰ আটাইবোৰ এটা দবাতে পৰিছিলোঁ। আমাৰ দলটিত স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাবোৰৰ ভিতৰত আছিল সংগঠক দীপজ্যোতি দাস, ধ্ৰুৱজ্যোতি কলিতা, ইন্দ্ৰনীল দাস, অবিনাশ দাস, নিটুমণি দাস, তফিজুল



আলী, ৰূপজ্যোতি দাস, জয়শ্ৰী দাস, সীমাৰেখা দাস, হীৰামণি কলিতা, পম্পী বৰুৱা আৰু মই। মই খুবেই আনন্দিত হৈছোঁ, কাৰণ মোৰ জীৱনত চতুৰ্থবাৰৰ বাবে সেই একেই শিবিৰত অংশগ্ৰহণ কৰিবলৈ সুযোগ পাইছোঁ। এই শিবিৰৰ যি শিকন, অভিজ্ঞতা; তাক মই বাৰে বাৰে লাভ কৰিবলৈ অকণো আমনি পোৱা নাছিলোঁ। শিবিৰটিৰ বাবে স্পৃহা বহুত বাবে মই সেয়ে বৰ্তমানলৈকে চাৰিবাৰকৈ অংশগ্ৰহণ কৰিলোঁ। যদিওবা মই চতুৰ্থবাৰৰ বাবে ইমান দীঘলীয়া যাত্ৰা আৰম্ভ কৰিছিলোঁ, মোৰ বাবে এই যাত্ৰাও এক নতুন উৎসাহ। মই আশাবাদী, জীৱনৰ এই নৱ যাত্ৰাত নৱ শিক্ষা আয়ত্ত কৰিম বুলি আশা কৰিছোঁ। এনেকুৱা মনৰ ভাবেৰে আমিবোৰে ৰে'লত হাঁহি-ফুৰ্তি কৰি দুদিনৰ অন্তত ২৮/০২/২০২০ তাৰিখে ৰাজস্থানৰ জয়পুৰ ষ্টেচন পালোঁগৈ। সঁচাকৈয়ে আজীৱন পাহৰিব নোৱাৰা এক মুহূৰ্ত। ৰাজস্থানৰ যি মনোমোহা সৌন্দৰ্য কিতাপবোৰত বিশ্লেষণ কৰাই আছে, সেই বাৰেৰহণীয়া ৰূপবোৰ মই ওচৰৰপৰা দেখা পাই উৎফুল্লিত হৈ পৰিছিলোঁ। জয়পুৰ চহৰৰ সেই গুলপীয়া ফুলবোৰ, গুলপীয়া অট্টালিকাবোৰ, ৰজা-ৰাণীৰ মহলবোৰ, ময়ূৰ চৰাই, হাতী, ৰাজপ্ৰাসাদৰ দৰে অট্টালিকাবোৰ দেখি আপ্লুত হৈছিলোঁ। সঁচাকৈয়ে বুজাব নোৱাৰা চাৰিওফালৰ সৌন্দৰ্যবোৰ। তাৰ সেই দৃশ্যবোৰ দেখাৰ অনুভৱবোৰ মই শব্দৰে লিখিও অন্ত পেলাব নোৱাৰিম। কিতাপত বহুবাৰ পঢ়িছিলোঁ; কিন্তু কেতিয়াও ভবা নাছিলোঁ— সেই ঠাইলৈ কেতিয়াবা এনেকৈ যাম! জয়পুৰ ষ্টেচন পোৱাৰ পিচত ষ্টেচনত আমি ৰাতিটো কটালোঁ। ৰাতিপুৱা ৮ বজাত শিবিৰটিৰ সদস্যই আমাক ষ্টেচনৰপৰা শিবিৰ অনুষ্ঠিত হোৱা স্থান বড়াপদ্মপুৰ জৈন মন্দিৰলৈ বাছেৰে লৈ গ'ল। সেই ঠাইত আমি দুই বজাত উপস্থিত হ'লোঁ। আমি গৈ পোৱাৰ লগে লগে শিবিৰটিৰ আয়োজন কৰা সদস্য/সদস্যাবোৰে আমাক স্বাগতম জনালে। শিবিৰটিৰ 'ভাৰত কি সন্তান' অনুষ্ঠানটি পৰিচালনা কৰা নৰেন্দ্ৰ ভাইজী ডাঙৰীয়াইও আমাক স্বাগতম জনালে। ইয়াৰ পিচত শিবিৰটি নিৰীক্ষণ কৰা দায়িত্বত থকা জ্যোতি নামৰ বাইদেউগৰাকীয়ে আমাক থকা কোঠালিটো দেখুৱাব লৈ গ'ল। আটায়ে ৰুমটোত বস্তু-বাহানিবোৰ থৈ দিলোঁ। আমাৰ ৰুমটোত ইতিমধ্যে আমাৰ দৰে শিবিৰত অংশগ্ৰহণ কৰিবলৈ অহা মহাৰাষ্ট্ৰ, উৰিষ্যাৰ ছোৱালী আছিল। ল'ৰাবোৰৰ পৃথক ৰুম আৰু ছোৱালীবোৰৰ পৃথক ৰুম কৰি দিছিল। শিবিৰটিত আন বহু ৰাজ্যৰপৰা স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাও আহিছিল আৰু শিবিৰটি পৰিচালনা কৰাৰ বাবে এই শিবিৰটিৰ বিষয়ে পূৰ্ণ অভিজ্ঞতা থকা জ্যেষ্ঠ ব্যক্তিসকল আছিল। ১৮খন ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা ৭০০ জন মানুহ আহিছিল; কিন্তু অতি দুখৰ বিষয়, শিবিৰটিৰ মুখ্য গুৰি ধৰোঁতাজন উপস্থিত নাছিল। তেখেত হ'ল এই ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰটিৰ প্ৰতিষ্ঠাপক ড° এছ. এন. সুব্বাৰাও। তেখেতক সকলোৱে ভাইজী বুলি সম্বোধন কৰে। তেখেত এগৰাকী মহাত্মা গান্ধীজীৰ আৰ্দশৰে অনুপ্ৰাণিত ব্যক্তি। তেখেতৰ অনুপস্থিতিয়ে বাৰুকৈয়ে দুঃখিত কৰিছিল। তেখেত কিছু অসুস্থ হৈ আছিল বাবে উপস্থিত থাকিব নোৱাৰিলে। তেখেত অনুপস্থিত আছিল যদিও শিবিৰটো পৰিচালনা কৰাৰ বাবে বিশিষ্ট জ্ঞানী তথা পূৰ্বতে এই শিবিৰটি পৰিচালনা কৰা ব্যক্তিবোৰৰ হাতত দায়িত্ব অৰ্পণ কৰিছিল। আমাৰ কোঠালিটো ঠিক কৰি চাফ-চিকুণ হৈ জলপান খাই অলপ জিৰণি ল'লোঁ। মধ্যপ্ৰদেশ, উৰিষ্যা, মহাৰাষ্ট্ৰ আদি ৰাজ্যৰ আগতে শিবিৰত অংশগ্ৰহণ কৰা শিবিৰাৰ্থীক লগ পাই বৰ ভাল লাগিল। বাকী উপস্থিত থকা অন্য ৰাজ্যৰ শিবিৰাৰ্থীৰ লগত চিনাকী হ'লোঁ। আমি হিন্দী ভাষাত বাৰ্তালাপ কৰিলোঁ। কিছুমান শিবিৰাৰ্থীয়ে হিন্দী ভাষা নাজানে, আমি সিহঁতৰ লগত ইংৰাজী ভাষাৰে কথোপকথন কৰিবলৈ চেষ্টা কৰিলোঁ। বাৰুকৈয়ে আনন্দিত হৈছোঁ, মানুহবোৰ ইমান সৰল, মৰমিয়াল। এনেকুৱা অনুভৱ হৈছিল— আমিবোৰ যেন একেখন পৰিয়ালৰে। এক এৰাব নোৱাৰা বন্ধুত্ব, ভাতৃত্ব বান্ধোন গঢ়ি উঠিল। এনেকৈয়ে সকলোৱে মিলি ১২ বজাত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ। এই ঠাইৰ খাদ্য অসমৰ দৰে নহয়, কিছু পৰিমাণে পৃথক। অসমৰ যেনেকৈ প্ৰধান খাদ্য ভাত, ৰাজস্থানৰ খাদ্য হৈছে ৰুটি, দাল-বাতি চুৰমা। ইয়াৰে খাদ্যবোৰ অলপ বেলেগ পদ্ধতিত তৈয়াৰ কৰে। এইটো স্বাভাৱিক কথা, স্থানভেদে, ভৌগোলিক অৱস্থিতিভেদে খাদ্যও কিছু বেলেগ হয়। ইয়াৰে পৰিৱেশৰ লগত নিজকে খাপ খুৱাই ল'বলৈ প্ৰথম দিনাখন অলপ অসুবিধাৰ সন্মুখীন হ'লোঁ। তথাপিও নিজকে খাপ খুৱাই ল'বলৈ চেষ্টা কৰিলোঁ। কিয়নো আমাৰ মূল উদ্দেশ্য হ'ল শিবিৰটি সফল কৰা। ২৪/০২/২০২০ তাৰিখে অন্য কোনো কাৰ্যসূচী অনুষ্ঠিত নহ'ল। সেইদিনাখন সকলো ৰাজ্যৰ শিবিৰাৰ্থীক উপস্থিত হ'বলৈ কোৱা হৈছিল। উপস্থিত থকা আটাইকে জিৰণি ল'বলৈ দিলে, যিহেতু সকলোৱে দীঘলীয়া যাত্ৰা কৰি আহিছিল। সন্ধিয়া ৬ বজাত সকলো শিবিৰাৰ্থীক একগোট কৰি শিবিৰৰ সকলো ধৰণৰ নিয়মাৱলীবোৰ বুজাই দিলে আৰু এখন অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীৰ সময়ৰ তালিকা দিলে। এই শিবিৰত থাকিবলৈ হ'লে শিবিৰৰ নিয়মৰ লগতে সময় তালিকাখনত দিয়া সময়মতে চলাটো বাধ্যতামূলক। কিয়নো ভাইজীয়ে অলপ সময়ো অবাবত ব্যয় নকৰে। সভা সামৰণি হোৱাৰ পিচত ৰাতিৰ সাঁজ খাই শুই থাকিলোঁ। আজিৰ দিনটো এনেকৈয়ে সমাপ্ত হ'ল।

২৫/০২/২০২০ তাৰিখে আছিল শিবিৰটোৰ দ্বিতীয় দিন। ৰাতিপুৱা ৪-৫০ বজাত টোপনিৰপৰা উঠিলোঁ। ৬ বজাত যুৱ গীত পৰিৱেশন কৰি ৬-৩০ বজালৈ ব্যায়াম কৰিলোঁ। ব্যায়ামৰ শেষত পতাকা উত্তোলন কাৰ্যসূচী হ'ল। ইয়াৰ পিচত আছিল শ্ৰমদান। ৭ বজাৰপৰা ৯ বজালৈ বড়াপদ্মপুৰ জৈন মন্দিৰটো পৰিষ্কাৰ কৰা হ'ল। শ্ৰমদান শেষ হোৱাৰ পিচত নৰেন্দ্ৰ ভাইজী নামৰ ব্যক্তিগৰাকীয়ে 'ভাৰত কি সন্তান'ত অংশগ্ৰহণ কৰাকেইজনক মাতিছিল। আমাৰ অসমৰ দলটিৰপৰা অসমীয়া ভাষাটিৰ বাবে প্ৰতিনিধিত্ব কৰাৰ সুযোগ মই পাইছিলোঁ। NYP শিবিৰটোৰ এটা বিশেষ অংশ তথা অনুষ্ঠান হৈছে 'ভাৰত কি সন্তান'। ইয়াৰদ্বাৰা নৰেন্দ্ৰ ভাইজীয়ে মুখ্য পৰিচালক হিচাপে অনুষ্ঠানটিৰ দায়িত্ব লৈ ভাৰতৰ ভাষাবোৰ চিনাকী কৰি দিয়াৰ লগতে সেই ৰাজ্যৰ কলা-সংস্কৃতি, নৃত্যবোৰকো পৰিচিত কৰি দিয়াৰ চেষ্টা কৰে। ভাৰতবৰ্ষত নানা ধৰ্ম, বৰ্ণ, ভাষা-সংস্কৃতি, কলাৰ লোকে

বসবাস কৰি আছে। সেইবোৰ ভাষা, নৃত্য, সাজ-পাৰ, গীত আদিক পৰিচয় কৰি দিয়াৰ লগতে আমি পৃথিৱীবাসীয়ে সকলো ভাই-ভনী তথা বন্ধুত্বৰ মনোভাবেৰে, একতাৰ বান্ধোনেৰে বসবাস কৰিব লাগে— সেই উদ্দেশ্যে 'ভাৰত কি সন্তান' অনুষ্ঠানটি তথা ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰটি অনুষ্ঠিত কৰা হয়। 'ভাৰত কি সন্তান' (ভাৰতৰ সন্তান)ত অংশগ্ৰহণ কৰা সকলোকে তেখেতে আখৰা কৰালে। ইয়াৰ পিচত ৯ বজাত ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰিলোঁ। ১০ বজাৰপৰা ১১ বজালৈ শ্ৰমদান কৰি পৰিষ্কাৰ হৈ ল'লোঁ। তাৰ পিচৰ কাৰ্যসূচী আছিল আন ৰাজ্যৰ ভাষা শিকা আৰু নিজ ৰাজ্যৰ ভাষা আন ৰাজ্যৰ শিবিৰাৰ্থীক শিকোৱা। মই আমাৰ অসমীয়া ভাষাটি কিছু শিকালোঁ। কিয়নো ভাষা এটি সম্পূৰ্ণকৈ শিকিবলৈ হ'লে বহু সময়ৰ প্ৰয়োজন হয়। কম সময় দিয়া হৈছিল বাবে বিশেষকৈ নিতৌ জৰুৰী কথাবোৰ শিকালোঁ। বিশেষকৈ শব্দ, বাক্য, সম্পৰ্কবোৰ শিকাবলৈ চেষ্টা কৰিলোঁ। আমাৰ দলটিৰ বাকীবোৰে তেলেগু, পাঞ্জাৱী, নেপালী শিকিলে। মেয়ো শিকনৰ মাজে মাজে আন ভাষা শিকাৰ চেষ্টা কৰিলোঁ। মই শিকা কিছু নেপালী ভাষা তলত উল্লেখ কৰা হ'ল—

ঃ চকু— আখা, দাঁত— তীস, আঙুলি— অমলী, মামী— মাঈজু।

ঃ আপোনাৰ লগত কোন কোন আহিছে?

নেপালী— তপাই হৰু সংগ আৰু কোন কোন আউনু ভাইকো ছুহ।

ঃ আমি আটায়ে বন্ধু।

নেপালী— উনি হৰু সবাই মেৰা সাথী হুন।

ঃ তোমাৰ নাম কি?

নেপালী— তপায় নাম কি হো?

ঃ মই অসমত জন্ম পাইছোঁ।

নেপালী— মোই অসম নিৰহ জন্ম মিয়কো ধীয়ে।

তাৰ পিচত ১২ বজাত আটায়ে আহাৰ গ্ৰহণ কৰিলোঁ আৰু ১ বজাৰপৰা বিশ্ৰাম কৰিব দিয়া সময়খিনিত বিশ্ৰাম কৰিলোঁ। তাৰ পিচত সকলোৱে ৪ বজালৈ বৌদ্ধিক চৰ্চা কৰিলোঁ। বিভিন্ন ধৰণৰ জ্ঞান-অভিজ্ঞতাৰে পৰিপূৰ্ণ বিশিষ্ট অতিথিক আমন্ত্ৰণ কৰি অনা হৈছিল। তেখেতসকলে শিবিৰাৰ্থীসকলৰ জ্ঞাতাৰ্থে বহুতো গুৰুত্বপূৰ্ণ কথা ক'লে আৰু আমি জীৱন যুদ্ধত কেনেকৈ আগবাঢ়ি যাব পাৰিম বুজাই দিলে। ভাৰতবৰ্ষক এখন নিচামুক্ত দেশ হিচাপে স্বীকৃতি দিবলৈ তেখেতসকলে নিচাজাতীয় দ্ৰব্য; যেনে— ড্ৰাগ্‌ছ, ধূমপান, গুট্‌খা আদি সেৱনৰ ফলত হোৱা ক্ষতিকাৰক কথাবোৰ বিশ্লেষণ কৰি বুজাই দিলে। ভাষণৰ সামৰণিৰ পিচত ৪ বজাৰপৰা ৪-৩০ বজালৈ দিয়া সময়খিনিত চাহৰ সোৱাদৰ আনন্দ লৈ পুনৰ পূৰ্বৰ্তী কাৰ্যসূচীত অংশগ্ৰহণ কৰিলোঁ। আমাৰ শৰীৰটো সুস্থ-সবল কৰি ৰাখিবলৈ হ'লে খাদ্যৰ লগতে শৰীৰ চৰ্চাৰ নিতৌ প্ৰয়োজন। শিবিৰত সেয়ে অলপ সময় খেলা-ধূলাৰ বাবে ৰাখিছিল। ৪-৩০ বজাৰপৰা ৫-৩০ বজালৈ ৰং-ধেমালি কৰি আনন্দ মনেৰে খেল খেলিলোঁ। তাৰ পিচত ইখন ৰাজ্যৰ প্ৰতিভাবোৰ সিখন ৰাজ্যৰ লগত আদান-প্ৰদান হ'ল। এইবোৰৰপৰা নতুন অভিজ্ঞতা লাভ কৰিলোঁ। নতুন নতুন খেল শিকিলোঁ। তাৰ পিচত আধা ঘণ্টা সকলোকে জিৰণি ল'বলৈ দিয়া হ'ল। জিৰণিৰ পিচত ৬-৩০ বজাৰপৰা ৮-৩০ বজালৈ সৰ্বধৰ্ম প্ৰাৰ্থনা হ'ল আৰু সাংস্কৃতিক অনুষ্ঠানৰ বাবে তৈয়াৰ হ'লোঁ। আজিৰ এই অনুষ্ঠান দুটা শিবিৰৰ স্থানতে অনুষ্ঠিত হ'ল। অসমৰ দলটিৰ লগতে উপস্থিত থকা প্ৰত্যেক ৰাজ্যৰ শিবিৰাৰ্থীসকলে সাংস্কৃতিক অনুষ্ঠানত ভাল ল'লে। এই অনুষ্ঠানটিত আমি আন ৰাজ্যৰ সংস্কৃতিৰ নৃত্য, গীত, সাজ-পোছাক আদি দেখিবলৈ পালোঁ। আমি ভাগ্যৱান, যিবোৰ সংস্কৃতি আমি কেতিয়াও দেখা নাই, হয়তো ইণ্টাৰনেট মাধ্যমৰ জৰিয়তে কিছু দেখিবলৈ পাইছোঁ। তথাপি ভাৰত দেশৰ প্ৰায়বোৰ ৰাজ্যৰ সংস্কৃতি সন্মুখৰপৰা দেখিবলৈ পাই উৎফুল্লিত হৈছোঁ। সেয়াও কি যে এক বুজাই প্ৰকাশ কৰিব নোৱাৰা অনুভূতি! আমাৰ দলটিয়েও অসমৰ এক অন্যতম জনগোষ্ঠী তিৱাসকলৰ 'তিৱা নৃত্য' প্ৰদৰ্শন কৰিলোঁ। সাংস্কৃতিক অনুষ্ঠান শেষ হোৱাৰ পিচত ভাত খাই টোপনি মাৰিলোঁ। এনেকৈয়ে প্ৰতিদিনে আৰম্ভ হৈছিল নতুন নতুন দিনেৰে আমাৰ শিবিৰ। ২৬/০২/২০২০ৰ দিনটো আছিল তৃতীয় দিন। সেইদিনাখন ৰাতিপুৱা, দুপৰীয়া আৰু আবেলি লগতে ৰাতিৰ কাৰ্যসূচী আছিল একে। তৃতীয়দিনাখনো সৰ্বধৰ্ম প্ৰাৰ্থনা হ'ল আৰু জয়পুৰ চহৰৰ এটা সমষ্টিৰ বিধায়ক প্ৰকাশ চলাকী আছিল সেই অনুষ্ঠানৰ নিমন্ত্ৰিত অতিথি। তেখেতক সম্বৰ্ধনা জনাই শিবিৰাৰ্থীৰ জ্ঞাতাৰ্থে ভাষণ দিবলৈ অনুৰোধ জনালে। তেখেতৰ বহুমূলীয়া ভাষণৰ পিচত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ল। আজি আমি বিহু নৃত্য পৰিৱেশন কৰিলোঁ। যেতিয়া আমি বিহু পোছাকযোৰ পিন্ধি ওলাই আহিছিলোঁ, সকলোৱে ফটো উঠিবৰ বাবে আহিছিল। সেই সময়খিনিত নিজকে গৰ্ব অনুভৱ হৈছিল। সেয়াও কি যে বুজাব নোৱাৰা অনুভূতি! আমিও অন্য ৰাজ্যবোৰৰ মানুহখিনিৰ লগত ফটো উঠিলোঁ, সেই মুহূৰ্তবোৰ চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবে। বহুত আনন্দ লাগে অসমৰ প্ৰতি থকা আন্তৰিকতা, স্নেহ, শ্ৰদ্ধা দেখি। ইয়াৰ সামৰণিৰ পিচত ৰাতিৰ আহাৰ গ্ৰহণ কৰি ১০ বজাত টোপনি মাৰিলোঁ।

পিচদিনা ২৭/০২/২০২০ তাৰিখে আন দিনবোৰৰ দৰে ব্যায়াম, খেলা-ধূলা, সকলো ৰাজ্যৰ প্ৰতিভা, কলা প্ৰদৰ্শন হ'ল। চিত্ৰাংকন, তৰ্ক প্ৰতিযোগিতা আদি হ'ল। সকলোকে ক'বলৈ একোটা বিশেষ বিষয় দিয়া হৈছিল— 'মেৰে সপ্‌নো কা ভাৰত কেস্যা হো' (মোৰ সপোনৰ ভাৰতখন কেনেকুৱা হ'ব লাগে)— এই বিষয়ৰ ওপৰত সকলোবোৰকে মন্তব্য ৰাখিবলৈ দিছিল। ইয়াৰ পিচত নিজৰ নিজৰ ৰাজ্যবোৰৰ নৃত্য-গীত আদি আন ৰাজ্যবোৰৰ শিবিৰাৰ্থীক শিকাবলৈ দিলে। আমিও হাৰিয়ানা, উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ৰাজস্থানৰ শিবিৰাৰ্থীক বিহু নৃত্য শিকালোঁ। আমি ৰাজস্থানৰ এক পৰম্পৰাগত লোক-নৃত্য 'ঘুমৰ' কিছু শিকিলোঁ। ইয়াৰ অন্তত বড়াপদ্মপুৰৰ চাক্‌চ নামৰ গাঁৱলৈ আমাক শিবিৰাৰ্থীবোৰক জৈন মন্দিৰৰপৰা শোভাযাত্ৰা কৰি লৈ যোৱা হৈছিল। শোভাযাত্ৰাৰ দ্বিতীয় শাৰীতে আছিলোঁ আমি। বিহু নৃত্য-গীত গাই, শ্ল'গান দি ফুৰ্তি কৰি গ'লোঁ। গাঁওখনত সাংস্কৃতিক অনুষ্ঠান পতা

হৈছিল। আমাৰ লগতে সকলো ৰাজ্যৰে শিবিৰাৰ্থীবোৰে সাংস্কৃতিক অনুষ্ঠানত আগভাগ ল'লে। 'ভাৰত কি সন্তান' অনুষ্ঠানটিও পাতিছিল। মই তাতো অংশগ্ৰহণ কৰিলোঁ। অনুষ্ঠান ভংগৰ পিচত বাছেৰে জৈন মন্দিৰলৈ লৈ আহিলে, য'ত আমাক থাকিবলৈ দিছিল। ১০-২০ বজাত ভাত খাই টোপনি মাৰিলোঁ। ২৮/০২/২০২০ তাৰিখে ৰাতিপুৱা, দুপৰীয়াৰ আৰু শ্ৰমদান কাৰ্যসূচী সমাপ্ত কৰি জয়পুৰ চহৰৰ শিৱদাসপুৰা নামৰ ঠাইৰ 'Government Senoir Secondary School, Bada Padampur'লৈ লৈ গৈছিল। সেই ঠাইতো শোভাযাত্ৰা কৰি গ'লোঁ। তাত বহু ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, গাঁওবাসী উপস্থিত আছিল। আমি অসমৰ বিহু নৃত্যটি পৰিৱেশন কৰিলোঁ আৰু আজিৰ দিনটিত 'ভাৰত কি সন্তান' অনুষ্ঠানটি হ'ল। ইয়াৰ সমাপ্তিৰ পিচত আটাইকে শিবিৰস্থলীলৈ লৈ আহিলে। আজিৰ দিনটো অতি আনন্দেৰে এনেকৈয়ে অতিবাহিত কৰিলোঁ।

০১/০৩/২০২০ তাৰিখৰ দিনটো আৰম্ভণি হ'ল। ৰাতিপুৱা শুই উঠি যুৱ গীত গাই ব্যায়াম কৰিলোঁ। তাৰ পিচত পতাকা উত্তোলন হ'ল। ইয়াৰ পিচত আহাৰ গ্ৰহণ কৰি অলপ শ্ৰমদান কৰিলোঁ। শ্ৰমদানৰ অন্তৰ পিচত পৰিষ্কাৰ হৈ সাজু হ'লোঁ। কিয়নো আজি জয়পুৰ চহৰৰ ভ্ৰমণলৈ নিব। বহুত ভাল লাগি আছিল। জীৱনৰ যেন এটা কেতিয়াও নেদেখা সপোন বাস্তৱায়িত হ'ব। কিছুমান সপোন আধৰুৱাকৈ অংকিত হয়, অংকন নোহোৱাকৈ ৰৈ যায়। আনন্দত যেন আত্মহাৰা হৈছিলোঁ সেই সময়খিনিত। ৯ বজাত জয়পুৰ চহৰ অভিমুখে আটায়ে ৰাওনা হ'লোঁ। জয়পুৰৰ জল মেহেল, এলবাৰ্ট হল, হাৱা মেহেল, জন্তৰ-মন্তৰ, বিলাৱা মন্দিৰ পৰিদৰ্শন কৰিলোঁ। ৰাজস্থানৰ অন্যতম খাদ্যৰ ভিতৰত লালমাচ, দাল-বাতি চুৰমা, মাৱা, কচোৰি আদিৰ অলপ অলপ সোৱাদ ল'লোঁ। এনেকৈ জয়পুৰ ভ্ৰমণ কৰি বন্ধু-বান্ধৱীৰ সৈতে অতিবাহিত কৰিলোঁ। দিনটো কেনেকৈ পাৰ হ'ল গমেই নাপালোঁ। তাৰপৰা আহি আকৌ পিচত অনুষ্ঠানৰ বাবে সাজু হ'লোঁ। গধূলি ৬ বজাত জয়পুৰৰ সগানেৰ নামৰ ঠাইলৈ লৈ যোৱা হৈছিল। সগানেৰত বিভিন্ন ৰাজ্যৰ আমি শিবিৰাৰ্থীবোৰে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিলোঁ। পঞ্জাৱৰ ভাংৰা, ৰাজস্থানৰ ঘুমৰ, মহাৰাষ্ট্ৰৰ লাৱনি নৃত্য, উৰিষ্যাৰ সম্বলপুৰী নৃত্য, কেৰেলাৰ কথক্‌কলি আদি উপভোগ কৰিলোঁ। এই অনুষ্ঠানটিৰ পিচত সৰ্বধৰ্ম প্ৰৰ্থনা কৰা হ'ল। শিবিৰলৈ বাছেৰে আহি ভাত খাই শুই পৰিলোঁ।

০২/০৩/২০২০ তাৰিখ। আজি শিবিৰৰ অন্তিমটো দিন। বাকীকেইটা দিনবোৰৰ দৰে আজিও ৪-৫৫ বজাত শুই উঠি যুৱগীত গাই, ব্যায়াম কৰিলোঁ। পতাকা উত্তোলন কৰা হ'ল। ইয়াৰ পিচত শ্ৰমদান হ'ল। শ্ৰমদান কাৰ্য সমাপ্তিৰ পিচত পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ ৰাতিপুৱাৰ আহাৰ খালোঁ। আজি কোনোধৰণৰ সাংস্কৃতিক অনুষ্ঠান ৰখা নাছিল। শ্ৰদ্ধাৰ ভাইজীয়ে কিছু সময় ফোনসেৱাৰ জৰিয়তে বক্তৃতা প্ৰদান কৰিছিল। তেখেতে যিখিনি বহুমূলীয়া ভাষণ প্ৰদান কৰিছিল, অতিশয় গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰটিৰ প্ৰতিষ্ঠাৰ লক্ষ্য, প্ৰতিষ্ঠা কৰোঁতে কেনেকুৱা ধৰণৰ অসুবিধাৰ সন্মুখীন হৈছিল, তেখেতৰ ভাষণৰ মাজে মাজে কৈ গৈছিল, লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটটিৰ বিষয়েও তেখেতে কৈছিল। তেখেতে যি সপোন দেখিছে, সকলোকে একতাৰ বান্ধোনেৰে ৰখা, সেয়া বহু পৰিমাণে সফল হৈছে। মই ভাষাৰে লিখি এই শিবিৰৰ কথা অন্ত পেলাব নোৱাৰিম। শিবিৰটিত যি ব্যক্তিয়ে অংশগ্ৰহণ কৰে, সেইসকলেহে অনুভৱ কৰিব পাৰিব। এছ.এন. সুব্বাৰাও ভাইজীৰ ভাষণৰ শেষত নিমন্ত্ৰণ কৰি অনা সন্মানীয় ব্যক্তিসকলে ভাষণ প্ৰদান কৰিলে। শিবিৰটি পৰিচালনা কৰা শ্ৰদ্ধেয় ব্যক্তিসকলেও চমুকৈ ভাষণ ৰাখিলে। তেখেতসকলক ধন্য মানিছোঁ। ইমান গধুৰ দায়িত্ব পালন কৰিছে! তেখেতসকলে অতি নিয়াৰিকৈ সুকলমে শিবিৰটি চলাই নিছে। আমাৰ অসমৰ দলটিৰপৰা তেখেতসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই ধন্যবাদ জ্ঞাপন কৰিছোঁ অসমৰ লগতে অন্য ৰাজ্যবোৰৰ শিবিৰাৰ্থীসকলক ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰ অনুষ্ঠিত কৰি জ্ঞান, নতুন অভিজ্ঞতা তথা প্ৰতিভা বিকাশ কৰাৰ সুযোগ দিয়াৰ বাবে। ভাষণৰ সমাপ্তিৰ লগে লগে আটায়ে মানপত্ৰ প্ৰদান কৰিলে। এই কাৰ্যসূচীবোৰ সমাপ্ত হোৱাৰ পিচত দুপৰীয়াৰ আহাৰ খালোঁ। ২ বজাত শিবিৰৰ পতাকা অৱনমন কৰি শিবিৰৰপৰা বিদায় ল'লোঁ। এই বিশেষ দিনবোৰ কেনেকৈ অতিবাহিত কৰিলোঁ গমেই নাপালোঁ। সকলোকে এৰি থৈ আহি এনেকুৱা লাগিছিল— আপোনবোৰ ক'ৰবাত হেৰাই গ'ল। এনেকৈ আটাইকে বিদায় দি আমাৰ লগতে সকলো শিবিৰাৰ্থীয়ে শিবিৰ স্থানৰপৰা বিদায় ল'লোঁ— সকলোকে পুনৰ লগ পোৱাৰ আশাৰে। জৈন মন্দিৰৰপৰা ইয়াৰ পিচত আমি জয়পুৰ চহৰৰ কিষাণ ভৱনলৈ গ'লোঁ। তাত বয়-বস্তুবোৰ থৈ অলপ জয়পুৰত ফুৰিলোঁ। ০৩/০৩/২০২০ তাৰিখে গুৱাহাটী অভিমুখে অহা এক্সপ্ৰেছত ০৫/০৩/২০২০ তাৰিখে গুৱাহাটী আহি পালোঁ। বহুত ভাল লাগিল এই দীঘলীয়া যাত্ৰাটো। জয়পুৰ চহৰলৈ যোৱা এই যাত্ৰাটো চিৰজীৱন স্মৰণীয় হৈ ৰ'ব। প্ৰতিটো ক্ষণ স্মৰণীয় হৈ ৰৈছে। মই আমাৰ গ্ৰুপৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ— সকলোৰে সহযোগিতা অবিহনে এই শিবিৰটি সফল কৰিব নোৱাৰিলোঁহেঁতেন। মোক শিবিৰলৈ নিৰ্বাচন কৰাৰ বাবে ৰাষ্ট্ৰীয় সেৱা গোটৰ সংগঠক দীপজ্যোতি দাস আৰু সংগঠনটি পৰিচালনা কৰা শ্ৰদ্ধেয় অসীম ৰঞ্জন শৰ্মা ছাৰদেৱ আৰু এডৱাৰ্ড ষ্টেডী এন্ চাংমা ছাৰদেৱক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ— মোৰ লগতে আন স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাকেইগৰাকীক শিবিৰলৈ গৈ জ্ঞান আহৰণ কৰাৰ সুবিধা দিয়াৰ বাবে। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটলৈ, এই শিবিৰলৈ নিমন্ত্ৰণী পত্ৰ দিয়াৰ বাবে অসম NYP প্ৰতিষ্ঠাপকলৈ বহুত ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে শিবিৰটিলৈ যাবলৈ অনুমতি প্ৰদান কৰাৰ বাবে মহোদয়ৰ ওচৰত আমি চিৰকৃতজ্ঞ। ■

# স্মৃতিৰ কোলাত শৈশৱ

◆ নিৰূপম দাস
স্নাতক তৃতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

শৈশৱ মানেই হাঁহি-ধেমালি, আনন্দ-উল্লাসেৰে ভৰা এখন সপোনপুৰী। গাঁৱলীয়া পৰিৱেশত প্ৰতিটো ঋতুতে নতুন অভিজ্ঞতা সঞ্চয় কৰি সুখৰ সোৱাদ পাইছিলোঁ। শৈশৱৰ শীতৰ সেমেকা পুৱাৰ কিছুমান আমোদদায়ক স্মৃতিয়ে আজিও আমনি কৰে। আহিন মাহত গছকত দুবৰিৰপৰা লাগি অহা নিয়ৰবোৰে শাৰদী ৰাণীৰ খবৰ দিছিল। শৰতৰ আগমনত দোকমোকালিতেই শুই উঠি চৌদিশে আমোলমোলাই থকা তলসৰা শেৱালি ফুল বুটলি ফুৰিছিলোঁ। শেৱালিৰ সুবাসত জীপাল হৈ উঠে পূজা পূজা লগা এটা অনাবিল আনন্দ। সন্ধিয়া দেউতাৰ চাইকেলত উঠি পূজা চাব যোৱা কথাবোৰ এতিয়াও সজীৱ হৈ আছে। বেলুন, চকলেট, পিষ্টল আৰু ক'ত যে কিমান! সেই স্মৃতিবোৰ এতিয়াও চকুৰ আগত ভাহি থাকে। পূজাৰ পাচতেই আহি পাই হিয়াৰ আমঠু কাতি বিহু। পুৱাই উঠি তুলসী ভেটি সাজি মচি-কাচি পুলিটো সযতনে ৰুইছিলোঁ। পদূলিত কলগছ ৰুইছিলোঁ। গধূলি তুলসী আৰু কলগছত চাকি দি ঘৰখন পোহৰাই তুলিছিলোঁ। গাঁৱত সকলোৱে বাটত কলগছ পুতি চাকি জ্বলাইছিল। তামোল-নাৰিকলৰ তলত, খেতি-পথাৰত তিৰ্‌বিৰাই জ্বলি থকা চাকিবোৰ দেখি মনতে বহুত আনন্দ লভিছিলোঁ। কাতি বিহুৰ সেইদিনা মানুহৰ ঘৰে ঘৰে গৈ খোৱা বুট-মাহৰ লগতে নাৰিকল মিহলি মিঠা প্ৰসাদ মোৰ অন্যতম প্ৰিয়।



আঘোণ মাহ আমাৰ বাবে যেন এটা সোণোৱালী মাহ। এফালে বছৰেকীয়া পৰীক্ষা শেষ হয় আৰু আনফালে পথাৰত ধান দোৱা আৰম্ভ হয়। স্বাধীনচিতীয়া মনটোৰ সৈতে একো বাধা নামানি উৰি ফুৰিছিলোঁ। ৰাতিপুৱাতে উঠি বেট-বল লৈ খেলিবলৈ গৈছিলোঁ। কেতিয়াবা ৰাতিপুৱাতে আঘোণৰ পথাৰত কোমল নৰা খাবলৈ বুলি গৰু এৰাল দিবলৈ মাৰ সৈতে ঢাপলি মেলিছিলোঁ। নিয়ৰৰ পানীত হাত-ভৰি তিতি আঙুলিবোৰ সেঙেটো লাগিছিল। নৰাবোৰে বৰ বেয়াকৈ কাটিছিল। এইবোৰ একোলৈকে কাণসাৰ নকৰি দুপৰীয়া আকৌ পথাৰত চাহ-জলপান দিবলৈ গৈছিলোঁ। পথাৰত বেছিভাগ সময় বৰদেউতা থাকে। লৈ যোৱা চাহ-জলপান বৰদেউতা আৰু মই ভগাই খাইছিলোঁ। বৰদেউতাই পথাৰত ধানৰ ভাৰ বান্ধি দিয়ে আৰু আমি ঠেলাৰে পথাৰলৈ ধান আনিবলৈ গৈছিলোঁ। আমাৰ খেতি কৰা মাটিডৰালৈ ঠেলা নিয়তো সম্ভৱ নাছিল, সেই বাবে এক নিৰ্দিষ্ট ঠাইলৈহে ঠেলা নিব পৰা গৈছিল। মাটিডৰাৰপৰা ঠেলালৈ আকৌ হুলাবাৰীৰে ধান কঢ়িয়াবলগা হৈছিল। বৰদেউতা, দেউতাহঁতে হুলাবাৰীৰে ধান কঢ়িওৱা দেখি ময়ো পিচ পৰি থকা নাছিলোঁ। বৰদেউতাই সৰু সৰুকৈ মোক ধান ভাৰ বান্ধি দিছিল। এইবিলাক কাম কৰাৰ সুখ যেন ক'তোৱেই নাই। ধান কটা, ধান ঘৰলৈ অনা— এইবোৰ কামত বহুদিন লাগে। ধান ঘৰলৈ অনাৰ পাচত আমি আটাইবোৰ ব্যস্ত হৈ যাওঁ মৰণা মৰাত। 'মৰণা' শব্দটোত লুকাই থাকে এক আৱেগ। আমাৰ বাবে মৰণা আছিল এক ক্ৰীড়াংগণ, য'তকেতিয়াও ভাগৰ নধৰে, অনবৰতে খেলি থাকিব মন যায়। খেৰৰ সৈতে খেলাৰ মজাই সুকীয়া আছিল। মৰণা মৰা শেষ হোৱাৰ পাচত আহে 'ন-খোৱা' দিন। সেইদিনা পৰিয়ালৰ আটাইবোৰে লগ লাগি এসাঁজ খাইছিলোঁ, ফুৰ্তি কৰিছিলোঁ। এনেদৰেই পাৰ হৈছিল সোণোৱালী শৈশৱ।

কিন্তু আধুনিকতাৰ মেৰপাকত পৰি এতিয়া সকলোবোৰ হেৰাই গ'ল। ডাঙৰ হৈ অহাৰ লগে লগে শৈশৱৰ এই সোণোৱালী অতীতবোৰ ক'ৰবাখিনিত হেৰাই থাকিল। ■

# লক্‌ডাউনৰ সময়ছোৱাৰ এক অনুভৱ



■ সুনীল দাস
স্নাতক তৃতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ

সমগ্ৰ বিশ্বত মহামাৰী ক'ৰোনা ভাইৰাছৰ আতংক। নিশ্চিত নহ'লেও বিভিন্ন সূত্ৰৰপৰা জানিব পৰা মতে এই ভাইৰাছৰ উৎপত্তি চীনৰ য়ুহান চহৰত হোৱা বুলি বিবেচিত কৰা হৈছে। এই ভাইৰাছে বৰ্তমান সমগ্ৰ বিশ্বতে এখনৰ পাচত এখনকৈ দেশ বিয়পি গৈ আছে আৰু এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। কি প্ৰথম বিশ্বৰ দেশ, কি দ্বিতীয়, তৃতীয়, চতুৰ্থ বিশ্বৰ দেশ; কোন উচ্চ, কোন নীচ— কোনোৱেই বাদ নপৰিল এই ভাইৰাছ সংক্ৰমণৰপৰা। বিজ্ঞ তথা বিজ্ঞানীমহলৰ বৰ্তমান চিন্তিত বিষয় হৈ পৰিছে ক'ৰোনা ভাইৰাছৰ পৰিত্ৰাণৰ উপায় বিচাৰি আৰু তাৰ বাবে সমগ্ৰ বিশ্বজুৰি পৰিস্থিতিৰ কথা চিন্তা-চৰ্চা কৰি প্ৰায়বোৰ দেশত তলাবন্ধৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ফলত য'ত যেনেকৈ মানুহবোৰ আছে, তেনেকৈয়ে থাকিবলগীয়া হ'ল। ইয়াৰ মূলতে হ'ল জনসমাগম বন্ধ কৰা আৰু সামাজিক ব্যৱধান অৱলম্বন কৰা। কিয়নো এই ভাইৰাছ জনসংক্ৰমণ কৰিব পৰা ৰোগ। ইয়াৰ বাবে মাস্ক পৰিধানৰ গুৰুত্বও অধিক। এই বিষয়ত চৰকাৰ তথা জনসাধাৰণে সতৰ্ক হৈ বিজ্ঞমহলে তথা চৰকাৰে দিয়া নিৰ্দেশনাবোৰ মানি চলিলে নিশ্চয়কৈ ইয়াৰপৰা পৰিত্ৰাণ পাব পাৰিম।

বৰ্তমানৰ মাৰাত্মক ক'ৰোনা ভাইৰাছৰপৰা নিজকে বচাই ৰাখিবলৈ বিশ্বৰ প্ৰায়বোৰ দেশতে তলাবন্ধৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ প্ৰতি সঁহাৰি জনাই আমি প্ৰতিজন নাগৰিকে নীতি-নিয়মবোৰ ভালদৰে পালন কৰিব লাগিব। তলাবন্ধৰ বাবে কোনোদিনেই আজৰি নোপোৱা পৰিয়ালৰ সদস্যসকলেও একেলগ হৈ সময় কটাবলগীয়া হ'ল; কিন্তু কিছুসংখ্যকৰ বাবে এয়াই এক ভৱিষ্যতৰ সু-জাননী দিলে। সময়ৰ সদ্‌ব্যৱহাৰ কৰি সময়ৰ লগত মিলি গৈ সময়ৰ গতিবেগত শৰ মাৰিলে একাংশ লোকে। কি শিশু, কি বৃদ্ধ, কি যুৱক, সকলোৰে ভিতৰত লুপ্তপ্ৰায়ী সুপ্ত প্ৰতিভাৰ এক বহিঃপ্ৰকাশ ঘটিবলৈ ধৰিলে। চিন্তাশক্তি গভীৰ হ'বলৈ ল'লে। কোনোৱে যদি গীত ৰচিলে, কোনোৱে আকৌ সেই গীতৰ সুৰ মিলালে, কোনোৱে নৃত্য কৰিলে। আকৌ বিশুদ্ধ পৰিৱেশনৰ উমান পাই কাৰোবাৰ মনত কবিতাৰ সৃষ্টি হ'ল। কোনোৱে যদি প্ৰকৃতিৰ ছবি অংকন কৰিলে, কোনোৱে আকৌ মানৱ জীৱনৰ বাবে অহা এই দুৰ্দিন কথা লিখিলে। ব'হাগৰ বিহুত ঢুলীয়াই ঢোলত ছেও দিব নোৱাৰি, নাচনী কঁকাল ভাঙিব নোৱাৰি লিখিলে মনৰ আৱেগৰ কথা। আৰু লিখিলে ব'হাগৰ বৰদৈচিলাৰ আগমনৰ কাহিনী। কোনোৱে আকৌ ন ন কিতাপ পঢ়িলে আৰু নৱ নৱ চিন্তাৰ উন্মেষ ঘটালে। এনেকৈ দিন অতিবাহিত কৰি গৈ আছে অধিকাংশ লোকে। এই ক্ষেত্ৰত প্ৰতিজন ব্যক্তিৰ বাবে নিজৰ প্ৰতিভা প্ৰকাশ কৰিবলৈ এক বিশেষ মঞ্চৰূপে থিয় দিছে সামাজিক মাধ্যমবোৰে। আকৌ প্ৰতিজন প্ৰতিভাশালী ব্যক্তিক অধিক উৎসাহিত কৰিছে বিভিন্ন সংগঠন, বিভিন্ন সামাজিক মাধ্যমে আয়োজন কৰা প্ৰতিযোগিতাবোৰে। এইবোৰৰ লগত জড়িত হৈছে প্ৰায় অধিকসংখ্যক শিক্ষাৰ্থীয়ে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে।

আনহাতে অপ্ৰিয় হ'লেও সত্য যে, অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়া পাঠ্যপুথিৰ লগতে প্ৰায় আনুষংগিক কিতাপ, ভাবধাৰাতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। যিবোৰে এজন ছাত্ৰক বা এজনী ছাত্ৰীক সম্পূৰ্ণৰূপে বিকাশ সাধন হোৱাত সহায় কৰিব। আকৌ দেশৰ ভিন্ন প্ৰান্তত প্ৰতিফলিত হ'ল শিল্পকলাৰ। কোনোৱে যদি কাঠত প্ৰতিচ্ছবি খোদিত কৰিলে, কোনোৱে বাঁহৰপৰা আতকধুনীয়া সামগ্ৰী তৈয়াৰ কৰিলে। বাৰীত পৰি থকা পেলনীয়া সামগ্ৰীবোৰকো নৱ ৰূপ দি ঘৰৰ অতিথিশালা শুৱনি কৰিলে। পেলনীয়া কাগজৰ টুকুৰাকো বিভিন্ন আকৃতিত ৰূপ দিলে।

এয়াই প্ৰতিভা। এনেকৈ কষ্টসাধ্য দুৰ্দিনত নিজকে বচাই দিন পাৰ কৰি গৈ আছে প্ৰতিজন নাগৰিকে। এয়া যিয়েই নহওক, নিজকে ব্যস্ত ৰাখিবলৈয়ে হওক বা অন্য কিবা; কিন্তু আমি সকলোৱে লাভ কৰি গৈ আছোঁ কিছুমান নতুন উত্তৰৰ। প্ৰকৃততে যি কোনো সৃষ্টিৰ আগমুহূৰ্তত প্ৰত্যেকে তেনে এক বিশেষ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব, যিয়ে তেওঁলোকক সৃষ্টিৰ বাবে প্ৰেৰণা যোগাব।

মৃত্যুৰ ভয়ত কম্পমান সমগ্ৰ বিশ্ব। অজান শত্ৰুক ৰোধ কৰিব নোৱাৰি গৃহবন্দী জনতা। এনে পৰিস্থিতিৰ প্ৰভাৱ শিক্ষাৰ ক্ষেত্ৰতো। নিয়মীয়া আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ পৰিৱৰ্তে নিজৰ জীৱন বচাবৰ বাবে

সকলো ঘৰতে আবদ্ধ হৈছে। বৰ্তমান লক্‌ডাউনৰ চতুৰ্থ পৰ্যায় চলি আছে। প্ৰায় দুমাহতকৈও অধিক সময়ৰ বাবে শিক্ষাৰ্থীসকলে বঞ্চিত হৈ আছে নিজৰ শিক্ষানুষ্ঠানসমূহৰপৰা। তেনে পৰিপ্ৰেক্ষিতত বিজ্ঞমহলে চিন্তা-চৰ্চা কৰি গ্ৰহণ কৰিছে অন্‌লাইন পদ্ধতিত শিক্ষাদান ব্যৱস্থা; কিন্তু বহুতো শিক্ষাৰ্থীৰ মনত প্ৰশ্ন উদয় হৈছে—

বৰ্তমান ডিজিটেল যুগ, সেয়া কিমান সুবিধাজনক?

সকলো ঠাইতে নেটৱৰ্কৰ সুবিধা পায়নে?

সকলোৰে ব্যৱহাৰৰ সঁজুলি আছেনে?

নে এই দুৰ্যোগৰ সময়ত ক্ৰয় কৰি দিব পাৰিব উপযুক্ত শিক্ষণ সঁজুলি!

এনেবোৰ কথাৰ উত্তৰ বিচাৰিলে হয়তো পাম চহকী পৰিয়ালৰ আইফোন ম'বাইলৰপৰা দৰিদ্ৰ পৰিয়ালৰ কৃষকৰ নাঙলৰ মুঠিলৈ। একাংশ শিক্ষকৰ যদিও শিক্ষণ সঁজুলি আছে, কিন্তু উপযুক্ত সুবিধা নাপায়। আকৌ শিক্ষাৰ্থীসকলৰো একে দশা। কোনোৱে ঘৰত সকলো সুবিধা পাইছে যদিও কোনো অঞ্চলত বৰষুণৰ আগজাননীতে বিদ্যুতৰ লগতে উপযুক্ত নেটৱৰ্ক কৰ্তন হয়। কোনো অঞ্চলত হয়তো এতিয়াও উপযুক্ত নেটৱৰ্ক ব্যৱস্থা সুচল হৈ উঠা নাই, কোনোবাৰ আকৌ হাতত নাই ব্যৱহাৰৰ সঁজুলি! নিৰুপায় সকলো। যাৰ বাবে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখন হ'বলগীয়া হৈছে। ইয়াৰ লগে লগে চিন্তা হৈছে শিক্ষানুষ্ঠানবোৰ খোলাৰ লগে লগে পৰীক্ষাত বহিব লাগিব নেকি? আকৌ প্ৰায় আঢ়ৈ মাহৰ অন্তত যদিও শিক্ষানুষ্ঠান খোলে, তেতিয়াও সহজতে শিক্ষাৰ্থীসকলে নিজৰ শিক্ষণ শৈলীৰ লগত সাঙোৰ খাই নিজকে আগবঢ়াই নিবলৈ নিশ্চয়কৈ সমস্যাৰ সন্মুখীন হ'ব। সময় যে কাৰো বাবে বৈ নাথাকে। এনেধৰণে শিক্ষাৰ ক্ষেত্ৰখনত যথেষ্ট প্ৰভাৱ পৰিছে।

সিদ্ধান্ত আপোনালোকৰ, কৰ্তব্য আমাৰ। বৰ্তমান পৰিস্থিতিত শৈক্ষিক ক্ষেত্ৰৰ লগত সংযোগ বিচ্ছিন্ন হোৱাৰপৰা ৰক্ষা কৰিবলৈ লোৱা অন্‌লাইন শিক্ষা ব্যৱস্থাৰ নিশ্চয় শলাগ লৈছোঁ; কিন্তু সকলো শিক্ষাৰ্থী অৰ্থনৈতিকভাৱে স্বচ্ছল নহয়। কিছুসংখ্যক কলেজীয়া শিক্ষাৰ্থীৰ হাতত এতিয়াও নাই ম'বাইল ফোন। একে পৰিস্থিতি নিম্ন শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰো। বয়সৰ অনুপাতে ব্যৱহাৰশৈলী সম্পূৰ্ণৰূপে জ্ঞাত নহয়। এয়া হৈ পৰিছে তেনে শিক্ষাৰ্থীৰ বাবে এক জটিল সমস্যা। কিমানৰ বাবে এয়া গ্ৰহণযোগ্য? বয়স অনুপাতে একাংশৰ হাতত অত্যাধুনিক সঁজুলি বা মাধ্যম তুলি দিলে হ'ব পাৰে ধ্বংসৰ কাৰক। এয়াও এক চিন্তাৰ বিষয়। মন-মগজুৱে ঢুকি পোৱাকৈ যিদৰে আনুষ্ঠানিকভাৱে মৰমেৰে শিক্ষা প্ৰদান কৰিলে শিক্ষাৰ্থীয়ে জ্ঞান সহজে আয়ত্ত কৰে, কিন্তু অন্‌লাইনত সেয়া সম্ভৱ নহয়। আকৌ শতাধিক শিক্ষাৰ্থীক একেলগে অন্‌লাইনত শিক্ষা দিব পৰাকৈ শিক্ষকসকলৰ হাতত নাই উপযুক্ত সঁজুলি। বৰ্তমান পৰিস্থিতিত দোষাৰোপ কাকো কৰিব নোৱাৰি। সকলোৱে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে যদিও শৈক্ষিক দিশৰ কথা নিশ্চয়কৈ অনুভৱ কৰিছে— নিজৰ কথা, নিজৰ সন্তানৰ কথা, ভৱিষ্যতৰ কথা। শেষত অনুৰোধ— শিক্ষাৰ্থীক হেঁচা প্ৰয়োগ নকৰিব। শিক্ষাৰ্থীৰ ক্ষমতাৰ কথা বুজ লৈ সিদ্ধান্ত গ্ৰহণ কৰক। ভৱিষ্যতৰ কথা ভাবক। নিজৰ লগতে আনৰ উপকাৰৰ কথা ভাবক। সুস্থ মনত সৎ চিন্তাৰ উদ্ভৱ ঘটোৱা। কিয়নো আজিৰ ছাত্ৰ ভৱিষ্যতৰ নাগৰিক। ■



# আইতাৰ ভাষাৰে জোনাকী বাটেৰে

■ হীৰকজ্যোতি মালী
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

সমাজ সংস্কাৰৰ হেঁচাত নাৰী যেন এক মানৱ যন্ত্ৰ হৈ পৰিছিল। নাৰী লোকৰ ঘৰৰ বাবে যেন তৈয়াৰী এক সামগ্ৰী। ছোৱালী ঋতুমতী হোৱাৰ আগতে দৰা বিচাৰি নাপালে মাক-বাপেকৰ মূৰত চিন্তাৰ পাহাৰখন খহি পৰে।

হয়, আজিৰপৰা ৭০-৮০ বছৰৰ আগৰ কথা। ৪২ৰ আন্দোলনৰ কথা ভালদৰেই জানো। কুমাৰ মাটি খোৱা ডাঙৰ ডাঙৰ গাঁতত লুকাইছিলোঁ। সেই তেতিয়াৰ সমাজখনৰ কথা, সমাজ ব্যৱস্থাৰ ৰীতি-নীতিৰ কথা। ছোৱালী জন্ম পালেই ঘৰৰ মানুহবোৰে দৰা বিচৰাত ব্যস্ত হৈ পৰিছিল। বাটৰ ধূলি-মাটিৰে ওমলি-জামলি থকা ৯-১০ বছৰীয়া ছোৱালী এজনীৰ বাবে ৪০-৫০ বছৰীয়া দৰা এটা পালেও যেন ৰক্ষা। হয়, সেই সময়ত প্ৰচলিত আগবিয়া আৰু পাচবিয়া।




পুষ্পিতা (ধোৱনি/তোলনী) হোৱাৰ আগতে পাতিছিল এই আগবিয়া। যিটো বৰ্তমান সময়ৰ সমাজৰপৰা নাইকিয়া হ'ল। এয়া নাৰীসকলৰ পৰম সৌভাগ্য; কিন্তু সেই তাহানিৰ সমাজৰ ছোৱালীয়ে নাজানিছিল এইবোৰ কথা। ওমলি-জামলি থাকে লগ-সমনীয়াৰ লগত। তেনে অৱস্থাতে দৰাই ইষ্ট-কুটুম্বৰ লগত আহি ছোৱালীজনী চাই বিয়াৰ দিন-বাৰ ঠিক-ঠাক কৰে। সাম্প্ৰতিক সময়ৰ বিয়াৰ দৰে আগবিয়াতো বিয়াৰ আগদিনা দৰাঘৰৰ মানুহ আহি কইনাজনীক জোৰোণ পিন্ধাই যায়। ভালদৰে সামৰি-সুতুৰি ৰাখিব নোৱাৰা অকণমানিজনীয়ে মেখেলা-চাদৰ পিন্ধি বৰ আনন্দও পাইছিল। পিচে তাই নাজানেই— এই আয়োজন কিহৰ? বিয়াৰ আগদিনা উপবাসে থাকি নিশা পাৰ কৰাই পিচদিনা শোৱাপাটীৰপৰা উঠিয়ে মাকৰ পিচে পিচে চকু মোহাৰি মোহাৰি কান্দিবলৈ ধৰে। লাহে লাহে কলপাতৰ ৰভা দেখি তাই আনন্দতে অধীৰ হৈ আহে আৰু লাহে লাহে লগৰ চেমনীয়াৰ লগত পাঁচগুটি, কড়ি খেলিব ধৰে। বেলি যিমানে মূৰৰ ওপৰলৈ উঠে, অঙহী-বঙহীৰে ৰভাতলি পূৰ হয়। ধূলি-বালিৰে লুতুৰি-পুতুৰি হৈ থকা ছোৱালীজনীক কলৰ তলত নুৱাই কপালত সেন্দূৰেৰে এটা ডাঙৰ ফোঁট দি ৰিহা-মেখেলাৰে সজাই-পৰাই সমনীয়াৰ লগত বহাই থৈ দিয়ে। সাজ সন্ধ্যাতে লালকাল দিয়া কইনাজনীক ৰাতি দৰা হোমৰ গুৰি পোৱাৰ পিচত কোনোমতে চকুৰে-মুখে পানী ছটিয়াই কোলাত তুলি আনি হোমৰ গুৰিত বহাই দিয়ে। গাঁৱৰে কোনো বুঢ়ী বা জ্যেষ্ঠ নামতীয়ে হালি-জালি পৰি যাব খোজা কইনাজনীক ধৰি-মেলি বিয়াখন পাৰ কৰাই দিয়াত সহায় কৰে। পুৱতি নিশা ঘৰত মাক-বাপেকৰ কান্দোনৰ ৰোল। পিচে কইনাজনীৰ মনত বৰ ফুৰ্তি; কিয়নো তাই দোলাত উঠি দৰাৰ ঘৰলৈ যাব! তাইৰ হেঁপাহ বাৰে বাৰে পৰি যোৱাৰ ওৰণিখন মূৰত লৈ থাকিবৰ। এদিন বা দুদিন পাচত তেনেকৈ ঘূৰিও আহে। আগবিয়াৰ পিচত তাই আকৌ দৰাৰ ঘৰলৈ যাব নোৱাৰে। আগৰ সেই চেমনীয়াৰ লগত খেলা-ধূলা কৰে। সময় পাৰ হোৱাৰ লগে লগে তাই এদিন পুষ্পিতা হয়। পুষ্পিতা হোৱাৰ চাৰিদিন পিচত প্ৰায়শ্চিত্ত হোৱাৰ দিনা আলহী, ইষ্ট-কুটুম্ব সহিতে দোলাৰে নি দৰাঘৰত থৈ আহে। পিচত দৰাঘৰত হোম পুৰি পাচবিয়াখন সমাপন কৰে।

সেই সময়ৰ সমাজ ব্যৱস্থা আছিল অতি নিম্ন পৰ্যায়ৰ। ছোৱালী তোলনী হোৱাৰ আগতে যদি ছোৱালীৰ মাক-বাপেকে দৰা বিচাৰি নাপায়, তেতিয়া মাক-বাপেকৰ মূৰত চিন্তাৰ সৰগখন খহি পৰিছিল। অতিকৈ পৰিতাপৰ কথা আছিল, আগবিয়া হৈ যোৱা ছোৱালীজনী মাকৰ ঘৰত থকা অৱস্থাত যদি তাইৰ স্বামীৰ মৃত্যু ঘটে, তেতিয়া তাই আজীৱন বৈধব্য ব্ৰত পালন কৰিবলগীয়া হয়। স্বামীৰ মৃত্যুৰ বাতৰিয়ে তাইৰ জীৱনলৈ নমাই আনে অমানিশা, অন্য এক অস্বাভাৱিক পৰিৱৰ্তন; কিন্তু এই পৰিৱৰ্তন ফুলকুমলীয়া ছোৱালীজনীৰ ওপৰত সমাজখনেহে জাঁপি দিয়ে অথবা সমাজৰ তাড়নাই বাধ্য কৰায়। শোকৰ বাতৰিৰ লগে লগে তাইক নাদৰ পাৰত লৈ গৈ

গা ধুৱাই তাইৰ গাৰপৰা সকলো আ-অলংকাৰ, ৰঙীণ সাজ আঁতৰাই এযোৰ বগা সাজ আঁৰি দিয়ে আৰু সেইদিনাৰেপৰা তাই সমনীয়া, বন্ধু-বান্ধৱ, খেলা-ধূলা আনকি মাকৰ হাতৰ ভাতসাঁজো ত্যাগ কৰিবলগীয়া হয়। স্বামীৰ মৃত্যুৰ দিনাৰপৰাই তাইক ঘৰৰ মজিয়াৰ খুঁটাটোক স্বামী বুলি ভাবিবলৈ বাধ্য কৰায়। তদুপৰি চোতালৰ এমূৰে চালি ঘৰ এটা সাজি তাইক তাতে চৰু পাতি দিয়ে।

সৌ সিদিনা ধূলি-বালিৰে ওমলি থকা ছোৱালীজনীয়ে বহু কথাই বুজি উঠে। তাই সমনীয়াৰ লগত খেলিবলৈ নোযোৱা হ'ল, সমনীয়াৰ বিয়াত আগভাগ ল'ব নোৱাৰা কথাও তাই বুজিব পৰা হ'ল, কইনা নোওৱাতো তাই যাব নোৱাৰে। তাই অইন বিধৱাসকলৰ লগত 'বিধৱাৰ পাগ' ৰন্ধাত ব্যস্ত হৈ পৰে।

সময়ৰ গতিত সমাজলৈ কিছু পৰিৱৰ্তন আহিল যদিও এই পৰিৱৰ্তন নাৰীসকলৰ বাবে বৰ ফলপ্ৰসূ নহয়, যদিওবা সমাজৰপৰা আগবিয়াৰ প্ৰথাটো নাইকিয়া হ'ল; কিন্তু সেই বিধৱাসকলৰ নিয়ম-নীতি, তেওঁলোকক কৰা অৱহেলা, ব্যৱস্থা আজিও একেই থাকিল। বৰ বিশেষ সলনি নহ'ল। এইখিনিতে সেই তাহানিৰ সমাজখনৰপৰা অলপ ফালৰি কাটি আহি যদি চোৱা হয়, কোনো স্থানত কোনো মাতৃৰ সন্তানে যদি কোনো বিধৱা নাৰীক সামাজিক প্ৰথামতে বিয়া কৰাব বিচাৰে, তাত নিজৰ মাকগৰাকীয়ে হেঙাৰ হৈ থিয় দিয়ে। কিয়? তেনেকুৱা বিধৱা নাৰী এজনী বিয়া কৰালে জানো ল'ৰাজনৰ জীৱনটো পংগু হয়? ঘৰখন অশুচি হয়? নে সমাজখন অশুচি হয়? বহুতো প্ৰশ্নই মূৰ দাঙি উঠে। এই ক্ষেত্ৰত হয়তো সেই সন্তানৰ মাকগৰাকীৰো কোনো হাত নাই। এয়াও যেন সমাজৰেই হেঁচা। সমাজখনৰে ৰীতি-নীতি। এইখনেই জানো সমাজ? আমি বিজ্ঞান-প্ৰযুক্তিৰ কথা কওঁ— প্ৰকৃতাৰ্থত আমি জানো বিজ্ঞান-প্ৰযুক্তিৰে আগবাঢ়িব পাৰিছোঁ? ভাবক আৰু চিন্তা কৰক। ■

**সংগ্ৰহ ঃ** আজো আইতা (স্বৰ্গীয়া ৰশ্মি কুমাৰী)।
**প্ৰসংগ পুথি ঃ** 'এখন সাগৰ অলেখ নৈ', ভাস্কৰ গোস্বামী।

# সপোন যেন দিঠকত পৰিণত হ'ল

**■ দীপশিখা দাস**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, কলা শাখা

২২ ছেপ্তেম্বৰ, মংগলবাৰ। আজি মোৰ কলেজৰ প্ৰথম দিন। প্ৰথম দিন বুলি ক'লৈই এক নতুন শিহৰণ। নতুন ক্লাছ, নতুন ফ্ৰেইণ্ড আৰু নতুন Syllabus। সেই নতুনবিলাকৰ মাজত সজীৱ হৈ উঠিছিল। মোৰ যেন সিদিনা চকু-মুখত এক পৰম তৃপ্তি। ক'লা চুলিকেইডাল বান্ধি উৰ্ণাখন ডিঙিত মেৰিয়াই মুখত এটি মিঠা হাঁহি লৈ মিৰ্জা অভিমুখে অহা গাড়ীত বহিছিলোঁ। মনত অলপ ভয়, অলপ সাহস লৈ আগবাঢ়িছিলোঁ মোৰ সপোনৰ কলেজখনলৈ। গাড়ীৰপৰা নামি দেখিলোঁ— ডাঙৰ ডাঙৰ আখৰেৰে লিখা 'দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা' বুলি থকা সেই গেটখন। গেটখনৰ ওচৰত অলপ সময় থমকি ৰৈ জ্ঞানৰ সেই আলয়খনক সেৱা জনালোঁ। এই সপোনটো তেতিয়াৰে, যেতিয়া মই স্কুলত পঢ়ি আছিলোঁ আৰু মই বুজি উঠিছিলোঁ যে, ডাঙৰ হ'লে ময়ো কলেজলৈ যাম! এই আশা বুকুত বান্ধি মই নিজৰ পঢ়াত মনোযোগ দি মিৰ্জাস্থিত সেই বিখ্যাত কলেজখনত পঢ়াৰ সপোন দিঠকত পৰিণত কৰাৰ চেষ্টা চলালোঁ। তেনেদৰে দিনৰ পাচত দিন বাগৰিল আৰু মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰিলোঁ আৰু মোৰ সেই সপোনৰ কলেজখনত নামভৰ্তি কৰিলোঁ। কলেজত নামভৰ্তি কৰাৰ পিচতো ক'ৰোনা মহামাৰীৰ বাবে গোটেই স্তব্ধ হৈ পৰাৰ বাবে আমাৰ পাঠদান কাৰ্যসূচীও অলপ পিচুৱাই গৈ ছেপ্তেম্বৰৰপৰা কাৰ্যক্ৰমসমূহ চলিবলৈ আৰম্ভ কৰিছিল। সেই ছেপ্তেম্বৰ মাহৰ ২২ তাৰিখটো আহি পৰিল। মই সেই দিনটো বহুদিনৰপৰা আশা কৰি আছিলোঁ। সেই দিনটো, সেই মুহূৰ্তটো আজি আহি পৰিল। মই গেটৰ সন্মুখতে থমকি ৰৈ এই আগৰ কথাবোৰ মনত পেলাই থাকোঁতে মোৰ বান্ধৱীজনীয়ে মাত লগালে আৰু আমি দুয়ো গেটৰ ভিতৰলৈ সোমাই গ'লোঁ। কলেজৰ সুন্দৰ পৰিৱেশ দেখি মই আচৰিত হৈছিলোঁ আৰু পোনে পোনে দুয়ো ক্লাছৰুমলৈ সোমাই গ'লোঁ আৰু তেনেকৈয়ে ক্ৰমান্বয়ে তিনিটা ক্লাছ কৰিলোঁ আৰু সেইদৰে আমি, মই আৰু বান্ধৱীজনী কলেজখনৰ গোটেই চাৰিওফালে ঘূৰি-পকি চাই উলাহত মতলীয়া হৈ পৰিছিলোঁ আৰু আকৌ মই উপলব্ধি কৰিলোঁ যে, সঁচাকৈয়ে মোৰ সপোন দিঠকত পৰিণত হ'ল। ■

# প্ৰাচীৰ পত্ৰিকা

**মহাবিদ্যালয়ৰ দেৱালৰ বুকুৱে বুকুৱে সেউজীয়া প্ৰাণৰ ভাষা....**

**২০১৯-২০ ইং বৰ্ষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত প্ৰকাশ পোৱা বিভিন্ন প্ৰাচীৰ পত্ৰিকাসমূহৰ আংশিক ৰূপ দাঙি ধৰা হ'ল**




**অংকুৰ ঃ** মহাবিদ্যালয়ৰ মুখ্য প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰদ্বাৰা প্ৰকাশিত হয়। মহাবিদ্যালয় সপ্তাহ আৰু বিশেষ মহাবিদ্যালয় উৎসৱত প্ৰকাশিত এই প্ৰাচীৰ পত্ৰিকাখনৰ এইবাৰৰ প্ৰকাশটো সুন্দৰকৈ সম্পাদনা কৰে প্ৰজ্ঞান চৌধুৰী আৰু তত্ত্বাৱধায়কৰ দায়িত্বত থাকে অধ্যাপিকা ড° জিলমিল বৰা।




**সেৱাজ্যোতি ঃ** মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' গোটৰপৰা 'সেৱাজ্যোতি'খন বছৰি প্ৰকাশ কৰা হয়। এইবেলিৰ পত্ৰিকাখনৰ উন্মোচক আছিল অধ্যাপক ড° কুমুদ ভাগৱতী।




**অংগনা ঃ** মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ দেৱাল শুৱনি কৰা 'অংগনা' শীৰ্ষক পত্ৰিকাখন বিশেষতঃ নাৰী বিষয়ক নানা লেখাৰে সমৃদ্ধ। সুন্দৰ বেটুপাতে পত্ৰিকাখনক অধিক সুন্দৰ কৰি তুলিছে। এইবেলিৰ পত্ৰিকাখনৰ উন্মোচক আছিল অধ্যাপিকা দিপিকা দেৱী।




**দৃষ্টি ঃ** মহাবিদ্যালয়ৰ ১নং ছাত্ৰাৱাসৰ ছাত্ৰসকলৰ ঐকান্তিক প্ৰচেষ্টা, চিন্তা আৰু শৈল্পিক প্ৰতিভাৰ সাক্ষীস্বৰূপ প্ৰাচীৰ পত্ৰিকা 'দৃষ্টি'। প্ৰেম আৰু শান্তিক মূল বিষয় হিচাপে লৈ সজাই তোলা এই পত্ৰিকাখন উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰে।




**অভিলাষী ঃ** 'অভিলাষী' মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ প্ৰাচীৰ শুৱনি কৰা পত্ৰিকা। এইবাৰৰ পত্ৰিকাখনত ছাত্ৰীসকলৰ নানাৰঙী চিন্তা আৰু অংগসজ্জাৰ কৌশল প্ৰকাশ পাইছে। 'অভিলাষী'ৰ এইবাৰৰ সংখ্যাটি উন্মোচন কৰিছে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা।




**অনুৰণন ঃ** অসমীয়া বিভাগৰ শিক্ষাৰ্থীৰ চিন্তাশিল্পৰ অনুৰণন ঘটা 'অনুৰণন' হৈছে এখন উৎকৃষ্ট মানদণ্ডৰ প্ৰাচীৰ পত্ৰিকা। বিচিত্ৰ বিষয়ক লেখা আৰু চমকপ্ৰদ অলংকৰণেৰে সু-সজ্জিত হৈ উঠা এই পত্ৰিকাখনৰ উন্মোচক আছিল মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া।




**পলিফনি ঃ** ইংৰাজী বিভাগৰদ্বাৰা প্ৰকাশিত 'পলিফনি' বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য আৰু শৈল্পিক প্ৰতিভাৰ উৎকৃষ্ট প্ৰকাশ। এইবাৰৰ পত্ৰিকাখনৰ বিষয় আছিল 'উত্তৰ-পূব ভাৰতৰ বিভিন্ন অগ্ৰণী মহিলা লেখিকাৰ প্ৰতিফলন'। প্ৰচীৰ পত্ৰিকাখনি উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰজ্যোতি দাসদেৱে।



**ইনোভেচন ঃ** মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰপৰা প্ৰকাশিত 'ইনোভেচন' এখন উন্নত মানদণ্ডৰ প্ৰাচীৰ পত্ৰিকা। অৰ্থনীতি বিজ্ঞান বিষয়ক ভিন্ন লেখাৰে সজাই তোলা এই প্ৰাচীৰ পত্ৰিকাখনৰ উন্মোচক আছিল শ্ৰদ্ধাৰ ড° ধৰণীধৰ মালী।




**জ্ঞানম্ ঃ** মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰপৰা প্ৰকাশিত 'জ্ঞানম্' পত্ৰিকাখন বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান অন্বেষণৰ মূৰ্ত প্ৰকাশ। সুন্দৰ বেটুপাত আৰু অংগসজ্জাৰে প্ৰকাশিত এই পত্ৰিকাখন উন্মোচন কৰে অধ্যক্ষ ড° নৰজ্যোতি দাসদেৱে।




**দ্য লাইচিয়াম ঃ** ভূগোল বিভাগৰপৰা প্ৰকাশিত 'দ্য লাইচিয়াম' শীৰ্ষক পত্ৰিকাখন ভূগোল বিষয়ক নানা লেখাৰে সমৃদ্ধ। বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ ঐকান্তিক প্ৰচেষ্টাৰে প্ৰকাশ কৰি উলিওৱা এইবাৰৰ পত্ৰিকাখনৰ উন্মোচক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰজ্যোতি দাসদেৱে।




**সংগম ঃ** বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্নৰঙী চিন্তা আৰু শিল্পকলাৰ সংগমেৰে প্ৰস্তুত কৰি উলিওৱা হৈছে প্ৰাচীৰ পত্ৰিকা 'সংগম'। 'সংগম'ৰ শেহতীয়া প্ৰকাশৰ উন্মোচক আছিল ড° মাধুৰী শইকীয়া বাইদেউ।




**মাৰ্গ ঃ** দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দৰ্শন-মননৰ অন্যতম চানেকীস্বৰূপ প্ৰাচীৰ পত্ৰিকা 'মাৰ্গ'। 'মাৰ্গ'ৰ এইবেলিৰ প্ৰকাশৰ উন্মোচক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰ।



**ব'টানিকা ঃ** উদ্ভিদ বিজ্ঞান বিভাগৰ শিক্ষক-শিক্ষাৰ্থীৰ যৌথ প্ৰচেষ্টাত এই প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰা হয়। এই পত্ৰিকাখনৰ উন্মোচক আছিল বিভাগীয় মুৰব্বী অধ্যাপক শ্ৰীযুত কৰুণাকান্ত দাস। বিশেষতঃ শিল্পগত সৌন্দৰ্যই পত্ৰিকাখনক অনন্য ৰূপত জিলিকাই তুলিছে।




**দ্য ইউনিভাৰ্চ ঃ** পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰচেষ্টাৰে প্ৰস্তুত কৰি উলিওৱা 'দ্য ইউনিভাৰ্চ' পত্ৰিকাখনত বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন লেখা, শৈল্পিক প্ৰতিভা পৰিস্ফূট হৈ উঠিছে। পদাৰ্থ বিজ্ঞানৰ বিভিন্ন লেখা আৰু অংগসজ্জাৰে সজাই তোলা হৈছে। এই পত্ৰিকাখন উন্মোচন কৰে বিভাগীয় অধ্যাপক ড° অঞ্জন বুঢ়াগোহাঁই ছাৰে।




**অন্বেষণ ঃ** ৰাজনীতি বিজ্ঞান বিষয়ক বিভিন্ন বিষয়ৰ অন্বেষণেৰে প্ৰস্তুত কৰি উলিওৱা 'অন্বেষণ' বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ চিন্তা আৰু শৈল্পিক কৰ্মৰ অন্যতম বহিঃপ্ৰকাশ। অধ্যক্ষ ড° নৰজ্যোতি দাসৰদ্বাৰা এই পত্ৰিকাখন উন্মোচন কৰা হৈছিল।



**এট'মিকা ঃ** মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰদ্বাৰা প্ৰকাশিত 'এট'মিকা' পত্ৰিকাখন বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা-চৰ্চাৰ অন্যতম ফচল। ৰসায়ন বিজ্ঞানৰ বিভিন্ন সঁজুলিৰ আৰ্হি আৰু বিচিত্ৰধৰ্মী লেখাৰ সমাহাৰ ঘটা এই পত্ৰিকাখনৰ এইবাৰৰ সংখ্যাটি উন্মোচন কৰে বিভাগীয় মুৰব্বী অধ্যাপক ড° নগেন শৰ্মা ছাৰে।




**মেথামেটিকা ঃ** গণিত বিভাগৰ প্ৰচেষ্টাৰে প্ৰস্তুত কৰি উলিওৱা 'মেথামেটিকা' পত্ৰিকাখনত বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন লেখা, শৈল্পিক প্ৰতিভা পৰিস্ফূট হৈ উঠিছে। গণিত বিভাগৰ বিভিন্ন লেখা আৰু অংগসজ্জাৰে সজাই তোলা হৈছে।

# CHANDUBI
# A FIELD REPORT

Report prepared by–
**B.A. 3rd Sem. Students, Deptt. of Economics (Honours)**

**INTRODUCTION :**

Chandubi is one of the most famous picnic spots of Assam, located in the Rabha Hasong Autonomous Council of Kamrup district. It is situated at a distance of 64 kilometers from the city of Guwahati and 33 kilometers from Mirza. The place is mainly famous for Chandubi Lake. It is a natural lake or wetland which was formed in the year 1897, due to a massive earthquake in Assam During that period the forest went down and became the lake. The lake is inside Barduar Reserve Forest, located at the foot of Garohills, surrounded by Assam and Meghalaya. The lake is a biodiversity hotspot, where several migratory birds visit the place every year. Another key attraction of Chandubi is the Chandubi Festival. It started in the year 2010 which is neld every year since then, during the first week of January. The Chandubi Festival is a five day long celebration, which witnesses a display of variety of traditional and ethnic culture. The major aim of Chandubi Festival is to promote ecotourism in this bio-diversity hotspot of Assam. Every year a large number of tourists and people from all over the state visit Chandubi Festival. The place is also popularly visited because of its immense natural beauty and heritage.



**NATURAL SCENARIO AND ENVIRONMENT OF CHANDUBI :**




Natural beauty is a key feature of Chandubi. The Chandubi Lake is one of the beautiful lakes of Assam and among the best places to experience the natural richness of our state. The lake covers an area of 300 hectares of land. It is a natural sightseeing and a perfect place to experience Mother Nature in its purest form. This lake attracts a sizable amount of migratory birds during winter. As the lake is located inside a forest reserve, it is a potential site for bird conservation. The beauty of the lake and its surroundings lays a charm-that lures a huge number of tourists who visits the sight to relax in the lap of nature. The other attractions are the areas with raw jungles, tea gardens and the lagoon in the lake. It is the home to a large numbers of terrestrial trees and aquatic plants and animals. The lake is surrounded by low hills with moist deciduous forest and semi evergreen forest. Sal (Shorea robusta) is the dominant tree species in the area. The lake also holds exotic wildife. It is a breeding ground for both residential and migratory birds.



Flora of Chandubi includes trees like bamboo, rubber, sal, teakwood, mango, etc. The fauna found in the place are- Assamese Macaque, Capped Langur, Hoolock gibbon, Asiatic Black Bear, Jungle Cat, Leopard, Asian Elephant, Wild Boar, Barking Deer, Chinese Porcupine, etc. White cheeked-hill-partridge, Mountain Bamboo-partridge, Blyth's kingfisher, Blue throated barbet, White Throated Bulbul, Grey Peacock Pheasant are various biome species of conservation interest of Chandubi.




Another attractive feature of Chandubi is that a large area of Loharghat (a place near Chandubi) is full of tea estates Tea estates are generally available in upper Assam. However, the availability of tea estate in lower Assam is unique to Loharghat which makes a specialty for Chandubi to be more visited by tourists. The place is relatively pure and less polluted as it is out of the reach of so called modern civilization. It is calm and peaceful covered by deep forest and small distinct villages. The climate is moderate and humid (up to 73% relatively more humid) with mosi rainfall during the monsoon season (May- September). The mean maximum summer temperature is 34°C.

**HISTORY OF CHANDUBI :**



Reportedly the lake came into being on June 12, 1897 as a result of a devastating earthquake in Assam. The area was formerly filled with five mountains and forests. In that earthquake, the tectonic plates of the area separated at fault lines creating a gap between them which resulted the mountains and the forest to sink and thereby formed the lake. Thus, it has immense value as a lake, formed by a geological event that occurred in the past.

There are many historical theories related to the origin of the name of Chandubi for the lake. Some says that the name Chandubi is derived from two words where 'Chand' means five and 'Dubi' means sinking in the Khasi language. The Khasi people of Meghalaya perform religious functions and rituals in the honor of "Chan-Obeis' (Ubleis god) near a Dubi i.e. a water body. Thus, the lake was formerly as 'Chan-Ublei-dubi'. Later the local Rabha-Khachari tribes of Assam started to refer the lake as 'Chan-dubi' omitting the 'Ublei' part from the original name. Thus it was named Chandubi. Another theory says that there was a famous legendary merchant named Chanda Sadagar. It is believed that he used the lake as his transit point and went up through the Kulsi River with his merchandise to the bordering Meghalaya. The lake became famous by his name- water body 'dubi' used by the merchant Chand. Thus, it was thereafter called by the name Chandubi. While one of the theories also says that the origin of the same dates back to the British period in Assam. The place



mesmerized a British officer who came to enjoy the sunset on the lake. So, he described the lake as the place where the sun sets which literally means 'dubi jua' in Assamese i.e. Chandubi. Though there are several stories related to the origin of the name of the lake, yet the first story mentioned, is believed to be more appropriate.

**CHANDUBI FESTIVAL :**

Chandubi Festival was first held in the year 2010. Since then, it is held every year in the month of January generally between 1st to 5th January, a five day long festival. The festival is a showcase to a variety of traditional and cultural items of local tribes like Garo, Khasi and Boro. Locally grown products and Food courts of different ethnic cuisines are also put up



The 11th version of the festival was started on 1st of January, 2021. This version of Chandubi festival was held for 4 days instead of 5 days, keeping the ongoing COVID-19 pandemic situation in mind. This edition of the festival witnessed a large number of tourists from far and near places, as it included a number of culture and tradition, ranging from ethnic food, dance, music and many more. The volunteers of the festival were young boys and girls belonging from the local area.



The event had several sections for different purposes. The open market place enabled the buying and selling of both local products and those from outside. The food and beverage section was catered according to the needs of guest and visitors, by providing them, a taste of local cuisines. Local products like rice, fruits, vegetables, pickles, honey, etc. were also sold in this section. Moreover, roasted pork and rice beer, alongside an array of delicious fish items, special snail and crab recipes were also served in the festival. The most important section was however, the cultural showcase. It had a vast array of exhibition, ranging from bamboo products, woodcraft and tree stump carvings to hand dyed fabrics and cloths. Real life model of the traditional houses of the people were also created and exhibited. Various cultural and traditional dances from the entire northeastern states were also displayed in the festival. Traditional outfit, made from handloom were also put on sale. Horticulture, bookstall, household items made from bamboo were available as well. The festival also had boat rides and fishing facility in the lake. The whole



environment was like that of a carnival. To encourage creative minds, a photography exhibition "Hooiku' was also held this time, in the festival where winners were awarded cash price.



The closing ceremony consisted of the traditional prayers to the Hindu God 'Shiva' and offering of traditional rice bear prepared according to the Rabha ethnic style. Then, this was followed by the lightening of the campfire by the dignitaries. The lightening of the campfire kicked off the start of the singing and dancing around the campfire. Started by the local young boys and girls, dignitaries also join the event. Other guests also joined in thereafter and this merry making event went on for quite some time.



Thus, the attraction of Chandubi Festival mostly consists of local folk culture, ethnic food, ethnic music and dance. Bamboo products and multi-lingual books were also available in the festival. Moreover the annual publication of the magazine 'Lokeia' is a great step for the younger generation and folk writers to increase their writing skills. The traditional Hanaghora dance in Chandubi festival reflects the religious and cultural tradition of the local tribes there. It also showcases Assamese tradition through the display of various Assamese food, cloths, books, dance, craft, etc. The Chandubi festival is certainly adding more value to the place as it helps in branding and showcasing the cultural diversity and uniqueness of the area.

**CHANDUBI PICNIC SPOT :**



Chandubi picnic spot is located around the Chandubi Lake. The spot is calm and peaceful covered by forests and hilly lands. It is an ideal picnic spot because of its environment, which is endowed with immense natural beauty. The most attractive feature of Chandubi picnic spot is the sunset. Most of the people visit the spot only to view the magnificent sunset at the lake. The setting sun colors the whole area with golden yellow and tangerine, making harmony with the natural greenery of the place, a view that would mesmerize the beholder's eyes for ages.

Every year many people from local and foreign areas, visit the place to enjoy their holidays or picnic, especially during the winters. The picnic spot experiences the highest number of visitors on the New Year and New Year's Eve. It is also over crowded during the time of Chandubi festival. There is an open free space near the bank of the lake where people put up their tent and enjoy their picnic. There are also facilities of boat riding and fishing on the lake. On the heart of the lake there is a village, named Joramukhuria forest village, consisting of 20 odd families, belonging from Rabha tribe. The families are mainly dependent on boating on the lake. Almost all members from all the families work here as boatmen. Their main source of livelihood is boating

and some other tourism related activities. There is also the Joramukhuria stream in this village; people also pay a visit to it very often. Thus the local people are engaged and trying to develop the tourism industry at Chandubi. The local people do all the work themselves as far the tourism is concerned.

However, there is a huge responsibility of maintenance of the place, for the local people. As the place is a picnic spot, where people eat and drink, it is obvious that some degree of pollution and garbage will occur. Therefore in order to develop the area, a society was formed in 2007, known as 'Chandubi Tourism Development Society' with the address of Chandubi Rajapara (RHAC), Kamrup (Rural). It was made compulsory by the society that the visitors must pay some entry fees in order to enter into the picnic spot. Many rules and regulations are also imposed by RHAC to develop and maintain the area. Thus, the cooperation of the visitors is also necessary.

**The rules and regulations of RHAC :**



In order to keep the spot pollution free and to maintain the healthy ecosystem and diversity of the area, the RHAC has laid down certain rules in keeping with sustainability of greater Chandubi. The visitors must abide by the following instructions:

- Picnic outside the marking boundary is strictly prohibited.
- To throw plastic or any kind of disposable only at the dustbins or indicated place.
- Any type of electronic sound system is not allowed.
- Drinking any kind of alcohol or wine as well as any kind of outrage is not allowed.
- Quarrel among the visitors in the picnic spot is not allowed.

## CONCLUSION :

Chandubi is a place of wonders and beauty. Both Chandubi Festival and Chandubi picnic spots are important parts of it. Though the place is quite popular in the entire state, it needs much recognition from the outside as well. Proper advertising and investment would help in this case. At the same time, it is important to keep the place safe and clean and make it an environmental friendly tourist destination. It is our responsibility to preserve the natural purity of the place, so that we can account for a sustainable development. Also, environmentalist and government as well as forest authorities should impose strict measures to prevent any kind of illegal work in the area. We should also take care of our own actions while visiting places like Chandubi. ■

**REFERENCES:**


1. Wikipedia (Available: https://en.wikipedia.org/wiki/Chandubi Lake)
2. Chandubi Jungle Camp (Available: https://chandubijunglecamp.wordpress.com/2016/10/27/)
3. The Travelling Slacker (Available: https://travellingslacker.com/chandubi-lake/)



**Name of the students of BA 3rd Semester Economics (H)**

Bandita Kalita, Bhitali Kalita, Bitopan Das, Chindrani Chinaki, Deijee Devi, Dikshita Das, Dikshita Das, Dharitri Das, Dhritishmita Baishya, Hemlata Kaibarta, Himakhi Das, Himashree Das, Hiyashree Das, Jeuti Das, Jeuti Sarma, Jimli Kalita, Jugashree Talukdar, Jutika Das, Krishangi Das, Pompy Kalita, Rabin Das, Rekib Ahmed, Rima Kaibarta, Runima Talukdar, Sagarika Das, Shon Kalita, Sumi Das, Sunil Das, Tina Kalita.

# RIVER DOLPHINS OF BRAHMAPUTRA, THEIR ECOLOGY & CONSERVATION : A SURVEY

Survey conducted by–
**Ellore Choudhury,** Astt. Prof., Zoology
**Mayurakshi Sharma** (supervisor)
**Chandan Das, Unashri Kalita,**
**Mayurpankhi Das, Dulumoni Nath**
B.Sc. 5th sem. Deptt. of Zoology (Honours)

> ***"The victim mindset dilutes the human potential. By not accepting personal responsibility, we greatly reduce our power to change them."***
>
> *–Steve Maraboli*

Albert Einstein said, "There's no question dolphins are smarter than humans as they play more!' "Indeed, this fickle and nimble aquatic creature is one of the most charismatic mega-fauna of the Indian sub-continent. One of its species called Ganges river dolphin (Platanista gangetica) is found in the Ganges-Brahmaputra - Meghna and Karnaphurli river system of India, Nepal and Bangladesh. It falls under the order cataceae and family Iniidae of the mammalian kingdom. The Ganges river dolphin was recognized as the state aquatic animal of Assam in 2008 and declared as the National Aquatic Animal of India in 2009.

**HABITS, HABITAT & DISTRIBUTION :**

As Ganges river dolphin is an aquatic mammal, they cannot breath underwater due to the absence of gills and needs to come out of the surface every 30-120 seconds. While doing so, they produce a sound which gave them their local name sisu. Since these dolphins inhabit freshwater river systems which generally contains muddy water, they suffer from poor eyesight and tiny, non functional eyes that lack lenses. Therefore, they use echolocation for preying and navigation. Ganges dolphins are found in high concentrations in counter current pools below channel convergences and sharp meanders and above and below mid-channel islands, bridge pilings and other engineering structures that cause scouring (Smith, 1993). In Assam, there are three sites where dolphin concentration is more which are– (a) Brahmaputra river (mainstream), (b) Kulsi river and, (c) the Subansiri river.

**POPULATION DECLINE & ITS CAUSES :**

There is a sharp decline in population of river dolphins and in the 50-100 years to an extent that they have been listed as endangered species by IUCN (International Union for Conservation of Nation) in 2006. At a global range, there are less than 2000 river dolphins present now. The Brahmaputra has around 250-300 of them. A recent survey resulted in the estimation of 29 dolphins in the Kulsi river (Wakid, 2008).

For the confirmation of these datas and to witness this scrumptious species, we conducted a brief survey of 3 days in the Kulsi river. We visited the sites in the morning, as it said to be preferable to witness them. On

the first two days, we visited the site at Kukurmara, but couldn't spot any. When we asked the local people, they claimed that hardly two or three are left in the area. Depleting fish population has made the ideal abode into a starving one. Moreover, illegal sand mining and disposal of industrial effluents have pushed this endangered mammal under threat. (photo:1.1: Kulsi river at Kukurmara). On the third day, we moved to another place at Chhaygaon (Parghat) and luckily sighted 4-5 river dolphins there. (photo:1.2: Kulsi river at parghat, photo)

After questioning the local people, it was found that the number of river dolphins decreased rapidly due to increasing pollution and lack of consideration.



**Photo: 1.1: Kulsi river at Kukurmara**



**Photo: 1.2: Kulsi river at Parghat**



**Photo:1.3: River dolphin at Chhaygaon Parghat**

There are several causes for the deterioration of river dolphin's populations in the Brahmaputra. According to recent data, altogether 28 number of dolphins were killed during 2004 and 2005, both accidentally as well as intentionally. Some of the major causes posing threats to this innocent species are as follows:

**(1) PEACHING & HAUNTING :**

Dolphins are peached for oil and haunted by tribal people of upper Brahmaputra (generally the mising tribe) for meat. Dolphin oil has a high market value (Rs.600 to Rs.1000)for its wide utilization in traditional medicine and fish attractant.

**(2) INTERACTION WITH FISHING TOOLS :**

Many times, river dolphins have been accidently killed when captured in nets. A survey done by Wakid in 2008, however showed killings of dolphins due to gill net entanglement is indeed intentional rather than accidental.

**(3) SAND MINING :**

Though there are no records of poaching or accidental killings of river dolphin in the Kulsi river of Kukurmara area, yet high rate of sand mining activities were reported by Mohan.al. (1998). But in the recent years, the local people have become more aware of the adversities created and have tried to reduce the mortality rate of the dolphins by adapting to other means of livelihood.

**(4) DAM CONSTRUCTION :**

The river dolphins of the Brahmaputra are most affected by dam construction and various other developmental projects through interrupted movements and habitat degradation. The National Hydro Power Corporation (NHPC) has been constructing a 116m high dam on the river Subansiri which directly affects the population of the dolphins.

**(5) WATER POLLUTION :** The magnitude of surface water pollution is increasing in Kulsi river. The discharged waste products from various industries along with domestic households is the source of chemical pollution resulting in death of the species.



***Photo: 1.4: River Dolphin at Dorabeel-Kolohi***
***Photo Credit- Prasanna Kalita***

**CONSERVATIVE MEASURES :**

In 1985, first effect was taken to document the threat faced by this species. The central Government had implemented "Ganga Action Plan (GAPI)" which gave indications about their threatened state for the first time. Later in 1991, "Ganga Action Plan (GAP!)" was launched and it aimed at conservation of the healthy populations of Gangetic dolphin in Ganga river system.

Even in Assam, various organization have taken up initiatives for the conservation of river dolphins from time to time. Extensive community based conservation initiatives of the Gangetic Dolphin Research and Conservation Programme of Aaranyak have resulted in the reduction of mortality rate of the species due to poaching. Awareness programmes for fishermen and local communities have been conducted in the recent years as these are the people who need to realize the significance of wildlife conservation really well. Prime Minister Narendra Modi in his recent Independence day speech on 15 Aug, 2020 said that Government plans to launch a project Dolphin, which will aim at saving both river and marine dolphins besides strengthening their biodiversity.

Apart from these, substantial conservative measures like periodic monitoring of the dolphin population, frequent monitoring of river pollution, setting up breeding centers for the species etc, must be taken by the State and Central Governments.

**CONCLUSION :** "We don't own the planet Earth, we belong to it. And we must share it with our wildlife." River dolphins, having adequate playful spirit, teach us the philosophy of life with each glide that invades high waves. Nature is all about balance, and every other species is maintaining it well. The only exception is us, the humans who because of our need and greed have made an impact on this ecological balance to unprecedented levels. Though we cannot undo the damage that we have already done, but we can definitely minimize it, as being considered the most intelligent species of the world. Let's not believe that someone else will do it and assist one another on our awakening journey; because it is now or never ! ■

**Refferences:**


1. Basir. T, Khan. A, Behera. S.K., & Gautam. P (2010); Socio-economic factors threatening the survival of Ganges River Dolphin Platenista gangetica gangetica in the upper Ganges River, India Journal of Threatened Taxa 2 (8) 1087-1091.
2. Gill T. Braulik, Uzma.n, Masood.A. & Randall, R.R(2015): Review of status, threats and conservation management options for the endangered Indus River blind dolphin. Elsevier Biological Conservation 192(2015)30-41.
3. IUCN (2017) : 2017 The IUCN Red list of threatened species: Platenista gangetica ISSN 23078235.
4. Sharma.H. (2020) : Project Dolphin : Why is it important to save a declining river species? The Indian Express, Sept 6, 2020, 10:13:36 am, New Delhi.
5. Sinha.R.K. , Behra.S. & Choudhury. B.C (2010) : The conservation action plan for the Ganges river dolphin 2010-2020. Ministry of Environment and forests, Government of India, 2010.
6. Smith.B.D (1993): 1990 status and conservation of the Ganges river dolphin (Platenista Gangetica) in the Karnali River, Nepal. Biological Conservation, 66: 159-169.
7. Wakid.A. (2005): Conservation of Gangetic dolphin in Brahmaputra river system, India; Final technical report, 80pp.
8. Wakid.A. & Braulik. G (2009) : Protection of endangered Ganges river dolphin in Brahmaputra river, Assam, India; Final technical report to Sir Peter Scott Fund, IUCN, 44p.


**Sources:**


1. www.edgeofexistence.com
2. www.wikipedia.com

# দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০১৯-২০২০ ইং বৰ্ষ

| | |
|---|---|
| ✦ ভাৰপ্ৰাপ্ত অধ্যক্ষ | ঃ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া (৩০/১১/২০১৯ লৈ) |
| অধ্যক্ষ | ঃ ড° নৰজ্যোতি দাস |
| ✦ কোষাধ্যক্ষ | ঃ দেৱেন্দ্ৰ শৰ্মা |
| ✦ সভাপতি | ঃ নৰজ্যোতি দাস |
| ✦ উপ-সভাপতি | ঃ নিকুমণি দেৱী |
| তত্ত্বাৱধায়ক | ঃ ড° নৰজ্যোতি দাস (অধ্যক্ষ) |
| ✦ সাধাৰণ সম্পাদক | ঃ ভৱেশ দাস |
| ✦ সহঃ সাধাৰণ সম্পাদিকা | ঃ অনিতা মেধি |
| তত্ত্বাৱধায়িকা | ঃ জবা কলিতা |
| ✦ সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ | ঃ প্ৰজ্ঞান চৌধুৰী |
| তত্ত্বাৱধায়িকা | ঃ ড° জিলমিল বৰা |
| ✦ সম্পাদক, ছাত্ৰ জিৰণি কোঠা | ঃ দৰ্পণজ্যোতি ভাগৱতী |
| তত্ত্বাৱধায়ক | ঃ ড° জ্ঞানেন্দ্ৰ উপাধ্যায় |
| ✦ সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা | ঃ নিৰ্মালি দাস |
| তত্ত্বাৱধায়িকা | ঃ ড° নিভাৰাণী ঠাকুৰীয়া |
| ✦ সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ | ঃ ইয়াছমিন হুছেইন |
| তত্ত্বাৱধায়িকা | ঃ ড° মাধুৰী শইকীয়া |
| ✦ সম্পাদক, সাংস্কৃতিক বিভাগ | ঃ চম্পক দাস |
| তত্ত্বাৱধায়ক | ঃ জয়ন্ত কুমাৰ বৈশ্য |
| ✦ সম্পাদক, ক্ৰীড়া বিভাগ | ঃ শ্যামাশীষ চৌধুৰী |
| তত্ত্বাৱধায়ক | ঃ অনুজ কলিতা |
| ✦ সম্পাদক, সমাজ সেৱা বিভাগ | ঃ বিনয় ৰাভা |
| তত্ত্বাৱধায়িকা | ঃ ভৱানী বৈশ্য |
| ✦ সম্পাদক, শৰীৰ চৰ্চা বিভাগ | ঃ সুমন কলিতা |
| তত্ত্বাৱধায়ক | ঃ ধীৰাজ চন্দ্ৰ দাস |

# Annual Activity Report of N.S.S. Unit For the Year : 2019-2021

## D. K. College, Mirza, Kamrup (Assam)

### IN CAMPUS ACTIVITIES

| Sl. No. | Date | Occasion | Venue | Total Volunteer |
|---|---|---|---|---|
| 1 | 04-06-2019 | B.Sc. 1st Semester Admission | D. K. College | 18 |
| 2 | 05-06-2019 | World Environmental Day | D. K. College | 20 |
| 3 | 11-06-2019 | B.A. 1st Semester Admission | D. K. College | 19 |
| 4 | 13-06-2019 | H.S. 1st Year (Science) Admission | D. K. College | 20 |
| 5 | 14-06-2019 | B.Com. 1st Semester Admission | D. K. College | 10 |
| 6 | 17-06-2019 | H.S. 1st Year (Arts) Admission | D. K. College | 32 |
| 7 | 21-06-2019 | International Day of Yoga | D. K. College | 10 |
| 8 | 22-06-2019 | "Anti Tobacco" Awareness Programme | D. K. College | 29 |
| 9 | 30-07-2019 | One Day Camp | D. K. College | 15 |
| 10 | 29-08-2019 | General Meeting | D. K. College | 117 |
| 11 | 30-08-2019 | One Day Camp | D. K. College | 87 |
| 12 | 31-08-2019 | General Meeting | D. K. College | 83 |
| 13 | 04-09-2019 | Dakshin Kamrup Media Organisation's 7th Foundation Day | D. K. College | 40 |
| 14 | 05-09-2019 | Teacher's Day | D. K. College | 55 |
| 15 | 24-09-2019 | 50th N.S.S. Foundation Day | D. K. College | 68 |
| 16 | 27-10-2019 | K.K.H.S.O.U. Students Induction Programme | D. K. College | 10 |
| 17 | 01-11-2019 | General Meeting | D. K. College | 76 |
| 18 | 10-11-2019 | N.S.S Office Clean | D. K. College | 36 |
| 19 | 14-11-2019 | Foundation Day of College | D. K. College | 37 |
| 20 | 17-01-2020 | Swachh Bharat | D. K. College | 25 |
| 21 | 18-01-2020 | Fit India | D. K. College | 28 |
| 22 | 28-01-2020 | One Day Camp | D. K. College | 48 |
| 23 | 13-03-2020 | One Day Camp | D. K. College | 40 |
| 24 | 14-03-2020 | Swachh Bharat Abhiyan in Independence Day | D. K. College | 12 |
| 25 | 15-08-2020 | Independence Day | D. K. College | 5 |
| 26 | 19-09-2020 | Fit India Freedom Run | D. K. College | 34 |
| 27 | 24-09-2020 | N.S.S Foundation Day | D. K. College | 23 |
| 28 | 02-10-2020 | Gandhi Jayanti/Swachh Bharat | D. K. College | 26 |
| 29 | 13-11-2020 | One Day Camp | D. K. College | 57 |
| 30 | 14-11-2020 | Foundation Day of College | D. K. College | 16 |
| 31 | 23-12-2020 | "Anti Tobacco" Awareness Programme | D. K. College | 20 |
| 32 | 25-01-2021 | Swachh Bharat Abhiyan | D. K. College | 43 |
| 33 | 26-01-2021 | Republic Day | D. K. College | 5 |

| | | | | |
|---|---|---|---|---|
| 34 | 27-01-2021 | Election Awareness Programme | D. K. College | 12 |
| 35 | 13-02-2021 | General Meeting | D. K. College | 73 |
| 36 | 15-02-2021 | One Day Camp in Saraswati Puja | D. K. College | 59 |
| 37 | 07-04-2021 | One Day Camp | D. K. College | 49 |
| 38 | 08-04-2021 | Special College Festival | D. K. College | |
| 39 | 09-04-2021 | | | |
| 40 | 10-04-2021 | | | |

## ACTIVITIES OUTSIDE THE CAMPUS

| Sl. No. | Date | Occasion | Venue | Total Volunteer |
|---|---|---|---|---|
| 1 | 21-06-2019 | International Day of Yoga | Gauhati University | 14 |
| 2 | 23-06-2019 | Blood Donation Camp | Nemcare Hospital | 10 |
| 3 | 22-08-2019 | "Anti Tobacco" Awareness Programme | Sontola Primary School | 23 |
| 4 | 07-09-2019 | "Anti Tobacco" Awareness Programme | Bartari School | 10 |
| 5 | 11-09-2019 to 17-09-2019 | National Integration Camp | H.S.S., New Delhi | 05 |
| 6 | 25-09-2019 to 27-09-2019 | Capacity Building Programme on Entrepreneurship Development | Gauhati University | 05 |
| 7 | 03-10-2019 | Swacchata Abhiyan | Guwahati Khanapara | 15 |
| 8 | 04-10-2019 to 09-10-2019 | National Integration Camp | Odisha (Cattak) | 15 |
| 9 | 19-10-2019 to 24-10-2019 | National Integration Camp | Uttarpradesh (Kushinagar) | 09 |
| 10 | 05-11-2019 to 11-11-2019 | Children Festival | Madhya Pradesh (Vidisha) | 24 |
| 11 | 22-02-2020 | N.Y.P. Camp | Rajathan, Jaipur | 12 |



*The Report is prepared by–*
***Dipjyoti Das***
*Organiser, NSS Unit*

# বিভাগীয় প্ৰতিবেদন



**নৰজ্যোতি দাস**
সভাপতি

"উঠা, জাগা আৰু
তেতিয়ালৈকে
বিশ্ৰাম নল'বা
যেতিয়ালৈকে
লক্ষ্যস্থান প্ৰাপ্ত
নহয়" —স্বামী বিবেকানন্দ

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মই শ্ৰদ্ধাৰে সোঁৱৰিছোঁ সেইসকল নমস্য ব্যক্তিক, যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত মালিয়াটাৰ বুকুত গঢ় লৈ উঠিছিল ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয়। আজি এই সুযোগতে প্ৰতিবেদনৰ জৰিয়তে সেইসকল মহান ব্যক্তিক কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ মহাবিদ্যালয়। মই সানপাৰা-হাৰোপাৰা হাইস্কুলত পঢ়ি থকা সময়ত এই মহাবিদ্যালয়ৰ কথা বহুতোৰে মুখেৰে শুনিছিলোঁ, বহুত ভাল ছাত্ৰ-ছাত্ৰীহে এই মহাবিদ্যালয়ত আসন পায়। মোৰো হেঁপাহ আছিল— এই মহাবিদ্যালয়ত পঢ়ি উন্নতিৰ জখলাৰে আগবাঢ়িবলৈ। এনেকৈয়ে ২০১৬ চনত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিলোঁ। পঢ়াৰ লগতে কিছু সময় উলিয়াই 'ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট' (NSS)ৰ এজন সক্ৰিয় সদস্য হিচাপেও এই মহাবিদ্যালয়ত সেৱা আগবঢ়াইছিলোঁ। ছাত্ৰ একতা সভাৰ কথা পূৰ্বে জ্ঞাত নাছিলোঁ যদিও স্বৰ্গীয় কাশ্যপ নাথ দাদাৰপৰা সকলো কথা জানিব পাৰিছিলোঁ। এই সুযোগতে স্বৰ্গীয় কাশ্যপ নাথ দাদালৈ পুনৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিলোঁ। এনেকৈয়ে স্নাতক শ্ৰেণীৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰি 'ৰাজনীতি বিজ্ঞান' গুৰু বিষয় হিচাপে লৈ শৈক্ষিক দিশত আগবাঢ়িবলৈ চেষ্টা কৰিছিলোঁ। লগতে ২০১৯-২০ বৰ্ষত মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ আৰু দায়িত্বশীল পদত নিৰ্বাচিত হৈ এই মহাবিদ্যালয়ত সেৱা আগবঢ়াবলৈ সুযোগ পাইছিলোঁ। মোৰ কোনো ৰাজনৈতিক নেতা হোৱাৰ হাবিয়াস নাছিল, মাত্ৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দেখি অহা কিছুমান সদস্যা দূৰ কৰি এক নতুনত্ব অনাৰ প্ৰয়াস কৰিছিলোঁ, সকলো কৰ্ম নিয়াৰিকৈ সম্পাদনা কৰাৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক দিশকে ধৰি বিভিন্ন দিশত আগবঢ়াবলৈ অক্লান্ত চেষ্টা কৰিছিলোঁ। এইখন মহাবিদ্যালয়ে যি মোক দুই-চাৰিজন মানুহৰ আগত কথা ক'বলৈ শিকালে, তাৰ মূল্য সদায় দিবলৈ চেষ্টা কৰি যাম বুলি মই প্ৰতিজ্ঞাবদ্ধ।

## মোৰ কাৰ্যকালছোৱাৰ চমু বিৱৰণ

**গান্ধী জয়ন্তী ঃ** এই বিশেষ দিনটো আছিল মোৰ প্ৰথম কাৰ্যসূচী। অক্টোবৰ গান্ধী জয়ন্তী উপলক্ষে এক বিশেষ সজাগতা কাৰ্যসূচী হাতত লৈছিলোঁ— নামি আছিল 'ploging run'। মানুহক সজাগ কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ সন্মুখৰ ৰাস্তাৰে প্ৰায় পাঁচ কিঃমিঃ দৌৰ সম্পন্ন কৰিছিলোঁ। এই কাৰ্যসূচীত বিশেষভাৱে সহযোগিতা আগবঢ়াইছিল অধ্যাপক অনুজ কলিতাছাৰে। লগতে এই পবিত্ৰ দিনটোৰ প্ৰতি সন্মান জনাই মহাবিদ্যালয় চৌহদত চাফাই অভিযানৰ লগতে বৃক্ষৰোপণ কাৰ্যসূচী হাতত লৈছিলোঁ। এই কাৰ্যসূচীত বিশেষভাৱে সহযোগিতা আগবঢ়াইছিল এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা ছাৰে।

**প্ৰতিষ্ঠা দিৱস ঃ** অইনবাৰৰ দৰে এইবেলিও ১৪ নৱেম্বৰৰ দিনটোত ৫৯ তম্ প্ৰতিষ্ঠা দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। সেই বিশেষ দিনটোৰ কাৰ্যসূচী আছিল পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ, এন.এচ.এচ. ফলকত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণৰ লগতে প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰ নাথ ঠাকুৰীয়াদেৰৰ আৱক্ষ মূৰ্তিত চাকি-ধূপ জ্বলাই মাল্যাৰ্পণ কৰিছিলোঁ। তাৰ পিচৰ কাৰ্যসূচী আছিল— এইবাৰ প্ৰতিষ্ঠা দিৱসৰ বিশেষ কাৰ্যসূচী অধ্যাপক মানস প্ৰতিম বৰুৱা ছাৰ আৰু জয়ন্ত কুমাৰ বৈশ্য ছাৰৰ তত্বাৱধানত খুউব কম সময়ৰ ভিতৰতে গঢ়ি উঠা এক সাংস্কৃতিক অনুষ্ঠান। নাম আছিল 'বকুলৰ ছাঁত এখন্তেক', সঁচাকৈয়ে এক সুন্দৰ পৰিৱেশে বিৰাজ কৰিছিল। ইয়াৰ পিচত সন্ধিয়া

পতাকা অৱনমিত কৰি বন্তি প্ৰজ্বলন, ফটকা-আতচ্‌বাজী ফুটাই মহাবিদ্যালয়ত সন্ধিয়াৰ চৌপাশ জিলিকাই সামৰণি মাৰিছিলোঁ।

**সৰস্বতী পূজা ঃ** মোৰ কাৰ্যসূচীৰ এটি বিশেষ দিন সৰস্বতী পূজা। জ্ঞানৰ ভঁৰাল ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰস্বতী পূজা বুলি ক'লে সদায় বিশেষ হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাবৃন্দ, অনাশিক্ষক কৰ্মচাৰীবৃন্দৰ লগতে হাজাৰ হাজাৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰেশ ঘটিছিল। লগতে সকলোৰে দেৱীলৈ পুষ্পাঞ্জলি অৰ্পণ কৰিছিল। সকলোৰে উপস্থিতিয়ে পূজাস্থলী সৌন্দৰ্যপূৰ্ণ কৰি তুলিছিল। এইদৰে আটাইৰে সহায়-সহযোগিতাৰ মাজেৰে ময়ো মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** যোৱকেইবছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহৰ যো-জা হৈছিল। ১৪-০৩-২০২০ তাৰিখৰপৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহৰ বিশেষ কাৰ্যসূচী আছিল শোভাযাত্ৰা প্ৰতিযোগিতা। দক্ষিণ কামৰূপ তথা সমগ্ৰ অসমৰ বিভিন্ন কলা-সংস্কৃতিক উপস্থাপন কৰি মহাবিদ্যালয়ৰ বিভিন্ন শৈক্ষিক বিভাগসমূহে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। এনেকৈয়ে মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি কৰা হৈছিল; কিন্তু দুৰ্ভাগ্যৱশতঃ ভাৰতবৰ্ষত তথা সমগ্ৰ বিশ্বতে সন্ত্ৰাসৰ সৃষ্টি কৰা ক'ভিড মহামাৰীৰ বাবে চৰকাৰৰপৰা অহা কঠোৰ নিৰ্দেশে মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাই অন্ত পেলায়। লক্‌ডাউনৰ শেষত পূৰ্বৰ কিছু পৰিস্থিতি ঘূৰি আহিছিল যদিও ক'ৰোনা মহামাৰীৰ ভয়াৱহতাৰ বাবে চৰকাৰৰপৰা অহা কঠোৰ নিৰ্দেশক অৱজ্ঞা নকৰি নৱাগত আদৰণি সভা বাতিল কৰিছিল। আমি আটায়ে দুঃখিত। লগতে মহাবিদ্যালয় নিৰ্বাচনো অনুষ্ঠিত কৰিব নোৱাৰিলোঁ, যাৰ বাবে যোৱাবাৰৰ ছাত্ৰ একতা সভাই পুনৰ দায়িত্বভাৰ লৈছিলোঁ। ২০২০-২০২১ বৰ্ষৰ মোৰ বাবে প্ৰথম কাৰ্যসূচী আছিল ৬০ তম্ প্ৰতিষ্ঠা দিৱস। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি প্ৰতিষ্ঠা দিৱস অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰিছিলোঁ। প্ৰথম কাৰ্যসূচী আছিল— পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ, এন.এচ.এচ. ফলকত বন্তি প্ৰদ্বলন আৰু মাল্যাৰ্পণ লগতে প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰ নাথ ঠাকুৰীয়াদেৱৰ প্ৰতিমূৰ্তিত ধুপ-চাকি জ্বলাই মাল্যাৰ্পণ কৰি ড° মামণি ৰয়ছম গোস্বামীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণো কৰা হৈছিল। গধূলি পৰত চাকি-বন্তি জ্বলাই সামৰণি মাৰিছিলোঁ।

**সৰস্বতী পূজা ঃ** বিগত বৰ্ষৰ দৰে এইবেলিও সৰস্বতী পূজা উলহ-মালহেৰে পালন কৰা হয়। চৰকাৰে দিয়া নীতি-নিৰ্দেশনাক সন্মান জনাই, শৃংখলাবদ্ধতা বজাই ৰাখি আটাইৰে সহায়-সহযোগিতাৰ মাজেৰে ময়ো মোৰ দায়িত্ব পালন কৰিছিলোঁ।

**বিশেষ মহাবিদ্যালয় উৎসৱ ঃ** মোৰ কাৰ্যকালৰ শেষৰটি কাৰ্যসূচী আছিল 'বিশেষ মহাবিদ্যালয় উৎসৱ'। ৮ এপ্ৰিলৰপৰা ১০ এপ্ৰিল তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হৈছিল। প্ৰথম কাৰ্যসূচী হিচাপে ৰাতিপুৱা মহাবিদ্যালয় অধ্যক্ষ ড° নৱজ্যোতি দাসদেৱে পতাকা উত্তোলন কৰে। তাৰ পিছৰ কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে অনুষ্ঠিত কৰা বিভিন্ন বিভাগৰ প্ৰতিযোগিতাসমূহত ময়ো সভাপতি হিচাপে সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। বিশেষ মহাবিদ্যালয় উৎসৱৰ শেষৰটি কাৰ্যসূচী আছিল বঁটা বিতৰণী সভা আৰু সেই সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত আছিল যুৱ কবি, জনপ্ৰিয় গায়িকা মৈত্ৰেয়ী পাটৰ। তেখেতৰ সংগীতানুষ্ঠানেৰে মহাবিদ্যালয়ত এক সুন্দৰ পৰিৱেশ বিৰাজ কৰিছিল। ময়ো মোৰ দায়িত্বসমূহ নিষ্ঠাৰে পালন কৰিছিলোঁ। এনেকৈয়ে বিশেষ মহাবিদ্যালয় উৎসৱৰ অন্ত পৰে।

**বিশেষ কৃতজ্ঞতা ঃ** পোনপ্ৰথমে মই মাননীয় মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মোৰ তত্ত্বাৱধায়ক ড° নৱজ্যোতি দাস ছাৰদেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ ভাইটি-ভণ্টি, দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ লগতে মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচীত সহায় আগবঢ়োৱা এন.এচ.এচ. গোটৰ সমূহ সদস্য-সদস্যাকে শলাগৰ শৰাই আগবঢ়াইছোঁ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোকে যি মোক এই পদৰ বাবে যোগ্য বুলি নিৰূপণ কৰি এই মহাবিদ্যালয়ৰ উন্নতিৰ হকে সেৱা কৰিবলৈ এই পদত অধিষ্ঠিত কৰিছিল, তাৰ বাবে মই আপোনালোকৰ ওচৰত সদায় ঋণী হৈ ৰ'ম। বিশেষকৈ বিভিন্ন দিশত দিহা-পৰামৰ্শৰ জৰিয়তে সহায় আগবঢ়োৱা মোৰ দাদাসদৃশ সমৰজ্যোতি কলিতা আৰু হীৰকজ্যোতি নাথৰ লগতে প্ৰত্যেকটো মুহূৰ্তত মোক সহায় আগবঢ়োৱা মোৰ ভাইটিসদৃশ বিকাশ দলৈ, কৌশিক দাস, চান আছলাম আৰু কৌশিক কলিতা সকলোকে মোৰ ফালৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ— বহুত বহুত মৰম তোমালোকলৈ।

**সামৰণিত দু-আষাৰ ঃ** ক'ৰোনা মহামাৰী আতংকৰ বাবে আমাৰ কাৰ্যকাল যদিও দীঘলীয়া হ'ল, তথাপি যেন আমাৰ সকলো আধৰুৱা অনুভৱ হৈছিল। এনেকৈয়ে সময়ৰ গতিত মোৰ দুবছৰীয়া কাৰ্যকাল অন্ত পৰে। মোৰ অনুৰোধ— মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনক নিজৰ ঘৰখন বুলি সদায় চাফ-চিকুণ, পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখে যেন, সেইটো আমাৰ সকলোৰে কৰ্তব্য।

সদৌ শেষত মানুহ মাত্ৰেই ভুল হয়, ময়ো ইয়াৰ ব্যতিক্ৰম নহয়, সেয়েহে ছাত্ৰ একতা সভাৰ সভাপতিৰ দায়িত্বভাৰ লৈ অজানিতে হোৱা ভুলৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ লগতে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"



**নিকুমণি দেৱী**
উপ-সভাপতি

শিক্ষাই জীৱনৰ মেৰুদণ্ড
জ্ঞানেই মানুহৰ মূল
শিক্ষা অবিহনে নাই কোনো কাম
শিক্ষাৰ অভাৱত মানুহে হেৰুৱায়
নিজৰ সন্মান।
শ্ৰদ্ধাৰে গুৰুক কৰিবা নমস্কাৰ
জীৱনত লভিবা শান্তিৰ পুৰস্কাৰ।

আৰম্ভণিতে মই সেইসকল ব্যক্তিক সোঁৱৰণ জনাইছোঁ, যিসকলে মহান ব্যক্তিৰ ত্যাগৰ সাধনা আৰু অশেষ চেষ্টাৰ ফলত বৃহত্তৰ দক্ষিণ কামৰূপৰ শিক্ষাকেন্দ্ৰ তথা জ্ঞান লাভৰ প্ৰাণকেন্দ্ৰস্বৰূপ দক্ষিণ কামৰূপ মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল।

**আশাৰ ৰেঙণি ঃ** হেঁপাহ আছিল, অপাৰ উদ্যম সাহসো আছিল, এগালমান ভয়ো বুকুত বান্ধি লৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি সাধন কৰাৰ লক্ষ্যৰে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৯-২০২০ ইংৰাজী বৰ্ষৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। এই গুৰুত্বপূৰ্ণ পদটিৰ বাবে মোৰ অধিষ্ঠিত কৰাই সেৱা আগবঢ়াবলৈ সুবিধা দিয়াত সমূহ ভাইটি-ভণ্টি, দাদা-বাইদেউ, বন্ধু-বান্ধৱীলৈ মোৰ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

প্ৰতিষ্ঠা দিৱস ঃ মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ৫৭তম্ প্ৰতিষ্ঠা দিৱস। বিগত বছৰবোৰৰ দৰে এইবেলিও ১৪ নৱেম্বৰৰ দিনটোত এই দিৱস পালন কৰা হয়। এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ আছিল— পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, এন.এছ.এছ.ৰ ফলকত মাল্যাৰ্পণ, ড. মামণি ৰয়ছম গোস্বামীৰ প্ৰতিমূৰ্তিত আৰু প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰনাথ ঠাকুৰীয়াদেৱৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ। ইয়াৰ পিচত সন্ধিয়া পতাকা অৱনমিত কৰাৰ লগতে বন্তি প্ৰজ্বলন আদি কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসৰ সামৰণি মৰা হয়।

**সৰস্বতী পূজা ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও ২০১৯-২০ ইংৰাজী বৰ্ষৰ সৰস্বতী পূজাখন উলহ-মালহেৰে পালন কৰা হয়। উক্ত দিনটোত আমাৰ মহাবিদ্যালয়ৰ লগতে অইন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আহি শ্ৰীশ্ৰীমা সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰৰ বোৰৰ দৰে ২০১৯-২০ ইং বৰ্ষতো মহাবিদ্যালয় সপ্তাহখন অনুষ্ঠিত কৰা হয় যদিও ২০১৯-২০ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত বিশ্বব্যাপী ক'ৰোনা মহামাৰীৰ আতিশয্য নক'লেও আধৰুৱা হ'ব। সাংস্কৃতিক শোভাযাত্ৰাৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। কিন্তু প্ৰথম দিনটোৰ পিচত মহাবিদ্যালয় সপ্তাহৰ অন্যান্য কাৰ্যসূচীসমূহ তথা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ সক্ষম নহ'লোঁ। ক'বলৈ পাই অত্যন্ত দুখী অনুভৱ কৰিছোঁ যে, ক'ভিড-১৯ মহামাৰীৰ কালৰূপৰ কৱলত পৰি মহাবিদ্যালয়ৰ মুখ্য অনুষ্ঠান 'নৱাগত আদৰণি সভা'খন অনুষ্ঠিত কৰিবলৈও সক্ষম নহ'লোঁ। ক'ৰোনাকালীন সময়ত ছাত্ৰ একতা সভাৰ ফালৰপৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰা হৈছিল।

পৰিস্থিতি স্বাভাৱিক হোৱাত স্থগিত হৈ থকা মহাবিদ্যালয় সপ্তাহখন সম্পূৰ্ণ কৰিবলৈ বিশেষ মহাবিদ্যালয় উৎসৱ নাম দি মহাবিদ্যালয় সপ্তাহখন আয়োজন কৰা হৈছিল।

**শেষত দু-আষাৰ ঃ** প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শৰে সহায় কৰা সকলোকে ধন্যবাদ জনাইছোঁ। মোৰ কাৰ্যকালৰ সময়ত অজানিতে ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰিছোঁ। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইয়াতে সামৰণি মাৰিলোঁ।

।। জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।।
।। জয়তু ছাত্ৰ একতা সভা।।



**ভৰেশ দাস**
সাধাৰণ সম্পাদক

প্ৰতিবেদনৰ পাতনিতে জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া ইতিহাসৰ পাতত সোণালী অধ্যায়ৰ সূচনা কৰা মহান বীৰ শ্বহীদসকলৈ মোৰ আন্তৰিক সমবেদনা যাচিলোঁ। লগতে যিসকল নমস্য ব্যক্তিৰ মহানুভৱতা, লোক-হিতৈষী চিন্তাধাৰা, অক্লান্ত শ্ৰম, আবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত মানৱ সম্পদ গঢ়াৰ কেন্দ্ৰস্থল হিচাপে দক্ষিণ কামৰূপ জিলাৰ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰাণকেন্দ্ৰস্বৰূপ দক্ষিণ কামৰূপ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল, সেইসকল জ্ঞাত-অজ্ঞাত নমস্য ব্যক্তিৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। কিয়নো, তেওঁলোকৰ একাণপটীয়া অধ্যাৱসায় আৰু কৰ্মদক্ষতাৰ ফলত এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলোৱে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ সুবিধাকণ লাভ কৰিছে। এই সুযোগতে মই সেইসকল নমস্য ব্যক্তিলৈ কৃতজ্ঞতা ও শ্ৰদ্ধা নিবেদিছোঁ। মূৰ দোৱাই প্ৰণিপাত জনাইছোঁ— প্ৰতিগৰাকী মহৎ মনিষীক, যিসকলৰ সুকৰ্মই অসমৰ জননীৰ ভাষা-সাহিত্য-সংস্কৃতিৰ দৰবাৰত চিনাকী কৰি দিলে।

শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেই মহান ব্যক্তিসকলক— যিসকলৰ উমৈহতীয়া আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলতে গঢ় লৈ উঠিছিল এই ঐতিহ্যমণ্ডিত আৰু গৌৰৱময় শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা'।

**মনৰ আশা ঃ** আন হাজাৰজনৰ দৰে মোৰো সপোন আছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ দৰে ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনত খোজ পেলোৱাৰ। ৰামপুৰ মহাবিদ্যালয়ৰপৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উৰ্ত্তী হৈ ২০১৮ ইং চনৰ ১ আগষ্টত স্নাতকবৰ্ষৰ প্ৰথম যাণ্মাসিকত দৰ্শন বিভাগক গুৰু বিষয় হিচাপে লৈ নামভৰ্তি কৰিছিলোঁ। কিন্তু এইটো কেতিয়াও ভবা নাছিলোঁ যে, মই এদিন এইখন মহাবিদ্যালয়ৰে ছাত্ৰ একতা সভাৰ ছাত্ৰ প্ৰতিনিধি হ'ম।

অসমৰ জনগণৰ যিবোৰ সমস্যা বানপীড়িত লোকসকলক, অনাথ ল'ৰা-ছোৱালীবোৰক বিনামূলীয়াকৈ শিক্ষা দিয়া, কিতাপ বিতৰণ কৰা, বস্ত্ৰদান তথা বৃদ্ধা লোকসকলক সহায় কৰা— 'আকাংক্ষা অসম (NGO)' সমাজকল্যাণ প্ৰতিষ্ঠানটোত ২০১৮ ইং চনত যুক্ত হোৱাৰপৰা মনত হেজাৰ সপোন বাঢ়িলে। এনেকৈয়ে মহাবিদ্যালয়খনত নামভৰ্তি কৰাৰ পিচৰেপৰা পূৰ্বৰ প্ৰাক্তন ছাত্ৰ একতা সভাৰ দাদা-বাইদেউসকলৰ সৈতে সময় অতিবাহিত কৰাৰ পিচৰেপৰা মোৰ মনতো মহাবিদ্যালয়খনৰ প্ৰতি কিছু সেৱা আগবঢ়াই ছাত্ৰ-ছাত্ৰীসকলৰ যি কিছুমান সমস্যা আছে, সেইবোৰ দূৰ কৰিবলৈ মনঃপুত হ'লোঁ।

পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ হকে সেৱা আগবঢ়োৱাৰ সপোন দেখি ২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদক পদটোত নিজৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ালোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ হকে সেৱা কৰাত নেতৃত্ব দিয়াৰ সুযোগকণ দিলে। এই চেগতে 'দক্ষিণ কামৰূপ' মঞ্চৰ যোগেদি মহাবিদ্যালয়ৰ অতিকৈ শ্ৰদ্ধাৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি আটাইলৈ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০১৯-২০২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা হয় ১৭ ছেপ্তেম্বৰ, ২০১৯ ইং তাৰিখে। ১৮ তাৰিখে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰি ১৯ ছেপ্তেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে (প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ), শিক্ষকসকল, অনাশিক্ষক কৰ্মচাৰীবৃন্দ আৰু ন-পুৰণি ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদ্যাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত আমাৰ শপত গ্ৰহণ বাক্য পাঠ কৰাইছিল। সেই দিনটোৰপৰাই মোৰ দায়িত্ব বুলি সামৰ্থ্য অনুযায়ী মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াই আহিছোঁ। এতিয়া মই মোৰ কাৰ্যকালৰ চমু খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ।

**গান্ধী জয়ন্তী— ২ অক্টোবৰ, ২০১৯**

মহাবিদ্যালয়ৰ নৱনিৰ্বাচিত ছাত্ৰ প্ৰতিনিধি হিচাপে সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি ২ অক্টোবৰ তাৰিখে গান্ধীজীৰ জন্ম তিথি উদ্‌যাপন কৰি এটি সুন্দৰ জীৱনৰ পাতনি মেলিছিলোঁ। গান্ধীজীৰ ১৫০ তম জন্মজয়ন্তী উপলক্ষে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত লগতে NCC/NSS গোটৰ সহযোগত Plogging Run, স্বচ্ছ ভাৰত অভিযান, বৃক্ষ ৰোপণ আদি বিভিন্ন কাৰ্যসূচীৰে গান্ধীজয়ন্তী দিৱসটো পালন কৰা হয়। এই কাৰ্যসূচীটোত বিশেষভাৱে সহায়ৰ হাত আগবঢ়াই অসমীয়া বিভাগৰ অধ্যাপক এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা ছাৰে। সকলোৰে সহযোগিতাত কাৰ্যসূচীটো সাফল্যমণ্ডিত হয়।

**প্ৰতিষ্ঠা দিৱস— ১৪ নৱেম্বৰ, ২০১৯**

মোৰ দ্বিতীয় কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ১৪ নৱেম্বৰ, ২০১৯ ইং তাৰিখ বৃহস্পতিবাৰে গোটেই দিনজোৰা কাৰ্যসূচীৰে আমাৰ মহাবিদ্যালয়ৰ ৫৯ তম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে পতাকা উত্তোলন তথা বন্তি প্ৰজ্বলনেৰে এই প্ৰতিষ্ঠা দিৱসৰ শুভ উন্মোচন কৰে। অধ্যক্ষ মহোদয়ৰ এই কাৰ্যসূচীত মই নিজেও সহযোগ কৰিছিলোঁ। প্ৰতিষ্ঠা দিৱসৰ দিনাখনেই প্ৰায় ১১ বজাত 'বিশেষ বক্তৃতা অনুষ্ঠান' এটা ৰখা হৈছিল আৰু তাৰ সভাপতিত্ব কৰে প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰে। লগতে মুখ্য অতিথি ড° দীপক মজুমদাৰ (আই.এ.এছ. সচিব, উচ্চ শিক্ষা বিভাগ, অসম চৰকাৰ তথা সঞ্চালক, ৰুছা), নিৰ্দিষ্ট বক্তা হিচাপে ড° গৌৰাংগ শৰ্মা (অধ্যাপক, আসাম ইন্‌ষ্টিটিউট অব্ মেনেজমেণ্ট, গুৱাহাটী) আৰু মহাবিদ্যালয়ৰ বিষয়ববীয়াই সভাৰ সৌষ্ঠৱ বঢ়ায়।

দিনৰ ৩ মান বজাত 'বকুল তলৰ ছাঁত এখন্তেক.....' কাৰ্যসূচীৰে দিনটো আমোজদনৰ কৰি তোলে। ছাৰ-বাইদেউহঁতৰ নানা ভাষণ তথা গীত-বাদ্যৰ পৰিৱেশন সঁচাকৈয়ে গৌৰৱান্বিত অনুভৱ কৰোঁ। পৰিচালনা কৰে মহাবিদ্যালয়ৰ অধ্যাপক মানস প্ৰতিম ছাৰ, জয়ন্ত ছাৰ, মনোজ ছাৰ আৰু গাৰ্গী বাইদেউৰদ্বাৰা।

সন্ধিয়াৰ প্ৰায় ৫.৩০ মান বজাত পতাকা উত্তোলন কৰি ড° কুমুদ ভাগৱতী ছাৰে বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ সামৰণি পেলায়। বিশেষকৈ ছাত্ৰী নিৱাসৰ ছাত্ৰীসকল আহি বন্তি প্ৰজ্বলন কাৰ্যসূচীটো নিয়াৰিকৈ চলাই নি কৰা সুবিধাকণৰ বাবে অশেষ ধন্যবাদ জনাইছোঁ লগতে আৰু দিনটোৰ কাৰ্যসূচীসমূহ সুন্দৰভাৱে চলাই নিয়া অসমীয়া বিভাগৰ অধ্যাপক সুনীল ছাৰকো মোৰ ফালৰপৰা আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

**সৰস্বতী পূজা— ৩০ জানুৱাৰী, ২০২০**

অইন বেলিৰ দৰে এইবেলিও সমুহীয়াভাৱে আমাৰ মহাবিদ্যায়ৰ সৰস্বতী পূজাখন উলহ-মালহেৰে পালন কৰা হয়। মোৰ কাৰ্যকালত সৰস্বতী পূজা ৩০/০১/২০২০ ইং তাৰিখে উদ্‌যাপন কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট (NSS)ৰ উদ্যোগত পূজাৰ আগৰ দিনা মহাবিদ্যালয়ত এটা শিবিৰ পাটি মহাবিদ্যালয়খন চাফ-চিকুণ কৰা হৈছিল। পূজাৰ কিছুদিন পূৰ্বৰেপৰা পূজাৰ আয়োজন, নিমন্ত্ৰণ আদিত ব্যস্ত থকা হৈছিল। পূজাৰ আগৰ দিনাখন মণ্ডল সজ্জা, চাফ-চিকুণ কৰাৰ লগতে 'মা' সৰস্বতী মূৰ্তি অনা আদি কাম-কাজত ৰাতি প্ৰায় ১ বজালৈ ব্যস্ত আছিলোঁ। পূজাৰ দিনাখন ছাত্ৰ-ছাত্ৰীৰ সমাৱেশ তথা আনন্দ-ফুৰ্তিত মহাবিদ্যালয়ৰ পৰিৱেশ ৰঙীন হৈ পৰে। ৰাতিপুৱা ব্ৰাহ্মণে বেদীত প্ৰতিমা স্থাপন কৰি মন্ত্ৰোচ্ছাৰণেৰে পূজা আৰম্ভ কৰে। পূজাত ব্ৰাহ্মণৰ সৈতে মই নিজেই বৰণ লৈ নিজকে সৌভাগ্যশালী যেন অনুভৱ কৰিছিলোঁ। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ চৰণ কমলত পুষ্পাঞ্জলি অৰ্পণ কৰি গুৰু-শিষ্যই 'মা' সৰস্বতীৰ আশীৰ্বাদ গ্ৰহণ কৰে।

এই সুযোগতে মই উৎসৱ পালন সমিতিৰ সম্পাদক, সভাপতি, সদস্য তথা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমূহ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা আৰু এই গোটৰ তত্ত্বাৱধায়ক, মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসী আৰু ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকাবৃন্দক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মহাবিদ্যালয় সপ্তাহ— ১৪ মাৰ্চ, ২০২০**

বিগত বছৰসমূহতকৈ মোৰ কাৰ্যকালৰ সময়ছোৱা কিছু ব্যতিক্ৰম। কিয়নো, ২০২০ বৰ্ষৰ মাৰ্চ মাহৰ মাজভাগৰপৰা বিশ্বব্যাপী ক'ৰোনা মহামাৰীয়ে গোটেই বিশ্বতে ভয়াৰহতা আনি দিয়ে।

বিগত বছৰসমূহৰ দৰে এইবেলি ২০১৯-২০২০ ইং বৰ্ষৰ ১৪ মাৰ্চ তাৰিখে ৰাতিপুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ মহোদয় ড° নৱজ্যোতি দাস ছাৰে। ইয়াৰ পিচৰ কাৰ্যসূচীসমূহ— NSS ফলকত বন্তি প্ৰজ্বলন, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, শ্বহীদ তৰ্পণ, মামণি ৰয়ছম গোস্বামীৰ মূৰ্তিত মাল্যাৰ্পণ লগতে প্ৰাচীৰ পত্ৰিকা 'অংকুৰ', 'অংকনা', 'সেৱাজ্যোতি' উন্মোচনকে আদি কৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি স্বৰ্গীয় গজেন্দ্ৰ নাথ ঠাকুৰীয়াদেৱৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ আটাইৰে সহযোগিতাত সুকলমে হৈ যায়। উক্ত কাৰ্যসূচীসমূহ হৈ যোৱাৰ পিচতেই মহাবিদ্যালয়ৰ এক বিশেষ আকৰ্ষণীয় উৎস আছিল আন্তঃ বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰা। সাংস্কৃতিক শোভাযাত্ৰাখন উদ্বোধন কৰিছিল প্ৰাক্তন উপাধ্যক্ষ শ্ৰীধনেশ্বৰ কলিতাদেৱে। সেইদিনাখনেই কেইবাজন ছাত্ৰ একতা সভাৰ সম্পাদক-সম্পাদিকাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰে। বিভিন্ন প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰা যৎপৰোনাস্তি সহায়ৰ হাত আগবঢ়াও। উক্ত দিনটোৰ

দিনজোৰা কাৰ্যসূচীৰে সুন্দৰভাৱে সমাপ্তি ঘটে। কিন্তু পিচৰ দিনাখনৰ পৰিৱেশ সম্পূৰ্ণৰূপে সলনি হৈ গ'ল। হঠাৎ অধ্যক্ষ মহোদয়ৰ অনুৰোধ মৰ্মে এখন জৰুৰীকালীন সভা আহ্বান কৰিলে। উপস্থিত থাকে বিভাগীয় তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া। চৰকাৰৰ নিৰ্দেশনা অনুসাৰে অসমৰ বিদ্যালয়, মহাবিদ্যালয় তথা সকলোতে লক্‌ডাউন ঘোষণা কৰে। সেই সভাত মহাবিদ্যালয়ৰ 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'খন স্থগিত ৰখা হয়।

**মোৰ কাৰ্যকাল ঃ**

অধ্যক্ষ ছাৰৰ অনুৰোধ মৰ্মে ১৯/০২/২০১৯ তাৰিখত অনুষ্ঠিত কৰে ছাত্ৰ একতা সভাৰ বিশেষ জৰুৰী সভাত সাম্প্ৰতিক কোভিডকালীন পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইং ২০২০-২০২১ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচন অৰ্থাৎ পূৰ্ব বৰ্ষৰ কাৰ্যকালৰ প্ৰায় পাঁচ মাহ উকলি যোৱাৰ বাবে পৰৱৰ্তী ছাত্ৰ একতা সভাৰ নিৰ্বাচন নোহোৱা পৰ্যন্ত আমাৰ আৰ্থাৎ ২০১৯-২০২০ বৰ্ষৰ ছাত্ৰ একতা সভাখনক ২০২০-২০২১ বৰ্ষলৈ Care-Taker হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগকণ দিয়ে।

**আমাৰ দ্বিতীয় কাৰ্যকালত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অনুষ্ঠানসমূহ ঃ**

২৬/০২/২০২০ ইং তাৰিখে মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ সভাকক্ষ মহাবিদ্যালয়ৰ Alumni Associationৰ উদ্যোগত এখন ক'ৰোনা ভাইৰাছ সম্পৰ্কে সজাগতা সভাৰ অনুষ্ঠিত কৰা হয়। সভাত উপস্থিত থাকে ড° হিতেশ বৰুৱা (পৰিচালন সঞ্চালক, নেমকেয়াৰ হাস্পতাল)।

২৭/০১/২০২০ চনত Alumni Associationৰ উদ্যোগত এখনি সজাগতা সভা "Organ Donation" অনুষ্ঠিত কৰা হয়।

**২০ মাৰ্চ, ২০২০**

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সমূহ শিক্ষক গোট আৰু কৰ্মচাৰীবৃন্দৰ তৰফৰপৰা ক'ৰোনা ভাইৰাছৰ ওপৰত সজাগতা কাৰ্যসূচী এটা ৰূপায়ণ কৰে। মিৰ্জাৰ অঞ্চলত চাবোন, মাস্ক বিতৰণ কৰি, এই ভাইৰাছৰপৰা কেনেকৈ মুক্তি পাব পাৰি, তাৰ বিষয়ে অৱগত কৰায়। লগতে ৰসায়ন বিজ্ঞান বিভাগৰ ফালৰপৰা হেণ্ড চেনিটাইজাৰ (Hand Senitizer) প্ৰস্তুত কৰে আৰু মহাবিদ্যায়ৰ অধ্যক্ষ মহোদয়ে আনুষ্ঠানিকভাৱে মুকলি কৰে।

ছাত্ৰ একতা সভাৰ উদ্যোগতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তিনিদিন ধৰি বিনামূলীয়াকৈ মাস্ক আৰু চাবোনৰ লগতে চেনিটাইজাৰৰ যোগান ধৰিছিলোঁ। এই কাৰ্যসূচীত ছাত্ৰ একতা সভাৰ সম্পাদক-সম্পাদিকালৈ সহায়ৰ হাত আগবঢ়োৱাৰ বাবে অশেষ ধন্যবাদ জনালোঁ।

**১০ ডিচেম্বৰ, ২০২০ 'শ্বহীদ দিৱস'—**

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ আছু গোটৰ উদ্যোগত ১০ ডিচেম্বৰ তাৰিখ বৃহস্পতিবাৰে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে যি শ্বহীদ হ'ল, তেখেতসকলক শ্ৰদ্ধা নিৱেদন কৰিবলৈ মহাবিদ্যালয়ৰ শ্বহীদবেদী প্ৰাংগণত শ্বহীদ তৰ্পণ কৰা হয়। তৰ্পণ কৰে অধ্যক্ষ ড° নৱজ্যোতি দাস, শিক্ষক গোটৰ সভাপতি ড° নগেন্দ্ৰ শৰ্মা ছাৰকে ধৰি যতীন্দ্ৰ মেধী (সভাপতি, অনাশিক্ষক কৰ্মচাৰী গোট)ৰ লগতে মোক তৰ্পণ কৰিবলৈ সুযোগকণ দিয়াবাবে আছু গোটৰ সভাপতি বেদব্ৰত দাস, সম্পাদক শ্যামাশিস চৌধুৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**বিশেষ মহাবিদ্যালয় উৎসৱ, ২০২১**

যোৱা ২০১৯-২০২০ ইং বৰ্ষৰ মাৰ্চ মাহৰপৰা আজিকোপতি বিশ্বজুৰি সৃষ্টি হোৱা কোভিডকালীন পৰিস্থিতিৰ বাবে চৰকাৰৰ আৰোপিত বিভিন্ন নীতি-নিয়মৰ হেতুকে মহাবিদ্যালয় 'স্বাভাৱিক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰিব পৰা হোৱা নাই যদিও ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ উন্নতিৰ কথা চিন্তা কৰি অহা ৮, ৯ আৰু ১০ মাৰ্চ, ২০২১ ইং তাৰিখলৈ 'বিশেষ মহাবিদ্যালয় উৎসৱ' শীৰ্ষক তিনিদিনীয়া এক প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰোঁ। বিভাগীয় সকলো সম্পাদকে বিভিন্ন প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাত যৎপৰোনাস্তি চেষ্টা কৰে। শেষৰ দিনা অৰ্থাৎ ১০ মাৰ্চত মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। উক্তদিনাখন বিগত 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'ত পুৰস্কাৰপ্ৰাপ্ত সকলো প্ৰতিযোগীকে ধৰি 'বিশেষ মহাবিদ্যালয় উৎসৱ-২০২১'ত পুৰস্কাৰপ্ৰাপ্ত তথা শ্ৰেষ্ঠ প্ৰতিযোগীসকলক বঁটা বিতৰণ কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি

আয়োজিত মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰজ্যোতি দাস ছাৰদেৱে। সন্মানীয় অতিথি হিচাপে থাকে শ্ৰীৰবীন গোস্বামী ছাৰ (সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি) লগতে বিশেষ নিমন্ত্ৰিত অতিথি হিচাপে কণ্ঠশিল্পী, গীতিকবি, যুৱ কবি মৈত্ৰেয়ী পাটৰ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি মাননীয় অধ্যাপক-অধ্যাপিকা, তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ সৌষ্ঠৱ বঢ়ায়।

এইসকল মহান ব্যক্তিৰ উপস্থিতিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উৎসাহিত হোৱা দেখা যায়। লগতে মৈত্ৰেয়ী পাটৰ বাইদেউৰ গীতৰ পৰিৱেশনে আৰু বেছি সুমধুৰ হৈ পৰে মহাবিদ্যালয়।

**কৃতজ্ঞতা আৰু ধন্যবাদ ঃ**

মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড° নৰজ্যোতি দাস ছাৰ, মোৰ বিভাগৰ মাননীয়া তত্ত্বাৱধায়িকা শ্ৰীযুতা জৰা কলিতা বাইদেউ, ছাত্ৰ একতা সভাৰ সমূহ তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকাবৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ। বিশেষভাৱে মোৰ তত্ত্বাৱধায়িকা আৰু অধ্যক্ষ মহোদয়লৈ মোৰ পালৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰ একতা সভাৰ সভাপতি নৰজ্যোতি দাস, উপ-সভাপতি নিকুমণি দেৱী, খেল সম্পাদক শ্যামাশিস চৌধুৰী আৰু সহঃ সাধাৰণ সম্পাদক অনিতা মেধি প্ৰমুখ্যে সম্পাদক-সম্পাদিকা, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী নয়ন দা, বসন্ত দাস, জিতু দাস, দেৱজিৎ দা, মীনা বাইদেউ, ৰমেন দাস আৰু লগতে অৰূপ খুড়া, শিক্ষক গোটৰ সভাপতি-সম্পাদক প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কিতাপ ঘৰৰ স্বত্বাধিকাৰী পিংকু দা, জোন দা, শংকৰ দা লগতে স্বাস্থ্যকেন্দ্ৰৰ স্বত্বাধিকাৰী কল্পনা কলিতা বাইদেউ, মহাবিদ্যালয়ৰ ভিতৰচ'ৰা পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত ৰুবুল দা, চক্ৰ দা, প্ৰৱেশদ্বাৰৰ দায়িত্বত থকা গুণেশ্বৰ দা, পৰমেশ্বৰ দা আদিকে ধৰি বিপুল দাস, বিপুল বৈশ্য দা আৰু সীমান্ত দা, চম্পক দাস, জিতেন দা— মোৰ অতিকৈ শ্ৰদ্ধাৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টিৰ নামবোৰ উল্লেখ নকৰিলে ভুল কৰা হ'ব— ভাতৃপ্ৰতিম ৰাহুল দাস, ৰূপক কুমাৰ, বিকাশ কলিতা, নীহাৰ জ্যোতি কলিতা, দৰ্পণ ভাগৱতী, চানী কলিতা লগতে বান্ধৱী কৃষ্ণা দাস, অদিতি দাস, জিমি, সাগৰিকা, দেৱাশ্ৰী, সুস্মিতা, পম্পী লগতে ভাইটি নিলয়, অংকুৰ— এই আটাইবোৰলৈ শেষত কৃতজ্ঞতা আৰু ধন্যবাদ নিৱেদিছোঁ। আপোনালোকৰ আটাইৰে সহযোগিতা নহ'লে হয়তো অনুষ্ঠানসমূহ সুচাৰুৰূপে চলাই নিব নোৱাৰিলোঁহেঁতেন। ব্যক্তিগতভাৱে মই সদায় আটাইৰে ওচৰত চিৰঋণী।

দক্ষিণ কামৰূপ মহাবিদ্যালয় অসমৰ ভিতৰতে এখন অগ্ৰণী মহাবিদ্যালয় হওক— তাৰেই কামনা কৰিছোঁ। এই যাত্ৰাৰ বহু মূল্যৱান বছৰ সাধাৰণ সম্পাদক হিচাপে সামৰ্থ্য অনুযায়ী নিজৰ শ্ৰেষ্ঠতাখিনি প্ৰকাশ কৰাৰ বাবে সদায় চেষ্টা কৰিছিলোঁ। আশা কৰিম— পৰৱৰ্তী প্ৰজন্মৰ হাতত মহাবিদ্যালয়খন আৰু আগবাঢ়ি যাওক।

শেষত সাধাৰণ সম্পাদক হিচাপে অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু লগতে নিজৰ মাজৰে এজন সহপাঠী বুলি শুধৰাই দি আঁকোৱালি লোৱাৰ আশাৰে সামৰিব বিচাৰিছোঁ।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

• • • • •



**অনিতা মেধি**
সহঃ সাধাৰণ সম্পাদক

প্ৰতিবেদনৰ আৰম্ভণিতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ লগত জন্মলগ্নৰেপৰা জড়িত হৈ থকা প্ৰতিজন ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু সৎ সাহসৰ বাবেই আজি দক্ষিণ কামৰূপৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছে দক্ষিণ কামৰূপ মহাবিদ্যালয়।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ দৰে এক গুৰুত্বপূৰ্ণ পদত জয়যুক্ত কৰাই সেৱা আগবঢ়াবলৈ সুবিধা কৰি দিয়াৰ বাবে সমূহ ডিকেচিয়ান তথা মোৰ বন্ধু-বান্ধৱীসকললৈ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মোৰ কাৰ্যকালৰ চমু আভাস ঃ**

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ৫৯ তম প্ৰতিষ্ঠা দিৱসৰ দিনটো অইনবাৰৰ দৰে এইবেলিও অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছিল। প্ৰতিষ্ঠা দিৱসৰ পিচত সৰস্বতী পূজাৰ পূজাভাগো অন্য প্ৰতিবাৰৰ দৰেই উদ্‌যাপন কৰা হৈছিল। ২০১৯-২০২০ ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত বিশ্বব্যাপী ক'ৰোনা মহামাৰীৰ আতিশয্যৰ কথা নক'লেও আধৰুৱা হ'ব। সাংস্কৃতিক শোভাযাত্ৰাৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। কিন্তু প্ৰথম দিনটোৰ পিচত মহাবিদ্যালয় সপ্তাহৰ অন্যান্য কাৰ্যসূচীসমূহ তথা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ সক্ষম নহ'লোঁ। ক'বলৈ পাই অত্যন্ত দুখী অনুভৱ কৰিছোঁ যে, ক'ভিড-১৯ মহামাৰীৰ কালৰূপৰ কৱলত পৰি মহাবিদ্যালয়ৰ মুখ্য অনুষ্ঠান নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰিবলৈও সক্ষম নহ'লোঁ। ক'ৰোনাকালীন সময়ত ছাত্ৰ একতা সভাৰ ফালৰপৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰা হৈছে।

পৰিস্থিতি স্বাভাৱিক হোৱাত স্থগিত হৈ থকা মহাবিদ্যালয় সপ্তাহখন সম্পূৰ্ণ কৰিবলৈ বিশেষ মহাবিদ্যালয় উৎসৱ নাম দি নতুনকৈ মহাবিদ্যালয় সপ্তাহখন আয়োজন কৰা হৈছিল।

শেষত দুআষাৰ ঃ প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায় কৰা বিভাগীয় তত্বাৱধায়িকা শ্ৰীযুতা জৰা কলিতা বাইদেউলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনাইছোঁ।

শেষত মোৰ কাৰ্যকালৰ সময়ত অজানিতে কৰা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।।
।। জয়তু ছাত্ৰ একতা সভা।।



**প্ৰজ্ঞান চৌধুৰী**
সম্পাদক
সাহিত্য আৰু আলোচনী

প্ৰতিবেদনৰ আগমুহূৰ্তত সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ— যাৰ অক্লান্ত প্ৰচেষ্টাৰ বলত দক্ষিণ কামৰূপ মহাবিদ্যালয়খনে বৰ্তমানৰ ৰূপ পাইছে। লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'দক্ষিণ পট'ৰ লগত আদিৰেপৰা বৰ্তমানলৈ জড়িত হৈ থকা প্ৰতিজন নমস্য ব্যক্তিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিৱেদিছোঁ।

সাহিত্য আৰু আলোচনী সম্পাদকৰ পদত ডিকেচিয়ানে হাজাৰৰো অধিক ভোটত সমৰ্থন কৰি গধুৰ দয়িত্বটো মোক অৰ্পিলে। এই সুযোগতে ডিকেচিয়ানক মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

গুৰুত্বপূৰ্ণ কথাটো হ'ল— দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'সাহিত্য আৰু আলোচনী' বিভাগৰ সম্পাদকজনৰ সাহিত্য, শিল্পকলা আৰু আলোচনী— এই তিনিওটাৰে দায়িত্ব থাকে। সেই অনুসৰি আটাইবোৰ দিশ সাঙুৰি কাম কৰিবলৈ আগবাঢ়োঁতে কিছু গুৰুত্বপূৰ্ণ কাম ৰৈ যোৱাটো স্বাভাৱিক। অসমৰ শিক্ষানুষ্ঠানৰ আলোচনীসমূহৰ ভিতৰত আগশাৰীৰ এখন আলোচনী 'দক্ষিণ পট'। অৰ্ধশতবৰ্ষতম প্ৰকাশৰ দুৱাৰডলিত এই আলোচনীখন সম্পাদনা কৰিবলৈ আগবঢ়াটো আমাৰ বাবে আছিল যথেষ্ট কঠিন কাম।

মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

২০১৯-২০২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'সাহিত্য আৰু আলোচনী' পদৰ দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়খনত এক সুস্থ সাহিত্যিক আৰু শিল্পকলাৰ বাতাবৰণ সৃষ্টিৰ খাতিৰত কিছু ইতিবাচক কাম কৰাৰ প্ৰয়াস কৰিছিলোঁ। সেইবোৰ এনেধৰণৰ—

(ক) বক্তৃতা প্ৰতিযোগিতা ঃ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই 'সাহিত্য আৰু আলোচনী' বিভাগৰ প্ৰথম কাৰ্যসূচী হিচাপে আমি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অষ্টম মৃত্যু বাৰ্ষিকী উপলক্ষে ভূপেন হাজৰিকাৰ গীতৰ ওপৰত এখন বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। য'ত ছাত্ৰ-ছাত্ৰীৰ অভূতপূৰ্ব অংশগ্ৰহণে আমাক পিচলৈ উৎসাহিত কৰিছিল। উল্লেখ কৰিবলৈপাই সুখী যে, এনে ধৰণৰ প্ৰতিযোগিতা 'সাহিত্য আৰু আলোচনী' বিভাগে মোৰ কাৰ্যকালতে পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰিছিল।

(খ) চুটিগল্প (পাণ্ডুলিপি) প্ৰতিযোগিতা ঃ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত এখনি চুটিগল্প প্ৰতিযোগিতা (পাণ্ডুলিপি) আয়োজন কৰা হৈছিল। ডিকেচিয়ানৰ পূৰ্ণ সহযোগে এই ক্ষেত্ৰত আমাক সফল কৰি তুলিছিল।

(গ) মহাবিদ্যালয় সপ্তাহ ঃ ১৪/৩/২০২০ ইং তাৰিখৰপৰা ১৯/৩/২০২০ ইং তাপিখলৈ মহাবিদ্যালয় সপ্তাহ পাতিবলৈ ঠিৰাং কৰা হৈছিল। সেই উদ্দেশ্যে সাহিত্য আৰু আলোচনী বিভাগৰপৰা ১৪/৩/২০২০ ইং তাৰিখে মহাবিদ্যালয় সপ্তাহৰ প্ৰথমদিনা ছাত্ৰ একতা সভাৰ মুখ্য প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' উন্মোচন কৰা হৈছিল।

কিন্তু দুৰ্ভাগ্যৰশতঃ ১৪/৩/২০২০ ইং তাৰিখে গধূলি প্ৰশাসনে সমগ্ৰ অসমজুৰি মহামাৰী ক'ৰোনাৰ বাবে তলাবন্ধ ঘোষণা কৰে। প্ৰশাসনৰ নিৰ্দেশ মানি সমগ্ৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয় সপ্তাহ অনিৰ্দিষ্টকাললৈ স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলোঁ। কিন্তু পিচলৈ তলাবন্ধ দীঘলীয়া হোৱাত অনিৰ্দিষ্টকাকলৈ স্থগিত ৰখা মহাবিদ্যালয় সপ্তাহ পুনৰ অনুষ্ঠিত কৰিব পৰা নহ'ল।

কিন্তু সাহিত্য আৰু আলোচনী বিভাগৰদ্বাৰা অনুষ্ঠিত কৰা বিভিন্ন পাণ্ডুলিপি প্ৰতিযোগিতা; যেনে— কবিতা, প্ৰবন্ধ, গল্প আৰু একাংকিকাৰ পাণ্ডুলিপিসমূহ জমা লোৱা হৈছিল। গতিকে উক্ত প্ৰতিযোগিতাসমূহ পিচত বিবেচনা কৰি ফলাফল ঘোষণা কৰা হৈছিল। তলাবন্ধৰ সময়ত প্ৰায় আঠ মাহ মহাবিদ্যালয় বন্ধ থকা হেতুকে দক্ষিণ কামৰূপ মহাবিদ্যাৰলয়ত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰিবলৈ লোৱা বিভাগীয় প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাখনিও অনুষ্ঠিত কৰিব পৰান নগ'ল।

(ঘ) অনলাইন চিত্ৰাংকন প্ৰতিযোগিতা ঃ 'ভাৰতীয় বিমান প্ৰাধিকৰণ'ৰ উদ্যোগত সাহিত্য আৰু আলোচনী বিভাগৰ সহযোগত ডিকেচিয়ানৰ মাজত এখনি অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। উক্ত প্ৰতিযোগিতাৰ বিজয়ীসকলক ৪/১১/২০২০ ইং তাৰিখে বঁটা বিতৰণ কৰা হৈছিল। উক্ত অনুষ্ঠানটো

শিল্পকলা অনুৰাগী ডিকেচিয়ানৰ সঁহাৰি আছিল ইতিবাচক।

(ঙ) মহামাৰীৰ সময়ত মাস্ক, চেনিটাইজাৰ আদি বিতৰণ ঃ মহামাৰীৰ সময়ত ছাত্ৰ এখতা সভাৰ তৰফৰপৰা ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মাজত মাস্ক, চেনিটাইজাৰ, চাবোন আদি বিতৰণ কৰা হৈছিল আৰু মহামাৰীৰ সময়ত সমগ্ৰ মহাবিদ্যালয়ৰ পৰিয়ালৰ লগতে সমাজখনৰ সুৰক্ষাৰ বাবে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।

(চ) বিশেষ মহাবিদ্যালয় উৎসৱ ঃ ৮/৪/২০২১ ইং তাৰিখৰপৰা ১০/৪/২০২১ ইং তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে 'বিশেষ মহাবিদ্যালয় উৎসৱ' শীৰ্ষৰে এক প্ৰতিযোগিতামূলক অনুষ্ঠান আয়োজন কৰা হৈছিল। সেই উদ্দেশ্যে আমি বিভিন্ন সাহিত্য আৰু শিল্পকলাৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ।

এটা কথা স্বীকাৰ কৰিব লাগিব যে, কৰিম বুলি মানসিকভাৱে নিজকে প্ৰস্তুত কৰি লোৱা কিছুমানকাম কিছুমান আভ্যন্তৰীণ কাৰণৰশতঃ আৰু তলাবন্ধৰ সময়ত মহাবিদ্যালয় বহুদিন বন্ধ থকা হেতুকে কৰিব পৰা নগ'ল। সেইবোৰ কাম সময় আৰু সুবিধা অনুসৰিপৰৱৰ্তী সময়ত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ সহায়ত সম্পন্ন কৰাৰ আশা পুহি ৰাখিছোঁ। আমাৰ এই সমগ্ৰ কাৰ্যকালৰ সময়ছোৱাত বহুতো ভুল-ত্ৰুটি ৰৈ যোৱাটো ধুৰূপ। যাৰ বাবে আমি সমগ্ৰ ডিকেচিয়ানৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

মই আপোনালোকৰ ওচৰত ঋণী ঃ

মোৰ সমগ্ৰ কাৰ্যকালৰ সময়ছোৱাতেই মোক সৰু-বৰ সকলো কাৰ্যতেই দিহা-পৰামৰ্শৰে মোক উৎসাহিত কৰা মোৰ তত্ত্বাৱধায়িকা ড° জিলমিল বৰা বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। আমি শপত গ্ৰহণ কৰাৰ পৰা দুমাহমান পিচলৈ অধ্যক্ষ ৰূপে থকা শ্ৰদ্ধাৰ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰ আৰু ডিচেম্বৰৰ ১ তাৰিখৰপৰা লগ পোৱা অধ্যক্ষ শ্ৰদ্ধা ড° নৰজ্যোতি দাস ছাৰলৈ মোক কাৰ্যকালতে কৰা সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ অসমীয়া বিভাগ, ইংৰাজী বিভাগৰ সমূহ সন্মানীয় অধ্যাপক-অধ্যাপিকা আৰু ভূগোল বিভাগৰ সহপাঠীসকলৰ ওচৰত মই চিৰঋণী। তেওঁলোকৰ সহায় অবিহনে সকলো মিছা হ'লেহেঁতেন। শ্ৰদ্ধাৰ যতীন্দ্ৰ মেধি ছাৰ, নয়ন দা, বসন্ত দাস, ৰমেন দা, জিতু দাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ বন্ধু ধনমণি দাস, নিৰুপম দাস, হেমাংগ দাস, মৃদুল নাথ, টিংকুমণি শৰ্মা, ধনজিৎ দাস, ৰঞ্জন হাজৰিকা, ৰণ্টু ৰাজবংশী, বিমলজ্যোতি দাস, দিনমণি দাস, সুনীল দাস, কোকিল দাস, দ্বীপ কলিতা, ৰাকেশ নাথ, জিণ্টু দাস, সুমান কলিতা, গৌতম ঠাকুৰীয়া, ৰিমলী ৰিছা পাঠক, আছিফ আলীক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট' (NSS)ৰ লগতে ছাত্ৰ একতা সভা আৰু সমূহ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰিয়ালকে ধন্যবাদ আৰু আন্তৰিক ধন্যবাদ জনাইছোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয় সৰ্বাংগীণ উন্নতি আৰু বিজয়ৰ জখলাৰে যাওক, তাৰেই কামনা।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয় জগত"



**দৰ্পণজ্যোতি ভাগৱতী**

সম্পাদক

ছাত্ৰ জিৰণি কোঠা

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহান ব্যক্তিসকলক সোঁৱৰণ কৰিছোঁ, যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত মালিয়াটাত অশেষ পৰিশ্ৰম, মহানুভৱতা, অবিৰত প্ৰচেষ্টাৰ ফলত মানৰ সম্পদ গঢ়াৰ এক মহান শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ মহাবিদ্যালয়খন গঢ়ি তুলিছিল। সেয়ে আজি মই তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'ছাত্ৰ জিৰণি কোঠা' বিভাগৰ সম্পাদকৰ দৰে এক দায়িত্বশীল পদৰ যোগ্য বুলি মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ 'ডিকেচিয়ান'ক মই আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

**শলাগৰ শৰাই ঃ** পোনপ্ৰথমে মই মোৰ মা-দেউতাক ধন্যবাদ জনাওঁ যে, তেওঁলোকৰ অনুমতি অবিহনে মই মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিলেহেঁতেন। লগতে মোক প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে উৎসাহিত কৰা দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকলক আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

**মোৰ সম্পাদকীয় কাৰ্যকালৰ চমু আভাস**

**প্ৰথম কাৰ্যসূচী ঃ** ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত নিৰ্বাচিত হৈয়ে পোনপ্ৰথমে মোৰ কাৰ্যভাৰ আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালনেৰে। ১৪ নৱেম্বৰত ৫৯ তম প্ৰতিষ্ঠা দিৱস অতি উলহ-মালহেৰে পালন কৰা হৈছিল। পতাকা উত্তোলনেৰে আৰম্ভ কৰি দিনটোৰ সকলো কাৰ্যসূচী অতি সুকলমে পালন কৰা হৈছিল।

**দ্বিতীয় কাৰ্যসূচী ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত সৰস্বতী পূজাখন উদ্‌যাপন কৰা হয়। সেইদিনা ৰাতিপুৱাৰেপৰা মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটিছিল। আমি সকলোৱে ছাৰ-বাইদেউসকলৰ লগত মা সৰস্বতীৰ আশিষ বিচাৰি পুষ্পাঞ্জলি অৰ্পণ কৰিছিলোঁ।

**তৃতীয় কাৰ্যসূচী ঃ** মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ। বিগত বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহখন পাতিবলৈ সাজু হৈছিলোঁ। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচী আছিল সাংস্কৃতিক শোভাযাত্ৰা। সেই দিনটো সুকলমে পাৰ হৈছিলহে মাত্ৰ; কিন্তু পিচদিনাখনৰপৰাই ক'ৰোনা মহামাৰীৰ বাবে সমগ্ৰ ৰাজ্যতে লক্‌ডাউন ঘোষণা কৰা হৈছিল, যাৰ ফলত মহাবিদ্যালয় সপ্তাহখনো স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হ'ল।

সুদীৰ্ঘ প্ৰায় ছমাহ মানৰ পাচত ক'ৰোনাৰ প্ৰকোপ অলপ সাম কটাৰ পাচত মহাবিদ্যালয় খোলা দিলে। ছাত্ৰ একতা সভাৰ সদস্যসকলে ভাবিছিলোঁ 'নৱাগত আদৰণি সভা'খন পতাৰ কাৰণে। কিন্তু ক'ৰোনাৰ বাবে সেয়া সম্ভৱ হৈ নুঠিল। তাৰোপৰি ২০২০-২১ৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনো পতা নহ'ল।

**পুনৰ কাৰ্যভাৰ গ্ৰহণ ঃ** যিহেতু ক'ৰোনাৰ বাবে মহাবিদ্যালয়ত নিৰ্বাচন অনুষ্ঠিত নহ'ল, তাৰ বাবে ২০১৯-২০২০ৰ ছাত্ৰ একতা সভাৰ সদস্যসকলে পুনৰ কাৰ্যভাৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল।

**দ্বিতীয় কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী ঃ** মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ঠিক আগৰবাৰৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ ৬০ তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হ'ল।

**দ্বিতীয় কাৰ্যসূচী ঃ** আমাৰ ভাগ্য ইমানেই ভাল আছিল যে, একেলগে দুটা বছৰ আমি সৰস্বতী মাৰ পূজা উদ্‌যাপন কৰাৰ সৌভাগ্য হৈছিল।

**তৃতীয় কাৰ্যসূচী ঃ** মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল বিশেষ মহাবিদ্যালয় উৎসৱ। যোৱা বছৰ যিহেতু মহাবিদ্যালয় সপ্তাহখন স্থগিত ৰখা হৈছিল, গতিকে বাকী থকা কাৰ্যসূচীখিনি পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰপৰা আয়োজন কৰা খেলসমূহ হ'ল— ল'ৰা-ছোৱালী উভয়ৰে কেৰম, দবা, বেড্‌মিণ্টন প্ৰতিযোগিতা। এই খেলসমূহ সুকলমে পৰিচালিত কৰিছিল আমাৰ মহাবিদ্যালয়ৰ মোৰ বহুকেইজন বন্ধু, দাদা, ভাইটিসকলে। এই ছেগতে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**সামৰণি ঃ** সদৌ শেষত মই মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাওঁ যে, মহাবিদ্যালয়খন নিজৰ বুলি ভাবি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখে যেন আৰু মহাবিদ্যালয়ৰ সকলো কৰ্মচাৰী, ছাৰ-বাইদেউ, দাদা-বাইদেউসকলক সন্মান আৰু ভাইটি-ভণ্টিসকলক মৰম দিয়ে যেন। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ ভাৰ লৈ অজানিতে কৰা ভুল-ক্ৰটিৰ বাবে ক্ষমা কৰি দিয়ে যেন। লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। ধন্যবাদ।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"



**নিৰ্মালী দাস**
সম্পাদিকা
ছাত্ৰী জিৰণি কোঠা

"অতীতৰ বুৰঞ্জী লেখকে লিখিছিল
ৰজা মহাৰজাৰ কথা।
আজিৰ বুৰঞ্জী লেখকে লিখিছে
মানুহৰ মুকুতিৰ কথা।।"
—ড° ভূপেন হাজৰিকা

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত যিসকল দেৱতুল্য ব্যক্তিৰ মহানুভৱতা, অক্লান্ত পৰিশ্ৰম আৰু অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত মানৱ সম্পদ গঢ়াৰ এক উল্লেখনীয় শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ মহাবিদ্যালয়' গঢ় লৈ উঠিলে, সেইসকল চিৰনমস্য ব্যক্তিলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

এবুকু ভয় বান্ধি লৈ মহাবিদ্যালয়ৰ বাবে কিছু কাম কৰাৰ লক্ষ্যৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৯-২০২০ ইং বৰ্ষৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ালোঁ।

মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়োৱাৰ হেঁপাহটো পূৰণ কৰিলে ডিকেচিয়ানে। আটাইৰে মৰম-আশীৰ্বাদ, দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠা সম্পাদিকা পদত জয়ী হৈছিলোঁ।

**মোৰ কাৰ্যকালৰ চমু আভাস**

মোৰ কাৰ্যভাৰ আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ ৫৯তম্ প্ৰতিষ্ঠা দিৱসেৰে। সোণালী জয়ন্তী গৰকা মহাবিদ্যাৰলয়খনত ৫৯তম্ প্ৰতিষ্ঠা দিৱসটো দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এদিনীয়া কাৰ্যসূচী আছিল যদিও সেই দিনটো সদায় স্মৰণীয় হৈ ৰ'ব।

ছাত্ৰী জিৰণি কোঠাৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ দিশত কিছু আগবাঢ়িলোঁ। জিৰণি কোঠাৰ ওপৰ মহলাত পানী অভাৱৰ বাবে বন্ধ কৰি ৰখা হৈছিল, স্বয়ংক্ৰিয় পাইপ পানীৰ ব্যৱস্থা কৰি তাক ব্যৱহাৰৰ উপযোগী কৰি তোলা হ'ল।

বিভিন্ন অনুষ্ঠানত সাজ-পোছাক পৰিধান কৰি সেই নিৰ্দিষ্ট ৰূপত নিজকে সজাই তোলাৰ বাবে ড্ৰেছিঙৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰে ওপৰ মহলাত এখন ড্ৰেছিং, তলৰ মহলাত আনখন ড্ৰেছিং ৰখা হ'ল।

যিহেতু আমাৰ মহাবিদ্যালয়ত ছোৱালীৰ সংখ্যা বেছি, আজৰি সময়ত জিৰণি কোঠাত খেলিব পৰাকৈ কেৰম, চাইনিজ চেকাৰ আদিৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰোপৰি ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰী জিৰণি কোঠাৰ ভিতৰত এটা খোৱা পানীৰ ফিল্টাৰ ব্যৱস্থা কৰা হ'ল।

মোৰ কাৰ্যকালত জিৰণি কোঠাটো চাফ-চিকুণ কৰি ৰখাত যথেষ্ট গুৰুত্ব দিছিলোঁ আৰু এই ক্ষেত্ৰত মোক সহায় কৰিছিল মণিকা বাইদেউ আৰু স্বৰ্গীয় কাঞ্চন কুমাৰী আইতাই। জিৰণি কোঠাটো সকলো দৰ্জা-খিৰিকীত পৰ্দা নাছিল। সেয়েহে পৰ্দাবিলাক নতুনকৈ লগোৱা হ'ল। সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰি কিমান দূৰ সফল হৈছোঁ সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

বিগত বছৰকেইটিৰ দৰে এইবেলিও ৩০-০১-২০২০ ইং তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজাভাগ উলহ-মালহেৰে পালন কৰিলোঁ। পূজাৰ দিনাখন ৰাতিপুৱাৰপৰা মহাবিদ্যালয়ত ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ সমাগম হ'ল। সকলো আহি আমাৰ লগতে মা সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে। মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্যৰ সহযোগিতাত সৰস্বতী পূজাভাগ সুচাৰুৰূপে পালন কৰা হয়।

এইবেলিও মহাবিদ্যালয় সপ্তাহ ১৪-০৩-২০২০ ইং তাৰিখে আৰম্ভ হ'ল। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি কৰিলে পতাকা উত্তোলনেৰে। তাৰ পাচত মাল্যাৰ্পণ আৰু প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হ'ল। এই শুভক্ষণতে ছাত্ৰী জিৰণি কোঠা বিভাগৰ তৰফৰপৰা 'অংগনা' প্ৰাচীৰ পত্ৰিকাখনৰো উন্মোচন কৰা হয়। ইয়াৰ পাচতে আৰম্ভ হয় শোভাযাত্ৰা। মহাবিদ্যালয় সপ্তাহৰ অন্য দিনবোৰৰ প্ৰতিযোগিতাৰ বাবে যো-জা কৰা হৈছিল যদিও ক'ৰোনা মহামাৰীৰ বাবে মহাবিদ্যালয় সপ্তাহ স্থগিত ৰখা হ'ল।

মহামাৰীৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা বঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ ফালৰপৰা মাস্ক-

চেনিটাইজাৰ আদি বিতৰণ কৰা হয়।

২০২১ চনৰ মাৰ্চ মাহত পৰিস্থিতি প্ৰায় স্বাভাৱিক হোৱাত মহাবিদ্যালয়ৰ দৈনন্দিনৰ সকলো কামেই আৰম্ভ হ'ল আৰু ছাত্ৰ-ছাত্ৰীসকলো মহাবিদ্যালয়ত আহিব ল'লে। সেয়েহে অনুষ্ঠুপীয়াকৈ তিনিদিনীয়া কাৰ্যসূচীৰে 'বিশেষ মহাবিদ্যালয় উৎসৱ' পালন কৰাহ'ল। 'বিশেষ মহাবিদ্যালয় উৎসৱ'ত মোৰ তৰফৰপৰা ৰংগোলী, ছোৱালীৰ দ্বৈত কেৰম, মেহেন্দী বুলোৱা প্ৰতিযোগিতা, পুষ্পসজ্জা আৰু কইনা সজোৱা প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ল।

আগন্তুক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকালৈ এটি অনুৰোধ— যিহেতু আমাৰ মহাবিদ্যালয়ত ছাত্ৰীৰ অনুপাতে ছোৱালী প্ৰস্ৰাৱগাৰ নিচেই তাকৰ, সেয়েহে তেওঁ এইটো দিশত গুৰুতহ দিয়ে যেন। যদিও মই এই ক্ষেত্ৰত চেষ্টা কৰিছিলোঁ, মহামাৰীৰ বাবে এইটো সম্ভৱ হৈ নুঠিল।

**শ্ৰদ্ধাঞ্জলি ঃ** কাঞ্চন আইতা ডি.কে. কলেজৰ এটি পৰিচিত নাম। প্ৰায় ৩৫ বছৰৰ অধিক সময় প্ৰয়াত কাঞ্চন কুমাৰী আইতাই ডি.কে. কলেজত কৰ্মৰত আছিল। জিৰণি কোঠাৰ ভিতৰত প্ৰায়খিনি কামতে সম্পাদিকাসকলক সহায় কৰাৰ লগতে ছাত্ৰীসকলকো সহায় কৰিছিল তেওঁ। ০৩-১০-২০২১ ইং তাৰিখে তেওঁৰ আকস্মিক বিয়োগত মহাবিদ্যালয়ত শোকৰ ছাঁ পৰে। তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।

**শলাগৰ শৰাই ঃ** পোন প্ৰথমে মই মোৰ মা-দেউতা আৰু দাদা-বাইদেউক ধন্যবাদ জনাওঁ যে, মা-দেউতাৰ অনুমতি আৰু দাদা-বাইদেউৰ সাহস অবিহনে মই মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিলোঁহেঁতেন। এই ছেগতে মোৰ ছাঁৰ দৰে লাগি থাকি সহায় কৰা— বান্ধৱী কবিতা, কৃষ্ণা; ভাতৃসম হেমাংগ দাস, বন্ধু জ্যোতিষ, পৰাগ আৰু কৃষ্ণাংগিণী বালৈ মই শলাগৰ শৰই যাচিলোঁ। অজানিতে ৰৈ যোৱা নামবোৰৰ বাবে দুঃখিত। মোৰ কাৰ্যকালৰ সকলো ক্ষেত্ৰতে সহায় আৰু সু-পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়িকা ড° নিভা ঠাকুৰীয়া (অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা) বাইদেউ আৰু মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু সদৌটি বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**সামৰণি ঃ** প্ৰতিবেদনৰ পৰিশেষত মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলক এটি অনুৰোধ জনাওঁ যে, মহাবিদ্যালয়খনৰ সন্মান অটুট ৰাখি তেওঁলোকৰ জীৱনত অগ্ৰসৰ হয়, লগতে মহাবিদ্যালয়ৰ চৌহদটো পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখে যেন। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ গধুৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে অনিচ্ছাসত্বেও কাৰোবাক যদি কিবা টানকৈ কৈছিলোঁ, তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"




**ইয়াচ্মিন হুছেইন**
তৰ্ক আৰু আলোচনা
চক্ৰ বিভাগ


মোৰ দেশ মোৰ কল্লোলিত সপোনৰ উত্তাল তৰংগই
মোক লৈ যায় গভীৰৰপৰা গভীৰতলৈ,
আদৰ্শ কঠিন পৰ্বতমূললৈ.....।

—হীৰেণ ভট্টাচাৰ্য

পোনপ্ৰথমে মই সেইকেইগৰাকী নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত মালিয়াটাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ দৰে এখন মহান শিক্ষানুষ্ঠান গঢ়ি তুলিছিল। নাহৰৰ দেশ বুলি জনাজাত এইখন মহাবিদ্যালয়ক লৈ সমগ্ৰ দক্ষিণ কামৰূপবাসীয়ে গৌৰৱবোধ কৰে।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰিৱেশে মোক সদায় মুগ্ধ কৰি আহিছে। মনত এটা হেঁপাহ আছিল— মহাবিদ্যালয়খনক লৈ যিমান ভালপোৱা, যিমান সন্মান মনত পুহি ৰাখিছোঁ—এবাৰৰ বাবে হ'লেও যেন ব্যক্ত কৰিব পাৰোঁ। সেয়েহে নতুন চিন্তা, নতুন ভাবধাৰা লৈ ২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ ভাৰ হাতত তুলি লৈছিলোঁ, কিয়নো এই বিভাগটোৰ প্ৰতি বিশেষ আকৰ্ষণ আছিল। মোক এই সোণোৱালী সুযোগ দিয়াৰ বাবে সমূহ ডিকেচিয়ানৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

মোৰ কাৰ্যকালৰ চমু খতিয়ান তলত উল্লেখ কৰিলোঁ—

(১) মোৰ প্ৰথম কাৰ্যসূচী হিচাপে ভাৰতীয় বৈমানিক প্ৰাধিকৰণৰ উদ্যোগত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। বৃহৎ মাত্ৰাৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু অংশগ্ৰহণে মোৰ প্ৰথম কাৰ্যসূচীয়ে মোৰ বৃহৎ সফলতা প্ৰদান কৰাৰ লগতে আন কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাই নিব পাৰিম, তাৰ বাবে সাহস দিছিল।

(২) দ্বিতীয় কাৰ্যসূচী হিচাপে ভাৰতীয় 'ঋছা'ৰ উদ্যোগত ৰাজস্থানৰ ইতিহাস আৰু সংস্কৃতি বিষয়টোক লৈ এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰথম কাৰ্যসূচীটোৰ দৰে এইখন কাৰ্যসূচীও সুকলমে সম্পন্ন হয়।

(৩) তৃতীয় কাৰ্যসূচীত আমাৰ মহাবিদ্যালয়ত শ্ৰীযুত নয়ন কাকতিদেৱক আমন্ত্ৰণ জনোৱা হৈছিল। শ্ৰীযুত নয়ন কাকতিদেৱ গুৱাহাটী এডুড্ৰমৰ আঞ্চলিক বিক্ৰী প্ৰবন্ধক। প্ৰকাশনত তেওঁৰ বিশাল অভিজ্ঞতা আছে আৰু কেম্ব্ৰিজ ইউনিভাৰছিটি প্ৰেছ, মেকমিলান আৰু 'স্পীকিং টাইগাৰ্চ'ৰ সৈতে তেওঁ কৰ্মৰত। মহাবিদ্যালয়ৰ কাৰ্যসূচীখনত তেওঁ অতীত, বৰ্তমান আৰু ভৱিষ্যতে ছাত্ৰ সমাজ আৰু কিতাপৰ মাজৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰি এক সুন্দৰ বক্তব্য আগবঢ়াইছিল। তেওঁৰ বক্তব্যই উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক লাভৱান কৰি তুলিছিল। তেওঁৰ উপস্থিতি তথা সাৱলীল বক্তব্যৰদ্বাৰা সভাখনত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উৎসাহ বৃদ্ধিত সহায় কৰিছিল।

(৪) চতুৰ্থ কাৰ্যসূচী হিচাপে ২০২১ ইং বৰ্ষত মহাবিদ্যালয়ত 'ভাৰতীয় ইতিহাস আৰু সংস্কৃতি' বিষয়টোৰ ওপৰত ভিত্তি কৰি এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। বৃহৎ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু অংশগ্ৰহণে এইখন প্ৰতিযোগিতাও মোক বৃহৎ সফলতা প্ৰদান কৰিছিল।

এই সকলোবোৰ কাৰ্যসূচী নিয়াৰিকৈ চলাই নিয়াত মোক সকলোতকৈ বেছি সহায় কৰিছিল মোৰ তত্ত্বাৱধায়িকা অধ্যাপিকা ড° মাধুৰী শইকীয়া বাইদেউৰ পৰামৰ্শ আৰু সহযোগিতাই। তেওঁ যি দৰে মোক সকলো কামত উৎসাহ দিছিল, সহায় কৰিছিল— হয়তো কোনেও মোৰ বাবে ইমান নকৰিব! সেয়েহে সন্মানীয় ড° মাধুৰী শইকীয়া বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। লগতে মই ধন্যবাদ জ্ঞাপন কৰিলোঁ অধ্যাপক জয়ন্ত বৈশ্য ছাৰক। মহাবিদ্যালয়ত অনুষ্ঠিত আটাইকেইখন কুইজ প্ৰতিযোগিতাত কুইজ মাষ্টাৰ হিচাপে উপস্থিত থকাৰ লগতে তেওঁ যিদৰে কুইজ প্ৰতিযোগিতাকেইখন যথেষ্ট আনন্দ আৰু হাঁহি-ধেমালিৰে পৰিচালনা কৰিছিল, মই ইয়াক চিৰদিনৰ বাবে মনত ৰাখিম। ইয়াৰ লগতে মই অধ্যাপিকা ইলোৱানন্দ পাঠক

বাইদেউ আৰু অধ্যাপিকা দুলুমণি নাথ বাইদেউক আটাইকেইখন প্ৰতিযোগিতাত উপস্থিত থকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** এইবেলি মহাবিদ্যালয় সপ্তাহ ১৪ মাৰ্চ, ২০২০ তাৰিখৰপৰা আৰম্ভ কৰা হৈছিল। অনুষ্ঠানটোৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° নৰজ্যোতি দাস ছাৰদেৱে পতাকা উত্তোলন কৰিছিল। তাৰ পিচত আৰম্ভ হ'ল মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰাৰ অন্তত মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ ফালৰপৰা প্ৰথম প্ৰতিযোগিতা 'দলীয় আলোচনা' প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হৈছিল। অন্য প্ৰতিযোগিতাৰ বাবে কামসমূহ আগতিয়াকৈ কৰি থোৱা হৈছিল যদিও ক'ৰোনা মহামাৰীৰ বাবে কাৰ্যসূচীসমূহ কিছুদিনৰ বাবে স্থগিত ৰখা হৈছিল।

২০২১ বৰ্ষৰ এপ্ৰিল মাহত যেতিয়া পৰিস্থিতি কিছু স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাত মহাবিদ্যালয় সপ্তাহৰ বৈ যোৱা প্ৰতিযোগিতাসমূহ সম্পূৰ্ণ হোৱাকৈ ৪ এপ্ৰিল, ২০২১ তাৰিখৰপৰা তিনিদিনীয়া কাৰ্যসূচীৰে 'বিশেষ মহাবিদ্যালয় উৎসৱ' অনুষ্ঠিত কৰা হৈছিল। ৪ এপ্ৰিল তাৰিখে তৰ্ক প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা আয়োজিত কৰা হৈছিল। কুইজ প্ৰতিযোগিতাখনৰ কুইজ মাষ্টাৰ বাসুদেৱ দা আৰু তেওঁৰ সহযোগী কৃষ্ণমণিয়ে প্ৰতিযোগিতাখন নিয়াৰিকৈ চলাই নিয়াৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। উপস্থিত আটাইকেইজন ছাৰ-বাইদেউ প্ৰমুখ্যে বিশেষ ধন্যবাদ কৰিছোঁ— অধ্যাপক মানস প্ৰতিম বৰুৱা ছাৰ আৰু ড° মাধুৰী শইকীয়া বাইদেউক। ৫ এপ্ৰিল, ২০২১ ইং তাৰিখে আকস্মিক বক্তৃতা আৰু বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ 'বিশেষ মহাবিদ্যালয় উৎসৱ'ৰ কাৰ্যসূচী সামৰণি মৰিলোঁ।

ইয়াৰ উপৰিও মোৰ নেতৃত্বত মহাবিদ্যালয়ৰপৰা বহুকেইখন তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলক লৈ যোৱা হৈছিল। মোৰ নেতৃত্বত প্ৰথমে লৈ যোৱা হৈছিল বি.বৰুৱা কলেজত; অসম পুলিচৰ উদ্যোগত অনুষ্ঠিত 'Cop Qiuz' প্ৰতিযোগিতাত আৰু একেটা দিনতেই নাৰেংগী ক্লাৱ হাউচত অনুষ্ঠিত 'Oil India Limited'ৰ উদ্যোগত অসমভিত্তিক কুইজ প্ৰতিযোগিতালৈ লৈ যোৱা হৈছিল। তাৰোপৰি ১ ডিচেম্বৰ, ২০২০ তাৰিখে শুৱালকুছিত ৭৫ তম্ অসম সাহিত্য সভাত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰপৰা দুগৰাকী ছাত্ৰক লৈ যোৱা হৈছিল। উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিজয়ী হোৱাৰ কোনো সুনাম কঢ়িয়াই আনিব নোৱাৰিলেও মই ভাবোঁ—তেওঁলোকৰ নিজস্ব প্ৰতিভা সুন্দৰভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছিল। আটাইকেইখন প্ৰতিযোগিতাত সফলতাঅৰ্জন কৰিব নোৱাৰিলেও, কেইখনমান প্ৰতিযোগিতাত মহাবিদ্যালয়ৰপৰা স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ভিতৰত—

● ২০১৯ বৰ্ষত উত্তৰ-পূব গ্ৰন্থমেলাত অসমভিত্তিক কুইজ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰপৰা তিনিজনীয়া এটা দল পঠিওৱা হৈছিল আৰু দলটোৱে তৃতীয় স্থান দখল কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

● ৮ জানুৱাৰী, ২০২১ তাৰিখে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত ব্ৰহ্মপুত্ৰ আমন্ত্ৰণ অভিযানৰ উদ্যোগত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰপৰা চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী পঠিওৱা হৈছিল আৰু আটাইকেইজনে সুন্দৰ বক্তব্য প্ৰদৰ্শন কৰিছিল। তাৰে মাজত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ চিৰঞ্জিৎ দাসে প্ৰথম স্থান দখল কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। তৰ্ক প্ৰতিযোগিতাখনৰ বঁটা বিতৰণী সভা গুৱাহাটী প্ৰাগ্‌জ্যোতিষ সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটোত কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰী শ্ৰীযুত গজেন্দ্ৰ সিং শেখাৱতদেৱে মহাবিদ্যালয়ৰ বিজয়ী প্ৰতিযোগী চিৰঞ্জিৎ দাসক বঁটা প্ৰদান কৰিছিল।

● ২০২১ বৰ্ষৰ ২০ ফেব্ৰুৱাৰী তাৰিখে দক্ষিণ কামৰূপৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোত দক্ষিণ কামৰূপভিত্তিক অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান সুদৰ্শন বড়ো আৰু ঋতুৰাজ বড়ো আৰু দ্বিতীয় স্থান প্ৰজ্ঞান চৌধুৰী আৰু ধনমণি দাসে দখল কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছিল।

● ইয়াৰোপৰি ক'ৰোনা মহামাৰীৰ বাবে কিছুদিন প্ৰতিযোগিতা অন্‌লাইনযোগে অনুষ্ঠিত কৰা হৈছিল। তাৰে ভিতৰত সদৌ অসম তাৰ্কিক সন্থাৰ উদ্যোগত এখন ৰাজ্যিক ভিত্তিত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ৰিম্‌লী ৰিছা পাঠকে বিচাৰকৰ বিশেষ স্থান লাভ কৰি মহাবিদ্যালয়ৰ নাম উজলাই তুলিছিল।

লগতে ‘স্কলাৰ্চ ফ’ৰাম’ৰ উদ্যোগত অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাত তেওঁ তৃতীয় স্থান দখল কৰি আমাক নথৈ আনন্দিত কৰি কৰিছিল।

মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনৰ সময়ত ‘তৰ্ক আৰু আলোচনা চক্ৰ’ বিভাগটোৰ দায়িত্ব লোৱাৰ আগতে মই ডিকেচিয়ানসকলক যিবোৰ প্ৰতিশ্ৰুতি দিছিলোঁ, সেই প্ৰতিশ্ৰুতি মই মনে-প্ৰাণে ৰাখিবলৈ চেষ্টা কৰিছোঁ আৰু এনেদৰে বিভিন্ন কাৰ্যসূচীৰে মোৰ কাৰ্যকালৰ অন্ত পৰিল।

তোমালোকৰ অবিহনে মই একো নহয়—

মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো ছাত্ৰ জীৱনৰ এক বহুত ডাঙৰ সফলতা। তেনে পৰিস্থিতিত প্ৰতিদ্বন্দ্বিতা কৰা পদত জয়ী হোৱাটো বহতো সৌভাগ্যৰ কথা। মোৰ ক্ষেত্ৰত এয়া অকল সম্ভৱ হ’ল মোৰ নিঃস্বাৰ্থ বন্ধুবৰ্গৰ সহায় আৰু তেখেতসকলৰ প্ৰচেষ্টাত। ইয়াতেই মই ধন্যবাদ দিব বিচাৰিছোঁ— মোৰ লগত সকলো সময়তে উপস্থিত থকা মুস্তাফ আহমেদক। লগতে মোৰ বন্ধু-বান্ধৱী— মেহবুব, শিখা, কাকু, গীতালী, নিকু, সুস্মিতা, কৃকী, তাপসী, চুমি, স্বাগতা, বিদিশা, মিনতি, আব্দুল, ইক্ৰামকে আদি কৰি সকলোলৈ অশেষ ধন্যবাদ। ইয়াৰ উপৰি ‘বিশেষ মহাবিদ্যালয় উৎসৱ’ৰ সকলো কাৰ্যসূচী সুচাৰুৰীপে চলাই নিয়াত সহায় কৰা মহাবিদ্যালয়ৰ NSS গ্ৰুপৰ সদস্যসকললৈকে বহুত বহুত ধন্যবাদ।

শেষত মোৰ কাৰ্যকালৰ সময়ত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সমাপণ কৰিলোঁ।

“জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়”
“জয়তু ছাত্ৰ একতা সভা”



**চম্পক দাস**
সাংস্কৃতিক সম্পাদক

"চিৰ চেনেহী মোৰ ভাষা জননী
আই ধন্যে পুণ্যে হৃত পাওনি
প্ৰকৃতি পৰশে ৰশে অমলকমল
চঞ্চলা হৃদি জলে ধালে পৰিমল
কোমল চম্পাৰ কলি
টৌ টৌৱে টৌ তুলি.....।"

আৰম্ভণিতে মই সেইসকল ব্যক্তিক স্মৰণ কৰি কলমটো বুলাব বিচাৰোঁ যে, যিসকল ব্যক্তিৰ ত্যাগৰ সাধনা আৰু অশেষ চেষ্টাৰ ফলত দক্ষিণ কামৰূপ মহাবিদ্যালয় আজি এগচি উজলি থকা চাকিৰ দৰে সমগ্ৰ দক্ষিণ কামৰূপ এক উত্তম শিক্ষাৰ কেন্দ্ৰস্থল হিচাপে প্ৰতিষ্ঠিত হ'ল, তেওঁলোক আটাইলৈ মোৰ ফালৰপৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ে আজি সোণোলী জয়ন্তী বৰ্ষ অতিক্ৰম কৰি বৰ্তমান ৫৯টা বৰ্ষ ভৰি দিলেহি। মনত নতুন ৰূপ, নতুন চিন্তা, দুচকুত উৎসাহৰ দীপ্তি ঢালি মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত নতুন ৰূপ দিয়াৰ পৰিকল্পনা হাতত লৈ ২০১৯-২০২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মজিয়ালৈ সাংস্কৃতিক সম্পাদকৰ ভাৰ হাতত তুলি লৈছিলোঁ।

**মোৰ কাৰ্যকালৰ চমু আভাস ঃ**

মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ দিনাৰপৰাই মোৰ কাৰ্যকাল আৰম্ভ হৈছিল। মহাবিদ্যালয়ৰ ৫৯তম্ প্ৰতিষ্ঠা দিৱসৰ দিনটোত ৰাতিপুৱা পতাকা উত্তোলনৰ লগতে মাল্যাৰ্পণ কাৰ্যসূচীৰে আৰম্ভ কৰা হয়।

**সৰস্বতী পূজা ঃ** সৰস্বতী পূজা মোৰ কাৰ্যকালৰ আন এক অন্যতম কাৰ্যসূচী। বিগত বৰ্ষৰ দৰে এইবেলিও ৩০/০১/২০২০ ইং তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজাভাগ উলহ-মালহেৰে পালন কৰিলোঁ। পূজাৰ দিনাখন ওচৰৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে সৰস্বতী দেৱীৰ শ্ৰীচৰণত আমাৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰিলে।

**মহাবিদ্যালয় সপ্তাহ ঃ** মোৰ কাৰ্যকালৰ অন্যতম কাৰ্যসূচী আছিল ১৪/০৩/২০২০ ইং তাৰিখৰপৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত মোৰ তৰফৰপৰা আয়োজিত কৰা প্ৰতিযোগিতাসমূহৰ শুভাৰম্ভণি কৰিলোঁ সাংস্কৃতিক শোভাযাত্ৰাৰদ্বাৰা। এই প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ আটাইকেইটা বিভাগে অংশগ্ৰহণ কৰে। শোভাযাত্ৰা প্ৰতিযোগিতাখন সাফল্যমণ্ডিত তথা সৌন্দৰ্যপূৰ্ণ কৰি তোলাবাবে আটাইকেইটা বিভাগলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয় সপ্তাহৰ বাকী দিনবোৰৰ বাবেও বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল যদিও বিশ্বজুৰি চলিত ক'ৰোনা মহামাৰীৰ ভয়াৱহতাৰ বাবে মহাবিদ্যালয় সপ্তাহ স্থগিত ৰখা হৈছিল।

**বিশেষ মহাবিদ্যালয় উৎসৱ ঃ** বিশেষ মহাবিদ্যালয় উৎসৱ আছিল মোৰ কাৰ্যকালৰ অন্তিম কাৰ্যসূচী। ০৮/০৪/২০২১ ইং তাৰিখৰপৰা ১০/০৪/২০২১ ইং তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল। বিশেষ মহাবিদ্যালয় উৎসৱত সাংস্কৃতিক বিভাগৰদ্বাৰা অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰাৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী উৎসাহিত আছিল, তেওঁলোকৰ উৎসাহ দেখি মই নথৈ আনন্দিত হৈছিলোঁ। আশাকৰোঁ যে, অনাগত দিনবোৰত মহাবিদ্যালয়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত উৎসাহ-উদ্দীপনা, সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে অনুষ্ঠিত প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠতা অৰ্জন কৰে। প্ৰতিযোগিতাসমূহ চলাই নিয়া বিচাৰকমণ্ডলীলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদন সামৰাৰ প্ৰাক্‌মূহূৰ্তত মোৰ সকলো বন্ধু-বান্ধৱীকে সোঁৱৰি অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু বিজয়ৰ জখলাৰে আগবাঢ়ি যোৱাৰ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"



**শ্যামাশীষ চৌধুৰী**
খেল আৰু ক্ৰীড়া
সম্পাদক

এই পৃথিৱী এক ক্ৰীড়াঙ্গণ
ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গণ। —ভূপেন হাজৰিকা

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইককল নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তিৰ অক্লান্ত শ্ৰম, মহানুভৱতা, লোকহিতৈষী চিন্তাধাৰা, অবিৰত প্ৰচেষ্টা, সাধনা আৰু ত্যাগৰ ফলত বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলত শিক্ষাৰ প্ৰাণকেন্দ্ৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ জন্ম হৈছিল।

মহাবিদ্যালয়খনক ক্ৰীড়াৰ ক্ষেত্ৰত সাধ্যানুসাৰে আৰু অধিক সৱল কৰি তুলিবলৈ লগত ছাত্ৰ-ছাত্ৰীখিনিৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা বিকাশ কৰাৰ স্বাৰ্থত ২০১৯-২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত খেল আৰু ক্ৰীড়া সম্পাদক পদত মই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ আৰু উক্ত পদটিত মোক জয়ী কৰাই মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে মই আটাইকে আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মোৰ সম্পাদকীয় কাৰ্যকালৰ দুটা মূল্যৱান বছৰ ঃ**

● কাৰ্যভাৰ গ্ৰহণ কৰিয়ে প্ৰায় এসপ্তাহ পিছত মোৰ প্ৰথম কাম হিচাপে আই.আই.টি. গুৱাহাটী উদ্যোগত অনুষ্ঠিত হোৱা Spirit-2019 অংশগ্ৰহণৰ বাবে ২৭-০৯-২০১৯ ইং তাৰিখে মহাবিদ্যালয় খো-খো দলটো লৈ গৈছিলোঁ। অসম তথা আন আন ৰাজ্যৰপৰা অহা ক্লাব, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহেও তাত অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাখনত আমাৰ মহাবিদ্যালয়খনৰ দলটোৱে উচ্চমানৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। সম্পাদক হিচাপে এনেদৰে মোৰ দুই বছৰীয়া কাৰ্যকালৰ আৰম্ভণি হৈছিল। মোৰ কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ খেলুৱৈসকলৰ পাৰদৰ্শিতা দেখি অনাগত দিনবোৰত কাম কৰাৰ সাহস দুগুণ বৃদ্ধি হৈছিল।

এই দুবছৰীয়া কাৰ্যকালৰ প্ৰতিটো কামতে মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ অনুজ কলিতা ছাৰে যথেষ্ট দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়াই মোক উপকৃত কৰিছিল। এই সুযোগতে শ্ৰদ্ধাৰ অনুজ কলিতা ছাৰক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

● মোৰ কাৰ্যকালৰ দ্বিতীয়টো কাম আছিল মহাবিদ্যালয় খেলুৱৈ সকলৰ মাজত অনুষ্ঠিত কৰা ৩০ দিনীয়া ক্ৰিকেটৰ অনুশীলন শিবিৰ। এই ৩০ দিনীয়া অনুশীলন শিবিৰত খেলুৱৈসকলৰ পাৰদৰ্শিতা তথা ক্ৰিকেটৰ প্ৰতি থকা উৎসাহ দেখি মহাবিদ্যালয়ৰ ক্ৰিকেট দলটো গঠন কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ বহুতো প্ৰতিভাৱান খেলুৱৈ আছে। যদি তেওঁলোকৰ প্ৰতিভা বিকাশৰ কাৰণে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ একতা সভাৰ প্ৰতিনিধিসকলে অনাগত দিনবোৰত বিভিন্ন ধৰণে সা-সুবিধা, সহায়-সহযোগিতা আগবঢ়াই থাকে, এটা সময়ত হয়তো দক্ষিণ কামৰূপ মহাবিদ্যালয় অসম তথা বিশ্ব দৰবাৰত জিলিকি উঠিব।

● ৩-২-২০২০ ইং তাৰিখৰপৰা ৬-২-২০২০ ইং তাৰিখলৈ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় খো-খো প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ল'ৰা আৰু ছোৱালীৰ দুটা দল লৈ গৈছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ ল'ৰা আৰু ছোৱালী দুয়োটা দলে উচ্চমানৰ খেল প্ৰদৰ্শনেৰে আন আন মহাবিদ্যালয়সমূহৰ দলসমূহক হৰুৱাই প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখনত জয়লাভ কৰে। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ৰূপম দাসে লাভ কৰিবলৈ সক্ষম হৈছিল। এই প্ৰতিযোগিতাখনত অংশগ্ৰহণৰ বাবে আমাৰ মহাবিদ্যালয়ৰ দল দুটা গঠন কৰোঁতে খেল আৰু ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক অনুজ কলিতা ছাৰৰ লগতে দক্ষিণ কামৰূপ অঞ্চলৰে দুজন সু-সন্তান প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খো-খো খেলুৱৈ জিন্তু দাস আৰু প্ৰাক্তন ৰাজ্যিক খো-খো খেলুৱৈ হৰকান্ত বড়োই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই ছেগতে মই তেওঁলোকক ধন্যবাদ জনাইছোঁ।

● ইয়াৰ পিছত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত ২২-২-২০২০ আৰু ২৩-২-২০২০ ইং তাৰিখে অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় এথ্‌লেটিকছ্ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰপৰা দল এটা লৈ গৈছিলোঁ। বিভিন্ন শিতানত আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰিছিল আৰু হাইজাম্পত আমাৰ মহাবিদ্যালয়ৰ হৈ হিতেশ ৰাভাই প্ৰথম স্থান পাবলৈ সক্ষম হৈছিল। হিতেশ ৰাভা দক্ষিণ কামৰূপৰ প্ৰাণকেন্দ্ৰ মিৰ্জাৰপৰা প্ৰায় ৪৫ কিলোমিটাৰ আঁতৰৰ পাহাৰীয়া দুৰ্গম ঠাই ২নং ভেৰভেৰী গাঁৱৰপৰা শিক্ষা গ্ৰহণৰ বাবে দক্ষিণ কামৰূপ মহাবিদ্যালয়লৈ আহিছিল আৰু কোনো ধৰণৰ বিশেষ অনুশীলন নোহোৱাকৈ বহুতো আগশাৰীৰ খেলুৱৈক হৰুৱাই প্ৰথম স্থান দখললেৰে তেওঁ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

● বিগত বৰ্ষৰ দৰে আমাৰ কাৰ্যকালতো বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ১৪-৩-২০২০ ইং তাৰিখৰপৰা আৰম্ভ হৈছিল। পতাকা উত্তোলনেৰে এই চাৰিদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ শ্ৰদ্ধাৰ ড° নৰজ্যোতি দাসদেৱে। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি হৈছিল বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰাৰদ্বাৰা। মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰপৰা অনুষ্ঠিত কৰা ক্ৰিকেট প্ৰতিযোগিতাখন সুকলমে হৈ যায়। এই ক্ষেত্ৰত মোক সহায় কৰা মহাবিদ্যালয় ছাত্ৰা নিৱাসৰ বন্ধুসকল আৰু খেলখনত অংশগ্ৰহণ কৰি উৎসাহ যোগোৱা আটাইকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। দুৰ্ভগ্যৱশতঃ ক'ৰোনাৰ সংক্ৰমণ বৃদ্ধি হোৱা বাবে মহাবিদ্যালয় সপ্তাহ এদিনীয়া কাৰ্যসূচীৰে স্থগিত ৰখা হৈছিল।

● মোৰ কাৰ্যকালৰ অন্তিমখন আন্তঃমহাবিদ্যালয়প্ৰতিযোগিতাৰ বাবে ২৯-০১-২০২১ আৰু ৩০-০১-২০২১ ইং তাৰিখে বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ ১৩ জনীয়া দল এটা গঠন কৰি লৈ গৈছিলোঁ। উক্ত প্ৰতিযোগিতাখনত দলটোৰ অধিনায়ক হিচাপে মই নেতৃত্ব দিছিলোঁ আৰু প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখনত আমাৰ মহাবিদ্যালয়ৰ দলটোৱে বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দলটোৰ হাতত পৰাজিত হৈ ৰাণাৰ্চআপ ট্ৰফী লাভ কৰিছিলোঁ। প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ অংকুৰ বড়োই লাভ কৰিবলৈ সক্ষম হৈছিল।

● যদিও পৰম্পৰাগতভাৱে আমাৰ কাৰ্যকালৰ মহাবিদ্যালয় সপ্তাহখন সম্পূৰ্ণৰূপে নিৰ্ধাৰিত সময়ত শেষ কৰিব পৰা নগ'ল, সেয়েহে পিছৰ পৰ্যায়ত বিশেষ মহাবিদ্যালয় উৎসৱ হিচাপে ০৮-০৪-২০২১ ইংৰাজী তাৰিখৰপৰা ১০-০৪-২০২১ ইংৰাজী তাৰিখলৈ তিনিদিনীয়া কাৰ্যক্ৰমৰ মাজেৰে মোৰ বিভাগৰ তৰফৰপৰা ল'ৰা-ছোৱালী উভয়ৰে দিবা-নৈশ কাবাদী, দিবা-নৈশ ভলীবল, লংজাম্প, এশ মিটাৰ আৰু আঠশ মিটাৰ দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। এই সময়ছোৱাত আমাৰ বিভাগৰপৰা আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাত আমি আশা কৰাতকৈও অধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে আমাৰ সঁচাকৈয়ে উৎফুল্লিত কৰি তুলিছিল আৰু এই উৎসৱত খেল বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ সফল কৰি তোলাত আমাক অৰিহণা আগবঢ়াইছিল, যাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

এই দুবছৰীয়া কাৰ্যকালৰ সময়ছোৱাত সু-পৰামৰ্শৰে মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাবৃন্দকে ধৰি অগ্ৰজসকল, সহপাঠীসকলৰ লগতে অনুজসকলকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয় দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।।

।। জয়তু ছাত্ৰ একতা সভা।।

।। জয় আই অসম।।



**বিনয়জ্যোতি ৰাভা**
সম্পাদক
সমাজসেৱা বিভাগ

প্ৰতিবেদনৰ পাতনি মেলাৰ প্ৰাক্‌ক্ষণত মই সেইসকল স্বনামধন্য, চিৰনমস্য, দূৰদৰ্শী ব্যক্তিসকলক আজিৰ এই পবিত্ৰ ক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তিৰ উমৈহতীয়া প্ৰচেষ্টা, চিন্তাধাৰা, অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু সাধনাৰ বলত বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলত মানৱ সম্পদ গঢ়া; বৰ্তমান সময়ত অসমৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ ভিতৰত 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'খনো এখন জাকতজিলিকা মহাবিদ্যালয় হিচাপে গঢ় দিয়া, সেইসকল মহান মান্যবৰক আকৌ এবাৰ এই প্ৰতিবেদনৰ জৰিয়তে অন্তৰেৰে স্মৰণ কৰি প্ৰণাম কৰিলোঁ।

এই মহাবিদ্যালয়খনে আগতে আৰু বৰ্তমানেও মানৱ সম্পদ গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। অনাগত দিনবোৰতো এইখন মহাবিদ্যালয়ৰপৰাই ইয়াতকৈ আৰু বেছি পৰিমাণে মানৱ সম্পদ গঢ়ি উঠক বা গঢ়ি তুলিব বুলি মই আশা ৰাখি অন্তৰেৰে শুভকামনা আৰু অভিনন্দন জনালোঁ।

সমাজ হ'ল মানুহৰ সংঘবদ্ধ হোৱাৰ ইচ্ছাৰ এটা ৰূপ। এখন সুস্থ-সবল সমাজ গঠনৰ ক্ষেত্ৰত কিছুমান নিভাঁজ কৰ্মীৰ প্ৰয়োজন। যিদৰে মানুহে মিলি সমাজখন গঠন কৰে, সেইদৰে সমাজখনেও একো একোজন ব্যক্তিক গঢ় দিয়াত মুখ্য ভূমিকা পালন কৰে। সমাজ অবিহনে ব্যক্তিৰ বিকাশ অসম্ভৱ। সেয়েহে সমাজ এখনৰ শান্তি-শৃংখলা আৰু সুখ-সমৃদ্ধি সুনিশ্চিত কৰিবৰ বাবে সমাজখন সু-সংগঠিত হোৱা খুবেই প্ৰয়োজন। আমাৰ সমাজত সৰু অথবা ডাঙৰকৈ হ'লেও কিছুমান সমস্যা থাকিবই। সেই সমস্যাসমূহ নিঃস্বাৰ্থভাৱে সমাধান কৰি, দেশৰ হকে কাম কৰি যোৱা বিষয়টোকেই সমাজ সেৱা বোলে। সমাজ সেৱা মনে সাধাৰণ ভাষাত সমাজৰ স্বাৰ্থৰ হকে কাম কৰি যোৱা অৱস্থাকে বুজায়। অৱশ্যে সমাজ সেৱাৰ পৰিসৰ বহুত বিশাল। সমাজসেৱা আমাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থকা সুস্থ দেহ-মনৰ এটা অবিচ্ছেদ্য অংশ, যিটো আপোনাৰ, মোৰ, আমাৰ সকলোৰে মাজতেই বিদ্যমান; অৰ্থাৎ সমাজ সেৱাত সকলো মানুহকে সামৰি লোৱা হয়। সহজ ভাষাত ক'বলৈ হ'লে— সমাজ সেৱা হৈছে সমাজৰ প্ৰকৃত মৰ্যাদা ৰক্ষা কৰা।

মই কুলশী জনজাতীয় হাইস্কুলত অধ্যয়ন কৰি থকা বয়সতেই এই মহাবিদ্যালয়নৰ গুণ-গৰিমা বহুজনৰ মুখত শুনি মই মহাবিদ্যালয়খনত অধ্যয়ন কৰিবলৈ মোৰ খুবেই ইচ্ছা আছিল। অৱশ্যে নিজৰ সৌভাগ্যৰ বলতেই কুলশী অঞ্চলৰপৰাই স্কুলীয়া শিক্ষা সম্পন্ন কৰি, ২০১৬ ইং বৰ্ষত এই মহাবিদ্যালয়খনত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাত নামভৰ্তিৰে অধ্যয়ন কৰি স্নাতক শিক্ষাৰ সৈতে মহাবিদ্যালয়ৰ পাঁচবছৰীয়া শিক্ষা সম্পন্ন কৰি মই মোৰ এটি সপোন জাগি দিঠকত পৰিণত কৰিলোঁ।

আমাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এই মহাবিদ্যালয়ৰ উন্নতিৰ হকে সদায় কাম কৰি যাম বুলি শপত লৈ মই ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ, সমাজ সেৱা সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিচত এবছৰৰ কম সময়ছোৱাত মই যিমান দূৰ সম্ভৱ সিমানখিনি কৰ্ম কৰি যাবলৈ প্ৰয়াস কৰিছিলোঁ। কিছুমান তিতা-মিঠা-টেঙা, ভাল-বেয়াসকলো অভিজ্ঞতাৰে মোৰ সম্পাদকীয় কাৰ্যকালৰ থুলমূল বিৱৰণ তলত উল্লেখ কৰিলোঁ।

**(১) গান্ধী জয়ন্তী ঃ** মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে ২ অক্টোবৰ, ২০১৯ ইং তাৰিখে গান্ধী জয়ন্তী উপলক্ষে মহাবিদ্যালয়ৰ চৌদহটো পৰিষ্কাৰ কৰাৰ অৰ্থে স্বচ্ছতা অভিযান, বৃক্ষৰোপণ আৰু প্লগিং ৰাণৰ কাৰ্যসূচী ৰাখি সাফল্যমণ্ডিত কৰি তুলিছিলোঁ।

**(ক) স্বচ্ছতা অভিযান ঃ** এই কাৰ্যসূচীটো সুচাৰুৰূপে চলাই নিয়া আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সহঃ তত্বাৱধায়ক এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা ছাৰদেৰক অশেষ ধন্যবাদ জনালোঁ।

**(খ) বৃক্ষ ৰোপণ ঃ** এই কাৰ্যসূচীটো সফল কৰাৰ ক্ষেত্ৰত শ্ৰদ্ধাৰ ৰসায়ন বিজ্ঞান বিভাগৰ অনাশিক্ষক কৰ্মচাৰী কৃষ্ণৰাম কৈৱৰ্তদেৱ, পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ড° প্ৰবীণ চন্দ্ৰ কলিতা ছাৰদেৱ, অসমীয়া বিভাগৰ অধ্যাপক চাংমা ছাৰদেৱ, দৰ্শন বিভাগৰ অধ্যাপক অনুজ কলিতা ছাৰদেৱ, শৰীৰ চৰ্চা বিভাগৰ তত্বাৱধায়ক ধীৰাজ চন্দ্ৰ দাস ছাৰদেৱ আৰু আমাৰ মহাবিদ্যালয়ৰ উদ্‌যাপন সমিতিৰ সম্পাদক যতীন্দ্ৰ মেধী ছাৰদেৱকে আদি কৰি উপস্থিত আটাইলৈ ধন্যবাদ নিৱেদিলোঁ।

**(গ) প্লগিং ৰাণ ঃ** প্লগিং ৰাণ (Plogging Run) কাৰ্যসূচীটো আগভাগ লৈ কৰা দৰ্শন বিভাগ তথা খেল বিভাগৰ তত্ত্বাৱধায়ক অনুজ কলিতা ছাৰদেৰক মই বিশেষভাৱে ধন্যবাজ জনালোঁ।

ওপৰৰ তিনিওটা কাৰ্যসূচীৰ সৈতে জড়িত হৈ মোক দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা, মোৰ পথ প্ৰদৰ্শক তথা সমাজ সেৱা বিভাগৰ তত্ত্বাৱধায়িকা শ্ৰীযুতা ভৱানী বৈশ্য বাইদেউক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সেই সময়ত ভাৰপ্ৰাপ্ত অৱস্থাত থকা ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰদেৰকো এই ছেগতে শলাগিলোঁ, লগতে ৰাষ্টীয় সেৱা আঁচনি গোট, ৰাষ্ট্ৰীয় সৈন্য বাহিনীৰ সমূহ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা আৰু ছাত্ৰ একতা সভাৰ সভাপতি, সম্পাদদকসকলকে আদি কৰি উপস্থিত আটাইলৈ ধন্যবাদ জনালোঁ।

**(২) মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ** মোৰ কাৰ্যকালৰ দ্বিতীয় কাৰ্যসূচীৰ ভিতৰত আমাৰ মহাবিদ্যালয়ৰ ৫৯ তম্ প্ৰতিষ্ঠা দিৱস। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আমি ৰাতিপুৱাৰ ভাগত মহাবিদ্যালয়ৰ পতাকাখন উত্তোলন কৰি, ৰাষ্টীয় সেৱা আঁচনি গোটৰ ফলকত বন্তি প্ৰজ্বলন, মহাবিদ্যালয়ৰ ভিতৰত থকা প্ৰতিমূৰ্তিবোৰত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিছিলোঁ। তাৰ পিচত ছাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণেৰে সাংস্কৃতিক অনুষ্ঠান কৰি আটায়ে উপভোগ কৰিছিলোঁ। বিশেষ কথাটো হ'ল যে, সন্ধিয়া আমি ছাৰ-বাইদেউ, অনাশিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত পতাকা উত্তোলন কৰা মণ্ডপত ৫৯ তম্ প্ৰতিষ্ঠা দিৱস বাবেই মুঠ ৫৯টা বন্তি সজাই-পৰাই প্ৰজ্বলন কৰি মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰ আদি ঠাইতো বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয় চৌপাশ পোহৰাই তুলি আৰু পবিত্ৰ দিনটো সুন্দৰকৈ উদ্‌যাপন কৰিছিলোঁ।

**(৩) বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** মোৰ কাৰ্যকালৰ তৃতীয় কাৰ্যসূচীৰ ভিতৰত ১৪ মাৰ্চ, ২০২০ ইং তাৰিখৰপৰা ১৯ মাৰ্চ, ২০২০ ইং তাৰিখলৈ হ'বলগীয়া বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে, তাৰ আগদিনাখন অৰ্থাৎ ১৩ মাৰ্চ, ২০২০ ইং তাৰিখ শুক্ৰবাৰে মোৰ বিভাগৰপৰা শ্ৰমদান, খেল-ধেমালি, আলোচনা চত্ৰ আদি কাৰ্যসূচীৰে এদিনীয়া শিবিৰ এটা আয়োজন কৰি সাফল্যমণ্ডিত কৰি তুলিছিলোঁ।

দুৰ্ভাগ্যৱশতঃ সমগ্ৰ বিশ্বতে ত্ৰাস সৃষ্টি কৰা ক'ৰোনা মহামাৰীৰ বাবে ১৫ মাৰ্চ, ২০২০ ইং তাৰিখৰপৰা হঠাৎ চৰকাৰে দিয়া সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ বন্ধৰ বাবে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাথি ১৩ মাৰ্চ, ২০২০ ইং তাৰিখে এদিনীয়া শিবিৰ আৰু ১৪ মাৰ্চ, ২০২০ ইং তাৰিখে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন, মহাবিদ্যালয় চৌপাশত থকা প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচী হৈ যায় যদিও বাকী তাৰ পিচৰ অন্য কাৰ্যসূচীবোৰৰ একোৱে আৰম্ভ কৰিব নোৱাৰিলোঁ। তেনেকৈয়ে বন্ধ হৈ ৰ'ল সকলো অনুষ্ঠান-প্ৰতিষ্ঠান। এনেকুৱা সমস্যা হোৱাত আমাৰ সকলোৰেই মন ভাঙি পৰিছিল। কিন্তু কি হ'ব? কি কৰিম? একোৰেই কৰিব নোৱাৰোঁ। কাৰো বিপৰীত দিশেও যাব নোৱাৰোঁ আৰু আমি সকলোৰেই উপায়বিহীন! এনেকৈয়ে শেষ হৈ ৰ'ল ২০১৯-২০২০ ইং বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ।

**(৪) সৰস্বতী পূজা ঃ** মোৰ কাৰ্যকালৰ চতুৰ্থ কাৰ্যসূচীৰ ভিতৰত সৰস্বতী পূজা। আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ সময়ছোৱাত আমি দুবাৰকৈ সৰস্বতী পূজাভাগ অনুষ্ঠিত কৰিব পাৰিছোঁ। তাৰে দ্বিতীয় বছৰ অৰ্থাৎ ২০২১ ইং বৰ্ষত 'সৰস্বতী মা'ৰ আশীৰ্বাদত ময়ো সৰস্বতী পূজাত বৰণ দিব বা পূজাভাগত বহি, পূজাভাগ কৰিব পাই নিজকে ধন্য মানিছোঁ আৰু পূজাৰ দিনাখন যি যি দায়িত্ব দিয়া হৈছিল, সেই দায়িত্ববিলাক আমি সকলোৱে নিষ্ঠাৰে পালন কৰিছিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত সৰস্বতী পূজাৰ দিনাখন প্ৰথম বছৰ ২০২০ ইং বৰ্ষত মোৰ সমাজ সেৱা বিভাগৰপৰা মহাবিদ্যালয় চৌদহটো আগতকৈ আৰু বেছি চাফ-চিকুণ কৰি ৰখাৰ উদ্দেশ্যে কিছুসংখ্যক ডাষ্টবিনৰ ব্যৱস্থা কৰিছিলোঁ।

**(৫) বিশেষ মহাবিদ্যালয় উৎসৱ ঃ** ক'ৰোনা মহামাৰী কিছু পৰিমাণে হ্ৰাস হোৱাৰ পিচত কোভিড প্ৰট'কল মানি প্ৰায় অনুষ্ঠান-প্ৰতিষ্ঠান সম্পূৰ্ণকৈ খোৱা হোৱা নাছিল যদিও বিদ্যালয়, মহাবিদ্যালয় আদি খোলা হৈছিল। সকলো বিদ্যালয়, মহাবিদ্যালয়, প্ৰতিষ্ঠান আদিৰ অনুষ্ঠানবোৰ আৰম্ভণি কৰাত মহাবিদ্যালয়ৰ ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ডাঙৰকৈ নহ'লেও সৰুকৈ কোভিড বিধি মানি আমিও ৮ এপ্ৰিল, ২০২১

ইং তাৰিখৰপৰা ১০ এপ্ৰিল, ২০২১ ইং তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰ্নিহিত হৈ থকা আকস্মিক বক্তৃতা, তৰ্ক, নাচ-গান, খেল-ধেমালি আদি প্ৰতিভা বিকশিত কৰাৰ অৰ্থে 'বিশেষ মহাবিদ্যালয় উৎসৱ' নামেৰে অনুষ্ঠান এটাৰ আয়োজন কৰিছিলোঁ। এই অনুষ্ঠানটো বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ নিচিনা একে আছিল। তাত যেনেকৈ এদিনীয়া শিবিৰ আয়োজন কৰা হয়, এই অনুষ্ঠানটো একে ধৰণে তাৰ আগদিনাখন অৰ্থাৎ ৭ এপ্ৰিল, ২০২১ ইং তাৰিখ বুধবাৰে এটা এদিনীয়া শিবিৰ আয়োজন কৰিছিলোঁ। কথাটো হ'ল— সেই শিবিৰটো ক'ৰোনাৰ বন্ধৰ বাবে প্ৰতিযোগিতামূলক নহ'ল; কিন্তু এই শিবিৰটো ক'ৰোনা হ্ৰাস হোৱাৰ বাবে প্ৰতিযোগিতামূলক কৰি দুজন স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা, এজন ল'ৰা, এজনী ছোৱালী আৰু তিনিটা শ্ৰেষ্ঠ দল ক্ৰমে— প্ৰথম, দ্বিতীয়, তৃতীয় বাছনি কৰি 'বিশেষ মহাবিদ্যালয় উৎসৱ'ৰ বঁটা বিতৰণী অনুষ্ঠানৰ দিনাখন সকলোকে পুৰস্কৃত কৰিছিলোঁ।

**(৬) শলাগৰ শৰাই ঃ** মোৰ কাৰ্যকালৰ সময়ছোৱাত মোৰ বিভাগৰপৰা আয়োজিত হৈ যোৱা বিভিন্ন অনুষ্ঠান, কাৰ্যসূচী আদিবোৰত মোক বিভিন্ন ধৰণে দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা কৰি অহা সন্মানীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰাক্তন আৰু বৰ্তমানৰ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা সকলক মই হৃদয়েৰে শলাগিছোঁ। সিহঁতবোৰৰ মহাবিদ্যালয় আৰু সমাজৰ প্ৰতি থকা দায়িত্ব, ভূমিকা, অৰিহণা আৰু দুখ-ভাগৰৰ কথা মই ভালকৈয়ে জানো; কাৰণ, ময়ো সিহঁতবোৰৰ মাজৰেই এজন স্বেচ্ছাসেৱক। মই বিশেষকৈ কৃতজ্ঞতা জনালোঁ—মোৰ সমাজ সেৱা বিভাগৰ দায়িত্বত থকা তত্বাৱধায়িকা শ্ৰীযুতা ভৱানী বৈশ্য বাইদেউ, ৰাজনীতি বিজ্ঞান বিভাগৰঅধ্যাপক শ্ৰৱণ কুমাৰ ডিহিদাৰ ছাৰদেৱ, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ তত্বাৱধায়ক অসীম ৰঞ্জন শৰ্মা ছাৰদেৱ, ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাহিত্য আৰু আলোচনী সম্পাদক সমৰ জ্যোতি কলিতা দাদা আৰু মোৰ ছাত্ৰ একতা সভাৰ সভাপতি-সম্পাদকসকললৈ।

মোক ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে প্ৰতিষ্ঠিত কৰি মহাবিদ্যালয়ৰ হকে কিছু সেৱা আগবঢ়োৱা সুযোগকণ দিয়া হীৰকজ্যোতি নাথ দাদা, অদিতি কুলকাৰ্ণী বাইদেউ, বিকাশ দাস দাদা, ৰণী মাকেৰী দাদা, পাপু ৰাভা, দীপু ৰাভা, অম্বিকা ৰাভা, মুনম ৰাভা, দ্বীপজ্যোতি দাস, জুবিন দাস, ৰবীন দাস, শ্ৰৱণ তালুকদাৰ, চাজিদ দাদা, কৃষ্ণাংগিণী দাস, অনিন্দিতা, নন্দিতা, চয়নিকা, মৌচুমী, মিনা বৰ্ণালী, নিহাৰিকা, অংকুৰ, সমীৰণ, বিশ্ব, ৰঞ্জন আদি। কিছুমান বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টিৰ লগতে শুভাকাংক্ষীৰ নাম ভুলৱশতঃ ৰৈ যাবও পাৰে। আচলতে সকলোৰে নাম দিয়াও সম্ভৱ নহয়, তথাপিও যিকেইজনৰ পাৰিছোঁ, মই উল্লেখ কৰিছোঁ। নাম ৰৈ যোৱাসকলৰ ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ সদৌটিলৈ কৃতজ্ঞতা নিৱেদিলোঁ। লগতে মই অধ্যয়ন কৰি অহা মোৰ প্ৰিয় সৰস্বতী টিউচন এণ্ড কম্পিউটাৰ (এচ.টি.চি.) চেণ্টাৰৰ শিক্ষক ৰাজ কুমাৰ ডেকা ছাৰ, কলম ছাৰ আৰু মই একেলগে টিউচন কৰা মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ জনাই ওপৰত উল্লেখিত সকলোৰে শলাগিছোঁ।

**(৭) সামৰণি ঃ** সদৌ শেষত মোৰ কাৰ্যকালৰ কম সময়ছোৱাত অজানিতে, অনিচ্ছাকৃতভাৱে হৈ যোৱা দোষবোৰৰ প্ৰতি সকলোৰে ওচৰত কাতৰে ক্ষমা বিচাৰিছোঁ। ভৱিষ্যতে এই মহাবিদ্যালয়ত আহিবলগীয়া আৰু বৰ্তমানে অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাওঁ যে, মহাবিদ্যালয়খন নিজৰ ঘৰ অথবা মন্দিৰ বুলি ভাবি লৈ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি জাকতজিলিকা এখন মহাবিদ্যালয় হিচাপে গঢ়ি তোলে যেন। লগতে অনাগত দিনবোৰত 'দক্ষিণ কামৰূপ মহাবিদ্যালয়খন', 'মহাবিদ্যালয়ৰ ছাত্ৰ এখতা সভা' আৰু 'সমাজ সেৱা' বিভাগটোৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতেই যৱনিকা পেলালোঁ। —ধন্যবাদ

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"



**সুমন কলিতা**
সম্পাদক
শৰীৰ চৰ্চা বিভাগ

প্ৰতিবেদনৰ আগমুহূৰ্তত সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ— যাৰ অক্লান্ত প্ৰচেষ্টাৰ বলত দক্ষিণ কামৰূপ মহাবিদ্যালয়খনে বৰ্তমান ৰূপ পাইছে।

অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'ত ২০১৮ ইং বৰ্ষত অসমীয়া বিভাগত (সন্মান) মই স্নাতক শ্ৰেণীত নামভৰ্তি কৰিছিলোঁ। এই আপাহতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ ভিতৰত সৰ্বাধিক ভোট পাই শৰীৰ চৰ্চা বিভাগত মোক সেৱা আগবঢ়াবলৈ সুযোগ দিয়া অগ্ৰজ আৰু অনুজ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা ওলগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এইখিনিতেই মোৰ কাৰ্যকালৰ চমু খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ—

(১) মোৰ কাৰ্যভাৰ আৰম্ভ হৈছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ৫৯ তম্ প্ৰতিষ্ঠা দিৱসেৰে। মহাবিদ্যালয়খনত ৫৯ তম্ প্ৰতিষ্ঠা দিৱসটো দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এদিনীয়া কাৰ্যসূচী আছিল যদিও সেই দিনটো সদায় চিৰস্মৰণীয় হৈ ৰ'ব।

(২) শীৰৰ চৰ্চা গৃহটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপযোগী কৰি তুলিবলৈ অধ্যক্ষ মহোদয়ৰ অনুমোদনক্ৰমে শৰীৰ চৰ্চা গৃহত দুখন ডাঙৰ দাপোণ তথা Dumbbell, Straight Bar Calde, Cable Lock, Multi-purpose Fitness Bench আদিৰ ব্যৱস্থা কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলা হ'ল।

(৩) বিগত বছৰকেইটিৰ দৰে এইবেলিও মহাবিদ্যালয়ত সৰস্বতী পূজাভাগ উলহ-মালহেৰে পালন কৰা হৈছিল। সেই পূজাত বিশেষ আকৰ্ষণ— ছাত্ৰ একতা সভাৰ তৰফৰপৰা এটা আটকধুনীয়া Selfee point নিৰ্মাণ কৰি উলিওৱা হৈছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাবৃন্দ, অনাশিক্ষক কৰ্মচাৰীবৃন্দৰ লগতে হাজাৰ হাজাৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৱেশ ঘটিছিল। লগতে সকলোৱে দেৱীলৈ পুষ্পাঞ্জলি অৰ্পণ কৰিছিল। এনেদৰে মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্যৰ সহযোগিতাত সৰস্বতী পূজাভাগ সুচাৰুৰূপে পালন কৰা হ'ল।

(৪) All Kamrup District (M/R) Armwerestling Associationৰদ্বাৰা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ কামৰূপ জিলা (মহানগৰ/গ্ৰাম্য) ভিত্তিত Senior Men, Women and Masters পাঞ্জা প্ৰতিযোগিতাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ে মহিলাৰ তিনিটা শাখাত ক্ৰমে— সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ প্ৰভূত গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

(৫) মহাবিদ্যালয় সপ্তাহ ঃ ১৪/৩/২০২০ ইং তাৰিখৰপৰা ১৯/৩/২০২০ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ পাতিবলৈ থিৰাং কৰা হৈছিল। সেই উদ্দেশ্যে শৰীৰ চৰ্চা বিভাগৰপৰা বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। কিন্তু দুৰ্ভাগ্যৱশতঃ ১৪/৩/২০২০ ইং তাৰিখে গধূলি প্ৰশাসনে সমগ্ৰ অসমজুৰি মহামাৰী ক'ৰোনাৰ বাবে তলাবন্ধ ঘোষণা কৰে। প্ৰশাসনৰ নিৰ্দেশ মানি সমগ্ৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয় সপ্তাহ অনিৰ্দিষ্ট কাকলৈ স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলোঁ। কিন্তু পিচলৈ তলাবন্ধ দীঘলীয়া হোৱাত অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা মহাবিদ্যালয় সপ্তাহ পুনৰ অনুষ্ঠিত কৰিব পৰা নহ'ল।

(৬) ক'ৰোনা মহামাৰীৰ সময়ত ছাত্ৰ একতা সভাৰ তৰফৰপৰা ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মাজত মাস্ক, চেনিটাইজাৰ, চাবোন আদি বিতৰণ কৰা হৈছিল।

(৭) বিশেষ মহাবিদ্যালয় উৎসৱ ঃ ৮/৪/২০২১ ইং তাৰিখৰপৰা ১০/৪/২০২১ ইং তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে 'বিশেষ মহাবিদ্যালয় উৎসৱ' পালন কৰা হৈছিল।

(ক) দেহশ্ৰী প্ৰতিযোগিতা ঃ এই প্ৰতিযোগিতাত মিঃ ইউনিভাৰ্ছ শ্ৰীযুত দীপজ্যোতি বড়োক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি জাক্জমকতাৰে অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতাৰ

বাবে ধন্যবাদ জনাইছোঁ। এই প্ৰতিযোগিতাত মিঃ ডি.কে.চি. হিচাপে শ্ৰীৰাকেশ দাসে স্থান পাবলৈ সক্ষম হয়।

(খ) শক্তি উত্তোলন প্ৰতিযোগিতা ঃ জ্যোতিষ্মান ভাগৱতী, কৌশিক কলিতাক শক্তি উত্তোলন প্ৰতিযোগিতাত বিচাৰত হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল। এই প্ৰতিযোগিতাত বহুসংখ্যক শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত শক্তি উত্তোলন প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়।

(৮) শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা ঃ ২০২০ ইং বৰ্ষৰ শিল্পাধিপতি শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাখন বিভিন্ন মাংগলিক কাৰ্যসূচীৰে অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। বহুসংখ্যক শিক্ষাগুৰু তথা অনাশিক্ষক কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সমাৱেশেৰে এই পূজাভাগ পালন কৰা হয়।

(৯) শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা ঃ ২০২১ ইং বৰ্ষৰ বিশ্বকৰ্মা পূজাখন বিগত বছৰৰ দৰে এইবছৰো পূজাখন অনুষ্ঠিত কৰাৰ দায়িত্বভাৰ মোৰ ওপৰতেই অৰ্পিত হয়। এইটো মোৰ বাবে অতি সৌভাগ্যৰ বিষয়।

(১০) বিদায় সভা ঃ ২০২১-২২ ইং বৰ্ষত ছাত্ৰ একতা সভাৰ বিদায় সভা অনুষ্ঠিত হয় আৰু সেই সভাতে নৱনিৰ্বাচিত সম্পাদক শ্ৰীমানস দাসৰ হাতত কাৰ্যভাৰ গোটাই দি মই মোৰ কাৰ্যকাল সমাপ্ত কৰিলোঁ।

(১১) বিশেষ কৃতজ্ঞতা ঃ প্ৰতিবেদনৰ পৰিশেষত মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় তত্ত্বাৱধাক ছাৰৰ ওপৰত মই চিৰকৃতজ্ঞ। শ্ৰদ্ধাৰ অধ্যক্ষ ড° নৱজ্যোতি দাস ছাৰলৈ মোৰ কাৰ্যকালত কৰা সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে শ্ৰদ্ধাৰ বসন্ত দাস, ৰমেন দা, জিতু দাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ বন্ধু গৌতম ঠাকুৰীয়া, ভৱেশ দাস, নৱজ্যোতি দাস, প্ৰজ্ঞান চৌধুৰী, ধীৰাজ কলিতা, চিণ্টু দাস, বিমলজ্যোতি দাস, দিনমণি দাস আদিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত মোৰ কাৰ্যকালৰ সময়ত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

"জয় জগত"

# PRINCIPAL AND TEACHING STAFF OF OUR COLLEGE

## SESSION : 2019-20

**PRINCIPAL i/c**

**Dr. Phanindra Ch. Thakuria,** M.A., M.Phil., Ph.D. (to 30-11-2019)

**PRINCIPAL**

**Dr. Nabajyoti Das,** M.Sc., Ph.D. (From 01-12-2019)

## ARTS STREAM

### DEPARTMENT OF ASSAMESE :

Dr. Phanindra Ch. Thakuria, M.A., M.Phil., Ph.D.
Sunil Talukdar, M.A. (NET)
Dr. Niva Thakuria, M.A., M.Phil., Ph.D. (HoD)
Adward Steady N. Sangma, M.A. (Double), (NET), Prabin
Dr. Lakshmi Kalita, M.A., Ph.D.
Manoj Kumar Das, M.A.
John Kr. Kalita, M.A. M.Phil., B.Ed.
Dr. Banashree Das, M.A. (NET), M.Phil., Ph.D.
Dr. Nabajit Mazumdar, M.A., Ph.D. (NET)

### DEPARTMENT OF ENGLISH :

Dr. Jilmil Bora, M.A., Ph.D.
Dr. Gargee Chakraborty, M.A., Ph.D. (HoD)
Dr. Devajit Das, M.A. (NET), M.Ed., Ph.D.
Aparna Goswami, M.A. (NET)
Sailendra Kumar Das, M.A.
Himangshu Ranjan Barman, M.A.
Bhaswati Sarma, M.A.

### DEPARTMENT OF ECONOMICS :

Dr. Kumud Bhagawati, M.A., Ph.D., B.Ed.
Dr. Archana Mali, M.A., Ph.D. (HoD)
Dr. Jonali Nath, M.A. (SLET), M.Phil., Ph.D., B.Ed.
Chayanika Goswami, M.A. (NET), M.Phil., B.Ed.
Anuradha Gogoi, M.A.

### DEPARTMENT OF EDUCATION :

Dipika Devi, M.A., B.Ed.
Ashim Ranjan Sarma, M.A., PGDGC (HoD)
Bhabani Baishya, M.A., M.Phil.
Dr. Rashmi Mili, M.A., Ph.D.
Jagadish Sarma, M.A., B.Ed.
Bhimakshi Das, M.A. B.Ed.
Chandana Sarma, M.A., B.Ed.
Bhupali Kumari, M.A.

### DEPARTMENT OF POLITICAL SCIENCE :

Manash Pratim Baruah, M.A. (HoD)
Sourav Jyoti Sarma, M.A. (NET), M.Phil.
Dr. Bhasker Pegu, M.A., Ph.D.
Barnali Kalita, M.A. (SLET)
Sraban Kr. Dihidar, M.A. (NET), M.Phil.
Parul Kalita, M.A., B.Ed., LLB
Hirak Jyoti Rajbongshi, M.A.

### DEPARTMENT OF PHILOSOPHY :

Dr. Aditi Devi Choudhury, M.A., LLB, Ph.D. (HoD)
Anuj Kalita, M.A., M.Phil.
Jaba Kalita, M.A., M.Phil.
Shivanee Kumari, M.A., B.Ed.
Puspanjali Baruah, M.A., B.Ed.
Jumi Kalita, M.A., B.Ed.
Namita Choudhury, M.A.

### DEPARTMENT OF HISTORY :

Dr. Madhuri Saikia, M.A., Master's of Tourism Management, Ph.D. (HoD)
Dhrubajyoti Gogoi, M.A., M.Phil., M.C.J.
Dulumoni Nath, M.A.
Elorananda Pathak, M.A.

### DEPARTMENT OF GEOGRAPHY (Arts/Science) :

Ashok Kr. Sarma, M.A., M.Phil. (HoD)
Isha Haque Ali, M.A. (SLET)
Homeswar Das, M.Sc., M.Phil.
Dipika Choudhury, M.A., B.Ed.
Azaruddin Khan, M.Sc., M.Phil.

### DEPARTMENT OF PSYCHOLOGY :

Mainee Pathak, M.A.

### DEPARTMENT OF SOCIOLOGY :

Neetu Kalita, M.A.

## SCIENCE STREAM

### DEPARTMENT OF MATHEMATICS :

Pranita Kakati, M.Sc. (HoD)
Debendra Sarma, M.Sc.
Dhanesh Doley, M.Sc., M.Phil
Prasanta Kalita, M.Sc., B.Ed.
Partha Pratim Kalita, M.Sc., M.Tech.
Sudevi Roy, M.Sc.

### DEPARTMENT OF CHEMISTRY :

Dr. Nagendra Sharma, M.Sc., Ph.D. (HoD)
Jayanta Kr. Baishya, M.Sc., M.Phil.
Utpal Das, M.Sc., M.Phil.
Pinku Sarma, M.Sc. (NET)
Shikha Baruah, M.Sc.
Bhaskarjyoti Kalita, M.Sc.
Anamika Das, M.Sc.
Ananya Kalita, M.Sc.

**DEPARTMENT OF PHYSICS :**

Akhil Ch. Das, M.Sc.
Dr. Prabin Ch. Kalita, M.Sc., Ph.D. (HoD)
Dr. Anjan Buragohain, M.Sc., Ph.D.
Dr. Jnanendra Upadhyay, M.Sc. (SLET), Ph.D.
Pranjal Das, M.Sc.
Manoj Das, M.Sc.
Ujjwal Baruah, M.Sc.

**DEPARTMENT OF ZOOLOGY :**

Dr. Deepalee Das, M.Sc., Ph.D. (HoD)
Dr. Namita Sharma, M.Sc., Ph.D.
Pabitra Jyoti Kalita, M.Sc., M.Phil.
Dr. Nripendra Kr. Choudhury, M.Sc., Ph.D.
Ellora Choudhury, M.Sc., M.Phil.
Rumi Kalita, M.Sc.
Priyanka Das, M.Sc.

**DEPARTMENT OF BOTANY :**

Karuna Kanta Das, M.Sc., M.Phil.
Dr. Durlav Narayan Singha, M.Sc., B.Ed., Ph.D. (HoD)
Dr. Gargi Chakravarty, M.Sc. (NET), Ph.D.
Rinti Roy, M.Sc.
Sumi Das, M.Sc.
Swagata Nath, M.Sc.

**DEPARTMENT OF COMPUTER SCIENCE :**

Dhiraj Ch. Das, MCA (HoD)
Himadri Goswami, M.Sc.
Sadananda Das, PGDCA
Dhruba Jyoti Kalita, PGDCA

**DEPARTMENT OF ENVIRONMENTAL STUDIES :**

Bharati Das, M.Sc.
Sumita Kalita, M.Sc.

**DEPARTMENT OF INSTRUMENTATION :**

Nikhilesh Mishra, M.Sc.

**DEPARTMENT OF BIOTECHNOLOGY :**

Manabendra Kalita, M.Sc., DFPT
Dr. Nilakshi Gohain, M.Sc., Ph.D.

## COMMERCE STREAM

**DEPARTMENT OF MANAGEMENT :**

Bibhash Baran Kalita, M.Com. (SLET)

**DEPARTMENT OF FINANCE :**

Pompi Haloi, M.Com. (NET)

**DEPARTMENT OF ACCOUNTANCY :**

Tandralim Kashyap, M.Com. (SLET), M.Phil., B.Ed.
Pranita Thakuria, M.A. (NET), Prabin

## CENTER FOR MEDIA STUDIES

Dr. Sailen Das, MAMC, Ph.D., PGDCA (HoD)
Shabnam Shahin, MAMC, M.Phil.

## B.VOC. COURSE

Swarup Jyoti Sarma, M.A., B.Ed.
Pari Kalita, M.B.A., LLB
Kalpajit Doloi, PGDCA

## NON-TEACHING STAFF OF THE COLLEGE

1. Jatindra Medhi (S.A.)
2. Mina Kumari Talukdar, B.A. (U.D.A.)
3. Arup Kr. Das, B.A. (U.D.A.)
4. Hiren Kalita, B.A., B.Ed. (L.D.A.)
5. Kushal Ch. Kalita, B.A. (L.D.A.)
6. Barnali Bora, B.A. (L.D.A.)
7. Ramen Kalita, B.Sc. I.T. (L.D.A.)
8. Debajit Kalita, B.A.
9. Basanta Kalita, B.A.
10. Nayanmoni Kalita, M.A., B.Ed.
11. Jitumoni Kalita, B.A., PGDCA
12. Parul Das, B.A.
13. Kumar Akash, B.A.

**LIBRARY STAFF :**

1. Himadri Mayee Bora, M.Lib.Sc., M.Phil. (Librarian)
2. Panchimita Kalita, M.Lib.Sc., PGDCA (Asst. Lib.)
3. Pinku Bora, B.A.
4. Jon Moni Das
5. Randeep Das, B.A.
6. Anjan Parasor Bora, BCA, PGDM

**HEALTH :**

1. Kalpana Kalita (Nurse)

## BEARER / LAB. BEARER / GRADE IV

1. Jagadish Saloi
2. Hiren Thakuria
3. Jatin Ch. Das
4. Reena Das
5. Harakanta Das
6. Kalpana Das
7. Dwijen Ch. Kalita
8. Nabajit Das
9. Rupdhar Rabha
10. Jiten Kumar
11. Bimal Kalita
12. Phanidhar Nath
13. Deben Ch. Das
14. Diganta Medhi
15. Chakradhar Nath
16. Apurba Kaiborta
17. Deepjyoti Das
18. Debo Mali
19. Jonali Kalita
20. Biswajit Baishya
21. Jyoti Partha Das
22. Sankar Das
23. Ananda Das
24. Dhaneswar Mazumdar
25. Nayan Das
26. Rubul Kalita
27. Champak Kumar
28. Saneswar Kaiborta
29. Pabitra Das
30. Dhrubajyoti Das

**NIGHT CHOWKIDAR :**

1. Bipul Baishya
2. Bipul Das
3. Simanta Das

**HOSTEL EMPLOYEES :**

1. Dimbeswar Das
2. Daibaki Das
3. Lakhya Dhar Kumar

**SECURITY :**

1. Parameswar Das
2. Guneswar Das
3. Babul Das

# ACHIEVEMENTS OF D. K. COLLEGE, MIRZA

## RESULT OF M.A. (ASSAMESE) FINAL EXAMINATION SINCE 2016 UNDER GAUHATI UNIVERSITY AT D. K. COLLEGE, MIRZA

| Year | Total Appeared | 1st Class | 2nd Class | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|
| 2016 | 38 | 04 | 34 | 38 | 100 |
| 2017 | 47 | 10 | 37 | 47 | 100 |
| 2018 | 35 | 01 | 33 | 34 | 97.14 |
| 2019 | 30 | – | 30 | 30 | 100 |
| 2020 | 35 | 24 | 08 | 32 | 91.4 |

## M.Sc. (Zoology)

| Year | Total Appeared | 1st Class | 2nd Class | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|
| 2019 | 10 | 01 | 09 | 10 | 100 |
| 2020 | 10 | 05 | – | 05 | 50 |

## RESULT T.D.C. FINAL EXAMINATION SINCE 2015 UNDER GAUHATI UNIVERSITY

### ARTS STREAM

| Year | Total Appeared | 1st Class | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|
| 2015 | 568 | 102 | 435 | 76.58 |
| 2016 | 689 | 130 | 485 | 70.39 |
| 2017 | 683 | 147 | 502 | 73.54 |
| 2018 | 622 | 166 | 405 | 65.11 |
| 2019 | 612 | 127 | 355 | 58 |
| 2020 | 590 | 209 | 375 | 63.55 |

| SCIENCE STREAM | | | | |
|---|---|---|---|---|
| Year | Total Appeared | 1st Class | Total Successful Candidate | % of Successful Candidate |
| 2015 | 133 | 47 | 96 | 72.18 |
| 2016 | 190 | 63 | 135 | 71.05 |
| 2017 | 188 | 65 | 144 | 76.60 |
| 2018 | 233 | 64 | 135 | 57.93 |
| 2019 | 230 | 83 | 126 | 54.78 |
| 2020 | 236 | 135 | 150 | 63.55 |

| COMMERCE STREAM | | | | |
|---|---|---|---|---|
| Year | Total Appeared | 1st Class | Total Successful Candidate | % of Successful Candidate |
| 2020 | 48 | 06 | 30 | 62.5 |

## RESULT OF H. S. FINAL EXAMINATION (LAST 5 YEARS)

### SUCCESSFUL CANDIDATES IN ARTS STREAM

| Year | Total Appeared in Arts | 1st Division | 2nd Division | 3rd Division | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|---|
| 2016 | 656 | 126 | 242 | 216 | 584 | 89.02 |
| 2017 | 591 | 150 | 202 | 196 | 548 | 92.72 |
| 2018 | 579 | 138 | 236 | 180 | 554 | 95.70 |
| 2019 | 615 | 138 | 201 | 241 | 580 | 94.30 |
| 2020 | 475 | 115 | 174 | 156 | 445 | 93.68 |

### SUCCESSFUL CANDIDATES IN SCIENCE STREAM

| Year | Total Appeared in Arts | 1st Division | 2nd Division | 3rd Division | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|---|
| 2016 | 312 | 226 | 60 | 01 | 287 | 92.00 |
| 2017 | 357 | 206 | 125 | 12 | 343 | 96.08 |
| 2018 | 335 | 185 | 124 | 06 | 315 | 94.00 |
| 2019 | 308 | 143 | 137 | 13 | 293 | 95.13 |
| 2020 | 309 | 114 | 156 | 15 | 285 | 92.23 |

# আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়কসকল

| ইং বৰ্ষ | সম্পাদকৰ নাম | তত্ত্বাৱধায়কৰ নাম |
|---|---|---|
| ১৯৬৯-১৯৭০ | ধীৰেণ কুমাৰ দাস | ভাৰত চন্দ্ৰ কলিতা |
| ১৯৭০-১৯৭১ | হাচমত আলী | ধনেশ্বৰ কলিতা |
| ১৯৭১-১৯৭২ | বলেন চন্দ্ৰ কলিতা | ধনেশ্বৰ কলিতা |
| ১৯৭২-১৯৭৩ | সৰ্বানন্দ কলিতা | ধনেশ্বৰ কলিতা |
| ১৯৭৩-১৯৭৪ | নৰ কুমাৰ কাকতি | ধৰ্মেশ্বৰ বড়া |
| ১৯৭৪-১৯৭৫ | ৰমেন মেধি | ধৰ্মেশ্বৰ বড়া |
| ১৯৭৫-১৯৭৬ | প্ৰদীপ কুমাৰ দাস | ধনেশ্বৰ কলিতা |
| ১৯৭৬-১৯৭৭ | জীৱেশ্বৰ দাস | ধনেশ্বৰ কলিতা |
| ১৯৭৭-১৯৭৮ | সুভাষ গোস্বামী | ধনেশ্বৰ কলিতা |
| ১৯৭৮-১৯৭৯ | মুছলিম আলী (ভাঃপ্ৰাঃ) | ধৰ্মেশ্বৰ বড়া |
| ১৯৮০-১৯৮১ | বৈকুণ্ঠ ৰাজবংশী | ধৰ্মেশ্বৰ বড়া |
| ১৯৮১-১৯৮২ | প্ৰদীপ কুমাৰ দাস | ধৰ্মেশ্বৰ বড়া |
| ১৯৮২-১৯৮৩ | হৰিচৰণ দাস | ধনেশ্বৰ কলিতা |
| ১৯৮৩-১৯৮৪ | হিতেশ ঠাকুৰীয়া | প্ৰদীপজ্যোতি মহন্ত |
| ১৯৮৪-১৯৮৫ | দুলাল কলিতা | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৫-১৯৮৬ | ধীৰেণ কুমাৰ | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৬-১৯৮৭ | পংকজলোচন গোস্বামী | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৮৭-১৯৮৮ | ভৰেন মহন্ত | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৮৮-১৯৮৯ | হিৰম্ব চৌধুৰী | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৯-১৯৯০ | প্ৰবীণ কুমাৰ দত্ত | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৯০-১৯৯১ | দীনেশ দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯১-১৯৯২ | দেৱ কুমাৰ পাঠক | ধৰ্মেশ্বৰ বড়া |
| ১৯৯২-১৯৯৩<br>১৯৯৩-১৯৯৪ | দেৱজিৎ দাস | যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৪-১৯৯৫ | ৰাম কুমাৰ চৌধুৰী | যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৫-১৯৯৬ | বিনোদ কলিতা | ধৰ্মেশ্বৰ বড়া |
| ১৯৯৬-১৯৯৭ | নৃপেন কলিতা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৭-১৯৯৮ | কৈলাশ কুমাৰ দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৮-১৯৯৯ | শংকৰ মেধি | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৯৯-২০০০ | ভাস্কৰ ৰাভা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |

| ইং বৰ্ষ | সম্পাদকৰ নাম | তত্ত্বাৱধায়কৰ নাম |
|---|---|---|
| ২০০০-২০০১ | ৰাজকমল চৌধুৰী | যুগল চন্দ্ৰ বৈশ্য<br>ইছাহক আলী |
| ২০০১-২০০২ | ৰাজীৱ ভড়ালী | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>সুনীল তালুকদাৰ |
| ২০০২-২০০৩ | প্ৰশান্ত মেধি | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৩-২০০৪ | ৰুবুল গোস্বামী | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৪-২০০৫ | কুমুদ কলিতা | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৫-২০০৬ | অক্ষয়জ্যোতি শৰ্মা | যুগল চন্দ্ৰ বৈশ্য<br>এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০৬-২০০৭ | ভৰেন দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>সুনীল তালুকদাৰ |
| ২০০৭-২০০৮ | চিন্ময় কলিতা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০৮-২০০৯ | দেৱজিৎ মহন্ত | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>মানস প্ৰতিম বৰুৱা |
| ২০০৯-২০১০ | নয়নজ্যোতি শৰ্মা | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ইছাহক আলী |
| ২০১০-২০১১ | আশামণি দাস | মানস প্ৰতিম বৰুৱা<br>সুনীল তালুকদাৰ |
| ২০১১-২০১২ | নয়নমণি দাস | মানস প্ৰতিম বৰুৱা<br>সুনীল তালুকদাৰ |
| ২০১২-২০১৩ | ৰতন কলিতা | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ড° নৃপেন্দ্ৰ কুমাৰ চৌধুৰী |
| ২০১৩-২০১৪ | সুমনজ্যোতি কলিতা | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০১৪-২০১৫ | বিজিত গোস্বামী | সুনীল তালুকদাৰ<br>ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০১৫-২০১৬ | চিন্ময় যখৰীয়া | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০১৬-২০১৭ | দেৱজিৎ শৰ্মা | মানস প্ৰতিম বৰুৱা |
| ২০১৭-২০১৮ | ভবিতা দাস | ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০১৮-২০১৯ | সমৰ জ্যোতি কলিতা | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০১৯-২০২০ | প্ৰজ্ঞান চৌধুৰী | ড° জিলমিল বৰা |



কৰ্মব্যস্ত মুহূৰ্তত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° নৱজ্যোতি দাস মহোদয়

## মহাবিদ্যালয় পৰিচালনা সমিতি (২০১৯-২০২০ ইং বৰ্ষ)



নবীন গোস্বামী
সভাপতি



ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
ভাৰপ্ৰাপ্ত অধ্যক্ষ
(৩০-১১-২০১৯ লৈ)



ড° নৱজ্যোতি দাস
অধ্যক্ষ



প্ৰণৱ কলিতা
বিশেষ নিমন্ত্ৰিত সদস্য



ড° বৰ্ণালী শৰ্মা
বিশ্ববিদ্যালয় প্ৰতিনিধি



ড° ঝিলমিল বৰা
শিক্ষক প্ৰতিনিধি



পবিত্ৰজ্যোতি কলিতা
শিক্ষক প্ৰতিনিধি



অনিল দাস
দাতা সদস্য



হীৰেন কলিতা
অনাশিক্ষক কৰ্মচাৰী সদস্য



আৰতি দেৱী
অভিভাৱক সদস্য



দিলীপ গোস্বামী
অভিভাৱক সদস্য



নীলোৎপল ডেকা
অভিভাৱক সদস্য




অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ



অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অনা-শিক্ষক কৰ্মচাৰীবৃন্দৰ একাংশ



মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালৰ কৰ্মচাৰীবৃন্দ




অধ্যক্ষ আৰু তত্ত্বাৱধায়কৰ সৈতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদকসকল

# মহাবিদ্যালয়ৰ গৌৰৱ

## স্নাতক চূড়ান্ত পৰীক্ষাত বিভাগীয়ভাৱে প্ৰথম শ্ৰেণীৰ সৰ্বোচ্চ নম্বৰ প্ৰাপ্তসকল



**দীনবন্ধু ৰাভা**
অসমীয়া বিভাগ
মুঠ নম্বৰ : ১২৪৪



**হীৰামণি বড়ো**
ইংৰাজী বিভাগ
মুঠ নম্বৰ : ১২২৮



**বিশ্বজ্যোতি ভূঞা**
পদাৰ্থ বিজ্ঞান বিভাগ
মুঠ নম্বৰ : ১৪১৯



**চাজিদ হুছেইন**
উদ্ভিদ বিজ্ঞান বিভাগ
মুঠ নম্বৰ : ১৪৭৪



**স্নেহাশিস চৌধুৰী**
ভূগোল বিভাগ
মুঠ নম্বৰ : ১৩৩২



**ভূমিকা কৈবৰ্ত্ত**
ৰাজনীতি বিজ্ঞান বিভাগ
মুঠ নম্বৰ : ১৩১৫



**হীৰকজ্যোতি দাস**
ৰসায়ন বিজ্ঞান বিভাগ
মুঠ নম্বৰ : ১৪২৯



**অপৰ্ণা ৰাভা**
বুৰঞ্জী বিভাগ
মুঠ নম্বৰ : ১১৫৯



**অংকিতা ঠাকুৰীয়া**
জীৱবিজ্ঞান বিভাগ
মুঠ নম্বৰ : ১৪১৩



**পংকজা দাস**
অৰ্থনীতি বিভাগ
মুঠ নম্বৰ : ১৩৯১



**অংকিতা দাস**
গণিত বিভাগ
মুঠ নম্বৰ : ১৪৫৫



**নয়নমণি কলিতা**
বেংকিং এণ্ড ফাইনেন্সিয়েল চাৰ্ভিছ
মুঠ নম্বৰ : ১৮৬৪



**নয়ামণি পাঠক**
শিক্ষা বিভাগ
মুঠ নম্বৰ : ১৩৫৭



**ভানুপ্ৰিয়া তালুকদাৰ**
দৰ্শন বিভাগ
মুঠ নম্বৰ : ১২৩৫



**ৱবিতা কলিতা**
ৰিটেইল মেনেজমেণ্ট
এণ্ড আই.টি.
মুঠ নম্বৰ : ২০০৪



**মহেশ্বৰী দাস**
বাণিজ্য শাখা
মুঠ নম্বৰ : ১৩২৯

### কৃতিত্ব



**ধনঞ্জয় নাথ**
উঃমাঃ চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত
আমাৰ মহাবিদ্যালয়ৰ ভিতৰত
সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ



**দীক্ষিতা কলিতা**
উঃমাঃ চূড়ান্ত পৰীক্ষাৰ কলা শাখাত
আমাৰ মহাবিদ্যালয়ৰ ভিতৰত
সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী

### কৃতিত্ব



**চিৰশ্ৰিং দাস**

ব্ৰহ্মপুত্ৰ আমন্ত্ৰণ অভিযানৰ উদ্যোগত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি তদানীন্তন কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱতৰ হাতৰপৰা পুৰস্কাৰ গ্ৰহণ।



মুখ্য প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' প্ৰস্তুতিৰ এক মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ অংশগ্ৰহণকাৰীৰ একাংশ




দক্ষিণ কামৰূপভিত্তিক কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ
প্ৰথম আৰু দ্বিতীয় স্থান অধিকাৰী দল দুটাৰ লগতে অন্যান্য কুইজাৰসকল



৪৮সংখ্যক 'দক্ষিণ পটি'ৰ প্ৰকাশ-প্ৰস্তুতি সম্পৰ্কত সম্পাদনা সমিতিৰ প্ৰথম বৈঠক



জয়পুৰত অনুষ্ঠিত NYP Campলৈ যোৱা আমাৰ মহাবিদ্যালয়ৰ দলটো




NSSৰ উদ্যোগত FIT INDIA RUN অনুষ্ঠানত ভাগ লোৱা ছাত্ৰ-ছাত্ৰীসকল



সমাজসেৱা বিভাগৰ উদ্যোগত অনুষ্ঠিত কৰা স্বচ্ছ অভিযান



সাহিত্য আৰু আলোচনী বিভাগদ্বাৰা আয়োজিত
ড' ভূপেন হাজৰিকাৰ গীতৰ বিষয়ে বক্তৃতা প্ৰতিযোগিতা



সুদীৰ্ঘ সাত মাহ তলাবন্ধৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত
ক'ভিড নীতি মানি পাঠদান গ্ৰহণ কৰিবলৈ অহাৰ মুহূৰ্তত



মহামাৰীৰ সময়ত আমাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান
বিভাগৰ গৱেষণাগাৰত চেনিটাইজাৰ উৎপাদনৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ শিক্ষক গোটৰ উদ্যোগত মিৰ্জাত জনসাধাৰণৰ মাজত সজাগতাকৰণ
অভিযান আৰু মাস্ক, চাবোন, চেনিটাইজাৰ বিতৰণ



ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মাজত
মাস্ক,চেনিটাইজাৰ, চাবোন বিতৰণ




মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ উদ্যোগত ক'ৰোনা ভাইৰাছৰ বিষয়ে
সজাগতামূলক সভাৰ এক দৃশ্যাংশ



মহাবিদ্যালয়ৰ IQAC আৰু ড° বি.বৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ উদ্যোগত
মহাবিদ্যালয়ত আয়োজিত স্বাস্থ্য শিবিৰৰ এটি দৃশ্য




মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ উদ্যোগত মিৰ্জাত 'কেব' বিৰোধী প্ৰবল প্ৰতিবাদৰ এক দৃশ্যাংশ



'কা'ৰ বিৰুদ্ধে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ অৱস্থান ধৰ্মঘটৰ এক দৃশ্যাংশ



ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ মুকলি তৰ্কানুষ্ঠানৰ এটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ শোভাযাত্ৰাৰ এটি দৃশ্য



All Kamrup District (M/R) Armwerstling Associationৰ দ্বাৰা আয়োজিত পাঞ্জা প্ৰতিযোগিতাত বিজয়ী আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীসকল



ভাৰতীয় বৈমানিক প্ৰাধিকৰণৰ উদ্যোগত আৰু সাহিত্য আৰু আলোচনী বিভাগৰ সহযোগত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বঁটা বিতৰণৰ দৃশ্য



মহাবিদ্যালয়ৰ মুখ্য প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' উন্মোচন



Jublee Foundation আৰু মহাবিদ্যালয়ৰ IQACৰ সজাগতামূলক সভাৰ এটি দৃশ্য



আন্তঃ মহাবিদ্যালয় খো-খো প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰ আৰু ছাত্ৰীৰ দল দুটা



English Study Forum, Deptt. of English, ইংৰাজী বিভাগ আৰু সাহিত্য চ'ৰা, অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত কুইজ আৰু ৰচনা লিখা প্ৰতিযোগিতাৰ আয়োজক আৰু বিচাৰকমণ্ডলী



আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে LGBTQৰ বিষয়ে ভাষণৰত মুখ্য বিশিষ্ট অতিথি বক্তা



২০১৯-২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ নৱনিৰ্বাচিত ছাত্ৰ একতা সভাই শপত গ্ৰহণ কৰাৰ মুহূৰ্ত




তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ উদ্যোগত আয়োজিত 'কিতাপ : অতীত, বৰ্তমান আৰু ভৱিষ্যত' শীৰ্ষক আলোচনাচক্ৰৰ এটি মুহূৰ্ত



স্বচ্ছ মহোৎসৱত অংশ লোৱা আমাৰ মহাবিদ্যালয়ৰ দলটো



English Study Forum, Deptt. of Englishৰ উদ্যোগত আয়োজিত 'Concept of Moksha' শীৰ্ষক আলোচনাচক্ৰৰ এটি দৃশ্য



৪৭ সংখ্যক 'দক্ষিণ পট' উন্মোচনৰ দৃশ্য



সৰস্বতী পূজা উপলক্ষে ছাত্ৰ-ছাত্ৰীয়ে দেৱীলৈ পুষ্পাঞ্জলি অৰ্পণৰ এটি মুহূৰ্ত




মহাবিদ্যালয়ৰ ৫৯ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে বক্তৃতানুষ্ঠানৰ এটি মুহূৰ্ত



উত্তৰ প্ৰদেশৰ কুছিনগৰত অনুষ্ঠিত NYP শিবিৰত আমাৰ মহাবিদ্যালয়ৰ দলটো

ডিকেচিয়ানৰ হৃদয়ত অলেখ আশাৰ দাপোণ
দুচকুত ফুলে সোণাৰু-হালধীয়া সপোন.....

# ডিকেচিয়ানৰ অক্ষিপট

দীক্ষিত প্ৰকৃতিৰ আকুলতাত প্ৰত্যয়, জীৱন আৰু সংগ্ৰাম


গাঁৱলীয়া বাটেৰে...
■ ধনমণি দাস


মোৰ সুখ আৰু দুখৰ নামান্তৰ নদী...
■ ধনমণি দাস


উজ্জ্বলি অহাৰ বাটেৰে...
■ নয়নমণি দাস


আৰু কিছু বেলি দেখা দিবা নেকি?


প্ৰকৃতি আলাস...
■ চিন্তু মহন্ত


আত্ম নীক্ষণ
■ হিৰণ কলিতা


প্ৰত্যয় আৰু সংশয়...
■ নীতিস্মিতা বৰা


সমৃদ্ধি আৰু সপোন...


সূৰ্যাস্তত ৰুণময় হে বিশাল পথাৰ...
■ গৌতমী দাস


অবিৰত যাত্ৰা...
■ দীপজ্যোতি মেধি


মূৰ্ত-বিমূৰ্ত...
■ দিনমণি দাস


মালিগাঁৱৰ চিৰসেউজ আভৰণ


দৈনন্দিন...

# DAKSHIN PAT

Vol.-48: 2019-20

EDITOR : PRAGGYAN CHOUDHURY

